

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত
জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ২৯৫ ■ গুৱাহাটী ■ শনিবাৰ, ৪ জুন, ২০২২, ২০ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 295 Dainandin Barta ■ Guwahati, Saturday ■ 4 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



## পদ্মশ্ৰী সন্মানপ্ৰাপক যাদৱ পায়েঙৰ নাই আধাৰ কাৰ্ড



ৰাষ্ট্ৰীয় মানৱ অধিকাৰ অপৰাধ নিয়ন্ত্ৰণ কোষৰ উপায়ুক্তলৈ পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩ জুন ঃ** নিজ কৰ্মৰাজিৰে পদ্মশ্ৰী সন্মান লাভ কৰা তথা অসম গৌৰৱ 'দ্য ফৰেষ্ট মেন অৱ ইণ্ডিয়া' ■ ৮ পৃষ্ঠাত

### ঘাত-প্ৰতিঘাতক প্ৰত্যাহ্বান জনোৱা শিলঘাটৰ অসম সমবায় মৰাপাট কলৰ জীয়া কাহিনী

## প্ৰত্যাহ্বান নেওচি প্ৰতিমাহে গড়ে ৫ লাখ টকা লাভ অৰ্জন কৰিছে উদ্যোগটিয়ে



**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ৩ জুন ঃ** সমবায় খণ্ডত প্ৰতিষ্ঠিত ৰাজ্যৰ একমাত্ৰ মৰাপাট উদ্যোগ অসম সমবায় মৰাপাট কলটোৱে শেহতীয়াকৈ ৰাজ্যবাসীলৈ কঢ়িয়াই আনিছে সুখবৰ। বছৰ বছৰ ধৰি লোকচানৰ সন্মুখীন হৈ অহা উদ্যোগটিয়ে শেহতীয়াকৈ গড় ■ ৮ পৃষ্ঠাত

## অন্ধ্ৰপ্ৰদেশত গেছ নিৰ্গমন হৈ দুই শতাধিক মহিলা অসুস্থ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩ জুন ঃ** অন্ধ্ৰপ্ৰদেশৰ আনাকাপালে জিলাত পশু চিকিৎসাত ব্যৱহৃত ঔষধ কোম্পানী এটাত গেছ নিৰ্গত হোৱাৰ ফলত উদ্যোগটোৰ কাষতে থকা ব্ৰেণ্ডিক্স এপাৰেল ইণ্ডিয়া নামৰ এটা পোছাক প্ৰতিষ্ঠানৰ প্ৰায় ২০০গৰাকী মহিলা কৰ্মী অসুস্থ হৈ পৰে। পোৱাছ লেবৰেটৰী নামৰ কোম্পানীটোত গেছ নিৰ্গমন হোৱাৰ ঘটনাটো ঘটে। অন্ধ্ৰপ্ৰদেশৰ অচ্যুতপুৰম অঞ্চলৰ বিশেষ অৰ্থনৈতিক ক্ষেত্ৰত সংঘটিত হয় এই গেছ নিৰ্গমনৰ ঘটনা। কোম্পানীটোৰ পৰা গেছ নিৰ্গমন হোৱাৰ পিছতে কাষত থকা বস্ত্ৰ উদ্যোগত কাম ■ ৮ পৃষ্ঠাত

### আইপিএল ঃ ২০২২

## ক্ৰিকেটৰ ভগৱানৰ পুত্ৰ এতিয়াও অপৈণত



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩ জুন ঃ** বিশ্ববিখ্যাত ক্ৰিকেট প্ৰতিযোগিতা আইপিএলত ৩০ লাখ টকাত মুম্বাই ইণ্ডিয়ানছে দলে নিলামত ক্ৰয় কৰিছিল ক্ৰিকেটৰ ভগৱান শচীন তেণ্ডুলকাৰৰ পুত্ৰ অৰ্জুনক। যুৱ খেলুৱৈ হিচাপে ফাষ্ট বলাৰ আৰু ভাল বেটিং কৰিও স্কুল প্ৰতিযোগিতাত নাম কৰা অৰ্জুন তেণ্ডুলকাৰ সম্পূৰ্ণ প্ৰতিযোগিতাখনতেই ৰিজাৰ্ভ বেঞ্চত বহি থাকিবলগীয়া হয়। যদিও অভিলেখ সংখ্যক ৫ বাৰ চেম্পিয়ন হোৱা দলটোৱে এইবাৰ ভাল প্ৰদৰ্শন কৰিব নোৱাৰাৰ হেতু অন্তত শেষ খেল দুখনত অৰ্জুনে খেলিবলৈ অৰ্থাৎ আইপিএল অভিষেক ঘটিব বুলি মুম্বাই ইণ্ডিয়ানছৰ প্ৰাক্তন খেলুৱৈ তথা পিতৃ শচীনৰ লগতে অনুৰাগীয়ে আশা কৰিছিল। মূৰকত দুটা আইপিএল ছিজন শেষ, অৰ্জুন অপেক্ষাৰত পুনৰ আন এটা ছিজনলৈ। মুম্বাই ইণ্ডিয়ানছৰ মুখ্য প্ৰশিক্ষক শ্বেন বণ্ডে অৰ্জুন এতিয়াও পৈণত হোৱা নাই বুলি উল্লেখ কৰে। প্ৰশিক্ষক বণ্ডে অপৈণত অৰ্জুনৰ ক্ষেত্ৰত কয় যে, অৰ্জুনে বলিং আৰু বেটিং দুয়োটাতে আৰু উন্নতি কৰিব লাগিব আৰু উন্নত প্ৰশিক্ষণ বহু প্ৰয়োজন। আমি দলৰ বাবেহে চিন্তা কৰোঁ, কোনো খেলুৱৈক লৈ দল গঠন কৰা নহয়। অৱশ্যে এইবাৰ ২৪ জনীয়া সদস্যৰ মাজৰ পৰা ২১ জনীয়া সম্পূৰ্ণ দলটো নিৰ্বাচন কৰা হৈছিল বুলিও প্ৰশিক্ষক বণ্ডে উল্লেখ কৰে।

## বাক্সাৰ জিলা বিজেপিৰ কাৰ্যালয়ত দুৰ্বৃত্তৰ তাণ্ডৱ

### কাৰ্যালয়ৰ বেৰ ভাঙি লণ্ডভণ্ড-অগ্নিসংযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩ জুন ঃ** কেন্দ্ৰ তথা ৰাজ্যত বিজেপি দলৰ চৰকাৰ চলি থকাৰ সময়তে যোৱানিশা দলটোৰ বাক্সা জিলা সমিতিৰ কাৰ্যালয়ত ■ ৮ পৃষ্ঠাত



*গ্ৰাম্য পটভূমিৰ সোণালী ছবি। গঞাই মিলি-মেলি কাটিছে মুগা সূতা*

## ১০০ দিনত ভৰি দিলে ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াই আৰম্ভ কৰা যুদ্ধই

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩ জুন ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াই আৰম্ভ কৰা ৰক্তক্ষয়ী যুদ্ধই আজি ১০০ দিনত ভৰি দিলে। এই ১০০টা দিনত ৰাছিয়াৰ সেনাই ইউক্ৰেইনৰ ২০ শতাংশ অঞ্চলহে নিজৰ নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হৈছে। এনে সময়তে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলোডিমিৰ জেলেনস্কিয়ে কৈছে যে দৈনিক কমেও ১০০জনকৈ ইউক্ৰেইনৰ সৈন্য মৃত্যুমুখত পৰিছে। তেওঁ লগতে কয় যে ৰাছিয়াই এতিয়ালৈকে ইউক্ৰেইনৰ এক পঞ্চমাংশ অঞ্চল দখল কৰিছে। ২৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা যুদ্ধৰ ■ ৮ পৃষ্ঠাত

# সোণাৰি চাপৰিত শ শ গাহৰিৰ মৃত্যু

**গাহৰিৰ অস্বাভাৱিক মৃত্যুক লৈ চিন্তিত পশুপালক**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ঢকুৱাখনা, ৩ জুন ঃ** ঢকুৱাখনা মহকুমাৰ সোণাৰি চাপৰি অঞ্চলত অস্বাভাৱিকভাৱে শ শ গাহৰিৰ মৃত্যু হোৱাৰ ঘটনাই গাহৰি পালকসকলক চিন্তিত কৰি তুলিছে। কাৰণ বহু পৰিয়ালৰ সৰু-বৰ ভালেমান গাহৰিৰ মৃত্যু হোৱাত মূৰে-কপালে হাত দিবলগীয়া হৈছে গাহৰি পালকসকলে। তদুপৰি ব্যাপক লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে গাহৰি পালকসকল। বিশেষকৈ মিছিং অধ্যুষিত অঞ্চলসমূহত গাহৰি পালনৰ জৰিয়তে বহু পৰিয়াল আৰ্থিকভাৱে স্বাৱলম্বী ■ ৮ পৃষ্ঠাত

## ভৱিষ্যৎ গঢ়াৰ সপোন লৈ টুলুঙা নাও চলাই বিদ্যালয়লৈ যায় এজাক কণ কণ শিশুৱে

**বৰক্ষেত্ৰীৰ ছবি**



### হাজাৰ বাধাকো নেওচি মুকালমুৱাৰ কালাৰদিয়াত এজাক শিশুৰ আদিপাঠ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ৩ মে' ঃ** এজাক কণ কণ শিশুৰ শিক্ষা গ্ৰহণৰ দুৰন্ত হেঁপাহ। সম্প্ৰতি ভৰ বাৰিষাৰ সময়ত তথা গুণোৎসৱ চলি থকাৰ সময়তে কণ কণ শিশুসকলে বিপদসংকুলভাৱে টুলুঙা নাও চলাই ব্ৰহ্মপুত্ৰ নৈৰ এটি খৰস্ৰোতা সুঁতিৰ মাজেৰে যাত্ৰা কৰি প্ৰতিদিনে উপস্থিত হয় বিদ্যালয়ত। পিঠিত কিতাপৰ বেগ লৈ ভৱিষ্যৎ গঢ়াৰ সপোন লৈ টুলুঙা নাও চলাই বিদ্যালয়লৈ গৈ এতিয়া ব্যাপক চৰ্চা লাভ কৰিছে। উদ্দেশ্য এটাই, পঢ়ি-শুনি এজন ভাল মানুহ হোৱা। এই ঘটনা সংঘটিত হৈছে বৰক্ষেত্ৰীৰ প্ৰাণকেন্দ্ৰস্বৰূপ মুকালমুৱা মহকুমাৰ পৰা মাত্ৰ ডেৰ কিঃমিঃ দূৰৈৰ ব্ৰহ্মপুত্ৰৰ দাঁতিত অৱস্থিত কালাৰদিয়া ■ ৮ পৃষ্ঠাত



*কাৰ্বি আংলঙত বাহৰ দলঙৰেই গঞাই হৈছে ইপাৰ-সিপাৰ, শুকুৰবাৰৰ ছবি*

### কেৱল ঘোষণাতেই আবদ্ধ থাকিল মেৰাপানী মহকুমাৰ কাৰ্যকৰণ

■ উন্নয়ন খণ্ডৰ কাৰ্যালয়ত এটি কোঠা ■

## এজন কৰ্মচাৰীৰে চলিছে মেৰাপানী মহকুমা

**ৰাইজক দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ দাবী ৰাইজৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ৩ জুন ঃ** সাংবিধানিক নীতি অনুসৰি জনসংখ্যাৰ ওপৰত ভিত্তি কৰি প্ৰশাসনিক সুবিধাৰ কাৰণে মহকুমাসমূহ গঠন কৰা হয় যদিও, গোলাঘাট জিলাৰ বৃহত্তৰ দৈয়াং অঞ্চলৰ প্ৰায় দুই লাখ জনসাধাৰণক মেৰাপানী মহকুমা নামত সুদীৰ্ঘ ১৫টা বছৰে চূড়ান্ত প্ৰতাড়না কৰি আহিছে বিগত চৰকাৰসমূহে। ২০০১ চনতে সেই সময়ৰ তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই মেৰাপানী কৃষি মহকুমা ঘোষণা কৰি গেজেট নটিফিকেচন দি মেৰাপানীত কৃষি বিভাগৰ এটা কাৰ্যালয় স্থাপন কৰিছিল যদিও, ■ ৮ পৃষ্ঠাত

## গুৱাহাটীত আত্মগোপন কৰা ডবকাৰ চাবিনাক গ্ৰেপ্তাৰ

### দীৰ্ঘদিন পলাই থকাৰ অভিযোগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৩ জুন ঃ** কামৰ প্ৰলোভন দি বহিঃৰাষ্ট্ৰত মহিলা-যুৱতীক বিক্ৰী কৰাকে ধৰি কেইবাটাও অভিযোগত অভিযুক্ত হৈ থকা এগৰাকী মহিলাক ডবকা আৰক্ষীয়ে গুৱাহাটীত আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰিবলৈ ■ ৮ পৃষ্ঠাত

## মাণিকপুৰত জব্দকৃত বাৰ্মিজ চুপাৰি দাহ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৩ জুন ঃ** যোৱা বছৰ (৪জুন, ২০২১ ইংৰাজী তাৰিখে) গেৰুকাবাৰীত মাণিকপুৰ থানাৰ অধীনত উপ-পৰিদৰ্শক নৱজ্যোতি ৰয়ৰ নেতৃত্বত চলোৱা অভিযানত ৬,৮৬৪ কিলোগ্ৰাম ■ ৮ পৃষ্ঠাত

## মুকলি আকাশৰ তলতে ছাত্ৰ-ছাত্ৰীয়ে লৈছে জীৱনৰ আদিপাঠ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩ জুন ঃ** যোৱা এক জুনৰ পৰা ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে বাক্সা জিলাৰ বিদ্যালয়সমূহতো আৰম্ভ হৈছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ। শিক্ষাৰ গুণগত মান উন্নত কৰাৰ বাবে ৰাজ্যৰ শিক্ষা বিভাগে অনুষ্ঠিত কৰি আহিছে গুণোৎসৱ। পিছে বাক্সা জিলাৰ বহুকেইখন বিদ্যালয়ত আজিও নাই আন্তঃগাঁথনি। আন্তঃগাঁথনি অবিহনেই জিলাখনৰ কেইবাখনো বিদ্যালয়ত অনুষ্ঠিত হৈছে গুণোৎসৱ। আনহাতে, জিলাখনৰ এখন প্ৰাথমিক বিদ্যালয়ত ■ ৮ পৃষ্ঠাত

## কাজিৰঙাৰ ৰাজপথত এনফ'ৰ্চমেণ্টৰ চোকা দৃষ্টি


### আইন অমান্য কৰিলে ভৰিব লাগিব ২ হাজাৰ টকাৰ পৰা ৪ হাজাৰ টকা পৰ্যন্ত জৰিমনা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৩ জুন ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যজন্তুৰ নিৰাপত্তাৰ স্বাৰ্থত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত গোলাঘাট জিলাৰ এনফ'ৰ্চমেণ্ট বিভাগৰ যান-বাহনৰ ওপৰত চোকা দৃষ্টি প্ৰদৰ্শন। বানৰ সময়ত যাতে বন্যপ্ৰাণীসমূহে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি দক্ষিণ দিশে থকা কাৰ্বি পাহাৰলৈ ঢাপলি মেলোতে ■ ৮ পৃষ্ঠাত

## চৰাঞ্চলত বিদ্যুৎ সংযোগ দিয়াৰ নামত ধন সংগ্ৰহৰ অভিযোগ

### ৰাইচ মিলত বিদ্যুৎ সংযোগ-অনুমোদন ট্ৰেন্সফৰ্মাৰ দিয়াৰ নামত লক্ষাধিক টকা সংগ্ৰহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩ মে' ঃ** গোৱালপাৰা জিলাৰ ধূপধৰা বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ চৰাঞ্চলত বিদ্যুৎ সংযোগৰ নামত দুই দালালৰ বিৰুদ্ধে ন ন ধন সংগ্ৰহৰ তথ্য পোহৰলৈ অহাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চেঙাৰ চৰাঞ্চলত আজিজুৰ ৰহমান আৰু লুৎফৰ ৰহমানে সুদীৰ্ঘ দিন ধৰি বিদ্যুৎ সংযোগৰ নামত নীৰৱে চলোৱা অবাধ লুণ্ঠনৰাজৰ তথ্য পোহৰলৈ অহাৰ পিছতে ধাৰাবাহিকভাৱে বাতৰি পৰিৱেশন কৰাত ধূপধৰা বিদ্যুৎ উপ-সংমণ্ডলত তীব্ৰ জোকাৰণিৰ সৃষ্টি ■ ৮ পৃষ্ঠাত



*শিক্ষয়িত্ৰীৰ ৰূপত সাংসদ কুইন ওজা*

## বিদেশৰ পৰা অহা যাত্ৰীৰ তেজৰ নমুনা সংগ্ৰহ কৰিব তামিলনাডু চৰকাৰে

**মাংকি পক্স**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩ জুন ঃ** বিশ্বৰ কুৰিখনতকৈও অধিক দেশত ত্ৰাসৰ সৃষ্টি কৰা মাংকি পক্সক লৈ অধিক সতৰ্ক হৈ পৰিছে তামিলনাডুৰ চৰকাৰ। ৰাজ্যখনৰ স্বাস্থ্য বিভাগে ■ ৮ পৃষ্ঠাত

## শোণিতপুৰত ৯০টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ চাৰি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩ জুন ঃ** শোণিতপুৰৰ তিনিটা পৃথক স্থানত আজি আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই এক বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। তিনিওটা স্থানত আৰক্ষীয়ে অভিযান ■ ৮ পৃষ্ঠাত




*অনিল শইকীয়াক অভিনন্দন জনোৱাৰ ছবি*

### 'খুৰ্মা', 'তিলকুট' আৰু 'বালু শাহী' ঃ বিহাৰৰ সুস্বাদু খাদ্যই শীঘ্ৰে লাভ কৰিব জি আই টেগ

## বিহাৰৰ জিভালৈ পানী আনি দিয়া সুস্বাদু খাদ্যই লাভ কৰিব জি আই টেগ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩ জুন ঃ** নাবাৰ্ডৰ উদ্যোগত ভোজপুৰৰ উদৱন্ত নগৰৰ 'খুৰ্মা', গয়াৰ 'তিলকুট' আৰু সুস্বাদু 'বালু শাহী'ৰ বাবে ভৌগোলিক ইণ্ডিকেচন (জি আই) টেগ বিচাৰি আৱেদন জনোৱা হৈছে। শীঘ্ৰে এই খাদ্য-সামগ্ৰী কেইবিধে জি আই টেগ পোৱাটো প্ৰায় নিশ্চিত বুলি জানিব পৰা গৈছে। নাবাৰ্ড-বিহাৰৰ মুখ্য মহাপ্ৰবন্ধক সুনীল কুমাৰে কয় যে 'খুৰ্মা', 'তিলকুট' আৰু 'বালু শাহী'ৰ বাবে জি আই টেগ বিচাৰি



কৰা আৱেদনৰ প্ৰতি সংশ্লিষ্ট কৰ্তৃপক্ষই সঁহাৰি জনাইছে। তেওঁ কয়— 'আমি উৎপাদক সংস্থাৰ পঞ্জীয়নৰ সুবিধা প্ৰদানৰ প্ৰক্ৰিয়াত চলাই আছো। তিনি বিধ সামগ্ৰীৰ ক্ষেত্ৰত জি আই পঞ্জীয়নৰ বাবে আৱেদনকাৰী হ'ব।' ইয়াৰ পূৰ্বে বিহাৰৰ হাজিপুৰৰ বিখ্যাত 'চিনিয়া' প্ৰজাতিৰ কল, নালন্দাৰ জনপ্ৰিয় 'বাৱান বুটি' বাবেও জি আই টেগ বিচাৰি আৱেদন কৰা হৈছিল। একেদৰে গয়াৰ শৈলশিল্পৰ বাবেও জি আই টেগ বিচৰা হৈছিল। বিত্ত ■ ৮ পৃষ্ঠাত



# এশ-এবুৰি সমস্যাত কক্‌বকাই আছে ডাঃ ইলিয়াছ আলীয়ে অধ্যয়ন কৰা চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়

## পুখুৰীৰ পানীত পেলাই থ'ব লাগে ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ চাইকেল-বাইক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩ জুন ঃ** দৰঙৰ এখন পুৰণি আৰু সুনাম থকা চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খন স্থাপনৰ সুদীৰ্ঘ ৫৬ বছৰো এশ-এবুৰি সমস্যাৰে জৰ্জৰিত হৈ কক্‌বকাই থাকিবলগীয়া হৈছে।



চৰকাৰৰ শিক্ষা বিভাগে পূৰ্বৰ হাইস্কুলখনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰি আঞ্চলিক ৰাইজক এটা দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰিলে যদিও এতিয়াও বিভিন্ন সমস্যাত ভাৰাক্ৰান্ত বিদ্যালয়খন। পূৰ্বতকৈ বিদ্যালয়খনৰ শ্ৰেণীকোঠাসমূহৰ উন্নয়ন হৈছে যদিও আন্তঃগাঁথনিৰ নামত অতিকৈ দুখ লগা। বিদ্যালয়খনৰ সন্মুখ ভাগত পঞ্চায়তৰ জৰিয়তে এখন পকীপথ দিয়া হ'ল যদিও এতিয়াও উন্মুক্ত তিনিও দিশ। যাৰ বাবে বাধাহীনভাৱে গৰু-ছাগলী সোমাই কদৰ্য্যময় পৰিবেশ কৰি তোলে। পূৰ্বণিকলীয়া উল্লিখিত বিদ্যালয়খনত পূৰ্বতে চৌহদত মাটি দিয়াৰ কাম কেইবাবাৰো কৰা হৈছিল যদিও উন্নয়নৰ নামত বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰৰ হৈছে ইয়াৰ পৰা ধনী হোৱাৰ অভিযোগো উত্থাপন হৈছে। যাৰ বাবে বিদ্যালয় চৌহদত পুখুৰীসদৃশ হৈ থকা পানীত ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলে পেলাই থ'ব লাগে চাইকেল-বাইকসমূহ। বিভাগৰ পৰা বিদ্যালয়খনত কেইবাটাও বিল্ডিং নিৰ্মাণ কৰা হ'ল যদিও পালনাৰ্থি কৰি যোৱাৰ বাবেই সেইবোৰ জহি-খহি যোৱাৰ উপক্ৰম হৈছে। য'ত কম্পাসনৰ নামত বিষয়া-কৰ্মচাৰী, ঠিকাদাৰবৰ্গে পকেট ভাৰৰ হৈ পৰাৰ অভিযোগো উঠিছে। তদুপৰি বিদ্যালয়খনত কংগ্ৰেছ চৰকাৰৰ আমোলত ৰাজীৱ গান্ধী কম্পিউটাৰ আঁচনিত ৯টাকৈ কম্পিউটাৰ বিদ্যালয়খনত দিয়া হৈছিল যদিও সেইবোৰ কম্পিউটাৰ বিকল হোৱাত আজিও কোঠা এটাত বন্দী কৰি পৰিত্যক্ত অৱস্থাত পৰি থকাত ই ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাদানৰ পৰিবৰ্তে হৈ পৰে নিগনি-চিকাৰ আবাস। পৰিতাপৰ কথা যে বিদ্যালয়খনৰ অহা-যোৱা কৰাৰ পথটোও এজাক বৰষুণতে হৈ পৰে বোকা-পানীৰে পৰিপূৰ্ণ। য'ত ছাত্ৰ-ছাত্ৰীসকলে চাইকেল চলাই গ'লে পৰিব লাগে পিছলি। তদুপৰি বাইক এখনো নিব নোৱাৰি বিদ্যালয়খনলৈ। আনহাতে, বিদ্যালয়খনত ৯গৰাকীকৈ শিক্ষকৰ পদ এতিয়াও খালী হৈ আছে। যাৰ বাবে কোনো এজন শিক্ষকে কোনো এটা শ্ৰেণীত পাঠদান কৰিলে আন এটা শ্ৰেণীত পাঠদান কৰিবলৈ শিক্ষকৰ অভাৱ হয়। তৎসত্ত্বেও শিক্ষকসকলে প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি কষ্টকৈ কষ্ট নুবুলি সকলোবোৰ মোকাবিলা কৰি পাঠদান চলাই আছে। আজি তিনি বছৰে নাই এগৰাকী কাৰ্যালয় সহায়ক। উচ্চ বৰ্গৰ সহায়কগৰাকীয়ে তিনি বছৰ আগতে অৱসৰ গ্ৰহণ কৰাৰ পিছত আজিলৈ বিভাগে নিযুক্তি নিদিয়াত শিক্ষকসকলেই বিদ্যালয়ৰ সকলোবোৰ বিভাগীয় কামকাজ কৰিবলগীয়া হোৱাত অসুবিধাৰ সৃষ্টি হৈছে। অতিকৈ আশ্চৰ্যজনক কথা যে এইখন বিদ্যালয়ত অধ্যয়ন কৰিছিল ৰাজ্যৰ প্ৰখ্যাত চিকিৎসক পদ্মশ্ৰী ডাঃ ইলিয়াছ আলী। এইগৰাকী শ্ৰদ্ধাৰ ব্যক্তিৰ বাবেই বিগত মাহত বিদ্যালয়খন পৰিদৰ্শন কৰিছিল অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষক গোটে দাখিল কৰিছিল বিদ্যালয়ৰ সকলোবোৰ সমস্যা। শিক্ষামন্ত্ৰীগৰাকীয়েও সমস্যাবোৰ সমাধানৰ ব্যৱস্থা লোৱাৰ কথা উল্লেখ কৰাত শিক্ষক, ৰাইজে আনন্দ প্ৰকাশ কৰিছিল। কিন্তু এতিয়াও সমস্যাসমূহৰ ওপৰত একো দেখা নাই যদিও অচিৰেই হ'ব বুলি আশা ৰাখিছে সকলোৱে। ইফালে চেঙেলীয়াঝাৰবাসী ৰাইজৰ নয়নৰ মণিস্বৰূপ পদ্মশ্ৰী ডাঃ ইলিয়াছ আলীয়ে নিজ গৃহ গাঁৱৰ নিজে অধ্যয়ন কৰা বিদ্যালয়খনত নিজাববীয়াকৈ কিবা এটা কৰিব বুলি আশা ৰাখিছে ৰাইজে। বিধায়ক ড' পৰমানন্দ ৰাজবংশীয়ে বিদ্যালয়খনৰ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলি শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, ৰাইজে আশাৰে বাট চাই আছে। আনপিনে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰতুল চন্দ্ৰবাইয়ে শিক্ষানুষ্ঠানখনৰ স্বাৰ্থত দিনে-নিশাই পৰিশ্ৰম কৰাটো লক্ষণীয় বিষয়। অঞ্চলটোৰ চেঙেলীয়ান যুৱকসকলেও বিদ্যালয়খনৰ স্বাৰ্থত প্ৰধান শিক্ষকক সহায়-সহযোগিতা আগবঢ়াই থকাত ই ইন্ধন পৰা বুলি প্ৰকাশ।



# ধুবুৰীৰ ঐতিহাসিক শিখ মন্দিৰত শিখ ধৰ্মাৱলম্বী লোকৰ অৰ্জন দেৱজীৰ শ্বহীদ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩ জুন ঃ** ধুবুৰী জিলাৰ ঐতিহাসিক শিখ মন্দিৰত শিখ ধৰ্মাৱলম্বী লোকৰ মাজত আজি পুৱাৰে পৰাই অৰ্জন দেৱজীৰ শ্বহীদ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰে। ইয়াৰ পাছত মন্দিৰ চৌহদত শিখ ধৰ্মাৱলম্বী লোকসকলে মংগল পাঠ কৰি মন্দিৰৰ সন্মুখত ৰাস্তাত অহা-যোৱা কৰা জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো পদযাত্ৰী লোকসকলৰ মাজত ঠাণ্ডা চৰবত বিতৰণ কৰাৰ উপৰি দুপৰীয়া আহাৰৰ ব্যৱস্থা গ্ৰহণ কৰে মন্দিৰ কৰ্তৃপক্ষই।

# এঘাৰ জুন শনিবাৰে গুৱাহাটীত কৃষ্টি পথাৰ গোষ্ঠী আৰু আনন্দমুখৰ সাহিত্য পত্ৰিকাৰ উদ্যোগত অসম-বংগ মৈত্ৰী সন্মিলনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাউলী, ৩ জুন ঃ** এঘাৰ জুন শনিবাৰে বৰপেটাৰ কৃষ্টি পথাৰৰ সাহিত্য-সাংস্কৃতিক গোষ্ঠী আৰু কলিকতাৰ আনন্দমুখৰ সাহিত্য পত্ৰিকাৰ যৌথ উদ্যোগত অনুষ্ঠিত হ'ব 'অসম-বংগ মৈত্ৰী সন্মিলন'। উল্লেখ্য যে ২০০৫ চনত বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ নেউলাৰভিঠাত জন্মগ্ৰহণ কৰা কৃষ্টি পথাৰ সাহিত্য, সামাজিক, সাংস্কৃতিক কেন্দ্ৰই ২০২০ চনত বৰপেটাৰোড সাহিত্য সভা ভৱনত 'কৃষ্টি এৱাৰ্ডছ ২০২০'ৰ অনুষ্ঠানত অসম-বংগৰ মাজত সম্প্ৰীতিৰ এনাজৰীডাল অধিক কটকটীয়া কৰাৰ লগতে অসমীয়া ভাষা-সাহিত্য- সংস্কৃতিৰ চৰ্চা পশ্চিমবংগৰ বুকুত আগবঢ়াই লৈ যোৱাৰ বাবে 'অসম-বংগ মৈত্ৰী সন্মিলন'ৰ কথা ঘোষণা কৰিছিল আৰু তাৰ আৰম্ভণি হিচাপে ২০২১ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৩ তাৰিখে পশ্চিমবংগৰ শান্তি নিকেতনৰ গীতাঞ্জলি কমপ্লেক্সত প্ৰথম সন্মিলন অনুষ্ঠিত কৰা হৈছিল। কলিকতাৰ আনন্দমুখৰ সাহিত্য পত্ৰিকাৰ সৈতে যৌথভাৱে অনুষ্ঠিত কৰি অহা অসম- বংগ মৈত্ৰী সন্মিলন এইবেলি গুৱাহাটীৰ বিষ্ণু নিৰ্মলা ভৱনত ১১ জুন শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বুলি কৃষ্টিপথাৰৰ প্ৰতিষ্ঠাপক তথা প্ৰধান সম্পাদক মহানন্দ সৰকাৰ দত্তই জানিবলৈ দিছে। উক্ত অনুষ্ঠানত দুয়োখন ৰাজ্যৰ শতাধিক কবি, সাহিত্যিক, সাংবাদিক, সমাজকৰ্মী উপস্থিত থকাৰ লগতে অনুষ্ঠানত অসম-বংগ মৈত্ৰী সন্মান, ড° ভূপেন হাজৰিকা স্মাৰক সন্মান, বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ স্মৃতি সন্মান, হেমাংগ বিশ্বাস স্মৃতি সন্মান, অসম-বংগ মৈত্ৰী সমাজ সেৱা সন্মান, ভাৰত বন্ধু সন্মান, সমন্বয় বঁটা ইত্যাদি প্ৰদান কৰা হ'ব বুলি এক প্ৰেছ বিবৃতি যোগে অনুষ্ঠানৰ অন্যতম উদ্যোক্তা মহানন্দ সৰকাৰ দত্তই জানিবলৈ দিয়ে। দত্তই বিবৃতিত উল্লেখ কৰে যে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ সৈতে জড়িত প্ৰায় সকলোৱেই বাংলা ভাষা বুজি পায়, পঢ়িব পাৰে, পঢ়ে আৰু তাৰ বাবেই বাংলা কাব্য, সাহিত্যৰ সৈতে জড়িত কবি, লেখকসকলৰ অনুভৱৰ গভীৰতা সম্পৰ্কে আমি ধাৰণা ল'ব পাৰোঁ। অসমীয়া ভাষা চৰ্চাৰ সৈতে জড়িত কবি, সাহিত্যিকসকলৰ চিন্তা চৰ্চাৰ গভীৰতা বাংলা কাব্য, সাহিত্যৰ লগত জড়িতসকলে সূক্ষ্মভাৱে অনুভৱ কৰিব লাগিলে অসমীয়া গ্ৰন্থ বাংলালৈ অনুবাদ হোৱাৰ উপৰি অসমীয়া ভাষাৰ গ্ৰন্থসমূহ বাংলা ভাষাৰ কবি, সাহিত্যিক তথা পঢ়ুৱৈসকলে পঢ়িব পাৰিব লাগিব আৰু তাৰ বাবেই অসম বংগ মৈত্ৰী সন্মিলনৰ আয়োজন কৰা হৈছে। উক্ত সন্মিলনত সাহিত্য আৰু সংস্কৃতি প্ৰেমীসকলৰ উপস্থিতি কামনা কৰিছে মহানন্দ সৰকাৰ দত্তই।

# 'গংগাধৰৰ বৰ্মন ফাউণ্ডেচন' কৈহাটীৰ উদ্যোগত ১৭সংখ্যক বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩ জুন ঃ** নলবাৰী জিলাৰ কৈহাটী গাঁৱৰ 'গংগাধৰ বৰ্মন ফাউণ্ডেশ্বন'ৰ উদ্যোগত আৰু দৈনিক অসম, গুৱাহাটী, মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়, বানেকুছি, প্ৰেৰণা পুথিভঁৰাল, নতুন দেহৰ আৰু শোলমাৰা ফৰেষ্ট বীট অফিচৰ সহযোগত ৫ জুন, ২০২২ তাৰিখে নলবাৰীৰ মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়, বানেকুছিত বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱসটো পালন কৰিবলৈ আয়োজন কৰা হৈছে বুলি পৰিৱেশ দিৱস উদ্‌যাপন সমিতিৰ সভাপতি নৰ কুমাৰ শৰ্মা আৰু সম্পাদক গংগাধৰ বৰ্মনে জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাৰ পৰা গছপুলি ৰোপণ। নলবাৰী জিলাৰ সমাজ জীৱনৰ লগত জড়িত স্বনামধন্য ৪০গৰাকী ব্যক্তিয়ে বিদ্যালয় চৌহদত ১৫টা আৰু পথৰ দাঁতিত ২৫ টা গছপুলি ৰোপণ কৰি লগে লগে বেৰ দি সংৰক্ষণৰ ব্যৱস্থা কৰিব। পুৱা ১০ বজাত প্ৰেৰণা পুথিভঁৰাল নতুন দেহৰ শাখাৰ মুখ্য পৰিচালক বনজিত ডেকাৰ পৰিচালনাত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পুৱা ১০.৩০ বজাত গছপুলি বিতৰণ শুভাৰম্ভ কৰিব অসমীয়া খবৰ কাকতৰ কাৰ্যবাহী সম্পাদক বিশ্বজিৎ দাসে। মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়, বানেকুছিৰ অধ্যক্ষ নৰ কুমাৰ শৰ্মাৰ সভাপতিত্বত দিনৰ ১১ বজাত অনুষ্ঠিত হ'ব লগা পৰিৱেশ সজাগতা সভাখনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট ভূ-বিজ্ঞানী ড° অৰনী কুমাৰ ভাগৱতীয়ে। নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিব বিশিষ্ট গল্পকাৰ, চলচ্চিত্ৰ সমালোচক তথা দৈনিক অসমৰ বাৰ্তা সম্পাদক বিতোপন বৰবৰা, গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি তথা নিয়মীয়া বাৰ্তাৰ বাৰ্তা সম্পাদক মনোজ কুমাৰ নাথ আৰু প্ৰেৰণা পুথিভঁৰাল, বিহামপুৰৰ মুখ্য পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাই। সকলো কাৰ্যসূচীতে ৰাইজৰ সক্ৰিয় সহযোগ উদ্‌যাপন সমিতিয়ে শ্ৰদ্ধাৰে কামনা কৰিছে।

# শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত ব্ৰজাৱলী ভাষাৰ বিষয়ে কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজি প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে কৰ্মৰত 'ছ'চাইটী ফৰ শ্ৰীমন্ত শংকৰদেৱ' আৰু 'পৰম্পৰা প্ৰৱাহ'ৰ যৌথ উদ্যোগত গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ২১, ২২ আৰু ২৩ জুলাইত শংকৰী সংস্কৃতিত শুদ্ধৰূপত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগৰ ওপৰত এখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে আন্তঃৰাষ্ট্ৰীয় স্মৃতি সৌধ আৰু স্থান পৰিষদেও এই কৰ্মশালাত সহযোগিতা আগবঢ়াব। উক্ত কৰ্মশালাত ভাষাবিদ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে মুখ্য সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে নগাঁও মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° গিৰীকান্ত গোস্বামী প্ৰমুখ্যে কেইবাগৰাকী সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। এই কৰ্মশালাত ছ'চাইটী ফৰ শ্ৰীমন্ত শংকৰদেৱৰ সভাপতি ড° সঞ্জীৱ কুমাৰ বৰকাকতি, ছ'চাইটী ফৰ শ্ৰীমন্ত শংকৰদেৱৰ উপ-সভাপতি তথা পৰম্পৰা প্ৰৱাহৰ পৰিচালক ড° মল্লিকা কন্দলীয়ে (৯৪৩৫০১৩৫৭৭) সমন্বয়কৰূপে সেৱা আগবঢ়োৱাৰ লগতে এই কৰ্মশালাত সামগ্ৰিকভাৱে পৰিচালনাৰ দায়িত্বত থাকিব ছ'চাইটীৰ সাধাৰণ সম্পাদক মৃদু মৌচম বৰা, বিষয়ববীয়াসকল ক্ৰমে ছ'চাইটীৰ সমন্বয়ক প্ৰদীপ হাজৰিকা, উপ-সভাপতি ড° মধুচন্দা চলিহা ভূঞা (৯৪৩৫১৪৮০৯৮), সহকাৰী সম্পাদক অঞ্জনা তামুলী (৯৪৩৫১১৮৬০৭), প্ৰচাৰ সম্পাদক ড° বুলজিৎ বুঢ়াগোহাঁই (৯৪৩৫১৮৮৬৩০)। উক্ত কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে ৫০০ টকা পঞ্জীয়ন মাচুল আদায় দিব লাগিব।

# মৰাণৰ পথালিবামত বোৱাৰীৰ হত্যাকাণ্ডৰ লগত জড়িত পতি, শহুৰ-শাহুক আজি জে'ললৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৩ জুন ঃ** মৰাণত পহিলা জুনৰ নিশা এবছৰ পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা বোৱাৰীৰ আত্মহত্যা ঘটনাক লৈ সৃষ্টি হৈছিল তীব্ৰ চাঞ্চল্য। ডিব্ৰুগড় জিলাৰ মৰাণ থানাৰ অন্তৰ্গত মৰাণ পথালিবাম শলগুৰিৰ প্ৰাঞ্জল হাজৰিকাৰ পত্নী ভাৰতী চাংমাই হাজৰিকাই পহিলা জুনৰ নিশা আত্মহত্যা কৰা বুলি পৰিয়ালৰ লোকে গাঁৱৰ ৰাইজক অৱগত কৰিছিল যদিও গাঁৱৰ ৰাইজ আৰু ভাৰতী চাংমাই হাজৰিকাৰ পিতৃ পৰিয়ালে এয়া পৰিকল্পিত হত্যাকাণ্ড বুলি দাবী কৰিছিল। যিহেতু মৃত ভাৰতী চাংমাই হাজৰিকাৰ শৰীৰত আঘাতৰ চিহ্ন স্পষ্টকৈ প্ৰত্যক্ষ কৰিছিল ৰাইজে। ঘটনা সন্দৰ্ভত ভাৰতীৰ পিতৃৰ পৰিয়ালে মৰাণ থানাত এজাহাৰ দাখিল কৰাৰ পাছত মৰাণ আৰক্ষীয়ে ভাৰতীৰ স্বামী প্ৰাঞ্জল হাজৰিকা (২৪), শহুৰ অজিত হাজৰিকা ওৰফে বগা (৫৫) আৰু শাহু বিজয়া হাজৰিকাক (৫২) আটক কৰি অধিক সোধা-পোছা কৰাৰ পাছত আজি ডিব্ৰুগড় জিলা মৰাণ থানাৰ আৰক্ষীয়ে ৬২/২০২২নং গোচৰ পঞ্জীয়ন কৰি ১২০(বি)/৩০৪ (বি)/৩০২ ধাৰাত মৃত ভাৰতীৰ স্বামী প্ৰাঞ্জল হাজৰিকা, শহুৰ অজিত হাজৰিকা আৰু শাহু বিজয়া হাজৰিকাৰ গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছে। হত্যাকাণ্ডৰ কাৰণ যৌতুকজনিত বুলি মৃত ভাৰতী পিতৃ পৰিয়ালে দাবী কৰিছে। আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ পাছতহে প্ৰকৃত কাৰণ জানিব পৰা যাব বুলি জানিবলৈ দিছে।

## জাননী

ইয়াৰ দ্বাৰা নিলাম কমিটিয়ে জানিবলৈ দিছে যে মহামান্য SDJM[M] গোসাইগাঁও আদালতৰ নিৰ্দেশ মৰ্মে গোসাইগাঁও থানাৰ Case No 17/22 u/s 379/411 Ipc R/W section 4/5 The Assam cattle presentation Act 2021 সংক্ৰান্তে জব্দকৃত মুঠ ৪ (চাৰিটা) মতা গৰু অহা ইংৰাজী ৬যড৬য২০২২ তাৰিখেৰ ৰাতিপুৱা ১০ বজাৰ পৰা আবেলী ২ বজাৰ ভিতৰত নিম্ন উল্লেখিত স্থানত নিলাম যোগে বিক্ৰী কৰা হব। ইচ্ছুক ক্ৰেতাক উক্ত তাৰিখৰ দিনা যথা সময়ত উপস্থিত থাকিবলৈ ইয়াৰ দ্বাৰা জনোৱা হ'ল।

**নিলামৰ স্থান ঃ**
S D Livestock centre &
Shelter House
Damrapara,Srirampur.

# গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়াক শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৩ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ নৱ-নিযুক্ত মহকুমা আৰক্ষী বিষয়া হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা অসম আৰক্ষী সেৱাৰ বিষয়া নৱনিতা শৰ্মাক কালি বিয়লি শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সেই উপলক্ষে শ্ৰীৰামপুৰ দেশবন্ধু কালচাৰেল ক্লাব কাম লাইব্ৰেৰী প্ৰাংগণত আয়োজিত সভাত শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি স্বপন কুমাৰ এছৰ সভাপতিত্ব অনুষ্ঠিত সভাত পুষ্প স্তৱক, ফুলাম গামোচা, শৰাই আদিৰে মহকুমা আৰক্ষী বিষয়া গৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে প্ৰেছ ক্লাবৰ সভাপতি স্বপন কুমাৰ এছ, সাধাৰণ সম্পাদক অৰুণ গুপ্তা, সহঃ সম্পাদক আজিজুল হক, মুখ্য উপদেষ্টা জ্যোতিপ্ৰসাদ তালুকদাৰ, সাংবাদিক কামাখ্যা সৰকাৰ, বিশ্বজিত চৌধুৰী, জিৰান আলী মজুমদাৰ আদিয়ে। মহকুমা আৰক্ষী বিষয়া শৰ্মাই তেওঁৰ বক্তব্যত কয় যে, 'গোসাঁইগাঁও, শ্ৰীৰামপুৰ সম্পৰ্কে সৰুৰে পৰাই বিভিন্ন কথা শুনি আছিলো। কিন্তু ইয়াত কৰ্তব্যত যোগদান কৰি খন্তেক সময়ৰ ভিতৰত যিমানখিনি অনুভৱ হৈছে ইয়াৰ মানুহ যথেষ্ট অতিথিপৰায়ণ, শান্তি প্ৰিয়। মই আৰক্ষী বিষয়া হিচাপে আইন-শৃংখলাৰ গধুৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ ক্ষেত্ৰত ৰাইজৰ সৰ্বতোভাবে সহায়-সহযোগিতা বিচাৰো। বিশেষকৈ সুস্থ-সুন্দৰ সমাজ গঢ়াৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা অপৰিসীম। মই সংবাদ মাধ্যমৰ দিহা-পৰামৰ্শ সদায় আশা কৰোঁ। জ্যেষ্ঠ সাংবাদিক জ্যোতি প্ৰকাশ তালুকদাৰে তেওঁৰ বক্তব্যত কয় যে বাহ্যিক দৃষ্টিত শ্ৰীৰামপুৰ সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰাটো সৰ্বজনবিদিত। কিন্তু অন্তৰ্দৃষ্টিত শ্ৰীৰামপুৰ ঠাইডোখৰ সম্পূৰ্ণ বিপৰীত স্থিতিত অৱস্থান কৰে। শ্ৰীৰামপুৰত সকলো জাতি-জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধ, শান্তিৰ পৰিৱেশ অটুট ৰখাৰ ক্ষেত্ৰত ইয়াৰ ৰাইজ তথা আৰক্ষীৰ ভূমিকা অতুলনীয় বুলি কয় তালুকদাৰে। শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি স্বপন কুমাৰ এছে নৱাগত মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মাৰ নেতৃত্বত আইন-শৃংখলা সঠিক দিশত আগুৱাই যাব বুলি আশা প্ৰকাশ কৰে। নিজৰ ব্যস্ততাৰ মাজত আয়োজিত সভাত উপস্থিত হোৱাত আৰক্ষী বিষয়াগৰাকীক প্ৰশংসা কৰে শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতিগৰাকীয়ে। একেখন মঞ্চত শ্ৰীৰামপুৰ দেশবন্ধু কালচাৰেল ক্লাব কাম লাইব্ৰেৰীৰ সভাপতি বিবেক ৰায়, সম্পাদক বাসুদেৱ চৌধুৰী আৰু সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ সভাপতি বিশ্বজিৎ চৌধুৰীয়ে মহকুমা আৰক্ষী বিষয়াগৰাকীক ফুলম গামোচা আৰু উত্তৰীয় দি সম্বৰ্ধনা জ্ঞাপন কৰে।

# মৰাণত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা-২০২২

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৩ জুন ঃ** বৃহত্তৰ মৰাণ অঞ্চলৰ সাহিত্য - সংস্কৃতি চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ উদ্যোগত, মৰাণবাসী ৰাইজৰ সহযোগত জোনাকী মেলৰ সপ্তদশ বৰ্ষপূৰ্তি উপলক্ষে ২৩ আৰু ২৪ জুলাইত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত-২০২২ প্ৰতিযোগিতা পাতিবলৈ লোৱা হৈছে। এই উপলক্ষে ইতিমধ্যে বাছা বৰাক সভাপতি, বিপুল গগৈক কাৰ্যকৰী সভাপতি, দ্বিজেন্দ্ৰ নাথ দত্তক সম্পাদক, সত্যৰঞ্জন বুঢ়াগোহাঁই আৰু মনোজ কলিতাক যুটীয়া সম্পাদক, যদুনাথ পুৰীক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। প্ৰতিযোগিতাখন নিম্ন আৰু উচ্চ দুটা শাখাত অনুষ্ঠিত হ'ব। নিম্ন শাখাত প্ৰথম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ। উচ্চ শাখাত অষ্টম শ্ৰেণীৰ পৰা মুকলি থাকিব। গীতৰ লগত বাদ্য সংগতকাৰীৰ ব্যৱস্থা সমিতিয়ে কৰিব যদিও ইচ্ছুক প্ৰতিযোগীয়ে নিজেও লগত আনিব পাৰিব। প্ৰতিযোগীয়ে ট্ৰেক মিউজিক ব্যৱস্থা কৰিব নোৱাৰিব। দুয়োটা শাখাৰে পুৰস্কাৰসমূহ প্ৰথম, দ্বিতীয় আৰু তৃতীয় তিনিটা ভাগত নগদ ধনসহ মানপত্ৰ দিয়া হ'ব। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ দহ হাজাৰ, দ্বিতীয় পুৰস্কাৰ সাত হাজাৰ আৰু তৃতীয় পুৰস্কাৰ পাঁচ হাজাৰ টকা থাকিব। সেই দৰে নিম্ন শাখাত প্ৰথম পুৰস্কাৰ আঠ হাজাৰ, দ্বিতীয় পুৰস্কাৰ পাঁচ হাজাৰ আৰু তৃতীয় পুৰস্কাৰ হিচাপে তিনি হাজাৰ নিৰ্ধাৰণ কৰা হৈছে। নামভৰ্তিৰ মাচুল উচ্চ শাখাত পাঁচশ টকা আৰু নিম্ন শাখাত তিনিশ টকা। প্ৰতিযোগিতাৰ স্থান অৰুণোদয় সংঘ মৰাণ লাচিত নগৰ। টকা জমা দিয়াৰ ঠিকনা– Junakimel. Moran Utjapon samity . A/C Name -7185010144131 IFSC Code—PUNBORRBAG প্ৰতিযোগিতাৰ বাবে ভূপেন্দ্ৰ সংগীত সমিতিৰ দ্বাৰা নিৰ্ধাৰণ কৰা নহয়। বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। প্ৰতিযোগিতাখনত যোগদানৰ অন্তিম তাৰিখ ১৫ জুলাই। যোগাযোগৰ ফোন নম্বৰ হ'ল - ৯৯৫৪৬০৭৮৬৬, ৮৩৬৮৯৭৫৬১৯, ৯৯৫৭৩৩৯৫৪৭, ৯১০১৬৭৫৪৭১ অথবা ৯৪৩৫১৮২৮২৫।

# নৰেন্দ্ৰ মোদীৰ আঠবছৰীয়া কাৰ্যকালৰ জনকল্যাণমুখী আঁচনিসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে বিজেপিৰ ধুবুৰী জিলা কাৰ্যালয়ত সংবাদ মেল সম্বোধন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গৌৰৱময় আঠবছৰীয়া কাৰ্যকালৰ জনকল্যাণমুখী আঁচনিসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে আজি ভাৰতীয় জনতা পাৰ্টীৰ ধুবুৰী জিলা কাৰ্যালয়ত এখন সংবাদ মেল সম্বোধন কৰা হয়। উক্ত সংবাদ মেলত ভাৰতীয় জনতা পাৰ্টীৰ ধুবুৰী জিলাৰ সভাপতি প্ৰসেনজিত দত্ত, ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰঞ্জিত ৰায়, জিলা উপ-সভানেত্ৰী মায়াৰানী ৰায়, জিলা কোষাধ্যক্ষ তাৰকেশ্বৰ পাল, জিলা সম্পাদক ভাগীৰথ ওজা, কৃষক মৰ্চাৰ সভাপতি অমিত আগৰৱালা, ধুবুৰী টাউন মণ্ডলৰ সভাপতি দিলীপ সিং, অ'বিচি মৰ্চাৰ জিলা সভাপতি উত্তম প্ৰসাদ আৰু মহিলা মৰ্চাৰ সভানেত্ৰী ইন্দিৰা সিংহ চৌধুৰী। সংবাদ মেলত ধুবুৰীৰ সংবাদদাতাসকল উপস্থিত থাকে। উক্ত সভাত ১০জন প্ৰগতিশীল কৃষক আৰু ১০ৰ অধিকসংখ্যক প্ৰধানমন্ত্ৰী আৱাস যোজনা, বিনামূল্যে বিদ্যুৎ সংযোগ, উজ্জ্বলা ৰন্ধন ন্যাস হিতাধিকাৰীসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।




# পথ নিৰ্মাণত বিসংগতি ঃ নিৰ্মাণৰ পিছতেই বখলা-বখলে এৰিলে পকী পথ ঃ নাজিৰাত ৰাইজৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩ জুন ঃ** নাজিৰা নগৰৰ সমীপৰ ৰজাপুল ভেবৰচুক গাঁৱৰ নৱ-নিৰ্মিত পকী পথটো নিৰ্মাণৰ পিছতে বখলা বখলে এৰি যোৱাত ক্ষুব্ধ হৈ পৰিছে স্থানীয় ৰাইজ। লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দায়িত্বহীনতাৰ বাবেই ঠিকাদাৰে নিম্নমানৰে পথৰ নিৰ্মাণ কাৰ্য সম্পাদন কৰাৰ অভিযোগ উত্থাপিত কৰি আজি স্থানীয় ৰাইজে ৰাজপথলৈ ওলাই আহি বিভাগীয় বিষয়া-ঠিকাদাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পথটো নিৰ্মাণ কালতে বিভাগীয় কৰ্তৃপক্ষক ৰাইজে অৱগত কৰাৰ পিছতো কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ কৰি আজি বৃহৎসংখ্যক পুৰুষ-মহিলা ৰাজপথত বিভাগৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে মুখৰ হৈ পৰে। নাজিৰা ৰজাপুলৰ ভেবৰ চুক গোহাঁই গাঁৱৰ যোগাযোগৰ একমাত্ৰ পথটো নিৰ্মাণত ব্যাপক বিসংগতিৰ অভিযোগ তোলাতে ক্ষান্ত নাথাকি প্ৰমাণ স্বৰূপে স্থানীয় ৰাইজে পথটোৰ পকী অংশ হাতেৰে বখলা-বখল কৰি এৰুৱাই স্থানীয় সংবাদ মাধ্যমৰ আগত প্ৰদৰ্শন কৰে। নাজিৰা ৰজাপুল-শেনআলি সংযোগী পথটো বছৰ বছৰ ধৰি বোকাময় হৈ আহিছিল। ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই নৱ-নিৰ্মিত পকী পথছোৱা লোক নিৰ্মাণৰ বিভাগৰ অধীনত গগৈ উপাধিৰ এজন ঠিকাদাৰে নিৰ্মাণ কৰিছিল। পথছোৱা পকীকৈ নিৰ্মাণৰ বাবে ধনৰ আবণ্টন আছিল ২,৪৮,৫১,৭০০। কিন্তু পথ নিৰ্মাণত আবণ্টিত এই ধনৰাশিৰ অধিকাংশ আত্মসাৎ কৰি নিম্ন মানৰে পথ নিৰ্মাণ কৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। ইয়াৰ উপৰি পথছোৱাৰ ওপৰেৰে যোৱা দলংখনৰ কামো শামুকীয়া গতিৰে আগবঢ়াৰ বাবেই যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিছে স্থানীয় ৰাইজে। অঞ্চলটোৰ যোগাযোগৰ একমাত্ৰ পথটোৰেদি অন্যান্য অঞ্চলৰ লগতে চিকিৎসালয়, ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়-মহাবিদ্যালয়লৈ চলাচল কৰিব লগা হয়। ফলত স্বাভাৱিকতে লোক নিৰ্মাণ বিভাগৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে স্থানীয় ৰাইজ।

## ৰাশিফলত আজিৰ দিনটো

২০ জেঠ, শনিবাৰ, ৪ জুন, ১৪২৯ ভাস্কৰাব্দ,
তিথি ঃ শুক্লা পঞ্চমী, নক্ষত্ৰ ঃ পুষ্যা, জন্ম ৰাশি ঃ কৰ্কট
সূৰ্যোদয়- ৪-৩৫-৩৪ সূৰ্যাস্ত- ৬-৬-২৭

■ **মেষ** ঃ শৰীৰ পীড়া ■ **বৃষ** ঃ বন্ধুৰ সহায় ■ **মিথুন** ঃ ব্যস্ততা ■ **কৰ্কট** ঃ বিদ্যাৰ্থীৰ শুভ ■ **সিংহ** ঃ পিতৃবিৰোধ ■ **কন্যা** ঃ পদোন্নতি ■ **তুলা** ঃ ৰাজসাহায্য লাভ ■ **বৃশ্চিক** ঃ শুভ সংবাদ ■ **ধনু** ঃ কৰ্মলাভ ■ **মকৰ** ঃ কৰ্মত বাধা ■ **কুম্ভ** ঃ শত্ৰুহানি ■ **মীন** ঃ ব্যৱসায় বৃদ্ধি।

# বকোৰ বৰুৱা বামুণবড়ীত চিকিৎসক মুন্না আহমেদক সম্বৰ্ধনা বৰুৱা আঞ্চলিক যুৱক সংঘৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩ জুন ঃ** কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰুৱা বামুণবড়ী গাঁৱৰ চিকিৎসক মুন্না আহমেদক আজি উষ্ণ আদৰণি জনোৱা হয়। জানিব পৰা মতে বৰুৱা বামুণবড়ী অঞ্চলৰ অৱসপ্ৰাপ্ত প্ৰধান শিক্ষক আছেন আলী আৰু ছালেহা আহমেদৰ দ্বিতীয় সন্তান ডাঃ মুন্না আহমেদ এগৰাকী বিশিষ্ট চিকিৎসক। আজি চিকিৎসকগৰাকীক অঞ্চলবাসীৰ লগতে বৰুৱা আঞ্চলিক যুৱক সংঘৰ এটা সঁজাতী দলে চিকিৎসকগৰাকীৰ নিজা বাসভৱনত সম্বৰ্ধনা জনায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত চিকিৎসকগৰাকীয়ে 'মই সৰ্বসাধাৰণ ৰাইজৰ বাবে কাম কৰি যাম' বুলি মন্তব্য কৰে। উক্ত সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰে বালিঝাৰ আঞ্চলিক যুৱক সংঘৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি আবুল কালাম আজাদ, সাধাৰণ সম্পাদক শ্বাহ জালাল আহমেদ, বৰুৱা আঞ্চলিক যুৱক সংঘৰ সাধাৰণ সম্পাদক হবিবৰ ৰহমান, আব্দুল মতালেবৰ লগতে যুৱক সংঘৰ নেতৃবৰ্গই।

# তীৰ-জুৱা খেলৰ বিৰুদ্ধে ভূৰাগাঁও আৰক্ষীৰ অভিযানত নগদ ধনসহ ৬জনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩ জুন ঃ** সৰ্বত্ৰ তীৰ-জুৱাৰ বিৰুদ্ধে ভূৰাগাঁও আৰক্ষীৰ মাৰথন অভিযান। কিন্তু তাৰ মাজতে এতিয়াও একাংশই চলাই আছে তীৰ-জুৱাৰ ঘাটি। মৰিগাঁও জিলাৰ ভূৰাগাঁৱত যোৱা নিশা পুনৰ ভূৰাগাঁও আৰক্ষীৰ তীব্ৰ অভিযানত আটক কিশোৰ দে' নামৰ এজন তীৰৰ বুকিৰ লগতে দুই তীৰ খেলুৱৈ কমৰ উদ্দিন আৰু মহম্মদ ৰফিক। ভূৰাগাঁও চাৰিআলিত এখন চাহৰ হোটেলত চলি আছিল এই তীৰৰ ঘাটি। তীৰৰ বুকিৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিছে প্ৰায় পাঁচ হাজাৰ টকাৰ লগতে এটা ম'বাইল ফোন, বহু পৰিমাণৰ তীৰৰ বুক। আনহাতে, ভূৰাগাঁও থানাৰ অন্তৰ্গত হলৌকান্দাতো বৃহস্পতিবাৰে নিশাই জুৱাৰ ঘাটিৰ বিৰুদ্ধে অভিযান ভূৰাগাঁও আৰক্ষীৰ। আৰক্ষীৰ অৱস্থিতি জানি বহুকেইটা জুৱাৰীয়ে পলায়ন কৰে যদিও আবুল বাশ্বাৰ নামৰ জুৱাৰীটো আৰক্ষীৰ জালত পৰে। নিশা আবুল বাশ্বাৰৰ স্বীকাৰোক্তিৰ ভিত্তিত পলায়ন কৰা আন দুই জুৱাৰী ক্ৰমে ছহিদুল আৰু চুলতান আলীকো ১৫ হাজাৰ টকাসহ আটক কৰিবলৈ সক্ষম হয় ভূৰাগাঁও আৰক্ষী। সমগ্ৰ অভিযানটো চলিছিল ভূৰাগাঁও থানাৰ উপ পৰিদৰ্শক পংকজ বৰাৰ নেতৃত্বত। তীৰ-জুৱাৰ বিৰুদ্ধে ভূৰাগাঁও আৰক্ষীৰ পদক্ষেপক শলাগ লৈছে অঞ্চলবাসীয়ে।

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

৪ জুন, ২০২২ ■ শনিবাৰ ■ গুৱাহাটী ■ ২০ জেঠ, ১৯৪৪ শক




## চৰকাৰ-জনপ্ৰতিনিধিৰ প্ৰতাৰণাত ক্ষুব্ধ ৰাইজ ঃ ৰাইজৰ দান-বৰঙণিৰে শিঙৰা নদীৰ ওপৰত নিৰ্মাণ কৰিলে বৃহৎ বাঁহৰ দলং



**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৩ জুন ঃ** একবিংশ শতিকাতো উন্নয়নৰ পোহৰ দেখিবলৈ নোপোৱা লখিমপুৰ জিলাৰ ১১০ নং নাওবৈচা সমষ্টিৰ অন্তৰ্গত কোনো-বৰপথাৰ আৰু বৰছুলা গাঁৱৰ ৰাইজে প্ৰাকৃতিক প্ৰতিকূলতা, ৰাজ্যখনীয়াৰ চূড়ান্ত অৱহেলা তথা জনপ্ৰতিনিধি প্ৰতাৰণাৰ বাবেই এই দুয়োখন গাঁৱৰ ৰাইজ তিনি শতাধিক পৰিয়ালে বছৰ বছৰ ধৰি জীয়াতু ভুগি আহিছে যাতায়াত, চিকিৎসা,শিক্ষা আদিৰ ক্ষেত্ৰত। গাঁও দুখনৰ মাজেদি পাৰ হৈ শিঙৰা নদী আৰু বিধ্বস্ত বাট-পথৰ ফলত বাৰিষাত গাঁও দুখনৰ ৰাইজে প্ৰায় কটাব লাগে গৃহবন্দীৰ দৰে জীৱন। উল্লেখযোগ্য যে স্বাধীনতা ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো শিঙৰা নদীৰ ওপৰত নহল এখন বিকল্প পকী দলং । শিঙৰা নদীৰ ওপৰত দ্বিতীয় তথা বিকল্প এখন পকী দলং নিৰ্মাণ কৰিবলৈ বিভিন্ন সময়ত বিধায়ক, সাংসদ, তথা পঞ্চায়ত প্ৰতিনিধিক আবেদন-নিবেদন কৰি অহাৰ পিছতো আজিকোপতি কোনোধৰণৰ সঁহাৰি নাপালে। যাৰ ফলত গাঁও দুখনৰ ৰাইজে কেতিয়াবা একাঠু, একঁকাল আৰু কেতিয়াবা এডিঙি বা সাঁতুৰি হলেও পাৰাপাৰ কৰি অব্যাহত ৰাখিছে বহিঃজগতৰ সৈতে যোগাযোগ ।ইফালে গাঁও দুখনৰ কনকন ছাত্ৰ-ছাত্ৰীসকলে শিঙৰা নদীৰ আনটো প্ৰান্তত থকা বৰছুলা বহুমুখী হাই স্কুল, বৰছুলা বজাৰ এম ই স্কুল, বৰছুলা প্ৰাথমিক স্কুললৈ দৈনিক বিপদসংকুলভাৱে পাৰাপাৰ কৰি যাবলগীয়া হোৱাত চিন্তিত হৈ পৰিছে অভিভাৱক ৰাইজে ।যাৰ ফলত বাৰিষা বা পানী বাঢ়িলে কণ কণ ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ যোৱাৰ পথ বন্ধ হৈ পৰে । আনহাতে গাঁওখনৰ বিধ্বস্ত বাট-পথ তথা শিঙৰা নদীৰ ওপৰত দলং নথকাত গাঁওখনৰ ৰাইজে ৰোগীক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰত চৰম যাতনা ভোগ কৰি আহিছে। কেৱল নিৰ্বাচনৰ সময়ত বিভিন্ন ভুৱা প্ৰতিশ্ৰুতিৰে বিধায়ক, সাংসদ, পঞ্চায়ত প্ৰতিনিধিসকলে ৰাইজক ভোট বিচাৰি আহে যদিও জয়ী হোৱাৰ পিছত ৰাইজক দিয়া প্ৰতিশ্ৰুতিবোৰ বাস্তৱ ৰূপায়নৰ বাবে কাৰোবে আহৰি নোহোৱা বুলি অভিযোগ কৰিছে গাঁওবাসীয়ে। যাৰ ফলত সোমবাৰে বৰছুলা আৰু বৌডোং বৰপথাৰ গাঁৱৰ ৰাইজে চৰকাৰ কিম্বা জনপ্ৰতিনিধিলৈ আৰু ভৰসা নকৰি নিজা দান-বৰঙনিৰে শিঙৰা নদীৰ ওপৰত পুৰুষ-মহিলা উভয়ে ওলাই আহি বাঁহ আৰু কাঠেৰে এনেদৰে বৃহৎ দৈৰ্ঘ্যৰ দলং সাজি ৰূপায়ণ কৰে শ্ৰমদান কাৰ্যসূচী।

## পূব কোঁৱৰপূৰ সমবায় সমিতিৰ নিৰ্বাচনত ১৫গৰাকী কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থীৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩ জুন ঃ** ইটোৰ পিছত সিটো নিৰ্বাচনত পৰাজয়বৰণ কৰা কংগ্ৰেছৰ মুখত অৱশেষত জয়ৰ হাঁহি বিৰিঙিল। আজি শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পূব কোঁৱৰপূৰ সমবায় সমিতিৰ নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাত কংগ্ৰেছৰ প্ৰাৰ্থীসকলে সমবায়খনত বিজয়ৰ নিচান উৰুৱাবলৈ সক্ষম হয়। আজি সমবায়খনৰ ঘোষিত ফলাফলত সমবায় সমিতিখনৰ পৰা প্ৰাৰ্থিত আগবঢ়োৱা ১৫ গৰাকী কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। উল্লেখ্য যে শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত মঞ্জীৰ গগৈৰ নেতৃত্বত শিৱসাগৰ কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰথমটো নিৰ্বাচনত জয়লাভ কৰাত দলটোৰ কৰ্মীসকল আজি উৎফুল্ল হৈ পৰে। এই জয়লাভক লৈ নৱ নিৰ্বাচিত সভাপতি মঞ্জীৰ গগৈয়ে কৰ্মীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

### আমগুৰি আৰু হালোৱাটিঙত সক্ৰিয় গৰু সৰবৰাহ চক্ৰ

## আৰক্ষীৰ অভিযানত জব্দ এখন টাটা এচিসহ আঠটাকৈ গৰু

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ৩ জুন ঃ** ৰাজ্যত অব্যাহত গৰু সৰবৰাহ চক্ৰ। এইবাৰ শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী আমগুৰি আৰু হালোৱাটিঙত সক্ৰিয় গৰু সৰবৰাহ চক্ৰ। যোৱা নিশা আমগুৰি আৰু হালোৱাটিং আৰক্ষীয়ে অভিযান চলাই এখন গৰুভৰ্তি টাটা এচি জব্দ কৰিবলৈ সক্ষম হয়। হালোৱাটিং আৰক্ষী থানাৰ লোপদৰ সমীপৰ পৰা AS-04-BC-8004 নম্বৰৰ গাড়ীসহ আৰক্ষীৰ অভিযানকাৰী দলে আঠটাকৈ গৰু জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আমগুৰি আৰক্ষী থানাৰ মঁহৰাজান, চামগুৰি, নামতিৰ লগতে মিছাজান আৰু হালোৱাটিঙৰ পৰা নাগালেণ্ডলৈ অবৈধভাৱে গোপনে সৰবৰাহ হৈ আছে গৰু সৰবৰাহ। বিশেষ সূত্ৰে জানিব পৰা মতে গুটু আৰু আব্দুল হায়াটৰ নেতৃত্বত হালোৱাটিঙত নাগালেণ্ডলৈ অবৈধভাৱে গৰু সৰবৰাহ কাৰ্য চলাই আহিছে। আমগুৰি আৰু হালোৱাটিং আৰক্ষীৰ চকুত ধূলি দি গৰু সৰবৰাহ চক্ৰই চুৰি গৰু নাগালেণ্ডলৈ চালান দি আহিছে। যোৱা নিশা আমগুৰি আৰু হালোৱাটিং আৰক্ষীয়ে অভিযান চলাই গৰু জব্দ কৰাৰ ঘটনাৰ পিছতে সমগ্ৰ তথ্য পোহৰলৈ আহিছে। এই চক্ৰটোৱে দীৰ্ঘদিন ধৰি আমগুৰি-হালোৱাটিঙত গোপন চক্ৰটৰে অবাধে নাগালেণ্ডলৈ চোৰাং গৰু সৰবৰাহ চলাই আহিছিল। আৰক্ষীয়ে গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত অভিযান চলাই গাড়ীসহ আঠটাকৈ গৰু জব্দ কৰিবলৈ সক্ষম হোৱাৰ পিছতে ন ন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। আনহাতে এই গৰু সৰবৰাহ চক্ৰটোক একাংশ দালালে অবৈধ গৰু বিক্ৰীৰ বঁচিৰ প্ৰদান কৰাৰ তথ্য পোহৰলৈ আহিব পাৰে। আৰক্ষীয়ে সঠিকভাৱে তদন্ত আগবঢ়ালে গৰু বিক্ৰীৰ বঁচিৰ প্ৰদানৰ দালাল চক্ৰ আটক হ'ব পাৰে। জানিব পৰা এই চক্ৰটোৱে প্ৰতিটো গৰুৰ বাবদ এহেজাৰ টকাকৈ সংগ্ৰহ কৰি গৰু বিক্ৰীৰ বঁচিৰ প্ৰদান কৰে। এইক্ষেত্ৰত আৰক্ষীয়ে তদন্ত কি পৰ্যায়ত কৰিব অথবা গৰু জব্দ কৰিয়েই দায়িত্ব সামৰিব সেয়া পৰৱৰ্তী সময়তহে লক্ষণীয় হ'ব।

### মাৰোৱাৰী সন্মিলন নগাঁৱৰ প্ৰশংসনীয় পদক্ষেপ

## কামপুৰ তেঁতেলীসৰাৰ চাৰি শতাধিক বানপীড়িত ৰাইজক বান সাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** নগাঁও জিলাৰ কামপুৰত এতিয়া কপিলী, হাৰিয়া, বৰপানী নৈৰ পানী শুকাইছে যদিও বন্যাৰ্তসকলে এক অবৰ্ণনীয় পৰিৱেশৰ মাজত দিন কটাবলগীয়া হৈছে । বন্যাৰ্তসকল শিবিৰৰ পৰা নিজ ঘৰলৈ উভতি আহিছে । বানবিধ্বস্ত বহু অঞ্চলত




এতিয়া চৌদিশে গেলা-পচা গোন্ধ, জাবৰ-জোঁথৰৰ দ'মৰ মাজত এক অস্বাস্থ্যকৰ পৰিৱেশৰ মাজেৰে বানপিড়িত ৰাইজে দিন কটাব লগীয়া হৈছে । জিলা প্ৰশাসনৰ ফালৰ পৰা বন্যাৰ্তসকলৰ বাবে সাহায্য আগবঢ়োৱা হৈছে যদিও সেয়া পৰ্যাপ্ত নহয়।ইতিমধ্যে বন্যাৰ্তসকলক সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি আহিছে বিভিন্ন দল, সংগঠন । বিভিন্ন দল-সংগঠনৰ সমান্তৰালকৈ বানপীড়িত ৰাইজৰ বাবে মাৰোৱাৰী সন্মিলন নগাঁৱে গ্ৰহণ কৰিছে প্ৰশংসনীয় পদক্ষেপ। মাৰোৱাৰী সন্মিলন নগাঁৱৰ উদ্যোগত নগাঁও মাৰোৱাৰী মহিলা মঞ্চ আৰু মাৰোৱাৰী যুৱ মঞ্চই কালি কামপুৰৰ তেঁতেলীসৰাৰ বিভিন্ন প্ৰান্তৰ চাৰি শতাধিক বানপীড়িত ৰাইজক অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ লগতে ফেনাইল, ব্লিচিং পাউদাৰ , কইল আৰু মহিলাসকলৰ বাবে নেপকিন যোগান ধৰে। মাৰোৱাৰী সন্মিলন নগাঁৱে বানপীড়িত ৰাইজৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বাবে সকলোৱে শলাগ লৈছে। কালিৰ বান সাহায্য কাৰ্যসূচীত মাৰোৱাৰী সন্মিলন নগাঁৱৰ সভাপতি ললিত কোঠাৰী, মাৰোৱাৰী সন্মিলনৰ প্ৰাক্তন সভাপতি দ্বয় ক্ৰমে অনিল শৰ্মা, পৱন গাৰোদিয়া, সন্মিলনৰ কোষাধ্যক্ষ অজয় মিট্ৰাল, সদস্য ক্ৰমে জগদীশ ধোদ, পৰমেশ্বৰ বিহানী, সুৰেশ শৰ্মা প্ৰমুখ্যে মাৰোৱাৰী মহিলা মঞ্চ আৰু যুৱ মঞ্চৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## নগৰবেৰা গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সভাপতি-উপসভাপতি নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচনৰ বাবে আজি সমবায় সমিতিৰ কাৰ্যালয় প্ৰাংগণত এখন সভা অনুষ্ঠিত হৈ যায়। সমবায় খনৰ প্ৰাক্তন সভাপতি তথা নৱনিৰ্বাচিত সঞ্চালক মণ্ডলীৰ সদস্য আব্দুল বাৰিকৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সমবায়খনৰ সভাপতি আৰু উপ-সভাপতিৰ পদৰ বাবে দুজনকৈ প্ৰাৰ্থী দাবীদাৰ হোৱাত সমবায় সমিতিৰ বিধি অনুসৰি নিৰ্বাচন অনুষ্ঠিত হয়। বিভাগীয় বিষয়া মৃণাল শইকীয়া আৰু ছফিকুৰ ৰহমানৰ উপস্থিতিত সমবায় সমিতিখনৰ সঞ্চালক মণ্ডলীৰ ১৫ গৰাকী সদস্যই অংশগ্ৰহণ কৰা এই নিৰ্বাচনত কংগ্ৰেছৰ দলীয় প্ৰাৰ্থী ক্ৰমে আব্দুল বাৰিক সভাপতি আৰু পদ্মলোচন দাস উপ-সভাপতি হিচাপে ৮টাকৈ ভোট লাভ কৰি নিৰ্বাচিত হয়। উল্লেখ্য যে প্ৰায় দুমাহমান পূৰ্বে সমবায় সমিতিখনৰ সঞ্চালক মণ্ডলীৰ ১৫ গৰাকী সদস্যই বিনাপ্ৰতিদ্বন্দ্বিতাৰে



নিৰ্বাচিত হৈছিল। ইফালে আজি স্থানীয় বিধায়িকা নন্দিতা দাসে নগৰবেৰাস্থ ইন্দিৰা ভৱন প্ৰাংগণত এক সভাত দলীয়ভাৱে জয়লাভ কৰা সমবায় সমিতিখনৰ নৱনিৰ্বাচিত সভাপতি, উপ সভাপতি আৰু সদস্য সকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

## তামুলপুৰৰ চেঁচাপানীত বিজেপি কৃষক মৰ্চাৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩ জুন ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত চেঁচাপানী বৰ বজাৰত আজি তামুলপুৰ কৃষক মৰ্চাৰ সভাপতি কনোৰাম কলিতাৰ সভাপতিত্বত ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চাৰ এখন কৃষক সম্পৰ্ক অভিযান আৰম্ভ সভা অনুষ্ঠিত হয়। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আঠ বছৰ পূৰ্তি উপলক্ষে কৃষক সম্পৰ্ক অভিযান উপলক্ষে সেৱা, সুশাসন আৰু গৰীব কল্যাণ কাৰ্যসূচীৰ অধীনত কৃষক সম্পৰ্ক অভিযানৰ শুভাৰম্ভ উপলক্ষে অনুষ্ঠিত হোৱা সভাখনত তামুলপুৰ জিলা কৃষক মৰ্চাৰ সভাপতি কনোৰাম কলিতা, তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাস, সম্পাদক ৰাজেশ বড়ো, পৰিষদীয় সদস্য হেমন্ত ৰাভা, বিজিত গৌৰা নাৰ্জাৰী, প্ৰাক্তন পৰিষদীয় সদস্য বাসুদেৱ উপাধ্যায় প্ৰমুখ্যে তামুলপুৰ জিলা বিজেপিৰ আটাইকেইটা কৃষক মৰ্চাৰ বিষয়ববীয়া সকলে অংশগ্ৰহণ কৰে। সভাখনৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰি প্ৰদান কৰা ভাষণত দৰঙাজুলি পৰিষদীয় সমষ্টিৰ পৰিষদীয় সদস্য বিজিত গৌৰা নাৰ্জাৰীয়ে উল্লেখ কৰে যে- বিজেপি দলৰ চৰকাৰৰ সময়ত সকলো ক্ষেত্ৰত উন্নয়ন সম্ভৱ হৈছে। সেয়ে চৰকাৰৰ সকলো আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সহযোগ আগবঢ়াবলৈ তেওঁ আহ্বান জনাই কৃষক সম্পৰ্ক অভিযান সফল কৰাতো সকলোৰে




সহযোগিতা আশা কৰে। সভাখন উদ্বোধন কৰি তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাসে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ সফলতাৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। কৃষক সকলে কৃষক আঁচনি সফল কৰাৰ বাবে সকলো ক্ষেত্ৰত দায়িত্ব পালন কৰিব লাগিব বুলি উল্লেখ কৰি এই ক্ষেত্ৰত আটাইকেইটা মৰ্চাৰ বিষয়ববীয়াসকলৰ দায়িত্বৰ কথাও দোহাৰে । সভাখনত পৰিষদীয় সদস্য হেমন্ত কুমাৰ ৰাভায়ো বিজেপি চৰকাৰৰ বিভিন্ন আঁচনি সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে।

## জয়ানগৰত 'বিশ্ব পৰিৱেশ দিৱস'ৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ জুন ঃ** প্ৰতিবছৰৰ দৰে এইবাৰো অহা ৫ জুন ৰবিবাৰে ৰাতিপুৱা ১০ বজাৰ পৰা ১২ বজালৈ গুৱাহাটী মহানগৰীৰ জয়ানগৰত ৰাইজক প্লাষ্টিক বটলৰ বিৰুদ্ধে সজাগ কৰিবলৈ ব্যতিক্ৰমী প্ৰয়াসেৰে 'বিশ্ব পৰিৱেশ দিৱস' পালনৰ আয়োজন কৰা হৈছে । অসমৰ এক বেচৰকাৰী অনুষ্ঠান 'এডু ফ্লেয়াৰ ছ'চাইটী'ৰ সহযোগত আৰু নলবাৰীৰ 'পবিন্দ্ৰ জেউতি' আৰু গুৱাহাটীৰ 'বৰষা কাটিং আৰু এম্ব্ৰইডাৰী চেন্টাৰ'ৰ উদ্যোগত নলা-নৰ্দমা, হোটেল, বিবাহ বাহৰ আদিৰ পৰা সংগ্ৰহ কৰা পেলনীয়া প্লাষ্টিকৰ বটলত বিভিন্ন ধৰণৰ ফুলৰ পুলি ৰোপণ কৰা হয় আৰু এই মূল্যবান ফুলৰ পুলিসমূহ 'বিশ্ব পৰিৱেশ দিৱস'ৰ দিনা প্লাষ্টিক বটলৰ বিনিময়ত বিনামূলীয়াকৈ ৰাইজকৰ মাজত বিতৰণ কৰা হব লগতে পুলি ৰোপণৰ প্ৰণালী আৰু প্লাষ্টিক বটলৰ পৰা প্ৰদূষণমুক্ত কেনেকৈ কৰিব পাৰি তাকে ৰাইজক সজাগ কৰিবলৈ ব্যতিক্ৰমী প্ৰয়াসেৰে 'বিশ্ব পৰিৱেশ দিৱস'ৰ আয়োজন কৰা হৈছে । উক্ত দিৱসত বিশিষ্ট সমাজকৰ্মী শ্ৰীযুত শংকৰ দেৱ বৰ্মনৰ লগতে বহু কেইজন বিশিষ্ট পৰিৱেশবিদ উপস্থিত থাকিব বুলি জানিব পৰা গৈছে । সেয়েহে উক্ত দিৱসত সকলো সমাজ সচেতন ৰাইজ, সাংবাদিক বন্ধু আৰু প্ৰকৃতিপ্ৰেমীৰ উপস্থিতি আহ্বায়ক সকলে কামনা কৰিছে, লগতে পেলনীয়া প্লাষ্টিকৰ বিনিময়ত সকলোকে বিনামূলীয়াকৈ ফুলৰ পুলি সংগ্ৰহ কৰিবলৈ অনুৰোধ জনাইছে।

### সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী নীলিমা চক্ৰৱৰ্তীৰ দেহাৱসান

## ধুবুৰী সাহিত্য সভা, নামঘৰ, মহিলা সমিতিসহ বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩ জুন ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী নীলিমা চক্ৰৱৰ্তীৰ গুৱাহাটীত যোৱা নিশা প্ৰায় ২ বজাত তেখেতৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৪ বছৰ। জানিব পৰামতে তেখেত গুৱাহাটীস্থ উজান বজাৰত থকা জীয়েকৰ ঘৰত কেইবাদিনৰ পৰা আছিল যদিও যোৱা নিশা অসুস্থ হোৱাত গুৱাহাটীৰ মেডিকেললৈ চিকিৎসাৰ বাবে লৈ গৈ থকা সময়তে আধা বাটতে তেখেতৰ মৃত্যু হোৱা বুলি মৃত্যুৰ পিছত চিকিৎসকে জানিবলৈ দিয়ে। ধুবুৰী চহৰৰ ৬ নং ৱাৰ্ডত বসবাস কৰা নীলিমা চক্ৰৱৰ্তীয়ে ধুবুৰী ছোৱালী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত থাকি বিগত প্ৰায় ১৪ বছৰ আগত অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত নীলিমা চক্ৰৱৰ্তী ধুবুৰী সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সাংস্কৃতিক উপ-সমিতিৰ সভানেত্ৰী, ধুবুৰী লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী, ধুবুৰী কেন্দ্ৰীয় ৰঙালী বিহু উদযাপন সমিতিৰ উপদেষ্টা, গদাধৰ ধুবুৰী জিলা কবি চক্ৰৰ লগত জড়িত থকাৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেখেতে কেইবাখনো গ্ৰন্থ লিখি অসমীয়া ভাষা সাহিত্যলৈ অৰিহণা যোগাইছে আৰু অসম চৰকাৰৰ পৰা সাহিত্যিক বটাও লাভ কৰে। নীলিমা চক্ৰৱৰ্তীৰ মৃত্যুৰ সময়ত স্বামী সুবোধ চক্ৰৱৰ্তী, দুজন পুত্ৰ আৰু এগৰাকী জীয়েক এৰি থৈ ইহলীলা ত্যাগ কৰে। আজি আবেলি তেখেতৰ নশ্বৰ দেহ ধুবুৰী শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। তেখেতৰ মৃত্যুৱে সমগ্ৰ ধুবুৰীত শোকৰ ছাঁ পেলোৱাৰ লগতে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

## অগপৰ সংগঠন শক্তিশালী কৰাৰ লক্ষ্যৰে নগাঁৱত অগপৰ কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** অসম গণ পৰিষদ দলৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ লক্ষ্যৰে অসম গণ পৰিষদে (অগপ) সমগ্ৰ অসমতে দলৰ সাংগঠনিক কাম-কাজ পৰ্যবেক্ষণ কৰি আছে। ইয়াৰ অংশ হিচাপে আজি অগপৰ কেন্দ্ৰীয় সমিতিৰ এটা প্ৰতিনিধি দল নগাঁৱত উপস্থিত হয়। অগপৰ জ্যেষ্ঠ নেতা তথা বঙাইগাঁৱৰ বিধায়ক ফণী ভূষণ চৌধুৰী আৰু ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ নেতৃত্বত অহা প্ৰতিনিধি দলটোৱে অগপৰ নগাঁও জিলা সমিতিৰ কাৰ্যালয়ত নগাঁও জিলা অগপৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়াৰ লগত এক বৈঠকত মিলিত হয়। নগাঁও জিলা অগপৰ সভাপতি মণি মাধৱ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত জ্যেষ্ঠ অগপ নেতা ফণী ভূষণ চৌধুৰীয়ে আহি থকা দিনত অগপক শক্তিশালী কৰাত অধিক গুৰুত্ব দিব লাগিব বুলি মন্তব্য কৰে। আমি এতিয়া মিত্ৰ জোঁটত আছো। বিগত বিধান সভা নিৰ্বাচনত আমি কম সংখ্যক আসন পাইছো। অগপৰ সাংগঠনিক স্থিতি সবল হলে আমাৰ আসনৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেয়ে আমি এতিয়াৰ পৰাই অগপৰ সংগঠন তৃণমূল পৰ্যায়ৰ পৰা শক্তিশালী কৰাত মনোনিৱেশ কৰিব লাগিব। বিগত পঞ্চায়ত নিৰ্বাচনত আমি অকলে প্ৰতিদ্বন্দ্বিতা কৰি আশানুৰূপ ফল লাভ কৰিব পৰা নাছিলোঁ। হৈ যোৱা পৌৰ নিৰ্বাচনত অগপই বিজেপি মিত্ৰ জোঁটৰ সৈতে অংশ গ্ৰহণ কৰি ভাল ফলাফল লাভ কৰিছো। সমাগত পঞ্চায়ত নিৰ্বাচনত অগপই বিজেপি মিত্ৰ জোঁটৰ সৈতে অংশ গ্ৰহণ কৰিব। তেওঁ লগতে কয়- অগপই আঞ্চলিকতাবাদক শক্তিশালী কৰাত নিয়োজিত হৈ আছে। বৈঠকত অংশ গ্ৰহণ কৰি অগপৰ সাধাৰণ সম্পাদক তথা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই কয় - তৃণমূল পৰ্যায়ৰ পৰাই দলক শক্তিশালী কৰাৰ বাবে অগপ দলে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ প্ৰতিটো বিধান পৰিষদ সমষ্টিত সাংগঠনিক দিশ পৰ্যালোচনা কৰি অগপৰ সংগঠন অধিক শক্তিশালী কৰাৰ বাবে পৰ্যবেক্ষণ কৰি থকা হৈছে। ৰাজ্যখনৰ আন জিলাৰ লগতে নগাঁও জিলাতো অগপৰ সংগঠন শক্তিশালী কৰিবলৈ দলীয় কৰ্মী সকলক আহ্বান জনাই বিভিন্ন পৰামৰ্শ আগবঢ়ায় বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই। বৈঠকত নগাঁও জিলা অগপৰ সভাপতি মণি মাধৱ মহন্তই নগাঁও জিলা অগপৰ সাংগঠনিক প্ৰতিবেদন দাখিল কৰে। বৈঠকত অগপৰ নেত্ৰী মামণি বৰা, অগপৰ সম্পাদক অতুল কুমাৰ মেধি, নগাঁও জিলা অগপৰ সাধাৰণ সম্পাদকদ্বয় যতীন নাথ, নিৰঞ্জন বৰা, কাৰ্যনিৰ্বাহকৰ সকলো সদস্য, যুৱ পৰিষদ, মহিলা পৰিষদ, কৃষক পৰিষদ আদিৰ প্ৰতিনিধিসকলেও অংশ গ্ৰহণ কৰে। ইয়াৰ পিছতে দুয়োগৰাকী কেন্দ্ৰীয় নেতাৰ নেতৃত্বত নগাঁও জিলা অগপৰ এটা দল নগাঁও জিলাৰ চামগুৰি, ধিং, বটদ্ৰৱা আৰু ৰহা বিধান সভা সমষ্টিত উপস্থিত হৈ চাৰিওটা বিধান সভা সমষ্টিৰ অগপৰ বিধান পৰিষদ সমষ্টি সমিতিৰ বিষয়ববীয়া অৰু সদস্যৰ লগত মিলিত হৈ সাংগঠনিক দিশ পৰ্যবেক্ষণ কৰে। কাইলৈ দলটোৱে জিলাখনৰ কলিয়াবৰ, বঢ়মপুৰ, নগাঁও সদৰ বিধান সভা সমষ্টিত অগপৰ বিধান পৰিষদ সমষ্টি সমিতি বিষয়ববীয়াৰ লগত মিলিত হ'ব। উল্লেখ্য, অগপৰ শক্তিশালী দুৰ্গ হিচাপে পৰিচিত নগাঁও জিলাত অগপৰ সাংগঠনিক দিশ বৰ্তমান তুলনামূলকভাৱে দুৰ্বল। জিলাখনৰ আঠটা বিধান সভা সমষ্টিৰ ভিতৰত একমাত্ৰ কলিয়াবৰ বিধান সভা সমষ্টিহে অগপৰ দখলত। অথচ ১৯৯৬ চনৰ বিধান সভা নিৰ্বাচনত অগপই আঠটা বিধান সভা সমষ্টিৰ ভিতৰত ৬ টাতেই জয়ী হৈছিল। সংগঠন অধিক শক্তিশালী হিচাপে পৰিচিত নগাঁও সদৰ আৰু বঢ়মপুৰ বিধান সভা সমষ্টি এতিয়া বিজেপিৰ দখলত। যাৰ বাবে জিলাখনত অগপ কিছু দূৰ্বল হৈ পৰিছে। এনে স্থিতিত জিলাখনত আহি থকা দিনত অগপৰ সংগঠন শক্তিশালী কৰাত অগপৰ নেতৃত্ব কিমান সফল হয় সেয়া লক্ষণীয় হ'ব।


## বকোৰ বামুণীগাঁৱৰ আন্ধেৰিতাৰীত ভয়াৱহ পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩ জুন ঃ** তীব্ৰবেগী অচিনাক্ত বাহনে খুন্দিয়ায় দুই বাইক আৰোহীক । গুৰুতৰভাৱে আহত দুই বাইক আৰোহী । বাইক আৰোহী দুজনৰ নাম ৰমজান আলীস ঘৰ জামবাৰী শালমাৰা আৰু ইনামুল আলী, ঘৰ ছমৰীয়া মালিবাৰীত। দুয়োকে বামুণীগাঁও আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে যদিও দুয়োকে উন্নত চিকিৎসাৰ বাবে GMCH লৈ প্ৰেৰণ কৰে । বাইক আৰোহী দুজনক খুন্দিয়াই গাড়ীখনে পলায়ন কৰে ।বাইকখনৰ নম্বৰ AS-01AH-9188।


Affordable Health Mission | GNRC Quality•Value•Trust

স্বাস্থ্য-বাৰ্তা

প্ৰকাশ পালে জুন সংখ্যা
জিএনআৰচি স্বাস্থ্য




ওচৰৰ বিপণীৰ পৰা আপোনাৰ কপিটো আজিয়েই সংগ্ৰহ কৰক



যূকো বেঁক | UCO BANK

(ভাৰত চৰকাৰৰ এটি প্ৰতিষ্ঠান)

পৰিশিষ্ট-IV
(ৰুল-৮(১))
**দখলৰ জাননী**
(স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু ঃ

তলত স্বাক্ষৰদানকাৰী ইউকো বেংকৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৩, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ঋণ লওতা/গেৰাণ্টাৰলৈ তলত উল্লেখ কৰা ধৰণে যাতে আদায় দিবলৈ থকা ঋণৰ ধনৰাশি এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰা হয়।

ঋণ লওতা আৰু/ বা গেৰাণ্টৰে উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু/ বা গেৰাণ্টৰ আৰু ৰাইজক সাধাৰণভাৱে নিম্ন স্বাক্ষৰকাৰীয়ে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ উপ-ধাৰা ৪ ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি তলত উল্লেক কৰা তাৰিখত।

ঋণ লওতা আৰু/ বা গেৰাণ্টাৰক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা ইউকো বেংকক আদায় দিবলৈ বাধ্য হ'ব তলত উল্লেখ কৰা পৰিমাণৰ ধনৰাশি, লগতে অনাদায় সূতসমূহ।

উক্ত আইনৰ ধাৰা-১৩ (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

| ক্ৰ নং | ক) শাখাৰ নাম খ) ঋণী | স্থাৱৰ সম্পত্তিৰ বিশদ বিৱৰণ | (ক) অনাদায় ধনৰাশি (খ) দাবী জাননীৰ তাৰিখ (গ) দখলৰ তাৰিখ |
|---|---|---|---|
| ১ | (ক) ধুবুৰী শাখা<br>খ) শ্ৰী দিপাংকৰ দে, পিতা ঃ দীপেন চন্দ্ৰ দে, ৱাৰ্ড নং-৬, জেকচন পথ, ডাক আৰু জিলা-ধুবুৰী-৭৮৩৩০১।<br>(১) শ্ৰীমতী দিপালী দে, ৱাৰ্ড নং-৬, জেকচন পথ, ডাক আৰু জিলা- ধুবুৰী-৭৮৩৩০১ (গেৰাণ্টৰ)।<br>(২) দীপেন্দ্ৰ চন্দ্ৰ দে, ৱাৰ্ড নং-৬, জেকচন পথ, ডাক আৰু জিলা- ধুবুৰী-৭৮৩৩০১ (গেৰাণ্টৰ)।<br>(২) শ্ৰীমতী বনশ্ৰী ৰাউথ দে, ৱাৰ্ড নং-৬, জেকচন পথ, ডাক আৰু জিলা- ধুবুৰী-৭৮৩৩০১ (গেৰাণ্টৰ)। | (১) মাৰ্কেট কমপ্লেক্স বিল্ডিং, নাম হ'ল নাৰায়নন আৰ্কিড, সম্পূৰ্ণ অংশ আৰু মহলাসহ ৫.২ মিটাৰ উচ্চতা ক্লিন্থৰ পৰা, বিল্ডিঙৰ পৰিমাপ ২৪৫০ বৰ্গফুট এলেকা, দুটা কোঠা অন্তৰ্ভুক্ত হৈ আছে ৫৯২ বৰ্গফুটৰ, যেনেধৰণে অনুমোদিত প্ৰকল্পত আছে, ড্ৰয়িং আৰু ডিজাইন অনুসৰি কৰ্তৃত্বশীল কৰ্তৃপক্ষৰ।<br>(২) ভু খণ্ডৰ এলেকা পৰিমাপ হ'ল ১১.৩৯৯ লেচা আৰু ১৪.৩৫ লেচা (ভূমি মহলা আৰু মেজানাইন ফ্লৰ') লগত এটা গৃহ ভুখণ্ডৰ ওপৰত, দাগ নং-১৮২ আৰু পট্টা নং-৪৪ অধীনত। অৱস্থিত আছে ৰাজহ গাঁও ঃ এইচ এন ৰোড, ধুবুৰী, মৌজা ....., চক্ৰ কাৰ্যালয় ঃ ধুবুৰী, জিল ঃ ধুবুৰী, অসম। নামত আছে শ্ৰী দীপাংকৰ দে, পিতা ঃ শ্ৰী দীপেন চন্দ্ৰ দে, আৱৰি আছে......., চুক্তি নং ২৯৩১V, তাৰিখ ঃ ১৮.০৭.২০০১ আৰু যোগাযোগৰ জবানবন্দী তাৰিখ........। সম্পদৰ চাৰিসীমা ঃ পূবে- শ্ৰী সীতাৰাম খেমানী আৰু অন্যান্য, পশ্চিমে- এইচ এন ৰোড, দক্ষিণে- সুজিত চক্ৰৱৰ্তী আৰু তেওঁৰ ভাতৃসকল, উত্তৰে- ব্যক্তিগত মালিকাধীন ভেন্দৰ আৰু শ্ৰী আৰ এছ সান্যাল, কে পাল আৰু ভাতৃসকল, অধিবক্তা অনুপম চক্ৰৱৰ্তী। | (ক) ১৩,৪৫,৮২৩.৩৪ টকা (তেৰ লাখ পঞ্চলিশ হাজাৰ আঠশ তেইশ টকা আৰু চৌত্ৰিশ পইচা কেৱল)।<br>(খ) ১০.০৩.২০২২<br>(গ) ৩১.০৫.২০২২ |
| ২ | (ক) গোৱালপাৰা শাখা<br>খ) মেচাৰ্ছ টি আৰ এণ্টাৰপ্ৰাইজ, স্বত্বাধিকাৰী- শ্ৰী ৰিংকু মজুমদাৰ, পিতা ঃ স্বৰ্গীয় ছাদিদ মজুমদাৰ, গাঁও- পঞ্চৰত্ন পথ ডাকঘৰ- গোৱালপাৰা, অসম | ভূমিৰ সকলো অংশ আৰু সম্পদসহ পৰিমাপ হ'ল ২- বিঘা, ১- কঠা, ১৬.২৫- লেচা। আৱৰি আছে দাগ নং- ৫০-২১৭ (পুৰণা), ১০৪, ১০৩ (নতুন); পট্টা নং-৩৩ (পুৰণা), ৬৪ (নতুন)। অৱস্থিত আছে গাঁও- ডাকাইদল, মাটিয়া চাৰ্কোলৰ অধীনত, জিলা-গোৱালপাৰা, নামত আছে শ্ৰীমতী ৰিংকু মজুমদাৰ।<br>ভূমিৰ সকলো অংশ আৰু সম্পদসহ পৰিমাপ হ'ল ২- বিঘা, ১- কঠা, ১৬.২৫- লেচা। আৱৰি আছে দাগ নং- ৫০-২১৭ (পুৰণা), ১০৪, ১০৩ (নতুন); পট্টা নং-৩৩ (পুৰণা), ৬৪ (নতুন)। অৱস্থিত আছে গাঁও- ডাকাইদল, মাটিয়া চাৰ্কোলৰ অধীনত, জিলা-গোৱালপাৰা, নামত আছে শ্ৰীমতী বীণা মজুমদাৰ।<br>ভূমিৰ সকলো অংশ আৰু সম্পদসহ পৰিমাপ হ'ল ২- বিঘা, ১- কঠা, ১৬.২৫- লেচা। আৱৰি আছে দাগ নং- ৫০-২১৭ (পুৰণা), ১০৪, ১০৩ (নতুন); পট্টা নং-৩৩ (পুৰণা), ৬৪ (নতুন)। অৱস্থিত আছে গাঁও- ডাকাইদল, মাটিয়া চাৰ্কোলৰ অধীনত, জিলা-গোৱালপাৰা, নামত আছে শ্ৰী টিংকু মজুমদাৰ।<br>ভূমিৰ সকলো অংশ আৰু সম্পদসহ পৰিমাপ হ'ল ২- বিঘা, ১- কঠা, ১৬.২৫- লেচা। আৱৰি আছে দাগ নং- ৫০-২১৭ (পুৰণা), ১০৪, ১০৩ (নতুন); পট্টা নং-৩৩ (পুৰণা), ৬৪ (নতুন)। অৱস্থিত আছে গাঁও- ডাকাইদল, মাটিয়া চাৰ্কোলৰ অধীনত, জিলা-গোৱালপাৰা, নামত আছে শ্ৰীমতী মেজিদা বেৰা। | (ক) ৬,৩৮,১৬৭.৩৭ টকা (ছয় লাখ আঠত্ৰিশ হাজাৰ এশ সাতষষ্ঠী টকা আৰু সাতত্ৰিশ পইচা কেৱল)।<br>(খ) ৩১.০১.২০২২<br>(গ) ৩১.০৫.২০২২ |

তাৰিখ ঃ ৩১.০৫.২০২২
স্থান ঃ ধুবুৰী আৰু গোৱালপাৰা

কৰ্তৃত্বশীল বিষয়া
ইউকো বেংক

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৪ জুন ■ ২০২২ ■ ২০ জেঠ ■ গুৱাহাটী

# আকৌ মহাজোঁট গঠনে ভোটাৰ ৰাইজক পতিয়ন নিয়াব পাৰিবনে

২০২৪ চনৰ নিৰ্বাচন সমাগত। শাসক দল বিজেপি প্ৰমুখ্যে বিৰোধী দলসমূহৰ নিৰ্বাচনী কুচকাৱাজ আৰম্ভ হৈছে। প্ৰতিটো দলেই নিৰ্বাচনী ৰণকৌশল তৈয়াৰ কৰাৰ গুণাগঁথা আৰম্ভ হৈছে। বিৰোধী শিবিৰে বিজেপিক পৰাভূত কৰিবলৈ ৰাজ্যত পুনৰ মহাজোঁটৰ প্ৰসংগ উত্থাপনৰ উক্‌মুকনি কৰিছে। এইবাৰ অৱশ্যে প্ৰধান বিৰোধী দল কংগ্ৰেছে এইক্ষেত্ৰত আগভাগ লোৱা পৰিলক্ষিত হোৱা নাই। তাৰ পৰিৱৰ্তে এইবাৰ আগভাগ লৈছে এআইইউডিএফ দলে। অহা লোকসভাৰ নিৰ্বাচনত বিজেপিক পৰাস্ত কৰিবলৈ ৰাজ্যত আম আদমী পাৰ্টী (আপ), তৃণমূল কংগ্ৰেছ আদি দলক লৈ এক মহাজোঁটৰ সম্ভাৱনা ব্যক্ত কৰিছে এআইইউডিএফ দলৰ সম্পাদক-সভাপতিয়ে। উল্লেখযোগ্য যে ২০২১ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিক পৰাস্ত কৰিবলৈ এক মহাজোঁট গঠন হৈছিল। নেতৃত্বত আছিল কংগ্ৰেছ দল। এই মহাজোঁটত অংশীদাৰ আছিল এআইইউডিএফ, বিপিএফ, আঞ্চলিক গণ মৰ্চাৰ উপৰি বাঁওপন্থী দলকেইটা। কিন্তু ৫০খন আসনতে সীমিত হৈ থাকিবলগীয়া হ'ল মহাজোঁট। বিজেপিক পৰাস্ত কৰি ক্ষমতা দখলৰ স্বপ্ন অপূৰ্ণ হৈ ৰ'ল মহাজোঁটৰ। ইয়াৰ বিপৰীতে এআইইউডিএফৰে মিত্ৰতা কৰি উজনি অসমৰ কংগ্ৰেছৰ ভেটি প্ৰায় উছন হোৱাত কিছুদিন পাছতেই এআইইউডিএফৰে তীব্ৰ বিষোদ্‌গাৰ কৰি মহাজোঁট ভংগ কৰে কংগ্ৰেছৰ নতুন নেতৃত্বই। সদ্য সমাপ্ত ৰাজ্যসভা নিৰ্বাচনত বিৰোধীৰ এগৰাকী উমৈহতীয়া প্ৰাৰ্থী থিয় কৰাই পুনৰ কংগ্ৰেছ আৰু এআইইউডিএফ নেতৃত্ব একেখন মঞ্চত অৱতীৰ্ণ হৈছিল যদিও ৰাজ্যসভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ আগমুহূৰ্ততে এআইইউডিএফ দলে বিজেপিৰে বুজাবুজি কৰাৰ অভিযোগ উত্থাপন কৰে কংগ্ৰেছ নেতৃত্বই। যাৰ কাৰণে ৰাজ্যসভাত বিৰোধী দলৰ উমৈহতীয়া প্ৰাৰ্থীগৰাকী পৰাস্ত হয় আৰু পুনৰ তিক্ত হৈ পৰে দুয়ো দলৰ সম্পৰ্ক। তৎসত্ত্বেও পুনৰ কংগ্ৰেছ দলক লৈ বিজেপিবিৰোধী মহাজোঁট গঠনৰ প্ৰয়াস কৰিছে এআইইউডিএফ দলে। দলৰ বিধায়ক এগৰাকীয়ে ২০২৪ক কেন্দ্ৰ কৰি বিজেপিবিৰোধী শক্তিসমূহৰ মহাজোঁট গঠনৰ প্ৰয়োজনীয়তাৰ কথা ব্যাখ্যা কৰি ইয়াৰ বাবে কংগ্ৰেছ দলক আগবাঢ়ি আহিবলৈ জনোৱা আহ্বানক পোনছাটেই নাকচ কৰি কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিয়ে কয়-- কংগ্ৰেছ দল শূন্যত গজা দল নহয়। প্ৰবলপ্ৰতাপী ব্ৰিটিছক পৰাস্ত কৰাৰ বাবে কংগ্ৰেছ দলৰ নেতাৰ আগৰ ব্যৱসায়ৰ স্বাৰ্থত বিজেপিৰে গোপন বুজাবুজি কৰা এআইইউডিএফৰ প্ৰয়োজন নাই বুলি স্পষ্ট কৰি দিয়ে। কংগ্ৰেছৰ এই কঠোৰ স্থিতি সত্ত্বেও এআইইউডিএফৰ সভাপতি-সম্পাদকে পুনৰ ২০২৪ নিৰ্বাচনত বিজেপিবিৰোধী ধৰ্মনিৰপেক্ষ ভোটৰ বিভাজন ৰোধৰ বাবে এক মহাজোঁটৰ প্ৰয়োজনৰ কথা উল্লেখ কৰে। দলে তৃণমূল কংগ্ৰেছ, আপ আদিৰ সৈতেও এই জোঁট আৰু বাস্তৱতাৰ সম্ভাৱনীয়তা প্ৰকাশ কৰে। আনহাতে আম আদমী পাৰ্টী জাঙুৰ খাই উঠিছে আৰু কোনো কাৰণতে এআইইউডিএফৰ দৰে সাম্প্ৰদায়িক দল এটাৰ সৈতে মিত্ৰতা নকৰাৰ কথা স্পষ্টকৈ কৈছে। এইটো দলে কেতিয়াবা কংগ্ৰেছ কিম্বা আনৰ নেগুৰত ধৰি ৰাজনীতি কৰাৰ কথা ৰাইজে বুজে। যদি আপৰ পিঠিত উঠি বৈতৰণী পাৰ হ'ব বিচাৰিছে, তেন্তে তেওঁলোকৰ সপোন সাৰ্থক নহ'ব। এই সকলোবোৰ বিৰোধীৰ ভিন্ন মতত মহাজোঁট গঠন নকৰাৰ সম্ভাৱনাত বিজেপি দলে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। বিজেপিৰ ৰণকৌশলত যে বিৰোধী দল থান-বান হৈ পৰিছে, তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। উমৈহতীয়া চিন্তা-ধাৰাৰে আগবাঢ়িব নোৱাৰিলে ৰাজ্যখনত বিৰোধী দলে মহাজোঁট গঠন কৰাটো পৰ্বতত কাছ-কণী বিচৰাৰ লেখীয়াই হ'ব। মুঠতে মহাজোঁটৰ উক্‌মুকনিত শাসক দল বিজেপি অলপো চিন্তিত নহয়। ভোটাৰ ৰাইজে বিচৰাৰ দৰে সুস্থ-সবল বিৰোধী দল যে একগোট হ'ব নোৱাৰে, এই কথা ইতিমধ্যে ভোটাৰ ৰাইজে ভালদৰেই বুজিছে।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### 'চৰকাৰী বিদ্যালয়ত চৰকাৰী কৰ্মচাৰীৰ সন্তান পঢ়োৱা বাধ্যতামূলক'

ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়খনৰ সামগ্ৰিক পাৰদৰ্শিতাৰ ওপৰত মান নিৰূপণ কৰিবলৈ অসম চৰকাৰৰ মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা বিভাগে চৰকাৰী বিদ্যালয়সমূহত বিগত দুটি বৰ্ষৰ দৰে এইবাৰো তৃতীয়বাৰৰ বাবে 'গুণোৎসৱ' পাতিছে। গুণোৎসৱৰ দৰে এটি ব্যৱস্থা গ্ৰহণ কৰি অসম চৰকাৰে সঁচাকৈয়ে এটি প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু প্ৰশ্ন হ'ল-- গুণোৎসৱ পাতিবলৈ প্ৰয়োজনীয়তা আহিল কিয়? চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ বহু পৰিমাণে বেয়া নে অন্য কিবা? যদি চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ মান নিম্নগামী হৈছে তাৰ বাবে দায়ী কোন? চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শিকন দিশটোৰ লগতে বিদ্যালয়খনৰ মান পৰ্যবেক্ষণ কৰাৰ বাবে বৰ্তমান গুণোৎসৱ ব্যৱস্থাৰ নীতি নিৰ্ধাৰণ কৰাৰ আঁৰত থকা ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ সৰহভাগৰেই নিজৰ সন্তানবোৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষানুষ্ঠানত পঢ়া। তদুপৰি আমাৰ চৰকাৰী বিদ্যালয়তে শিক্ষকতা কৰি থকা একাংশ শিক্ষকৰ সন্তানসকলক চৰকাৰী বিদ্যালয়ত পঢ়িবলৈ নিদি ব্যক্তিগত খণ্ডত পঢ়িবলৈ দিয়ে। তাৰমানে চৰকাৰী বিদ্যালয়বিলাকত তেখেতসকলৰ আত্মবিশ্বাস নাই নেকি? নিজেই চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰি নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত বিদ্যালয়বোৰত পঢ়িবলৈ দিয়াটো কিমান যুক্তিসংগত? মন্ত্ৰী-বিধায়কৰ পৰা আদি কৰি সকলো চৰকাৰী কৰ্মচাৰীয়ে নিজৰ নিজৰ ল'ৰা-ছোৱালীক চৰকাৰী বিদ্যালয়ত নাম ভৰ্তি কৰাবলৈ কঠোৰ আইন প্ৰয়োগ কৰিব লাগে। এনে কৰাৰ ফলত চৰকাৰী বিদ্যালয়সমূহ পুনৰ প্ৰাণ পাই উঠিব আৰু গুণোৎসৱৰ নিচিনা অনুষ্ঠানৰো প্ৰয়োজনীয়তা নাথাকিব। চৰকাৰে সময়ৰ আহ্বানক ইতিবাচক দিশত গ্ৰহণ কৰি চৰকাৰী শিক্ষাখণ্ডটোক জাকত-জিলিকা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমি দৃঢ়বিশ্বাসী।

**উপেন মিনা**
*ধমধমা, নলবাৰী*

### খাল কাটি ঘঁৰিয়াল চপাইছে

বাতৰিৰ শিৰোনাম দখল কৰা আলফা আৰু বৰ্তমান চৰকাৰৰ বুজাপৰাৰ চুক্তিখন আশ্চৰ্যকৰ। কিয়নো, এসময়ত আলফাৰ বাবেই বহু লোকে আপোনজনক হেৰুৱালে। অসম নিৰ্দোষী জনতাৰে ৰক্তাক্ত হৈছিল। বৰ্তমানৰ শাসকপক্ষই সেই দৃশ্য এসময়ত নিশ্চয় প্ৰত্যক্ষ কৰিছিল। আকৌ চৰকাৰখনে উগ্ৰপন্থীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি সন্ত্ৰাসবাদক আমন্ত্ৰণ জনাইছে যেন বোধ হৈছে। এনে হ'লে অসমৰ জাতীয় জীৱনৰ প্ৰেক্ষাপটত ই বিপৰ্যয়ৰ বিষয়। সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰা মানে অসমত পুনৰ হয়তো ক'লা অধ্যায়ৰ সূচনা হ'ব। এতিয়া প্ৰশ্ন হয় যে সন্ত্ৰাসবাদে ৰাজ্যখনৰ প্ৰগতিৰ দিশত সুফল কঢ়িয়াব নেকি? নিৰ্দোষী জনতাৰ তেজেৰে ইতিহাস লিখাৰ মন পাঙিছে নেকি শাসকপক্ষই? বৰ্তমান শাসকপক্ষই হয়তো জনতাক সুৰক্ষা প্ৰদান কৰাত ব্যৰ্থ হৈছে যেন বোধ হৈছে। অসমৰ জাতীয় জীৱনলৈ আকৌ সংকট মতাৰ হয়তো ই এক আখৰাহে মাত্ৰ।

■ **ৰিতু ৰশ্মি হাজৰিকা**
ফোন ঃ ৯৭০৬৬১৬৪৩৫

দিনকদিনে মানুহৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলস্বৰূপে প্ৰাকৃতিকভাৱে সৃষ্ট গছ-গছনি, হাবি-জংগল, খাল-বিল, পাহাৰকে ধৰি নৈসমূহ মানুহে এফালৰ পৰা ধ্বংস কৰি আহিছে। ফলত পৃথিৱীৰ বায়ুমণ্ডলৰ ব্যাপক তাৰতম্য ঘটাত জৈৱ-বৈচিত্ৰ্যত বেয়াকৈ প্ৰভাৱ পৰাৰ লগতে জীৱকুলৰ প্ৰতি প্ৰচণ্ড ভাবুকি পৰিলক্ষিত হৈছে। তাৰ প্ৰমাণ হিচাপে আগৰ তুলনাত পৃথিৱীৰ তাপমাত্ৰা দিনকদিনে বৃদ্ধি হ'ব ধৰিছে, লগতে বিভিন্ন জীৱকুলৰ অস্তিত্ব পৃথিৱীৰ বুকুৰ পৰা হেৰাই যাবলৈ ধৰিছে...

# অসমৰ এখন মানৱসৃষ্ট অৰণ্য





■ নৱজ্যোতি বৰুৱা

পৃথিৱীত দ্ৰুত গতিত হৈ থকা মানুহৰ জনবিস্ফোৰণৰ ফলত নিজৰ সুবিধাৰ্থে ঘৰ-বাৰী, ৰাস্তা-ঘাট, কল-কাৰখানা আদি বিভিন্ন প্ৰয়োজনীয় সমস্যা পূৰণ কৰি আহিছে। তাৰ অৰ্থ এয়ে নহয় যে পৃথিৱীখন সৃষ্টিকৰ্তাই অকল মানৱ জাতি জীয়াই থকাৰ বাবেই কৰিছে। সকলোৰে জনা উচিত যে আমি জীয়াই থকা এই পৃথিৱীখনক সৃষ্টিকৰ্তাই সুন্দৰভাৱে সকলোৰে বাবে ভাৰসাম্য ৰাখি সজাই থৈছে আৰু প্ৰত্যেককে জীয়াই থকাৰ বাবে প্ৰকৃতিয়ে আমাক বায়ু, পানী, বতাহ, তাপ আৰু গছ-গছনিকে ধৰি এইখন পৃথিৱীত জীয়াই থাকি জীৱিকা নিৰ্বাহ কৰিবৰ বাবে মানুহকে ধৰি বিভিন্ন জীৱকুলৰ স্থান নিৰ্ধাৰণ কৰি থৈছে।

তেনেস্থলত দেখা যায় যে দিনকদিনে মানুহৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলস্বৰূপে প্ৰাকৃতিকভাৱে সৃষ্ট গছ-গছনি, হাবি-জংগল, খাল-বিল, পাহাৰকে ধৰি নৈসমূহ মানুহে এফালৰ পৰা ধ্বংস কৰি আহিছে। ফলত পৃথিৱীৰ বায়ুমণ্ডলৰ ব্যাপক তাৰতম্য ঘটাত জৈৱ-বৈচিত্ৰ্যত বেয়াকৈ প্ৰভাৱ পৰাৰ লগতে জীৱকুলৰ প্ৰতি প্ৰচণ্ড ভাবুকি পৰিলক্ষিত হৈছে। তাৰ প্ৰমাণ হিচাপে আগৰ তুলনাত পৃথিৱীৰ তাপমাত্ৰা দিনকদিনে বৃদ্ধি হ'ব ধৰিছে, লগতে বিভিন্ন জীৱকুলৰ অস্তিত্ব পৃথিৱীৰ বুকুৰ পৰা হেৰাই যাবলৈ ধৰিছে।

এনেবোৰ ক্ষেত্ৰত আমাৰ মাজতে এনে কিছুমান লোক আছে, এই ধ্বংসমুখী পৰিস্থিতি পুনৰ উজ্জীৱিত কৰি পৰিৱেশ, জৈৱ-বৈচিত্ৰ্য আৰু প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ অৰ্থে অহেতুক কষ্ট স্বীকাৰ কৰি আমাক সকলোকে এখন সুন্দৰ সেউজীয়া প্ৰদূষণমুক্ত ঠাইলৈ পৰ্যৱসিত কৰাৰ চেষ্টা চলাই আছে। আজি আমি সেইসকল লোকৰ কথা ক'ব বিচাৰিছো-- যিসকল লোকে আজিৰ দিনত অকল নিজৰ কথা নাভাবি সমাজ তথা সকলোৰে কথা চিন্তা কৰি এক সেউজ বিপ্লৱৰ সূচনা কৰি গৈ আছে। তেনেকুৱা এখন ঠাই অসমৰ উত্তৰ প্ৰান্তৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত জিলা সদৰ ওদালগুৰি চহৰৰ পৰা মাত্ৰ ২৫ কিঃমিটাৰ উত্তৰে ভাৰত-ভূটান সীমান্ত, য'ত মিলিত হৈছে অসম, অৰুণাচল আৰু ভূটান সীমা। ঠাইখিনিৰ নাম ভৈৰৱকুণ্ড। অতি মনোমোহা প্ৰাকৃতিক দৃশ্যৰাজিৰে ভৰপূৰ অসমৰ সীমাৰ উত্তৰ দিশৰ পৰা ভূটান আৰু অৰুণাচল পাহাৰসমূহৰ পৰা বৈ অহা বৃহৎ জলধাৰা অসমত সোমোৱাৰ পিছতেই ধনশিৰি নদী ৰূপে পৰিচিত হৈ আহিছে। প্ৰতিবছৰে এই স্থানত ডিচেম্বৰ-জানুৱাৰী মাহত হাজাৰ হাজাৰ লোক বনভোজৰ আনন্দ ল'বলৈ ইয়ালৈ আহে। এই ধনশিৰি নদীৰ পাৰতেই জিলাখনৰ সাতখন বনাঞ্চলৰ ভিতৰত এখন উল্লেখযোগ্য বনাঞ্চল হ'ল ভৈৰৱকুণ্ড সংৰক্ষিত বনাঞ্চল। ওদালগুৰি জিলাৰ ধনশিৰি বন সংমণ্ডলৰ অধীনস্থ এই বনাঞ্চলখনৰ মুঠ মাটিকালি ২৪৪০.৭৫ হেক্টৰ। এটা সময়ত এই বনাঞ্চলত বিভিন্ন ধৰণৰ মূল্যবান গছ-গছনি, অৰ্কিড, আপুৰুগীয়া জীৱ-জন্তু, ভিন্ন প্ৰজাতিৰ চৰাই, সৰীসৃপৰ প্ৰধান বসতিস্থল হিচাপে পৰিগণিত হৈ আহিছে। ইয়াৰে প্ৰধান নদী ধনশিৰি নৈৰ লগতে বনাঞ্চলখনৰ ভিতৰেৰে ভূটান আৰু অৰুণাচল প্ৰদেশৰ পাহাৰসমূহৰ পৰা বৈ অহা সৰু সৰু কেবাটিও জুৰি বৈ অহাৰ ফলত বনাঞ্চলখনৰ প্ৰাকৃতিক জৈৱ-বৈচিত্ৰ্য বৃদ্ধিত ইন্ধন যোগাইছে। উল্লেখ কৰিব পাৰি যে এই বনাঞ্চলখন ধনশিৰি নৈৰ পাৰত হোৱা হেতুকে ধনশিৰি বনাঞ্চল।

১৯৭৯ আৰু ১৯৮৯ চনত ভূটান আৰু অৰুণাচল পাহাৰসমূহৰ পৰা দুটাকৈ প্ৰচণ্ড বানপানীৰ ধল অহাত এই বনাঞ্চলখন সম্পূৰ্ণ ধ্বংসস্তূপত পৰিণত হয়। সেই প্ৰাকৃতিক দুৰ্যোগ দুটাৰ ফলত পানীৰ ধলৰ লগত অহা প্ৰকাণ্ড শিল-বালিয়ে গোটেই বনাঞ্চলখন পুতি থৈ যায়। এনে পৰিপ্ৰেক্ষিতত বনাঞ্চলখনৰ সমীপৱৰ্তী ছখন গাঁও ক্ৰমে ভৈৰৱপুৰ, গৰৈমাৰী, সোণাইগাঁও, ৰূপনগাঁও, ১নং মাজৰ গাঁও আৰু ২নং মাজৰ গাঁৱৰ শ শ ৰাইজ একত্ৰিত হৈ মনত সংকল্প গ্ৰহণ কৰি ১৯০৭ চনত ধনশিৰি নৈৰ পাৰত ধ্বংস হৈ যোৱা এই বনাঞ্চলখনত এক সেউজ বিপ্লৱ ৰচনা কৰিবলৈ ওলাই আহিল। ৰাইজৰ কথা মতেই কাম। ধ্বংসত পৰিণত হোৱা এই স্থানত থকা প্ৰকাণ্ড শিল-বালি আঁতৰাই অতি কষ্ট সাধন কৰি তেতিয়াৰ পৰাই আজিলৈকে সমূহ গঞা ৰাইজে বিৰামহীনভাৱে পাঁচ বৰ্গ কিঃমিটাৰ জোৰা এটা এটাকৈ গছপুলি ৰোপণ কৰি এই মানৱসৃষ্ট অৰণ্যখন গঢ়ি তুলিব ধৰিছে। চাবলৈ গ'লে ধ্বংসৰ পাছত ছখনকৈ গাঁৱৰ গঞা ৰাইজৰ হৈ ব্যতিক্ৰমী দূৰদৰ্শী পদক্ষেপ হিচাপে চিহ্নিত হৈ আহিছে। আৰম্ভণিতে তেওঁলোকে ওদালগুৰি জিলাৰ ধনশিৰি বন সংমণ্ডলৰ সহযোগত JFMCৰ জৰিয়তে 'গেটছেমানি' নামকৰণেৰে মুঠ ৩৫ জনীয়া সমিতি এখন গঠন কৰে। বন বিভাগৰ পৰা সংগ্ৰহ কৰিলে তিতাচঁপা, গমাৰি, খৈৰা, শিমলুকে ধৰি বিভিন্ন গছপুলি আৰু সেই সময়ৰ পৰাই ৰাইজে এটা এটাকৈ আজিলৈকে মুঠ ১৮ লাখ মূল্যবান গছপুলি ৫ হাজাৰ বিঘা মাটিত ৰোপণ কৰাত সেইবোৰ এতিয়া ডাঙৰ গছত পৰিণত হৈছে। সম্প্ৰতি ভৈৰৱকুণ্ড সংৰক্ষিত বনাঞ্চলখন পুনৰ এক নতুন ৰূপত উজ্জীৱিত হৈছে। গাঁওবাসীৰ এটা উমৈহতীয়া উদ্দেশ্য আছিল-- ধ্বংস হৈ যোৱা প্ৰকৃতিপ্ৰদত্ত এই অৰণ্যখনক এক নতুন ৰূপ প্ৰদান কৰি পূৰ্বৰ নিচিনাকৈ বনৰীয়া জীৱকুলৰ আৱাসভূমি, প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা আদি দূৰদৰ্শী পদক্ষেপ লোৱা। এতিয়া তাত গ'লে প্ৰত্যক্ষ কৰিব এক মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা পৰিৱেশ। আপ্লুত কৰে বহু ভ্ৰমণকাৰীৰ মন।

বনাঞ্চলৰ ৰূপ লোৱা এই অৰণ্যখনৰ গাতে লাগি থকা ভূটান আৰু অৰুণাচল পাহাৰৰ পৰা এতিয়া বিভিন্ন ধৰণৰ জীৱ-জন্তু ইয়ালৈ আগমন কৰিবলৈ ধৰিছে। হাতী, নাহৰফুটুকী, হৰিণ, বনগাহৰি, মেঠোনকে আদি কৰি ইয়াত বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটি ধনেশ, ময়ূৰ, অজগৰ আদি বহুবিধ সৰীসৃপ প্ৰজাতিৰ প্ৰাণীৰ বসতিস্থললৈ পৰ্যৱসিত হ'ব ধৰিছে। বিশেষকৈ চৰাই-চিৰিকটিৰ মাতে সকলোকে আপ্লুত কৰে। বৰ্তমানে তেওঁলোকে প্ৰতিবছৰে গছপুলি ৰোপণ কৰি বনাঞ্চলখনৰ পৰিসৰ বৃদ্ধি কৰি আহিছে। বিগত বৰ্ষত বালিপাৰা ফাউণ্ডেচনৰ সহযোগত প্ৰায় দুই লাখ মূল্যবান গছপুলি ৰোপণ কৰিছে। বনাঞ্চলখনৰ অন্তঃভাগলৈ যোৱা কেবাটাও পথ আছে। পথসমূহ ২০১৬-১৭ বিত্তীয় বৰ্ষৰ চৰকাৰী আঁচনিৰ জৰিয়তে যানবাহন চলাচলৰ বাবে সুন্দৰভাৱে নিৰ্মাণ কৰি দিছে। তদুপৰি পৰ্যটকসকল থাকিবৰ বাবে জিলা প্ৰশাসনে পাঁচ লাখ টকা ব্যয় সাপেক্ষে ২০১৫-১৬ চনত দুটা কোঠালিৰ পৰ্যটক নিৱাস আৰু অসম চৰকাৰৰ বন বিভাগৰ পি চি চি এফৰ তৰফৰ পৰা এটি পকীৰ চাংবঙলা সাজি দিয়ে। ইয়াত প্ৰায় ২০জন পৰ্যটক থকা-খোৱাৰ সুন্দৰ সুবিধা আছে। যোৱা পাঁচ বছৰৰ পৰা বহু দেশী-বিদেশী পৰ্যটকৰ ইয়ালৈ আগমন ঘটিছে। পৰ্যটকৰ পৰা পোৱা কিছু ধনেৰে বনাঞ্চলৰ কাম-কাজ চলাই আছে যদিও সেইখিনি ধন পৰ্যাপ্ত নহয়।

পৰিশেষত অসমৰ সীমান্তত এইসকল গাঁওবাসীয়ে ব্যতিক্ৰমী চেষ্টাৰে অশেষ কষ্ট সাধন কৰি গঢ়ি তোলা এই অৰণ্যখনে মানৱ জাতি তথা লাহে লাহে আমাৰ মাজৰ পৰা বিলুপ্ত হোৱা সেউজীয়া পৃথিৱীখনৰ লগতে বহু আপুৰুগীয়া প্ৰাণীকুলক কিছু আশ্ৰয়, খাদ্য আৰু বাসস্থান সুৰক্ষিত কৰা বাবে তেওঁলোক আমাৰ বাবে চিৰনমস্য হৈ ৰ'ব। তেওঁলোকৰ এনে কাৰ্য বনাঞ্চল সংৰক্ষণত আমাৰ বাবে অম্লান নিদৰ্শন। আশা কৰিছো 'গেটছেমানি'য়ে আৰু অধিক আগবাঢ়ি গৈ আমাৰ এই ধৰণীক সুন্দৰ সেউজ কৰি গঢ়ি তোলক।

*ফোন ঃ ৯৯৫৭৬২৯১১৮*

# অসমৰ পিছপৰা অনুসূচিত জাতি-জনজাতি লোকসকলৰ সম-অধিকাৰৰ বাবে আজীৱন যুঁজ দিয়া মানৱতাবাদী বিষ্ণু ৰাভাক সঠিকভাৱে প্ৰতিষ্ঠা কৰিব লাগে



ব্ৰজেন জীৱন

অসমীয়া সংস্কৃতিৰ ধ্বজাবাহক সংগ্ৰামী সত্তা বিষ্ণু ৰাভা আছিল অসমৰ সাম্যবাদী আন্দোলনৰ অনুপম স্ৰষ্টা। তেখেতে অসমীয়া সংস্কৃতিৰ কলিজাসদৃশ অসমৰ পাহাৰ-ভৈয়াম বাটকুৰি বাই বিভিন্ন জাতি-জনগোষ্ঠীৰ ওচৰ চাপি উপলব্ধি কৰিছিল যে অসমৰ আজিৰ সংবিধানপ্ৰদত্ত অনুসূচিত জাতি-জনজাতি তথা সমাজৰ চকুত পিছপৰা জনগোষ্ঠীসমূহ সমাজৰ আন আন অংশতকৈ অৱহেলিত। এই পিছপৰা লোকসকল প্ৰভুত্বশীল লোকৰ দ্বাৰা জৰ্জৰিত। উল্লেখযোগ্য যে 'জনজাতীয় সংস্কৃতিত শিৱ' নামৰ গ্ৰন্থখনৰ এটা বিশেষ নিবন্ধত তেখেতে লিখিছিল -- "এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। নিজৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ উপৰি আনৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাৰ অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।"

বিষ্ণু ৰাভাৰ এনে দৃষ্টিকোণ কেতিয়াও পুথিগন্ধি নাছিল। তেখেতে বাৰুকৈয়ে উপলব্ধি কৰিছিল যে নানা জাতি-উপজাতি তথা নানা ধৰ্মৰ লোকৰ আৱাসভূমি অসমৰ প্ৰগতিৰ ক্ষেত্ৰত সমন্বয় এক অপৰিহাৰ্য অংগ। ৰাভাদেৱে উপলব্ধি কৰিছিল যে সেই সময়ত পিছপৰা জনগোষ্ঠীসমূহ প্ৰভুত্বশীল একোখন সমাজৰ দ্বাৰা অৱহেলিত আৰু নিৰ্যাতিত। আনকি সেই সময়ত পিছপৰা জনগোষ্ঠীসমূহৰ কৃষ্টি-সংস্কৃতি আৰু সভ্যতাও উপেক্ষিত। সেয়ে প্ৰগতিশীল এক আন্দোলনৰ সূচনা কৰি পিছপৰা জনগোষ্ঠীসমূহক নিজৰ শক্তি প্ৰদৰ্শন কৰাৰ আহ্বান জনায়। 'বৃহত্তৰ অসমৰ কল্পনা' নামৰ গ্ৰন্থ ৰচনা কৰি বিষ্ণু ৰাভাই লিখিছিল-- "অসমৰ অত্যাচাৰিত আৰু অৱনত জাতি-জনগোষ্ঠীসমূহক আন আন উন্নত জাতিৰ লগত একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনৈতিক দলৰ ৰাজনৈতিক ব্যক্তি আৰু সমাজৰ নেতাসকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতিসকলৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই আৰু অসমত এক গৃহকন্দলৰ বাহ সাজি দিয়া হ'ব। ঐক্য অবিহনে সৌন্দৰ্যৰ বিকাশ আৰু প্ৰগতি অসম্ভৱ।" অনুসূচিত জাতিৰ লগতে জনজাতিৰ লোকসকলৰ দুৰ্দশা দেখা পাই বিষ্ণু ৰাভাই সেই লোকসকলক জাগ্ৰত কৰিবলৈ হয়তো সেয়ে লিখিছিল--

"জাগিব লাগিব তই কছাৰী, মিকিৰ, খাচী,
ৰাভা, গাৰো, মিৰি, কুটীৰ,
নগা বীৰ।
খামটি, মিচিমি, আবৰ, লালুং
লুছাই, চিংফৌ, চিনটিং, মণিপুৰী
তাই, টিপৰা, ডিমাছা, অকা
দফলা ককাই, চটীয়া, নদাহী
দেউৰী, টেটোলা, কোঁচ, হাজং
বৰাহী জাগিব লাগিব তই জাগ
ল-চোঁ আগভাগ।"

আকৌ তেখেতে গাইছিল—
"অ অসমীয়া ডেকা দল
আজি তেজাল বদন
মলিন কিয় হ'ল।"

সেই সময়ত অসমৰ সাংস্কৃতিক আন্দোলনৰ ত্ৰিধাৰা জ্যোতিপ্ৰসাদ আগৰৱালা, ফণী শৰ্মা আৰু বিষ্ণু ৰাভাৰ অভিন্ন ধাৰাক বাধা দিওঁতা কোনো নাছিল। তেখেতলোকৰ আহ্বান নেওচা দিয়াৰ শক্তিও কাৰো নাছিল। অক্লান্ত সৈনিক ৰাভাদেৱে উচ্চ-নীচ ভেদাভেদ পৰিহাৰ কৰি পাহাৰ-ভৈয়াম অবিশ্ৰান্তভাৱে ভ্ৰমি সকলো জাতি-জনগোষ্ঠীৰ মাজত পাৰস্পৰিক বান্ধোন সৃষ্টিৰ জোৱাৰ আনিছিল। আৰু প্ৰকৃততে বিষ্ণু ৰাভাদেৱ সফল হৈছিল।

অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনতো ৰাভাৰ অৱদান আছিল মৃতসঞ্জীৱনীস্বৰূপ। গীত, পদ্য, কবিতা, গল্প, নাটক আদি সৃষ্টিৰে ৰাভাদেৱে যেনেকৈ অসমীয়া ভাষাৰ ভঁড়াল চহকী কৰিছিল, তেনেকৈ সৃষ্টিসমূহক পিছপৰা জনগোষ্ঠী বুলি ভবা বড়োসকলৰ বাবেও বড়ো ভাষালৈ লেখাসমূহ অনুবাদ কৰিছিল। বৰ্তমান সময়ত বিষ্ণু ৰাভাক চৰকাৰীকৰণৰ ধুম উঠাত বিষ্ণু ৰাভাৰ বিষয়ে পিছপৰা জনগোষ্ঠীসমূহৰ নৱ-প্ৰজন্ম তেখেতৰ আদৰ্শক লৈ বিভ্ৰান্তিত পৰিছে। ফলস্বৰূপে আজিৰ পৰ্যায়ত ৰাভা দিৱস এক উৎসৱতহে পৰিণত হোৱা দেখা গৈছে। যি চৰকাৰে বিষ্ণু ৰাভাক দেশদ্ৰোহী বুলি সাধাৰণ কয়দীৰ দৰে হাতে-ভৰিয়ে লোহাৰ শিকলি লগাই কাৰাগাৰলৈ নিক্ষেপ কৰিছিল, সেই চৰকাৰেই যেতিয়া ৰাভাৰ বন্দনাত পঞ্চমুখ হৈ পৰে আৰু যিসকলে নিজকে উচ্চ জাতি বুলি নিম্ন-পিছপৰা জাতিৰ লোকসকলক অৱহেলা কৰে সেইসকলৰ মুখত বিষ্ণু ৰাভা দিৱস ধুমধামেৰে যেতিয়া অনুষ্ঠিত কৰে, অৱহেলিত আৰু নিৰ্যাতিত জাতিৰ লোকসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হোৱাটো স্বাভাৱিক। আশ্চৰ্যকৰ কথা এয়ে যে বিষ্ণু ৰাভাৰ সংগীতৰ ওপৰত এতিয়ালৈকে যিমান বেছি আলোচনা-বিলোচনা হৈছে, তেখেতৰ অন্যান্য দিশৰ ওপৰত কিন্তু সিমানখিনি আলোচনা হোৱা নাই। বিষ্ণু ৰাভা একাধাৰে এজন গীতিকাৰ, সুৰকাৰ, কবি, সাহিত্যিক, নাট্যকাৰ, সংগীত পৰিচালক, নৃত্যশিল্পী, খেলুৱৈ, ভাষাবিদ, অভিনেতা, সুবক্তা, সুদক্ষ নেতা আৰু এজন সুনিপুণ চিত্ৰশিল্পী। মুঠতে বিষ্ণু ৰাভা আছিল সৰ্বগুণাকৰ। তেখেতৰ কৰ্মৰাজিক সঠিকভাৱে প্ৰতিষ্ঠা কৰাটো আমাৰ লক্ষ্য হ'ব লাগিব।

*ফোন ঃ ৮৬৩৮৭৫৯৬৭৯*

"এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। নিজৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ উপৰি আনৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাৰ অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত..."

# সময়ৰ বুকুৰ জোৱাৰ-ভাটা...

মন্দিৰা শৰ্মা

'গছত গৰু উঠা আৰু হোলোঙাৰে কাণ খজুৱা' --এই আপ্তবাক্য এতিয়া যেন খাঁজে খাঁজে খাপ খাই পৰিছে আমাৰ পৰিৱেশ-পৰিস্থিতিৰ লগত। নিত্য নতুন সূত্ৰ, নিত্য নতুন আৱিষ্কাৰ, যেন প্ৰতিদিনে জন্ম হৈছে একোজন আৰ্কিমিডিছ, প্লেটো, আৰিয়ান কিম্বা হেৰোডটাচৰ! আমাৰ দৰে সাধাৰণ, কোনো ৰাজনৈতিক বা চৰকাৰী বান্ধোন নোহোৱা শ্ৰোতা-দৰ্শকৰ অৱস্থা এতিয়া ফাট মেলা বসুমতী পাতালে লুকাওঁ সদৃশ। আজি বোলে মছজিদৰ গৰ্ভত মন্দিৰ, কালি বোলে মন্দিৰৰ বোকোচাত মছজিদ ওলাল! যেন বৈজ্ঞানিকৰ আকাশৰ উল্কাপিণ্ডহে, এই ওলাল এই লুকাল।

বোৰ্খা, হিজাব, হালাল, নামাজ, মছজিদ একেধৰণৰ অথবা পোনপটীয়াকৈ ক'বলৈ গ'লে এটা ধৰ্মৰ লগত সম্পৰ্কিত শব্দবোৰৰ ব্যৱহাৰ আৰু সেইবোৰক লৈ হঠাৎ দেশখনত বহুল চৰ্চা আৰম্ভ হোৱাৰ কাৰণ কি বাৰু? হঠাতে এইবোৰ বিষয়ে এচাম নিৰ্দিষ্ট মানুহৰ টোপনি হৰণ কৰি দেশত খলকনিৰ সৃষ্টি কৰিবলৈ তৎপৰ হৈ পৰাৰ আঁৰত যি নিকৃষ্ট মানসিকতা লুকাই আছে সি ভাৰতৰ দৰে এখন ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশত কেতিয়াও গ্ৰহণযোগ্য হ'ব নালাগে। কিন্তু দুৰ্ভাগ্যৰ কথাটো হ'ল-- ভোটাৰৰ পৰা হিতাধিকাৰীলৈ অৱনমিত হোৱা জনতাই চকু মুদা কুলিৰ ভাও দি অকল নিজৰ স্বাৰ্থ সিদ্ধিৰ সপোন দেখি দেশ ৰসাতলে যাবলৈ এৰি দিছে। তাৰ ফলস্বৰূপে দেশ এতিয়া শিক্ষা, স্বাস্থ্য, অৰ্থনীতি সকলো ক্ষেত্ৰত অধোমুখী হ'বলৈ আৰম্ভ কৰিছে। পৰিস্থিতিৰ প্ৰতি কাৰো যেন ভ্ৰূক্ষেপ নাই। দেশৰ চৰকাৰৰ স্বেচ্ছাচাৰী আৰু অৰ্থনৈতিক ক্ষেত্ৰত দূৰদৰ্শিতাৰ অভাৱে গাতে লাগি থকা শ্ৰীলংকাৰ জনগণৰ যি পানীত হাঁহ নচৰা অৱস্থা কৰিলে তাকে প্ৰত্যক্ষ কৰিও আমাৰ মানুহ তৎপৰ হোৱা নাই চৰকাৰৰ স্বেচ্ছাচাৰিতাত বাধা দিবলৈ। হয়তো বাট চাই ছে শ্ৰীলংকাৰ জনতাৰ দৰে এক সংকটজনক অৱস্থাত পৰি বাটত তাণ্ডৱ কৰিবলৈ!

বৰ্তমান দেশত কৰ্মসংস্থাপনৰ



অনিশ্চয়তা, ইন্ধনজাত সামগ্ৰীৰ দৰৰ ঘোঁৰাচেকুৰ, সামাজিক নিৰাপত্তাহীনতা, সংবাদ মাধ্যম আৰু চৰকাৰী প্ৰতিষ্ঠানৰ সন্দেহজনক অৱস্থানে সৰ্বসাধাৰণক নিতে যি ঝট্‌কা দি আছে তাতে আকৌ ভূতৰ ওপৰত দানহৰ দৰে বজাৰৰ জুয়ে সকলোকে ছানি ধৰিছে। এনে এক সংকটজনক পৰিস্থিতিত এদল মানুহে যেতিয়া হিন্দু-মুছলমান, মন্দিৰ-মছজিদ আদি অৰ্থহীন বিবাদেৰে সময় আৰু সমাজক থকা-সৰকা কৰে তেতিয়া ভাবিবলৈ মন যায়... আমি মূৰ্খৰ স্বৰ্গত বাস কৰিছোঁ!

গণতন্ত্ৰত নিৰ্বাচন অপৰিহাৰ্য অংগ, কিন্তু সেই বুলিয়েই সকলো নিৰ্বাচনকেন্দ্ৰিক ৰাজনীতি গ্ৰহণযোগ্য নহয়। 'বাবৰি মছজিদ'ৰ ঘটনাৰ প্ৰাসংগিকতা বৰ্তমান কমি গ'ল বুলিয়ে নতুনকৈ মন্দিৰ-মছজিদ কেন্দ্ৰিক ইছ্যু সৃষ্টি কৰি সমাজত হিংসাত্মক কাৰ্যকলাপ বৃদ্ধিৰ জৰিয়তে ৰাজনৈতিক মুনাফা লাভৰ সপোন দেখা স্বাৰ্থান্বেষী নেতা-পালিনেতাই কেতিয়া বুজিব হাবিত জুই লাগিলে গোঁজৰ পৰা গছলৈ সকলোৰে পুৰি ছাৰখাৰ হয়!

কি কেন্দ্ৰ, কি ৰাজ্য সকলোতে চলিছে বিভেদৰ ৰাজনীতি। জাতিৰ নামত, ধৰ্মৰ নামত সমাজক খণ্ডিত কৰি ভোট বেংক নিৰ্মাণৰ নিৰ্লজ্জ ৰাজনীতিত মত্ত এটা চামে পাহৰি গৈছে আমাৰ সমন্বয় আৰু সংস্কৃতিৰ প্ৰাচীন ইতিহাস। দিনৰ পোহৰত মেলে-মিটিঙে শংকৰ-আজানৰ উদাহৰণেৰে হাত চাপৰি গোটোৱাত নেতাই ৰাতিৰ আন্ধাৰত ধৰ্মৰ ভিত্তিত দোষী-নিৰ্দোষী বিচাৰ-বিধানৰ যি পৰম্পৰা আৰম্ভ কৰিছে সি অকল হতাশাজনকেই নহয়, ভয়াৱহও। সকলো নেতাৰূপী স্বয়ম্ভু দণ্ডাধীশে মনত ৰখা উচিত-তেওঁলোকৰ এই মদমত্ত মানসিকতাই সাধাৰণ জনতালৈ কঢ়িয়াই আনিব পাৰে নেলীৰ, বৰকাজুলিৰ দৰে কালৰাত্ৰিৰ। এখন থানাক দিনৰ পোহৰত সুৰক্ষা দিব নোৱাৰা পুলিচ প্ৰশাসন অথবা চৰকাৰে এক বিশাল জনসংখ্যাক উদ্দেশ্যপ্ৰণোদিতভাৱে উত্তেজিত কৰি সাধাৰণ জনতাক আশংকাৰ মাজলৈ ঠেলি দিয়াৰ অধিকাৰ কোনো ভোটাৰৰ পৰা পোৱা নাই। সকলো নেতাই দায়িত্ব দিয়া আৰু অধিকাৰ দিয়াৰ মাজৰ পাৰ্থক্যৰ বুজি লৈ চিন্তা আৰু পৰিকল্পনাত লেকাম লগাবলৈ চেষ্টা নকৰিলে ৰাজনীতি গৰম কৰিবলৈ লগোৱা জোঁৰ পুৰি হাত পাবলৈ বহুত বেছি সময় নালাগিব।

নীৰৱতাক সমৰ্থন বুলি ধৰি লৈ সময়ক কৰায়ত্ত কৰিব খোজা মানুহ পৰাক্ৰমী নহয়, তেওঁলোক পুতৌ লগাকৈ সংবেদনহীন আৰু নিশকতীয়া চিন্তাৰ অধিকাৰী... তেওঁলোকে উপলব্ধি কৰিব নোৱাৰে বোবা সময়ৰ গৰ্ভত গুমৰি থকা জোৱাৰ-ভাটাৰ কথা...!!

*দৰং, মঙলদৈ*

# শিল্পী বিনোদ শৰ্মাই তিনিবাৰকৈ আবেদন কৰিও নাপালে শিল্পী পেঞ্চন

## শিল্পীসকলক অৱহেলা নকৰিবলৈ চৰকাৰলৈ কাতৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ৩ জুনঃ** এটি সংস্কৃতিবান পৰিয়ালত ডাঙৰ-দীঘল হোৱা আৰু বিদ্যালয়ৰ ছাত্ৰ অৱস্থাৰ পৰাই অভিনয় জগতত ভৰি দিয়া বিনোদ চন্দ্ৰ শৰ্মা এতিয়া এগৰাকী সফল অভিনেতা, নাট্যকাৰ আৰু পৰিচালক। বৰ্তমান সেইগৰাকী বিনোদ চন্দ্ৰ শৰ্মাই শিল্পী পেঞ্চনৰ বাবে এতিয়ালৈকে তিনিবাৰকৈ আবেদন কৰিও আজিও লাভ নকৰিলে। নগাঁও জিলাৰ কামপুৰত ১৯৪৬ চনত জন্ম গ্ৰহণ কৰা তথা নগেন্দ্ৰ নাথ শৰ্মা আৰু কুঞ্জবালা দেৱীৰ পুত্ৰ বিনোদ শৰ্মাই নগাঁৱৰ বেবেজীয়াৰ আজো-ককাক তিলক খনিকৰৰ ঘৰত থাকি ডাঙৰ-দীঘল হৈছিল। উল্লেখ্য যে সেই সময়ত তিলক খনিকৰ মধ্য অসমৰ এগৰাকী বিখ্যাত খনিকৰ আছিল। তেওঁলোকৰ গোটেই ঘৰখনেই সংস্কৃতিৰ লগত জড়িত আছিল। সেয়ে ককাক তথা মোমায়েক দুৰ্গা প্ৰসাদ শৰ্মা বৰুৱাৰ ঘৰত থাকি বিনোদ শৰ্মাইও চতুৰ্থমানৰ পৰাই গীত-নৃত্য, নাটকত অভিনয় কৰিবলৈ আগবাঢ়িছিল। বৰ্তমান



মৰিগাঁও চহৰৰ পচতীয়াৰ ২ নং ৱাৰ্ডৰ স্থায়ী বাসিন্দা বিনোদ শৰ্মা। তেওঁ চতুৰ্থ মানত পঢ়ি থকাৰ অৱস্থাতে প্ৰথম 'টেক্সী ড্ৰাইভাৰ' নামৰ এখন নাটকত শিশু শিল্পীৰ অভিনয় কৰিছিল। একেবাৰে ডিব্ৰুগড় মেডিকেল কলেজৰ যোগে শিলঘাট, চাবুবাত 'উচ্চা জুই' নাটকৰ কল্লোল চৰিত্ৰত তেওঁ অভিনয় কৰিছিল। মিউজিক আছিল জিতু-তপনৰ। বৰ্তমান জিলাখনৰ লগতে ৰাজ্যখনৰ বিভিন্ন ঠাইত সামাজিক নাট আৰু অসমীয়া অংকীয়া ভাওনাত অভিনয় কৰি দৰ্শকৰ সমাদৰ লাভ কৰি আহিছে। ইয়াৰোপৰি কৌতুক অভিনেতা হিচাপেও তেওঁ জনপ্ৰিয়তা অৰ্জন কৰি আহিছে। যাৰ বাবে তেওঁ ১৯৮৮ চনত অসমৰ শ্ৰেষ্ঠ কৌতুক অভিনেতাৰ খিতাপ অৰ্জন কৰিছিল। ইতিমধ্যে তেওঁৰ স্বৰচিত সামাজিক নাট - পবিত্ৰতা (পূৰ্ণাংগ নাট) ছপা আকাৰত প্ৰকাশ কৰি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হৈছে। একেদৰে তেওঁ একাংকিকা নাট - অজগৰ কাল (ড্ৰাগছৰ ওপৰত), ৰেড এলাৰ্ট, পুনৰ মাচকো ভৰ, নীলা শিয়াল, আব্দুল মাষ্টৰ (ডেৰ ঘণ্টীয়া নাট) নাটক আৰু একমাত্ৰ কবিতা পুথি 'পূজা' ৰচনা কৰিছে। অভিনয় কৰা চুটি চিনেমা 'লকডাউন, পকা কঁঠাল চোৰ'। ইয়াৰ উপৰি তেওঁ তিৱা জনগোষ্ঠীৰ ওপৰত নিৰ্মাণ হ'ব লগা অন্য এখন চিনেমাৰ স্ক্ৰিপ্ট সম্পূৰ্ণ কৰি তুলিছে। বৰ্তমান ৭৬ বছৰীয়া নাট্যকাৰ তথা সাংস্কৃতিক কৰ্মী বিনোদ চন্দ্ৰ শৰ্মাই শিল্পী পেঞ্চনৰ বাবে একেবাৰে তিনিটা বছৰ অসম চৰকাৰৰ ওচৰত আবেদন জনাই আহিছে যদিও আজিলৈকে লাভ কৰিবলৈ সক্ষম হোৱা নাই। এনে ক্ষেত্ৰত নাট্যকাৰ শৰ্মাই অসম চৰকাৰক কাতৰে আহ্বান জনাই কয় যে শিল্পীসকলক অৱহেলা নকৰিব। জীৱনৰ বিয়লি বেলাত ভৰি দিলোঁহি, মোৰ দৰে হয়তো আৰু বহুতো শিল্পী আছে, যিয়ে অসম চৰকাৰৰ পেঞ্চনৰ বাবে বছৰৰ আবেদন কৰিও প্ৰতিবাৰে বঞ্চিত হৈ আহিছে। এনে ক্ষেত্ৰত চৰকাৰে উপযুক্ত শিল্পীসকলক পেঞ্চনৰ ব্যৱস্থা কৰি সৃষ্টিশীল কৰ্মৰাজিৰ স্বীকৃতি দিলে জীৱনৰ বিয়লি বেলা আত্মসন্তুষ্টি পাব।

# বিহালীৰ বেদেতীত সঙ্গীত মহাবিদ্যালয় উদ্বোধন

## লক্ষ্ণৌৰ ভাটখাণ্ডে সঙ্গীত ঘৰাণাৰ অধীনত চলিব পাঠ্যক্ৰম

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৩ জুনঃ** বিহালীৰ বেদেতীস্থ আৰ কে সৌৰভণী কনিষ্ঠ মহাবিদ্যালয়ত কালি 'তাল' সঙ্গীত মহাবিদ্যালয় নামৰ এখন মহাবিদ্যালয়ৰ শুভ উদ্বোধন কৰা হয়। উদ্বোধন কৰে সাহিত্যিক পেন্সনাৰ ভুধৰ বৰাই। কনিষ্ঠ মহাবিদ্যালয়ৰ শিক্ষক অৰুণ তামুলীয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে সাংবাদিক দীপক শৰ্মাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ পলাশজ্যোতি কোঁচে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে পলাশজ্যোতি কোঁচৰ মাতৃ দেৱেশ্বৰী কোঁচে। লক্ষ্ণৌৰ ভাটখাণ্ডে সঙ্গীত ঘৰাণাৰ অধীনত পাঠ্যক্ৰম চলিব লগা সঙ্গীত মহাবিদ্যালয়খনৰ উদ্বোধনী সভাখনত নাট্যকাৰ, কলাগুৰু তথা শিল্পী পেন্সনাৰ বিনোদ খনাল, ভুধৰ বৰা, নৱ কুমাৰ, দুৰ্গেশ্বৰ মুদৈ, দিগন্ত কুমাৰ দাস, শিল্পী সেৱক শৰ্মা আদিয়ে যাতৰীয় দিহা-পৰামৰ্শৰে তথ্যগধূৰ বক্তব্য আগবঢ়ায়।



সঙ্গীত মহাবিদ্যালয়ৰ নীতি-নিয়ম সম্বন্ধে বক্তব্য ৰাখে প্ৰশিক্ষক প্ৰাঞ্জল ডেকাই আৰু আনুষংগিক বক্তব্য আগবঢ়ায় কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ পলাশজ্যোতি কোঁচে।

# তিনিদিনীয়াকৈ জালুগুটিত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ উনবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ৩ জুনঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ উনবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখন ৩ জুনৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জিলাখনৰ জালুগুটিত অনুষ্ঠিত হয়। জালুগুটি আঞ্চলিক মহাবিদ্যালয় খেলপথাৰ আৰু জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত অধিৱেশনৰ কাৰ্যসূচী অনুসৰি আজি প্ৰথম দিনাৰ পুৱা ৯ বজাত পতাকা উত্তোলন কৰে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিৰ সভাপতি দীপজ্যোতি বৈশ্যই। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ, শ্ৰদ্ধাঞ্জলি, প্ৰতিনিধি পঞ্জীয়ন আৰু ১১ বজাত প্ৰতিনিধি সভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হয়। প্ৰতিনিধি সভাখন উদ্বোধন কৰে সংগঠনটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক পলাশ চাংমায়ে। আবেলি ২-৩০ বজাত প্ৰতিনিধি সভাৰ দ্বিতীয় বৈঠক আৰু ৩-৩০ বজাত অনুষ্ঠিত হয় বিষয় বাছনি সভা। আনহাতে ৪ জুনৰ পুৱা ১০ বজাত অনুষ্ঠিত হ'ব মুকলি সভা। সভাত মুখ্য অতিথি ৰূপে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱা, নিৰ্দিষ্ট বক্তা ৰূপে মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মুখ্য উপদেষ্টা বুবুমণি গোস্বামী, সন্মানীয় অতিথি ৰূপে জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি নাথ আৰু আমন্ত্ৰিত বিশিষ্ট অতিথি ৰূপে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ইয়াৰ পিছতে আবেলি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে অন্তিম তথা ৫ জুনৰ দিনা বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বৃক্ষ ৰোপণ কাৰ্যসূচীৰে অধিৱেশনৰ সকলো কাৰ্যসূচীৰ সামৰণি পৰিব বুলি মৰিগাঁও জিলা সমিতিৰ সভাপতি দীপজ্যোতি বৈশ্য আৰু সাধাৰণ সম্পাদক মিৰ্জা আৰিফ আলমে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# হাজোৰ ঐতিহ্যমণ্ডিত সৰগ দুৱাৰ আৰু অপূৰ্ণভৱ কুণ্ডৰ পুনঃসংৰক্ষণৰ কাম প্ৰায় সমাপ্তিৰ দিশে

## বিধায়িকা সুমন হৰিপ্ৰিয়াৰ উন্নয়নমুখী প্ৰচেষ্টাক ধন্যবাদ জ্ঞাপন সচেতন ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩ জুনঃ** হাজোত এতিয়া উন্নয়নৰ চমক। কথা মতেই কাম কৰি দেখুৱালে হাজোৰ কৰ্মোদ্যমী বিধায়িকা সুমন হৰিপ্ৰিয়াই। হাজোৰ ঐতিহ্য-সমন্বয়ৰ ক্ষেত্ৰ কামেশ্বৰ মন্দিৰৰ সমীপত অৱস্থিত গোকৰ্ণ পাহাৰত ইতিহাসে গৰকা বুৰঞ্জী প্ৰসিদ্ধ অপূৰ্ণভৱ কুণ্ড আৰু সৰগদ্বাৰৰ পুনৰ উদ্ধাৰ, সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ বাবে বিধায়িকা সুমন হৰিপ্ৰিয়াৰ প্ৰচেষ্টাত ২০২২-২৩ বৰ্ষৰ বিধায়ক পুঁজিৰ আবণ্টিত ধনেৰে অপূৰ্ণভৱ কুণ্ডৰ লগতে সৰগদুৱাৰৰ পুনৰ উদ্ধাৰ আৰু সংৰক্ষণৰ কাম আৰম্ভ কৰিছিল। কামৰ শুভাৰম্ভৰ পিছতেই তীব্ৰ



গতিত আগবাঢ়ি বৰ্তমান নিৰ্মাণ কাৰ্য সমাপ্তিৰ দিশে গতি কৰিছে বুলি জানিব পৰা গৈছে আৰু অচিৰেই পৰ্যটকৰ বাবে মুকলি কৰিব বুলি উমান পোৱা গৈছে। ই পৰ্যটকক হাত বাউল দি মতাৰ থল আছে আৰু উৰলি যাবলৈ ধৰা হাজোৰ ঐতিহ্য সমূহক সংৰক্ষণ আৰু সংবৰ্ধন কৰিবলৈ ওলোৱা চুপাৰ এক্টিভ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ প্ৰচেষ্টাক হাজোৰ সচেতন ৰাইজে ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱা দেখা গৈছে।

# নলবাৰী গৰ্ডন স্কুল চৌহদত বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰয়াত কৃষ্ণ কুমাৰ কুন্নাথলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩ জুনঃ** বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণ কুমাৰ কুন্নাথৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে সমগ্ৰ দেশৰ অনুৰাগীসকল। সেইমৰ্মে আজি নলবাৰী গৰ্ডন স্কুল চৌহদত জনপ্ৰিয় বলীউডৰ কণ্ঠশিল্পী কৃষ্ণ কুমাৰ কুন্নাথলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন। নলবাৰী জিলাৰ অনুৰাগীসকলৰ তৰফৰ পৰা জনপ্ৰিয় বলীউডৰ কণ্ঠশিল্পীগৰাকীক একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগত সংগতি ৰাখি জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণ কুমাৰ কুন্নাথৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, গছপুলি ৰোপণৰ লগতে অনুৰাগীসকলে কৃষ্ণ কুমাৰ কুন্নাথৰ গীত পৰিৱেশন কৰি একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজিৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত যুৱ কণ্ঠশিল্পী নয়ন নীতম চৌধুৰী, সচেতন যুৱক ভাস্কৰ জ্যোতি বৰ্মন, তীৰ্থ অসমীয়া, সন্তোষ হাজৰিকা, উদ্দীপন পাটোৱাৰী, হিমাংশু তালুকদাৰ, ধৃতু তালুকদাৰসহ বহুকেইগৰাকী জনপ্ৰিয় বলীউডৰ কণ্ঠশিল্পী প্ৰয়াত কৃষ্ণ কুমাৰ কুন্নাথৰ অনুৰাগী উপস্থিত থাকে।

# ব্লেণ্ডাৰ্ছ প্ৰাইড ফেশ্বন শ্ব'লৈ কাকপথাৰৰ থানেশ্বৰ ৰবি নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ৩ জুনঃ** ৰাষ্ট্ৰীয় তথা আন্ত:ৰাষ্ট্ৰীয় পৰ্যায়ৰ নিৰ্বাচিত মডেলসকলৰ দ্বাৰা পৰিৱেশন কৰিবলগীয়া ব্লেণ্ডাছ প্ৰাইড



ফেশ্বন শ্ব'ৰ বাবে কাকপথাৰৰ থানেশ্বৰ ৰবি নিৰ্বাচিত হোৱাৰ খবৰে আনন্দৰ লহৰ তুলিছে। উত্তৰ-পূবৰ পৰা নিৰ্বাচিত হোৱা দুজন পুৰুষ মডেলৰ ভিতৰত অন্যতম এগৰাকী থানেশ্বৰ ৰবি। কাকপথাৰৰ ১ নং চেলেংগুৰি নিৱাসী থানেশ্বৰ ৰবিয়ে কাইলৈ গুৱাহাটীৰ ভিভান্টা তাজ হোটেলত হ'বলগীয়া ফেশ্বন শ্ব'ত অংশগ্ৰহণ কৰিব।

# গোগামুখত সদৌ ঙাটে বংশাৱলীৰ সভা বংশাৱলীৰ বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৩ জুনঃ** মিচিংসকলৰ অন্যতম গোত্ৰ ঙাটে অপেঃ অৰ্থাৎ ঙাটে বংশাৱলীৰ এখন সভা কালি অনুষ্ঠিত হৈ যায়। ধেমাজি জিলাৰ গোগামুখ আবুতানি লত্তাত অনুষ্ঠিত হোৱা উক্ত সভাত ঙাটে বংশাৱলীৰ বিশিষ্ট ব্যক্তি মিচিং সমাজৰ লগতে বৃহত্তৰ অসমীয়া সমাজলৈ শিক্ষা, সামাজিক, সাংস্কৃতিক, প্ৰশাসনিক, ৰাজনৈতিক আৰু চিকিৎসা সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে বহুকেইজন লোকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত বিশেষভাৱে ঙাটে বংশাৱলীৰ প্ৰথমগৰাকী বিধায়ক তথা মাজুলী বিধানসভা সমষ্টিৰ বিধায়ক ভুৱন ঙাটে গাম, ভুৱন গামৰ পত্নী পুণ্যৱতী ঙাটে, সুদক্ষ প্ৰশাসনিক বিষয়া তথা বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনীন্দ্ৰনাথ ঙাটে, মুনীন্দ্ৰনাথ ঙাটেৰ পত্নী মীনা ঙাটে, মাজুলী ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ ঙাটে গাম, অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ উচ্চ বৰ্গৰ সহায়ক লয়কান্ত ঙাটে, চিলাপথাৰ অকাজানৰ পশু চিকিৎসা বিভাগৰ ক্ষেত্ৰ সহায়ক মৃণাল ঙাটে, অৱসৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ জিলা ডি আই নন্দনাথ ঙাটে গাম, আদি-মিচিং পৰিণ কৌবাঙৰ সভাপতি তুষাৰ ঙাটে, জীয়াভৰলী বোকাগাঁও মিলিৰ লাট গাঁওবুঢ়া কালিচৰণ ঙাটে, জোনাই বাহিৰ চিলেৰ লাট গাঁওবুঢ়া অশোক ঙাটে আদিৰ লগতে বহু বয়োজ্যেষ্ঠ লোককো সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত ব্যক্তিসকলক মিবু গালোগ, গেৰঃ, য়ক্‌ছা, ঔৰকগ আৰু মানপত্ৰ আদি প্ৰদান কৰা হয়। সভাখনত সভাপতিত্ব কৰে সদৌ ঙাটে অপেঃৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কিশোৰ ঙাটেই। সভাখনৰ আঁত ধৰে ৰাজেশ ঙাটে আৰু দিলীপ ঙাটে গামে। উল্লেখনীয় যে, উক্ত সভাত সম্বৰ্ধিত ব্যক্তিসকলে ঙাটে বংশাৱলীৰ পৰা সম্বৰ্ধনা লাভ কৰি আনন্দ প্ৰকাশ কৰে আৰু বংশাৱলীৰ প্ৰতিগৰাকী লোকক দায়িত্ব সহকাৰে কাম কৰি শিক্ষা-সাংস্কৃতিক, অৰ্থনৈতিক আদি দিশত আগুৱাই যাবলৈ আহ্বান জনায়।

# নাজিৰা মহাবিদ্যালয়ৰ আছু গোট গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩ জুনঃ** নাজিৰা আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত নাজিৰা মহাবিদ্যালয় আছু গোটৰ সমিতিখন পুনৰ নতুনকৈ গঠন কৰা হয়। মহাবিদ্যালয়খনত বিগত কেইবা বছৰ ধৰি আছুৰ দখলত থকা ছাত্ৰ একতা সভাখনে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ উন্নয়নৰ হকে কৰি অহা ভাল কামসমূহৰ সমান্তৰালভাৱে আছু গোটটোৱেও বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, মানসিক, বৌদ্ধিক, ক্ৰীড়া আদি বহু দিশত উন্নয়নমূলক আৰু প্ৰশংসনীয় কাম কৰি আহিছে। আনহাতে আছুৰ সংবিধান অনুযায়ী যিহেতু সমিতি এখন প্ৰতিবছৰে পুনৰীক্ষণ কৰি নতুনকৈ গঠন কৰিব লাগে। গতিকে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি কালি নাজিৰা আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিপু বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত সভাত মহাবিদ্যালয়ৰ আছু গোটৰ উপদেষ্টা হিচাপে অনন্ত প্ৰতিম শইকীয়া, জিতু দিহিঙীয়া, ৰাকেশ মাল, প্ৰদ্যুৎ দত্তক সভাপতি, প্ৰজ্ঞান শইকীয়া, চাছৰোত দত্ত, আস্থা গগৈ, পিংকী শইকীয়া, তুলতুল বৰগোহাঁইক উপ-সভাপতি, কৌস্তৱমণি বকলক সাধাৰণ সম্পাদক, বন্দিতা বৰগোহাঁই, কৃষ্ণাক্ষী দত্ত, মল্লিকা চেতিয়া, এন্দ্ৰিজ গগৈক সহকাৰী সম্পাদক, জ্ঞানদীপ দত্তক শিক্ষা সম্পাদক, ৰাজশ্ৰী কোঁৱৰক সাংস্কৃতিক সম্পাদক, সিদ্ধাৰ্থ বুঢ়াগোহাঁইক সাহিত্য সম্পাদক হিচাপে লৈ প্ৰায় ৪২ জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়। উক্ত সভাত নাজিৰা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বিপ্লৱ গগৈকে ধৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, মহকুমা ছাত্ৰ সন্থাৰ সভাপতি দেৱজিৎ গগৈ, মহকুমা ছাত্ৰ সন্থাৰ সম্পাদক প্ৰীতম বৰগোঁহাইসহ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া উৎপল বড়া, ৰাজবীৰ আহমেদ আৰু চৰণ চাহুকে ধৰি কেইবাজনো উপস্থিত থাকে। অন্যহাতে নাজিৰা মহাবিদ্যালয়ৰ আছুৰ নৱগঠিত সমিতিখনক সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈয়ে শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে।

# জনপ্ৰিয় ফেচবুক গোট সপোনৰ পৰিধি, অসমৰ বিশ্ব পৰিৱেশ দিৱস পালনৰ ব্যতিক্ৰমী পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাচনী, ৩ জুনঃ** সপোনৰ পৰিধি অসমৰ উদ্যোগত অসমৰ বিভিন্ন জিলাত অহা পাঁচ জুন, ২০২২ তাৰিখ দেওবাৰে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পৰিৱেশ সুৰক্ষা আৰু প্ৰাকৃতিক সৌন্দৰ্য ৰক্ষণাবেক্ষণৰ লগতে জীৱকুলৰ আশ্ৰয় স্থল হিচাপে বিশ্ব পৰিৱেশ গঢ়ি তোলাৰ মহান উদ্দেশ্য আগত ৰাখি গছপুলি ৰোপণৰ এক অনন্য তথা ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সপোনৰ পৰিধি অসমৰ প্ৰতিষ্ঠাপক বিকি নেওগে জনায় যে কাৰ্বি আংলং জিলাত অনুষ্ঠানৰ যুটীয়া প্ৰচাৰ সম্পাদক কৌস্তৱ খাউণ্ডৰ সহযোগত, ডিব্ৰুগড়ত জিতেন চেতিয়া, ৰমেন চাংমাই আৰু হেমন ৰাজখোৱাৰ সহযোগত, গোৱালপাৰাত মিনু হাজৰিকাৰ সহযোগত, গুৱাহাটীত দীপিকা চৌধুৰী, ইভা গোস্বামী আৰু হেমন্ত ওজাৰ সহযোগত, গোলাঘাটত অখিল কুমাৰ দত্ত, মিৰ মিচবাহ মুস্তা হাচান, মঙ্গলদৈত পপী চহৰীয়া আৰু যোৰহাটত বিকি নেওগ আৰু প্ৰশান্ত কুমাৰ বৰাৰ সহযোগত বিশিষ্ট ব্যক্তিক গছপুলি ৰোপক হিচাপে লৈ এই কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ইয়াৰ লগত সংগতি ৰাখি বিকি নেওগে সকলোলৈকে বিশ্ব পৰিৱেশ দিৱসৰ দিনা নিজৰ এলেকাত অথবা নিজৰ ঘৰৰ চৌহদত একোটি গছপুলি ৰোপণ কৰি, ৰুই থকা অৱস্থাত তোলা এখন ফটো সপোনৰ পৰিধি, অসম ফেচবুক গোটৰ মজিয়ালৈ পঠিয়াবলৈ বিনম্ৰতাৰে অনুৰোধ জনায়। লগতে ফটো প্ৰেৰণ কৰা প্ৰথম তিনিজন প্ৰেৰকলৈ একোখনিকৈ গ্ৰন্থ উপহাৰ স্বৰূপে প্ৰেৰণ কৰা হ'ব বুলি জনায়। সপোনৰ পৰিধি, অসমৰ শ্ল'গান— সেউজী ধৰণী, তেহে হ'ব জীৱৰ বসতি।

# অবড়োৰ নামত ৰাইজক বিভ্ৰান্ত কৰিছে জোন দাসে

## বাক্সাৰ ডুমুনীত কাৰ্যবাহী সদস্য ঘনশ্যাম দাসৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩ জুনঃ** অবড়োৰ নামত ৰাইজক বিভ্ৰান্ত কৰিছে জোন দাসে। জোন দাসে নিজকে অবড়ো সংগঠনটোৰ নেতা বুলি প্ৰচাৰ কৰে যদিও কাৰ্যক্ষেত্ৰত সংগঠনটোৰ সাধাৰণ সদস্যও নহয়। আজি বাক্সা জিলাৰ ডুমুনীত আহ্বান কৰা এখন সংবাদ মেলত এইদৰে মন্তব্য কৰে গণ সুৰক্ষা পাৰ্টীৰ উপসভাপতি তথা বিটিচিৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে। সংবাদ মেলত জিএছপি নেতা তথা কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে অবড়ো সুৰক্ষা সমিতি (যোগেশ্বৰ গোট)ৰ মুখপাত্ৰ জোন দাসক লক্ষ্য কৰি লৈ তেওঁৰ বিৰুদ্ধে সৰৱ হৈ পৰে। জোন দাস অবড়ো সুৰক্ষা সমিতিৰ এগৰাকী স্বয়ম্ভু নেতাহে বুলি উল্লেখ কৰি তেওঁ অবড়োৰ নাম লৈ ইউপিপিএল-বিজেপি-জিএছপি দলৰ মাজত এক সংঘাত সৃষ্টি কৰাৰ চেষ্টা কৰি থকা বুলি কয়। কাৰ্যবাহী সদস্য দাসে শেহতীয়াকৈ বিটিচিৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ অবড়ো সুৰক্ষা সমিতি সমৰ্থিত প্ৰাৰ্থী হীৰেন শৰণীয়াক 'হাইজেক' কৰা প্ৰসংগত জোন দাসেহে নিজে প্ৰাৰ্থীগৰাকীক প্ৰচাৰৰ পৰা আঁতৰাই ৰখাৰ উদ্দেশ্যে লুকাই ৰখা বুলি ওলোটাই অভিযোগ কৰে। আনকি নিৰ্দলীয় প্ৰাৰ্থীগৰাকীয়ে নিজৰ মনোনয়ন প্ৰত্যাহাৰ কৰাৰ বাবে জোন দাসে মিত্ৰজোঁটক এক কোটি টকা দাবী কৰা বুলিও সংবাদ মেলত গুৰুতৰ অভিযোগ উত্থাপন কৰে কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে। বিটিআৰত এতিয়া বড়ো-অবড়ো সকলোৱে মিলি শান্তিৰে বসবাস কৰি





আছে। তেনে সময়তে জোন দাস আৰু যোগেশ্বৰ কলিতাই অবড়োৰ নাম লৈ অশান্তিৰ বীজ বিয়পোৱাৰ চেষ্টা অব্যাহত ৰখা বুলি অভিযোগ কৰে জিএছপি নেতাগৰাকীয়ে। সম্প্ৰতি বিটিআৰত প্ৰমোদ বড়োৰ নেতৃত্বত শান্তি স্থাপন হোৱা বুলি উল্লেখ কৰি জোন দাস আৰু যোগেশ্বৰ কলিতাৰ নিচিনা লোকে আবোল-তাবোল কথা কৈ এক অশান্তিৰ বাতাৱৰণ সৃষ্টি নকৰিবলৈ সংবাদ মেল যোগে সকীয়াই দিয়ে ঘনশ্যাম দাসে।

# গোলাঘাটৰ কাবৰুগাঁৱত ভয়ংকৰ অগ্নিকাণ্ড ঃ কথমপি প্ৰাণ ৰক্ষা এটি পৰিয়ালৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৩ জুনঃ** বৃহস্পতিবাৰে নিশা প্ৰায় ১ মান বজাত গোলাঘাটৰ কাবৰুগাঁৱত ভয়ংকৰ অগ্নিকাণ্ড ঘটনা সংঘটিত হয়। জানিব পৰা মতে ভবেন ভৰালীৰ পৰিয়ালটো শুই থকা অৱস্থাতে বৈদ্যুতিক বিজুতিৰ ফলত জুইৰ সূত্ৰপাত হয়। জুইৰ লেলিহান শিখাই আগুৰি ধৰাৰ পূৰ্বেই দুৰ্ভগীয়া পৰিয়ালটো ঘৰৰ পৰা ওলাই যোৱাত কথমপি প্ৰাণ ৰক্ষা পৰে। উল্লেখযোগ্য যে অগ্নি নিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপিত কৰে যদিও ইতিমধ্যে ঘৰটোৰ লগতে সকলো সা-সম্পত্তি সম্পূৰ্ণৰূপে জুইত জাহ যায়। অনুমান কৰা মতে প্ৰায় কেইবা লক্ষাধিক টকাৰ সা-সম্পত্তিৰ ক্ষতি হৈছে দুৰ্ভগীয়া পৰিয়ালটোৰ। পৰিতাপৰ কথা, ঘৰৰ বাহিৰত থকা এখন বাইক আৰু চাইকেলো জুইত ভস্মীভূত হয়। পৰিয়ালটোৰ এনে দুৰ্ঘটনাত একেবাৰে বিধ্বস্ত হৈ পৰাৰ লগতে এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

No. JICA/PMU/Hiring/30/2022/21

**TENDER NOTICE**

Project Director, Assam Health Infrastructure Development and Management Society (AHIDMS) invites sealed quotation for **"Empanelment of Travel Agency for Booking of Air/Rail/Bus Tickets, Accommodation and Outstation Vehicle Hiring under AHIDM Society"** affixing non-refundable Court fee stamp of Rs. 8.25 (Rupees eight and paisa twenty-five) only from reputed and experience travel agency. The detailed tender document along with terms and conditions may be obtained from the O/o Project Director, AHIDM Society, 3rd floor, Nayantara Supermarket Complex, Six Mile, Khanapara, Guwahati- 781022 on working days from 2nd June, 2022 onwards.

The tender document should be sealed in an envelope superscribed as "Quotation for Empanelment of Travel Agency for Booking of Air/Rail/Bus Tickets, Accommodation and Outstation Vehicle Hiring under AHIDM Society" due on 16th June, 2022 and addressed to the O/o Project Director, AHIDM Society, 3rd floor, Nayantara Supermarket Complex, Six Mile, Khanapara, Guwahati- 781022. The society will not be responsible for any postal delay, damage or lost in transit in case of delivery.

The undersigned reserves the right to reject any or all the tenders without assigning any reason thereof.

Last date of submission of Tender : 16.06.2022 upto 11.00 a.m.
Opening of Technical Bids : 16.06.2022 at 3.00 p.m.

Project Director,
ASSAM HEALTH INFRASTRUCTURE DEVELOPMENT AND MANAGEMENT SOCIETY (AHIDMS)
DISPUR, GUWAHATI-781006

Janasanyog /C/3729/22

## শিৱসাগৰত জ্যেষ্ঠ নাগৰিকৰ সংবাদ মেল

# ঐতিহাসিক শিৱদ'লৰ পৰা শিৱলিংগ স্থানান্তৰ-গছ কটাক লৈ পুনৰ বিতৰ্কৰ সূত্ৰপাত

## মুখ্যমন্ত্ৰীয়ে দিলে তদন্তৰ নিৰ্দেশ ঃ সন্দেহৰ আৱৰ্তত পুৰাতত্ত্ব বিভাগ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩ জুনঃ** শিৱসাগৰৰ শিৱদ'ল। যাক লৈ কেৱল শিৱসাগৰবাসীয়েই নহয়, বৰঞ্চ সমগ্ৰ ৰাজ্যবাসীয়েই এক গৌৰৱ অনুভৱ কৰি আহিছে। সাম্প্ৰতিক সময়ত এই শিৱদ'লক সৌন্দৰ্যবৰ্দ্ধন কৰাৰ নামত দ'লৰ চাৰিওফালে থকা শ শ বছৰ পুৰণি বিভিন্ন প্ৰজাতিৰ গছ কাটি পেলোৱাক লৈ জাগি উঠিছে জিলাখনৰ সমাজৰ সচেতন মহল। ইয়াৰ সমান্তৰালভাৱে দ'লৰ ভিতৰত থকা কেইবা দশক পুৰণি শিৱলিংগ স্থানান্তৰ কৰা প্ৰসংগক লৈ আৰম্ভ হৈছে পুনৰ বিতৰ্কৰ। এই সমগ্ৰ প্ৰক্ৰিয়াক লৈ সন্দেহৰ আৱৰ্তত সোমাই পৰিছে ভাৰতীয় পুৰাতত্ত্ব সৰ্বেক্ষণ (আৰ্কলজিকেল ছাৰ্ভে অৱ ইণ্ডিয়া)। পুৰাতত্ত্ব বিভাগে এখন আৰ.টি.আই.ৰ প্ৰত্যুত্তৰ দিয়াৰ পাছতেই সেই বিতৰ্কই নতুন ৰূপ লৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই সমগ্ৰ বিষয়টো তদন্ত কৰিবলৈ যোৱা ৬ মে'ত জিলা উপায়ুক্তক নিৰ্দেশ দিছে। এই বিষয়বোৰৰ সম্পৰ্কত কালি শিৱসাগৰ যুৱদ'ল প্ৰেক্ষাগৃহত জিলাখনৰ একাংশ বয়োজ্যেষ্ঠ নাগৰিকে এক সংবাদমেল অনুষ্ঠিত কৰে। 'শিৱসাগৰ ৰক্ষা কৰো আহক' শীৰ্ষক এক সংবাদ মেল সম্বোধন কৰি সৌৰভ চলিহাৰ লগতে বয়োজ্যেষ্ঠ নাগৰিকসকলে কয় যে - নীতি বহিৰ্ভূতভাৱে শিৱসাগৰীয়া ৰাইজৰ আৱেগ-অনুভূতি জড়িত হৈ থকা দ'ল প্ৰাঙ্গণৰ পুৰণি গছসমূহ কটাৰ লগতে আঁতৰ কৰা হৈছিল শিৱলিংগ। উল্লেখ্য যে বিগত বৰ্ষত শিৱসাগৰ চহৰৰ মাজমজিয়াত অৱস্থিত শিৱদ'ল, দেৱীদ'ল আৰু বিষ্ণুদ'ল প্ৰাঙ্গণত থকা পুৰণি বৃহৎ বৃহৎ গছসমূহ কটাক লৈ ৰাজ্যজুৰি সৃষ্টি হৈছিল বিতৰ্কৰ। ইয়াৰ পিছতেই বিতৰ্কত সাঙোৰ খাই পৰা দ'ল উন্নয়ন সমিতিয়ে এই বৃহৎ বৃহৎ গছসমূহৰ শিপাই শিৱদ'লৰ আন্তঃগাঁথনিৰ ক্ষতিসাধন কৰাৰ বাবে ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ নিৰ্দেশতহে গছসমূহ কটাৰ লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰত স্থান লাভ কৰাৰ স্বাৰ্থত পুৰাতত্ত্ব বিভাগৰ নীতি-নিৰ্দেশনা মানি শিৱদ'লৰ ভিতৰভাগৰ ঐতিহাসিক নিৰ্মাণৰ ওপৰত স্থাপন কৰা আধুনিক টাইলছ আৰু শিৱলিংগ আঁতৰাই দিয়া হৈছিল বুলি সম্পাদক বসন্ত গগৈয়ে স্পষ্ট কৰি দিছিল। পৰৱৰ্তী সময়ত শিৱলিংগ আঁতৰোৱাক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ ফলত পুনৰ শিৱলিংগ শিৱদ'লত স্থাপন কৰা হৈছিল। কালি সংবাদ মেলত কেইবাজনো বয়োজ্যেষ্ঠ নাগৰিকে অভিযোগ তুলি কয় যে- মানুহৰ আৱেগ-অনুভূতি জড়িত হৈ থকা শিৱলিংগ পুনৰ প্ৰতিষ্ঠাৰ সময়ত অভিষেক বা প্ৰাণ প্ৰতিষ্ঠা কৰা নহ'ল। আনহাতে গুৱাহাটীৰ জয়ন্ত শৰ্মা নামৰ এজন ব্যক্তিয়ে ভুৱনেশ্বৰত থকা পুৰাতত্ত্ব বিভাগৰ হৰ্টিকালচাৰৰ ওচৰত এখন আৰ.টি.আই. দাখিল কৰাৰ পাছত এক বিস্ফোৰক তথ্য পোহৰলৈ আহে। আৰ.টি.আই.ৰ প্ৰত্যুত্তৰত পুৰাতত্ত্ব বিভাগটোৱে কয় যে- গছ কটাৰ বাবে তেওঁলোকে কোনোধৰণৰ অনুমতি দিয়া নাছিল অথবা তেওঁলোক বিষয়টো সম্পৰ্কত জ্ঞাত নহয়। অথচ শিৱদ'লৰ পৰা মাত্ৰ কেইশ মিটাৰমান নিলগতেই আছে পুৰাতত্ত্ব বিভাগৰ এটা কাৰ্যালয়। বিভাগটোৰ এনে মন্তব্যই এতিয়া ৰহস্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, দ'ল প্ৰাঙ্গণত বহুকেইবিধ দুষ্প্ৰাপ্য গছ আছিল। ইয়াৰ ভিতৰত নাগেশ্বৰ, ৰুদ্ৰাক্ষ আৰু বেল গছ অন্যতম। এই গছসমূহো কাটি পেলোৱা হৈছিল। এতিয়া কোন সঁচা কোন মিছা সেয়া মুখ্যমন্ত্ৰীৰ নিৰ্দেশত উপায়ুক্তই কৰা তদন্ততহে পোহৰলৈ অহাৰ সম্ভাৱনা আছে। শিৱসাগৰৰ জ্যেষ্ঠ ব্যক্তিসকলে কালি সংবাদমেল যোগে ইয়াৰ এক নিৰপেক্ষ তদন্ত হোৱাৰ দাবী জনোৱাৰ লগতে শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘনিধি দাহালক সাক্ষাৎ কৰি এক স্মাৰক পত্ৰ প্ৰদান কৰে। শিৱসাগৰৰ একাংশ বয়োজ্যেষ্ঠ নাগৰিকক কালি সংগ দিয়ে অভিনেতা প্ৰাঞ্জল শইকীয়াই। সংবাদ মেলত জগত চন্দ্ৰ গগৈ, ৰণজিত বৰগোহাঁই, সৌৰভ চলিহা, আব্দুল হামিদ, বকুল বৰঠাকুৰ, চফিকুৰ ৰহমান, ভাৰতী শইকীয়া দাস, অজন্তা চলিহা, মনালিচা শৰ্মা, প্ৰতাপ চাংকাকতি অন্যতম। সংবাদ মেলত সৌৰভ চলিহাই দ'ল চৌহদত থকা গছসমূহ এফালৰ পৰা কাটি ধ্বংস কৰা কাৰ্যক সমালোচনা কৰে। এই কাৰ্যত ভাৰতীয় পুৰাতত্ত্ব সৰ্বেক্ষণে কৰা বুলি ব্যক্ত কৰা হৈছিল যদিও বাস্তৱত আৰ.টি.আই. তথ্যত কেন্দ্ৰীয় চৰকাৰৰ বিভাগটোৱে এই কথা অস্বীকাৰ কৰিছে। একেদৰে শিৱদ'লৰ ভিতৰত থকা শিৱলিংগ উঠাই দিয়াৰ সন্দৰ্ভতো তেওঁ গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় - দ'ল উন্নয়ন পৰিষদে এই কাম ভাৰতীয় পুৰাতত্ত্ব সৰ্বেক্ষণে কৰা বুলি যুক্তি আগবঢ়াইছিল। কিন্তু শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰৰ বিভাগটোৱে এই কথা অস্বীকাৰ কৰিছে। জ্যেষ্ঠ সাংবাদিক ইনামুল হাজৰিকাই তদন্তৰ অন্তত দোষী সাব্যস্ত হ'লেহে সমিতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰাটো যুক্তিসংগত বুলি উল্লেখ কৰে।

# হতাশাৰ পৰা উপশম প্ৰকৃতিৰ সাহচৰ্যত

## (৫ জুন বিশ্ব পৰিৱেশ দিৱস উপলক্ষে)

❐ পুষ্পাঞ্জলি শিৰম শৰ্মা



**ব্যক্তিৰ** জীৱনত যেতিয়াই এক অপ্ৰত্যাশিত বা অপ্ৰীতিকৰ অৱস্থা এটা আহি পৰে বিষাদগ্ৰস্ততাই ব্যক্তিক আৱৰি ধৰে। যাৰ বাবে কায়িক বিভিন্ন সমস্যাৰো উদ্ভৱ হ'ব ধৰে— হৃদস্পন্দনৰ গতি, ৰক্তচাপ ইত্যাদি।

২০১৭ৰ 'দ্যা আটলাণ্টিক' নামৰ এটা লেখাত কেলিফৰ্ণিয়াৰ ষ্টেট পলিটেক্‌নিক ইউনিভাৰ্ছিটীৰ সমাজশাস্ত্ৰ বিভাগৰ অধ্যাপক জেক ফোংগ'ই কৈছিল যে, দিনত ১৫ মিনিটমান ধ্যান আৰু মাহেকত এবাৰলৈ প্ৰকৃতিৰ নিবিড় সান্নিধ্যলৈ যোৱাটো সিমানেই দৰকাৰী যিমান দৰকাৰী হৈছে ব্যায়াম কৰা বা সুষম আহাৰ গ্ৰহণ কৰা। এইটোৱে আচলতে ব্যক্তিসকলক এক সুস্থ মানসিক স্বাস্থ্য বৰ্তাই ৰখাত সহায় কৰে। ব্ৰহ্মাণ্ডত ব্যক্তিয়ে নিজ স্থিতিক বুজিবলৈ প্ৰকৃতিৰ সৈতে একাত্ম হ'বই লাগিব। কাৰণ প্ৰকৃতিয়ে আমাক দুখৰ পৰা পৰিত্ৰাণ পোৱাত সহায় কৰে। কিয়নো মানুহক সৃষ্টি কৰাৰ আঁৰত মানুহক আনুবংশিক ৰূপত গছ-গছনি, পানী-বায়ু আদিৰ লগত অভিন্ন কৰি স্ৰজন কৰিছে নেদেখাজনে। প্ৰাকৃতিক দৃশ্যসমূহত যোগাত্মক মনোদশা আৰু মনোবৈজ্ঞানিক কল্যাণ সাৰ্থকতা আৰু জীৱন শক্তিৰ লগত জড়িত উপাদানৰাজি নিহিত থাকে। যিমানেই এই দৃশ্যৰাজি উপভোগ কৰা হয় সিমানেই মানুহৰ ধ্যান কেন্দ্ৰীভূত কৰিব পৰা ক্ষমতাৰ বিকাশ সাধন হয়। তদুপৰি ব্যক্তিৰ অতিসক্ৰিয় মগজুয়ো আৰাম পায় আৰু নতুন নতুন সৃষ্টিশীল দিশৰ প্ৰতি মনটোক কেন্দ্ৰীভূত কৰাত সহায়ত হয়। টেৰী নামৰ যুৱক এজনৰ জীৱনৰ এটা উদাহৰণে আমাক প্ৰকৃতিৰ শক্তিৰ বিষয়ে এক চমু আভাসৰ গম দিব।

টেৰীৰৰ কাহিনীটো এনে ধৰণৰ— স্নাতকধাৰী হোৱাৰ পাছত টেৰী নামৰ এগৰাকী ছাত্ৰই নিজৰ জীৱনত সন্মুখীন হোৱা বিভিন্ন হতাশাগ্ৰস্ত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি কৰি যেতিয়া চাকৰিৰৰ সন্ধানতো নিস্ফল হৈছিল সি নিজৰ ওপৰতে বিশ্বাস হেৰুৱাই পেলাইছিল। এনেকুৱা সাম্প্ৰতিক সমাজত অধিকাংশ যুৱক-যুৱতীৰ লগত হোৱা এক সাধাৰণ ঘটনাৰ দৰেই, হয়তো ইয়াত নতুনত্ব একো নাই। স্বাভাৱিক কথা যে সময়ত জীৱনৰ স্তৰ অনুসৰি মানুহে কৰিব লগা বা বিচৰা কামবোৰ যদি সঠিককৈ সমাপন নহয় এক হতাশাবোধেও বৰ বেয়াকৈ আগুৰি ধৰে। টেৰী নামৰ যুৱকজনেও জীৱনৰ তেনেকুৱা সময়বোৰত কিদৰে আৰু কেনেকৈ সম্পাদন নোহোৱা কামবোৰক লৈ হতাশাত ভুগিছিল সেই বিষয়ে অতি সুন্দৰভাৱে বৰ্ণনা কৰিছিল এটা লেখাত। লগতে ইয়াৰ পৰা উপশমৰ বাটৰ কথাও বৰ মনোৰঞ্জক হিচাপে টেৰীয়ে ব্যাখ্যা কৰি গৈছিল লেখাটোত।

টেৰীক এনেকৈ উদাস হৈ যোৱাটো লক্ষ্য কৰি তাৰ মাক-দেউতাকে তাক দুসপ্তাহৰ বাবে এটা অৰণ্যৰ শিবিৰলৈ পঠিয়ালে। শিবিৰত দুটা সপ্তাহ কটাই আহি টেৰীয়ে তাৰ অনুভৱ এনেকৈ ব্যাখ্যা কৰিছিল— 'মই মোৰ মাজত নিহিত শক্তিক গভীৰতালৈ অনুভৱ কৰিব পাৰিছিলোঁ আৰু মই নিজে কিমান সমৰ্থনৱান তাক বোধ কৰিব পাৰিছিলোঁ। প্ৰকৃতিৰ সান্নিধ্যত থাকি কেৱল প্ৰকৃতিৰ বিশালতাক অনুভৱ কৰাই নহয় ঘৰলৈকে উভতি আহিও সেই বিশালতাক ধাৰণ কৰি আহিছিলো। জীৱনটো বহুত বিশাল আৰু এই জীৱনত বহুতো বিকল্প পথ থাকে। আমি মাত্ৰ সন্ধান কৰিব জানিব লাগিব।

টেৰীয়ে জীৱনক লৈ অৱসাদৰ ইমান চূড়ান্ত পৰ্যায় পাইছিল যে চিকিৎসকে তাৰ নিবাৰণৰ হেতু এক অগতানুগতিক পদ্ধতি প্ৰয়োগ কৰিবলৈ বাধ্য হৈছিল আৰু সেই মতে তাক চিকিৎসকজনৰ খেতিপথাৰলৈ লৈ গৈছিল। সেই খেতিপথাৰখন চহৰৰ পৰা বহু নিলগত অৱস্থিত আছিল। শীতকাল আছিল আৰু যেতিয়াই টেৰীয়ে নিজৰ ট্ৰাকৰ পৰা বাহিৰত ওলাল এচাটি চেঁচা বতাহে তাক কোবাই গৈছিল। বৰফ পৰিছিল আৰু সমতল ভূমিত এখন শুভ্ৰ চাদৰেহে যেন ঢাকি থোৱা হৈছিল তেনেকুৱা দেখা হৈছিল। খোজকাঢ়ি গৈ থাকোতে টেৰীৰ জোতা বৰফত পোট খাইছিল। সি বৰফে গোট মাৰি থকা এটা পুখুৰীৰ পাৰত থিয় হৈছিল। সি অনুমান কৰিলে, যেন তাৰ আশে-পাশে বৈ থকা হিম শীতল বতাহজাকৰ কোবত তাৰ মনত ঘৰ কৰি থকা সমস্ত হতাশাবোৰো গলি যাব ধৰিছে। তাৰ মানসিক অস্থিৰতা লাহে লাহে যেন অদৃশ্য হ'ব ধৰিছে সেই পৰিৱেশত। পুখুৰীৰ পাৰত অলপ সময় বহি সি ভাবিব ধৰিলে যে গোট মাৰি থকা সেইবোৰ বৰফৰ তলত কি আছে? পানীৰ তলত থকা মাছ, ভেকুলী বা অন্য জলজ কীট-পতংগবোৰ নিশ্চয় এতিয়া শুই আছে। যেতিয়াই টেৰীৰ গাত বৰফ পৰিছিল নিশ্চয় পুখুৰীৰ জীৱবোৰৰ গাতো সেইদৰে বৰফ পৰোতে সি অনুভৱ কৰাৰ দৰেই সিহঁতেও ঠাণ্ডা পাইছিল।



টেৰীয়ে কৈছিল যে মোৰো এতিয়া এনেকুৱাই হৈছে। বোধকৰোঁ সমস্যা আৰু হতাশাৰ বৰফে মোক এতিয়া বাহিৰত এক চামনি পৰাৰ লেখীয়াকৈ আৱৰি ধৰিছে, কিন্তু মোৰ স্বকীয়তা হেৰাই যোৱা নাই। উদ্যম হয়তো এপলকৰ বাবে শুই পৰিছে, কিন্তু তাৰ অৱসান ঘটা নাই।

এই অনুভৱবোধে টেৰীক যেন নতুনকৈ জগাইছিল। আৰু এয়া সম্ভৱ হৈছিল একমাত্ৰ প্ৰকৃতিসৃষ্ট সেই বিশেষ গধূলিটোৰ সম্পূৰ্ণ দৃশ্যাৱলীৰ পটভূমিত টেৰীৰ উপস্থিতিৰ বাবে। ইমানেই শক্তি প্ৰকৃতিৰ। এক্ৰিয়া টেলৰ নামৰ গৱেষকজনৰ গৱেষণাত এইটো স্পষ্টকৈ কোৱা আছে যে এডিএছডি জড়িত শিশুসকলৰ সমস্যাৰ নিদানৰ ক্ষেত্ৰতো প্ৰকৃতিৰ সান্নিধ্য বা সাহচৰ্য উৎকৃষ্টতম সমাধান। এবাৰ চিকাগোৰ ইলিনোইছ বিশ্ববিদ্যালয়ৰ দ্বাৰা কৰা এটা অধ্যয়নত গম পোৱা হৈছিল যে চিকাগোৰ এক সাৰ্বজনিক আৱাসী অঞ্চল য'ত প্ৰতি ঘৰৰ চাৰিওপিনে গছ-গছনিৰে ভৰি আছিল। তেওঁলোক তেওঁলোকৰ ওচৰ-চুবুৰীয়াৰ সৈতে একতাৰ মজবুত ভাবনা ধৰি ৰাখিব পাৰিছিল, ইজনে-সিজনক সহযোগিতা কৰা আৰু সমৰ্থন কৰাৰ ক্ষেত্ৰতো সহযোগ কৰিছিল। যিমানেই গছ-গছনিবোৰ বেছি ঘন আৰু সেউজীয়া হৈ পৰিছিল সেইবিলাকৰ মধুৰ আৰু শীতল ছাঁই সেই অঞ্চলৰ প্ৰতিজন আৱাসীৰো যেন হৃদয় শাঁত পেলাই এক সুন্দৰ বাতাৱৰণৰ সৃষ্টি কৰিছিল। গছবোৰৰ গাঢ় সেউজীয়া ৰংবোৰৰ আঁৰত লুকাই থাকে যেন এটা অঘোষিত সংবাদ যি নিজৰ বাবে নহয় আনৰ বাবে জীয়াই থকাত যি পৰম সুখ নিহিত থাকে সেয়াই প্ৰকৃতিৰ গূঢ়াৰ্থ এই পৃথিৱীৰ প্ৰতিটো জীৱৰ বাবে। প্ৰকৃতিতকৈ ডাঙৰ তথা উৎকৃষ্ট উদাহৰণ আৰু জানো কিবা হ'ব পাৰে? বুদ্ধই কৈছিল— তুমি যদি কেতিয়াবা নদীৰ পাৰত বহি সূৰ্য উদয় হোৱা দৃশ্য উপভোগ কৰা দেখিবা তোমাৰ হৃদয় শান্ত হৈ পৰিব। কোনো উত্তাল তৰংগই তোমাৰ চিত্তক সেই সময়খিনিত আমনি নকৰে। উদিত সূৰ্যৰ লগত একাত্ম হৈ চাবা আৰু তেতিয়াই উশাহলৈ মন কৰিবা উশাহবোৰো শান্ত হৈ পৰিছে। উশাহত এক ছন্দ জড়িত হৈ যাব আৰু এটি মিঠা গীতৰ লহৰ ঢৌ খেলি যাব। হৃদয়-মন আনন্দত পুলকিত হ'ব। এই অনুভৱেই বুদ্ধৰ বিপাশ্যনা। যি মানুহৰ উশাহ-নিশাহৰ ভাৰসাম্যতাক প্ৰতিনিধিত্ব কৰে। ই মানুহৰ চিত্তক শান্তি প্ৰদান কৰে।

প্ৰকৃতি আৰু মানৱ মনৰ অপূৰ্ব সমাহাৰে জীৱন আলোকিত কৰে। তাক অৱগাহন কৰাৰ প্ৰয়াসত নিমগ্ন হোৱাটো ভাল।

প্ৰকৃতিৰ লগত থাকি তাৰ নান্দনিক দৃশ্যবোৰ অনুভৱবোধেৰে চাব জানিলে ক্ৰোধ, ভয় আৰু হতাশামুক্ত হৈ থাকিব পাৰি। সুখপ্ৰদায়ক অনুভূতি প্ৰদান কৰে ই। ভাবনাত্মক দিশৰ ক্ষেত্ৰত আৰাম পোৱাৰ লগতে শাৰীৰিক স্বাস্থ্যও অটুট ৰখাত সহায় কৰে। প্ৰকৃতিৰ সান্নিধ্যই মানুহৰ শৰীৰৰ ৰক্তচাপ, হৃদয়ৰ গতি আৰু হতাশা বঢ়োৱা হৰ্মনবোৰৰ গতি সন্তুলনত সহায় কৰে। মহান বৈজ্ঞানিকসকল যেনে ষ্টেমাটাকিছ আৰু মিছেলৰ মতে ই মৃত্যু ভয় পৰ্যন্ত দূৰ কৰিব পাৰে। ইমানেই শক্তি প্ৰকৃতি আৰু ইয়াৰ সান্নিধ্যৰ। এক গৱেষণাৰ দ্বাৰা প্ৰমাণিত হৈছে যে বিদ্যালয় নাইবা চিকিৎসালয়ৰ কোঠাবোৰত এটা সৰু সৰু গছপুলিয়েও হতাশা আৰু চিন্তাৰ পৰা মনবোৰক সকাহ দিব পাৰে। ৰবীন্দ্ৰনাথ ঠাকুৰে কোৱাৰ দৰে মানুহে কেতিয়াও নিজকে প্ৰকৃতিৰ পৰা ভিন্ন কৰিব নোৱাৰে। একাংশ মানুহে যদিও কেতিয়াবা কেতিয়াবা প্ৰকৃতিৰ পৰা আঁতৰি নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰাৰ বৃথা প্ৰয়াসত লিপ্ত হয় কিন্তু যিমানেই জ্ঞানৰ পৰিসৰ বাঢ়িব ধৰে লাহে লাহে প্ৰকৃত সত্যটো বোধ কৰি প্ৰকৃতিৰ বিৰুদ্ধাচৰণ কৰিব এৰি দিয়ে। মানুহ স্বয়ং প্ৰকৃতি আৰু আত্মা দুয়োটাই গতিকে প্ৰকৃতিক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। প্ৰকৃতি অবিহনে মানুহৰ অস্তিত্ব নিৰৰ্থক। আহক প্ৰকৃতিৰ সান্নিধ্যত সকলো হতাশাৰ পৰা মুক্ত হৈ মানসিক সুখ বুটলি লওঁ।

শিশুসকলক সৰুৰে পৰা প্ৰকৃতিৰ মাজলৈ নি তাৰ সান্নিধ্যৰ উমালেৰে সিহঁতৰ জীৱন জীপাল কৰাৰ অভ্যাস প্ৰতিজন অভিভাৱকে কৰা উচিত। প্ৰকৃতিৰ বিশালতাক যাতে সিহঁতে সিহঁতৰ হৃদয়তো ধাৰণ কৰিব পাৰে আৰু যিয়ে সিহঁতক এটা শান্তিময় আৰু সমৃদ্ধিশালী জীৱন যাপনৰ দিশে আগুৱাই লৈ যাব পাৰে সেই দিশত চিন্তাচৰ্চা কৰাটো বৰ্তমান সময়ৰ সকলোতকৈ শক্তিশালী আহ্বান।

*ফোন ঃ ৮৪৮৬৮-৯৪৯১৬*

# পৰিস্থিতিতন্ত্ৰ ঃ ইয়াৰ গুৰুত্ব, সংৰক্ষণ আৰু সম্ভাৱনা

❐ জনাৰ্দন তালুকদাৰ

**প্ৰগতিৰ** শীৰ্ষত আৰোহণ কৰাৰ যুঁজত মগ্ন হৈ থাকোতে মানৱ সমাজে নিজৰ অস্তিত্বৰ মূল ভেটি প্ৰকৃতিৰ ভাৰসাম্যতাকে বিনষ্ট কৰি বৰ্তমান এক সংকটময় সময়ত উপস্থিত হৈছেহি। ইয়াৰ সাক্ষ্য দিছে ক্ৰমাগতভাৱে বৃদ্ধি পাই অহা গোলকীয় উষ্ণতা, প্ৰদূষণ, দৰিদ্ৰতা, মহামাৰী আদিয়ে। গতিকে বৰ্তমান প্ৰয়োজন হৈ পৰিছে সামগ্ৰিকভাৱে সমাজৰ সকলো স্তৰতে আৰু গাইগুটীয়াকৈ প্ৰতিজন সচেতন নাগৰিকেই পৰিস্থিতিতন্ত্ৰ সংৰক্ষণৰ বাবে সময়োচিত ব্যৱস্থা লোৱাৰ আৰু মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্কক এক নতুন সংজ্ঞা দিয়াৰ। আমি মৰ্মে মৰ্মে উপলব্ধি কৰাৰ প্ৰয়োজন হৈছে যে মানৱ জাতিৰ অস্তিত্ব ৰক্ষা নিৰ্ভৰ কৰিছে পৰিৱেশ আৰু পৰিস্থিতি সংৰক্ষণৰ ওপৰত। প্ৰকৃতিয়ে মানৱ সমাজৰ কল্যাণৰ বাবে আগবঢ়োৱা অমূল্য অৱদান আৰু বৰ্তমান পৰিৱেশৰ প্ৰতি আহি পৰা ভাবুকিবোৰৰ প্ৰতি লক্ষ্য ৰাখিয়ে ৰাষ্ট্ৰসংঘই ২০২১-২০৩০ দশকটো পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ (ecosystem restoration) দশক হিচাপে ঘোষণা কৰিছে। এইটোকে মূল বিষয় হিচাপে লৈ দেশে-বিদেশে এই দশকটোত বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হ'ব। এই দিৱসত ৰাষ্ট্ৰসংঘই সকলোকে আহ্বান জনাইছে মানুহ আৰু প্ৰকৃতিৰ উভয়ৰে ভৱিষ্যৎ সুনিশ্চিত কৰিবলৈ পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ আৰু প্ৰতিৰক্ষাৰ বাবে Generation Restoration নামৰ বিশ্বজোৰা আন্দোলনত যোগ দিবলৈ। এতিয়া প্ৰশ্ন হ'ল পৰিস্থিতিতন্ত্ৰ কি ?

পৰিস্থিতিতন্ত্ৰ হৈছে জীৱ-জন্তুৱে ইটোৱে সিটোৰ লগত আৰু চাৰিও দিশৰ পৰিৱেশৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ থাকি জীৱন অতিবাহিত কৰা যিকোনো ঠাই। পৰিস্থিতিতন্ত্ৰ এটাত সকলো জৈৱিক কাৰক অৰ্থাৎ সৰু-বৰ সকলোবোৰ জীৱ চাৰিও দিশৰ পৰিৱেশৰ অজৈৱিক কাৰক যেনে— উষ্ণতা, আৰ্দ্ৰতা আদিৰ সৈতে পাৰস্পৰিকভাৱে নিৰ্ভৰশীল হৈ জীয়াই থাকে। জৈৱিক বা অজৈৱিক কোনো এটা অংশৰ সালসলনি হ'লে পৰিস্থিতিতন্ত্ৰৰ বাকী অংশবোৰতো ইয়াৰ প্ৰভাৱ পৰে। এটা পৰিস্থিতিতন্ত্ৰত উষ্ণতা বাঢ়িলে তাত থকা উদ্ভিদবোৰৰ বৃদ্ধি আৰু প্ৰজননত প্ৰভাৱ পৰে। ইয়ে আকৌ গৈ তেনে উদ্ভিদৰ ওপৰত নিৰ্ভৰশীল প্ৰাণীবোৰক প্ৰভাৱান্বিত কৰে। পৰিস্থিতিতন্ত্ৰবোৰ মানুহৰ বাবে অপৰিহাৰ্য, কাৰণ প্ৰতিটো পৰিস্থিতিতন্ত্ৰই বিভিন্ন উপায়েৰে মানৱ সমাজক উপকৃত কৰে। আমি খোৱাপানী আৰু খাদ্য, উশাহত টানি লোৱা বায়ুৰ লগতে পৃথিৱীখন মানুহৰ বাবে বাসযোগ্য কৰি ৰখা সকলোখিনি পৰিস্থিতিতন্ত্ৰৰে অৱদান।

সভ্যতাৰ নামত, শিল্প বাণিজ্যৰ নামত, তথাকথিত উন্নতিৰ নামত মানুহে মাটি, বায়ু আৰু পানী বিষাক্ত কৰি তুলিছে আৰু লগতে বাতাবৰণ কলুষিত কৰাত ইন্ধন যোগাইছে, যাৰ ফলত পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্যতা বিনষ্ট হৈছে। মাটি আৰু সাগৰৰ ব্যৱহাৰৰ পৰিৱৰ্তন, জীৱ-জন্তুৰ পোনপটীয়া শোষণ, জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ আদিয়ে বহুতো পৰিস্থিতিতন্ত্ৰক ধ্বংসৰ মুখলৈ ঠেলি দিছে। ৰাষ্ট্ৰসংঘৰ এখন গুৰুত্বপূৰ্ণ প্ৰতিবেদনত প্ৰকাশ পাইছে যে মানৱ ইতিহাসত অভূতপূৰ্ব এক দ্ৰুত হাৰত প্ৰকৃতিৰ ধ্বংস হৈছে আৰু বিভিন্ন জীৱ বিলুপ্তিৰ পথত আগবাঢ়িছে। ৫০খন দেশৰ ৩১০গৰাকী বিজ্ঞানীয়ে বিশ্বৰ যোৱা পাঁচটা দশকৰ পৰিৱৰ্তনসমূহ অধ্যয়ন কৰি আগবঢ়োৱা এই আন্তঃৰাষ্ট্ৰীয় বিশ্লেষণত প্ৰকাশ পাইছে যে মানুহৰ ধ্বংসাত্মক কাৰ্যৰ ফলত সমগ্ৰ বিশ্বৰে ৭৫ শতাংশ ভূখণ্ড আৰু ৬৬ শতাংশ সাগৰীয় অঞ্চল ক্ষতিগ্ৰস্ত হৈছে আৰু ৮৫ শতাংশৰো অধিক জলাশয় নোহোৱা হৈছে। তেনেদৰে ১৯৮০ চনৰ পৰা বৰ্তমানলৈ প্লাষ্টিকৰ প্ৰদূষণ দহ গুণ বৃদ্ধি পাইছে। বছৰি ৩০০-৪০০ মিলিয়ন টন প্লাষ্টিক, ৰাসায়নিক সাৰ আদি বিষাক্ত পদাৰ্থ সাগৰত পেলোৱাৰ ফলত বহুতো মৃত সাগৰীয় অঞ্চল সৃষ্টি হৈছে। পৰিস্থিতিতন্ত্ৰৰ এই সংকটৰ ফলতেই প্ৰায় এক মিলিয়ন অৰ্থাৎ দহ লাখ উদ্ভিদ আৰু প্ৰাণীৰ প্ৰজাতি সংকটৰ গৰাহত পৰিছে। এই ধ্বংসাত্মক কাৰ্যসমূহ অনতিপলমে বাধা দিব নোৱাৰিলে মানৱ সমাজৰ ওপৰত ইয়াৰ অতি বিপজ্জনক প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে।

পৰিস্থিতিতন্ত্ৰবোৰ জটিল, ঠাইবিশেষে পৰিস্থিতিতন্ত্ৰও ভিন্ন। গতিকে পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰৰ প্ৰক্ৰিয়াও ঠাই আৰু সেই ঠাইৰ প্ৰত্যাহ্বান লৈ বেলেগ বেলেগ হ'ব পাৰে। এই বাবেই ৰাষ্ট্ৰসংঘই শেহতীয়াকৈ সকলো পৰ্যায়ৰ সচেতন নাগৰিক, সংগঠন তথা চৰকাৰৰ বাবে বিশেষভাৱে সহায়ক হোৱাকৈ বিভিন্ন পৰিস্থিতিতন্ত্ৰ পুনৰুদ্ধাৰৰ এক নিৰ্দেশনা প্ৰস্তুত কৰি উলিয়াইছে। এই নিৰ্দেশনাত পৰিস্থিতিতন্ত্ৰৰ ক্ষতি ৰোধ কৰিবলৈ দৰকাৰী পদক্ষেপসমূহৰ বিশদ আলোচনা কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনাত উল্লিখিত মূল পৰিস্থিতিতন্ত্ৰবোৰ হৈছে- অৰণ্য, পৰ্বত, তৃণভূমি, জলাশয়, কৃষিভূমি আৰু নগৰ অঞ্চল।

বিভিন্ন পৰিস্থিতিতন্ত্ৰই বহুতো উপায়েৰে আমাৰ দৈনন্দিন জীৱন সুচল কৰি তুলিছে, আমাৰ স্বাস্থ্য আৰু কল্যাণ সুনিশ্চিত কৰি ৰাখিছে। গতিকে মানৱ জাতি জীয়াই থাকিবৰ বাবেই মানুহে প্ৰাকৃতিক পৰিৱেশ আৰু জীৱকুলৰ ভাৰসাম্যতা ৰক্ষা কৰাৰ অতিকৈ প্ৰয়োজন। কিন্তু এই সকলোবোৰ উপযোগিতা বিনামূল্যেই পাই অহাৰ বাবেই হয়তো মানুহে প্ৰকৃতি বিনষ্ট কৰাৰ আগতে এবাৰ ভাবি নাচায়। এনেদৰে পৰিৱেশ ধ্বংস কৰি একে গতিৰে আগবাঢ়ি গৈ থাকিলে মানৱ জাতিয়ে নিজৰে কৃতকৰ্মৰ ফল বৰ্তমানতকৈও ভয়াৱহভাৱে ভুগিবলৈ সাজু হ'ব লাগিব। আমাৰ জীৱন-ধাৰণৰ বাবে অপৰিহাৰ্য খাদ্য আৰু স্বাস্থ্যৰ ওপৰতে ইয়াৰ সকলোতকৈ গম্ভীৰ প্ৰভাৱ পৰিব। প্ৰাকৃতিক পৰিৱেশ ধ্বংসই মানৱ জাতিৰ অস্তিত্ব ৰক্ষা কৰি থকা প্ৰক্ৰিয়াটোকে ধ্বংস কৰে। বিশ্ব পৰিৱেশ দিৱস মাথোঁ এটা দিৱস নহওক, ই হওক পৰিৱেশ পুনৰুদ্ধাৰৰ এক দৃঢ় সংকল্প। দেখা গৈছে, পৰিৱেশ অৱক্ষয় ৰোধ কৰাত কোনোমতেই চৰকাৰ সফল হ'ব পৰা নাই। বিভিন্ন সময়ত প্ৰকৃতিক উদ্ধাৰৰ বাবে চৰকাৰে বিভিন্ন আইন বলৱৎ কৰি আহিছে, যদিও জীৱ জগতক সুৰক্ষা তথা পৰিৱেশ সংৰক্ষণত বিশেষ সুফল লাভ কৰিব পৰা নাই। বৰ্তমান প্ৰেক্ষাপটত পৰিৱেশ সংৰক্ষণ মানৱ জাতিৰ বাবে জীয়াই থকাৰ ভাবুকিমূলক বিষয় হিচাপে পৰিগণিত হৈছে। ৰাষ্ট্ৰসংঘৰ সৌজন্যত ১৯৭২ চনত ছুইডেনৰ ষ্টকহ'মত মানৱ পৰিৱেশ সন্মিলনত ইয়াৰ ৫ জুন তাৰিখটো ধাৰ্য কৰি বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই বিশেষ তাৰিখটোৰ যোগেদি যি বাৰ্তা কঢ়িওৱা হৈছে সেয়া এতিয়াও নিৰাশাজনক। গতিকে পৰিৱেশ উদ্ধাৰ প্ৰক্ৰিয়াত এই বিশেষ দিনটোতে সীমাবদ্ধ থকাৰ পৰিৱৰ্তে চৰকাৰ তথা সমাজ সমানেই সচেতন হ'ব লাগিব।

*ফোন ঃ ৬৯০০৭-৮৮৮৭০*

# এখনেই পৃথিৱী সংৰক্ষণ কৰোঁ আহক

❐ চন্দামিতা শৰ্মা



**সংৰক্ষণ** অধিনিয়ম অনুযায়ী দিয়া সংজ্ঞা মতে মাটি, বায়ু, পানী আৰু সিবোৰৰ মাজত থকা সম্পৰ্ক তথা মানুহ, অন্যান্য জীৱ, প্ৰাণী, উদ্ভিদ আদি আৰু বিভিন্ন প্ৰকাৰৰ সম্পদৰ সমষ্টিক পৰিৱেশ বুলি কোৱা হয়। পৰিৱেশৰ প্ৰধান উপাদান দুই ধৰণৰ— জৈৱিক আৰু অজৈৱিক। প্ৰাকৃতিক পৰিৱেশ কৃত্ৰিম নহয়, ই এক স্বাভাৱিক প্ৰক্ৰিয়া। এই প্ৰাকৃতিক পৰিৱেশক কেন্দ্ৰ কৰিয়েই মানৱ সভ্যতাৰ বিকাশ হৈছে। কিন্তু মানৱ সভ্যতা আগবাঢ়ি যোৱাৰ লগে লগে, মানৱসৃষ্ট বিভিন্ন কাৰ্যকলাপ তথা কাৰণৰ ফলত এই পৰিৱেশ বিনষ্ট হৈছে আৰু প্ৰাকৃতিক ভাৰসাম্যতাৰ ক্ষতি সাধন হৈছে। এনে পৰিস্থিতি বিশ্বৰ জনসাধাৰণক এই সাংঘাতিক স্পৰ্শকাতৰ বিষয়টোৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰিবলৈ প্ৰতি বছৰ ৫ জুনৰ দিনা বিশ্বব্যাপী ৰাজনৈতিক কৰ্মোদ্যোগ আৰু জন-সচেতনতাৰ মাধ্যমত পৰিৱেশ সচেতনতালৈ লক্ষ্য ৰাখি এই দিৱস পালন কৰা হয়। এই দিনটোতেই ৰাষ্ট্ৰসংঘৰ মানৱিক পৰিৱেশ কনফাৰেন্স (United Nations Conference on the Human Environment) আৰম্ভ হৈছিল। তেতিয়াৰ পৰাই প্ৰতি বছৰেই এই দিৱস পালন কৰি অহা হৈছে বিশেষ কিছুমান বিষয়ক প্ৰতিপাদ্য হিচাপে লৈ। এইবছৰৰ বিষয় হৈছে- 'এখনেই পৃথিৱী (only one earth)'।

এখনেই পৃথিৱী, মানুহসহ কোটি কোটি প্ৰজাতি জীৱৰ আৱাসস্থল। ই এটা মধ্যমীয়া আকাৰৰ গ্ৰহ। সূৰ্যৰ পৰা দূৰত্ব অনুসৰি পৃথিৱীৰ স্থান তৃতীয়। পৃথিৱী, আমাৰ জীৱনৰ উঁহ। মাটি, পানী আৰু পৰিষ্কাৰ বায়ুৰ লগতে, গণনা কৰি শেষ কৰিব নোৱৰা সম্পদৰ উৎস এই ধৰা আৰু ইয়াৰ পৰিৱেশ। চকু জুৰোৱা, মন আপ্লুত কৰা সৌন্দৰ্য, বিস্ময় আৰু আৱেগেৰে হৃদয় ওপচোৱা সৌন্দৰ্যৰো থল এই একমাত্ৰ ধৰণীখন। পিছে আটাইতকৈ দুখজনক কথা হৈছে জীৱশ্ৰেষ্ঠ বুলি আত্ম-গৌৰৱেৰে বিভোৰ প্ৰাকৃতিক সম্পদৰ মোল নুবুজা ক্ৰিয়া-কলাপত পৃথিৱীৰ অৱস্থা তথৈবচ। প্ৰদূষণ, শক্তিৰ অপব্যৱহাৰ, প্ৰাকৃতিক সম্পদৰ নিৰ্বিচাৰ আহৰণ আদি নানান কাৰক আৰু প্ৰতিক্ৰিয়াই ব্যতিব্যস্ত কৰা পৃথিৱীখন এতিয়া ৰোগাক্ৰান্ত। গোলকীয় উষ্ণায়ন, জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তন, প্ৰদূষণ, দুৰ্ভিক্ষ, অচিনা ৰোগ, জলসংকট, খাদ্যসংকট আদি নানা পৰিণতিয়ে জুৰুলা কৰি তুলিছে এই ধৰাখন। এই বসুধাৰ সুস্বাস্থ্যৰ বাবে আমি সকলোৱে চেষ্টা কৰাৰ প্ৰয়োজনীয়তা যে অনেক বেছি, সেয়া দোহৰাৰ প্ৰয়োজন হয়তো নাই। গোটেই বিশ্বকে কাবু কৰি পেলোৱা ক'ভিড মহামাৰীৰ বিষয়ে হয়তো নতুনকৈ কোৱাৰ প্ৰয়োজন নাই।

আমি বসবাস কৰি অহা বিশ্বখনৰ উপৰি ভাগত শ শ বছৰ ধৰি চলি অহা মানুহৰ সংখ্যা বৃদ্ধি, সেউজ বনাঞ্চল বা অৰণ্যৰ ওপৰত অবিৰতভাৱে ধ্বংস যজ্ঞ অব্যাহত ৰখাৰ ফলত প্ৰাকৃতিক পৰিৱেশৰ বিভিন্ন গোটৰ মাজত ভাৰসাম্য দ্ৰুতগতিত বিনষ্ট হৈ আহিছে। জানুৱাৰী ২০০০ চনত পেৰিচত বহা ৰাষ্টসংঘৰ উষ্ণতা বৃদ্ধিৰ ফলত পৰিৱৰ্তন সম্পৰ্কীয় ইণ্টাৰ গভৰ্ণমেণ্টেল পেনেলত ১৩০খন দেশে ভাগ লৈছিল। আমাৰ প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ বাবে ৰাষ্ট্ৰসংঘই ঐতিহাসিক প্ৰস্তাৱ গ্ৰহণ কৰে। বিশ্বৰ ২,৫০০জন বিজ্ঞানী আৰু বতৰ বিশেষজ্ঞসকলে এইপৰিৱৰ্তনীয় ধ্বংস প্ৰক্ৰিয়াক ৰোধ কৰাৰ বাবে ৰাষ্ট্ৰসমূহক অনতিপলমে ব্যৱস্থা ল'বলৈ আবেদন জনাইছিল। এই পৰিৱৰ্তনৰ ফলস্বৰূপে নিম্নলিখিত সম্ভাব্য পৰিমাণসমূহ উল্লেখ কৰিছে।

(১) ১.১ ডিগ্ৰী চেঃ গ্ৰেঃৰ পৰা ৬.৪ ডিগ্ৰী চেঃ গ্ৰেঃলৈ উষ্ণতা বৃদ্ধি পাব।

(২) সমুদ্ৰপৃষ্ঠৰ উষ্ণতা ২৮ চেণ্টিমিটাৰৰ পৰা ৪৩ চেণ্টিমিটাৰলৈ বৃদ্ধি পাব।

(৩) বৰ্তমান শতিকাৰ দ্বিতীয়াৰ্ধত সুমেৰুৰ বৰফ গলি নাইকিয়া হ'ব।

(৪) উষ্ণ প্ৰবাহ বৃদ্ধিৰ প্ৰবল সম্ভাৱনা।

(৫) গ্ৰীষ্ম মণ্ডলীয় ধুমুহাৰ তীব্ৰতা বৃদ্ধিৰ আশংকা।

(৬) অধিক হাৰত বন-জুই আৰু মৰুভূমিৰ প্ৰসাৰ।

(৭) ভূমিৰ অৱলুপ্তি।

(৮) এলাৰ্জিৰ ভয়ংকৰ ৰূপ।

(৯) জীৱ-জন্তুৰ ডিএনএ পৰিৱৰ্তন।

(১০) উদ্ভিদৰ উৎপাদন হ্ৰাস।

(১১) হাৰিকেনৰ অধিক শক্তি বৃদ্ধি।

(১২) হ্ৰদসমূহৰ বিলুপ্তি।

এই সকলোবোৰ সমস্যাৰ সমাধান সূত্ৰ এটাই, সেয়া হৈছে গছপুলি ৰোপণ আৰু বহনক্ষম ব্যৱস্থাপনা। প্ৰকৃতিয়েই জীৱশ্ৰেষ্ঠ মানৱৰ ৰক্ষা কবচ আৰু ইয়াক সযতনে ৰখাটো আমাৰ কৰ্তব্য। গছ বৰ অতিথি বৎসল। গছে নিজৰ ঐশ্বৰ্যময়ী শাখা-প্ৰশাখাৰে স্নেহচ্ছায়া প্ৰদান কৰি জীৱ কুলৰ কল্যাণ সাধন কৰে। ফলে ধৰে খাদ্যৰ যোগান। ফুলে দিয়ে প্ৰাকৃতিক শোভা। সেয়ে তৰুবৰক গণ্য কৰা হয় শান্তি দাতৃ মাতৃৰূপে। গছ থাকিলেহে জন-মানৱৰ কাতৰ উশাহ-নিশাহ স্বাভাৱিক হ'ব। গছ থাকিলেহে মানুহ থাকিব। উচ্ছৃংখল আৰু যন্ত্ৰণাপীড়িত সমাজক মাথোঁ গছেহে নিৰাময় তথা প্ৰশান্তি প্ৰদান কৰিব পাৰে, যিটো মাথোঁ সম্ভৱ প্ৰতিজন বিশ্ববাসীৰ মুখত বৃক্ষ-বন্দনাৰ সুমধুৰ স্তৱক উচ্চাৰণৰ দ্বাৰাহে। এখন সুন্দৰ পৃথিৱীৰ সপোন দেখাটো তেতিয়াহে সম্ভৱ যদিহে কোনো এখন দেশৰ বা সমাজৰ উন্নয়ন প্ৰক্ৰিয়াত প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ এনেদৰে কৰা হয়, যাতে ভৱিষ্যৎ প্ৰজন্মৰ বাবেও সেই সম্পদ ব্যৱহাৰযোগ্য হৈ থাকে আৰু সেই ব্যৱস্থাক বহনক্ষম ব্যৱস্থাপনা বুলি কোৱা হয়। পৃথিৱীৰ বিভিন্ন প্ৰান্তত সম্পদৰ অধিক ব্যৱহাৰৰ ফলত ভূমি অৱক্ষয় হৈছে, মাটিৰ সাৰুৱা ভাগ কমি গৈছে। পৃথিৱীৰ মুঠ কৃষিভূমিৰ প্ৰায় এক তৃতীয়াংশ এইদৰে ক্ষয় যাব ধৰিছে। সম্পদ ব্যৱহাৰ কৰাৰ ধৰণ বা ভোগ কৰাৰ ধৰণ আৰু বহনক্ষম উন্নয়নৰ মাজত সমতা স্থাপন নহ'লে পৰিৱেশৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পৰে। সম্পদৰ অপচয় পাৰ্যমানে ৰোধ কৰিব লাগে আৰু ইয়াৰ ব্যৱহাৰ কাৰ্যদক্ষ হ'ব লাগে। বনজ, জলজ, খনিজাত সম্পদ ইত্যাদিৰ ব্যৱহাৰ কাৰ্যত বিশেষ সাৱধান হ'ব লাগিব তথা উপযুক্ত প্ৰযুক্তি ব্যৱহাৰ কৰিব লাগিব। নহ'লে আমি জীৱশ্ৰেষ্ঠ বুলি কৰা গৰ্বৰ দেউল চূৰ্ণ- বিচূৰ্ণ হ'বলৈ বেছিপৰ নালাগিব। আমি প্ৰতিজন বিশ্ববাসীয়ে মনত ৰাখিব লাগিব যে পৃথিৱীখন আমাৰ নিজৰ নহয়, প্ৰকৃতিয়েহে ইয়াৰ মালিক। গতিকে পৃথিৱীখনক ৰুষ্ট কৰা মানে প্ৰকৃতিক ৰুষ্ট কৰা আৰু প্ৰকৃতি ৰুষ্ট হ'লে কি ঘটনা সংঘটিত হয় তাৰ প্ৰমাণ আমি সময়ে সময়ে পাই আহিছোঁ। আহক সকলোৱে মিলি এখন সেউজ পৃথিৱী গঠন কৰো। প্ৰতিজন বিশ্ববাসীলৈ যাচিছো বিশ্ব পৰিৱেশ দিৱসৰ আন্তৰিক শুভকামনা।

*ফোন ঃ ৭০৮৬১-৯৮২৮৮*

# বিশ্ব পৰিৱেশ দিৱস আৰু কিছু চিন্তা

❐ তীৰ্থমণি ডেকা

**পৃথিৱীৰ** জলবায়ুৰ আমূল পৰিৱৰ্তন আজি এক জ্বলন্ত সমস্যা। এই সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ আজি গোটেই দেশবোৰে একত্ৰিতভাৱে প্ৰকৃতিৰ হকে কাম কৰিব লাগিব। অন্যথা পৃথিৱীৰ গোটেই জীৱকুল কেইটামান শতিকাৰ ভিতৰতে বিলুপ্ত হ'ব। অসুখীয়া পৃথিৱীখনৰ চিকিৎসা কৰাৰ প্ৰথম দায়িত্ব বহন কৰিব লাগিব মানৱ প্ৰজাতিয়ে। অন্য জীৱ প্ৰজাতিসমূহে প্ৰকৃতিৰ প্ৰতি বিভিন্ন অৱদান আগবঢ়াই যদিও মানুহৰ দৰে চিন্তা বা প্ৰচেষ্টাৰ জৰিয়তে কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰে।

গোটেই পৃথিৱীখনৰ পৰিৱেশ, জলবায়ুৰ ক্ষতি সাধনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন দেশৰ প্ৰচেষ্টা তথা সহমতত ৫ জুনৰ দিনটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰা। যিটো উদ্দেশ্য আগত ৰাখি এই দিৱস পালন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল, সেই উদ্দেশ্যত যেন আজিলৈকে ৫০ শতাংশ উপনীত হ'ব পৰা নাই। আজি যেন বিশ্ব পৰিৱেশ দিৱস পালন মাথোঁ এক আনুষ্ঠানিকতা তথা পৰম্পৰা। বাস্তৱ ক্ষেত্ৰত এই দিৱসৰ যেন প্ৰভাৱ অতি কম। অপ্ৰিয় হ'লেও সঁচা কথা এয়াই যে বিশ্ব পৰিৱেশ দিৱসৰ দিনা গোটেই পৃথিৱীত আমি লাখ লাখ গছপুলিৰ ধ্বংস কৰোঁ। যদিও বিশ্ব পৰিৱেশ দিৱসৰ দিনা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত গছপুলি ৰোপণ কৰা হয় তথাপি বাস্তৱ ক্ষেত্ৰত দেখা যায় যে এই ৰোপণ কৰা গছপুলিৰ ১০ শতাংশও পিছৰ বছৰলৈ জীয়াই নাথাকে। পৰিৱেশ দিৱসৰ দিনা গছপুলি ৰোপণ কৰাৰ লগতে বিভিন্ন আনুষ্ঠানিকতা অনুষ্ঠিত কৰা হয় ঠিকেই কিন্তু গছপুলি ৰোপণ বিজ্ঞানসন্মতভাৱে কৰা নহয়। যেনেতেনে গছপুলিবোৰ উভালি আনি তাৎক্ষণিকভাৱে খন্দা গাঁতত গছপুলিৰ ৰোপণ কৰা হয়। সেয়েহে গছপুলিবোৰৰ বেছি ভাগেই মৰি যায়। এইখিনিতে আমি সকলোৱে লক্ষ্য কৰা উচিত যে পৰিৱেশ দিৱসৰ দুই-তিনি দিন আগতে গছপুলিবোৰ ৰোপণ কৰিবলগীয়া ঠাইখিনি উপযুক্ত কৰি গছপুলি ৰোপণ কৰাৰ ব্যৱস্থা কৰা। অন্যথা বিশ্ব পৰিৱেশ দিৱস এক গতানুগতিক অনুষ্ঠানহে হৈ থাকিব।

আজি পৰিৱেশ সংৰক্ষণৰ প্ৰতি যেন মানুহে বিশ্ব পৰিৱেশৰ দিনাখনহে সজাগ হয়। বাকী বছৰৰ ৩৬৪ দিনেই পৰিৱেশৰ প্ৰতি মানুহবোৰ সজাগ নহয়। গাঁৱৰ মানুহৰ মাজতো আজিকালি প্ৰকৃতিৰ সংৰক্ষণৰ গুৰুত্ব কমি গৈছে। বাৰীৰ বিভিন্ন গছ-গছনি অলাগতিয়াল বুলি মানুহবোৰে কাটি টহলিং কৰিছে। কিছুমান গাঁৱৰ গছ-গছনিৰ সংখ্যা নগৰ-চহৰতকৈয়ো পুতৌজনক। ইয়াৰ উপৰি বৈদ্যুতিক ব্যৱস্থা, ৰাস্তা-ঘাট নিৰ্মাণ, চৰকাৰী কাৰ্যালয় নিৰ্মাণ আদিৰ কাৰণে গছ-গছনিৰ পৰিমাণ কমি গৈছে। এই বিভিন্ন ক্ষেত্ৰত যদি আমি কিছু পৰিমাণে বিজ্ঞানসন্মতভাৱে কাম কৰোঁ তেন্তে বহুতো গছ-গছনি আমি নকটাকৈ প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰোঁ।



অৰণ্য মানৱ যাদৱ পায়েং প্ৰভৃতি ব্যক্তিসকলে একক প্ৰচেষ্টাৰে প্ৰকৃতিৰ সংৰক্ষণৰ যথেষ্ট পৰিমাণে কাম কৰি আছে। সেইসকল ব্যক্তিৰ প্ৰচেষ্টাক চৰকাৰে উপযুক্ত স্বীকৃতি দিয়াৰ লগতে তেখেতসকলৰ সহায়ত গছপুলিৰ ৰোপণ তথা প্ৰকৃতিৰ সংৰক্ষণৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি সমাজৰ সকলো মানুহকে প্ৰকৃতিৰ সংৰক্ষণৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰে। কিন্তু এতিয়াও পৰিৱেশৰ প্ৰতি সম্যক জ্ঞান নথকা মানুহৰ হাতত আছে প্ৰকৃতি সংৰক্ষণৰ দায়িত্ব। শেষত আমি যদি সকলোৱে প্ৰকৃতিৰ প্ৰতি আমাৰ কৰণীয়খিনি সুচাৰুৰূপে কৰি যাওঁ তেতিয়াহ'লে হয়তো বিশ্ব পৰিৱেশ দিৱস পালন কৰাৰ প্ৰয়োজনীয়তা নাথাকিব।

*ফোন ঃ ৮৮১১৯-৬১৮৭৯*

# স্বাধীনতাৰ ৭০ বছৰে চাওঁতাল জনগোষ্ঠীটোক শাসকীয় চৰকাৰে শোষণ-বঞ্চনা তথা অৱহেলা কৰি আহিছে — ৰিয়াণ চাকু চৰেন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ৩ জুন ঃ** স্বাধীনতাৰ ৭০ বছৰে চাওঁতাল জনগোষ্ঠীটোক শাসকীয় চৰকাৰে শোষণ-বঞ্চনা তথা অৱহেলা কৰি আহিছে– ই অভিযোগ সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰিয়াণ চাকু চৰেনৰ। ৰাজ্য চৰকাৰে চলিত বছৰৰ প্ৰথম ভাগত গ্ৰহণ কৰা চাহ জনজাতি জাতীয় সন্মিলনীক চাওঁতাল জনগোষ্ঠীক জাতিগত প্ৰমাণপত্ৰ দিয়াৰ ব্যৱস্থাৰ প্ৰতিবাদ সমগ্ৰ ৰাজ্যজুৰি চলি থকা কাৰ্যসূচীৰ অন্তৰ্গত আজি সদৌ চাওঁতাল ছাত্ৰ সন্থা, ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আৰু বিভিন্ন চাওঁতালী জাতীয় দল-সংগঠনৰ সহযোগত ওদালগুৰি জিলা সদৰত ৩ জুন তাৰিখে চাওঁতাল জনগোষ্ঠীয় সাংস্কৃতিক প্ৰতিবাদী সমদলত অংশ গ্ৰহণ কৰি উক্ত মন্তব্য কৰে। লগতে তেওঁ চাওঁতাল জনগোষ্ঠীটোৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবলৈ চৰকাৰলৈ আহ্বান জনায়। অন্যথা পৰৱৰ্তী সময়ত অতি জংগী প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে মানৱ অধিকাৰৰ কাষ চপাৰ লগতে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ হুংকাৰ দিয়ে। ৰিয়াণ চাকু চৰেনৰ লগতে সন্থাটোৰ কেন্দ্ৰীয় উপসভাপতি বিমল কুমাৰ হেমব্ৰম, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দুৰ্গা চৰেন, শিক্ষা সম্পাদক কেবল হাচদা, কাৰ্যকৰী সদস্য কামিল মুৰমু, জিলা সভাপতি লক্ষ্মী ৰাম চৰেন, জিলা সম্পাদক বৰেট মুৰমু, উপদেষ্টা শনিৰাম হেমৰম সহিতে বিষয়ববীয়া তথা সমূহ সদস্য আৰু জিলাখনৰ বহু হেজাৰ হেজাৰ লোকে মনপুৰ খেলপথাৰৰ পৰা উপায়ুক্ত কাৰ্যালয়লৈ সমদল উলিয়ায় যদিও জিলা প্ৰশাসনে উপায়ুক্ত কাৰ্যালয়ৰ পৰা আওৰাই আহি নগৰখনৰ মাজমজিয়া শ্বহীদ বেদীৰ সমীপৰ পৰাই অসম চৰকাৰে গ্ৰহণ কৰা চাহ জনজাতি জাতীয় সন্মিলনীক চাওঁতাল জনগোষ্ঠীক জাতিগত প্ৰমাণপত্ৰ দিয়াৰ অংগীকাৰ বাতিল কৰা, অষ্টিক মূলৰ চাওঁতালসকলক চাহ আৰু প্ৰাক্তন চাহ জনজাতি নামকৰণ ও জাতিগত প্ৰমাণপত্ৰ প্ৰদান কৰা বাতিল কৰা, অসম চৰকাৰ আৰু চাওঁতাল জনগোষ্ঠীয় দল-সংগঠনৰ সৈতে এখন দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত কৰি সমস্যাসমূহ সমাধান কৰা, অসমৰ চাওঁতাল জনগোষ্ঠীক ভাৰতীয় সংবিধানৰ ৩৪২ নং অনুচ্ছেদ অনুসৰি শীঘ্ৰে জনজাতিকৰণ প্ৰদান কৰা, অসম ভূমি আৰু ৰাজহ আইন-১৮৮৬ ৰ মতে ভূমিপুত্ৰ চাওঁতালসকলৰ ভূমি সংৰক্ষণ কৰি অধিকাৰ প্ৰদান কৰা, চাওঁতালী ভাষাৰ শিক্ষক নিযুক্তি প্ৰদান কৰা আদি দাবীৰে জিলা উপায়ুক্ত জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰা স্মাৰক-পত্ৰ গ্ৰহণ কৰে। লগতে তেওঁ স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিব বুলি আশ্বাস দিয়ে।



# প্ৰধানমন্ত্ৰী মোদীৰ ৮ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে বিজেপিৰ কিষাণ মৰ্চাৰ 'কৃষক সম্পৰ্ক অভিযান' আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ জুন ঃ** প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৮ বছৰীয়া সফল কাৰ্যকালৰ প্ৰতি সঁহাৰি জনাই ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় নেতৃত্বই এলানি কাৰ্যসূচী ঘোষণা কৰিছে। মোদী চৰকাৰৰ সু-শাসন আৰু গৰীব কল্যাণৰ বাবে লোৱা কেন্দ্ৰীয় যোজনাবোৰ ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ বাবে বিজেপি কৃষক মৰ্চাই আজিৰে পৰা ৰাজ্যখনৰ প্ৰতিখন জিলাৰ মণ্ডল পৰ্যায়ত 'কৃষক সম্পৰ্ক অভিযান' আৰম্ভ কৰিছে। কৃষক মৰ্চা ৰাজ্যিক কমিটীৰ সভাপতি দেৱজিৎ বৰাই গোলাঘাটত আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আৰু এই উপলক্ষে এক সংবাদ মেল সম্বোধন কৰে। অৱশ্যে এই কাৰ্যসূচীৰ পৰা বানপীড়িত অঞ্চল আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ এলেকা বাদ দিয়া হৈছে। '৮ বছৰ ঃ সেৱা, সু-শাসন আৰু গৰীব কল্যাণ' শীৰ্ষক এই কাৰ্যসূচী আজিৰে পৰা ১৫ জুনলৈ অব্যাহত থাকিব। কৃষক মৰ্চাৰ ৰাজ্যিক সভাপতি দেৱজিৎ বৰাৰ আহ্বান অনুসৰি এই অভিযানত কৃষক মৰ্চাই পি এম কিষাণ আঁচনিৰ হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ কিষাণ ক্ৰেডিট কাৰ্ড (কে চি চি) ঋণ সম্পৰ্কত সজাগতা অভিযান আৰম্ভ কৰে। ৰাজ্যখনৰ পি এম কিষাণ হিতাধিকাৰীৰ লগতে চৰকাৰী ন্যূনতম সমৰ্থন মূল্য (এম এছ পি)ত ধান বিক্ৰী কৰা কৃষকসকলক এই অভিযানত সামৰি লোৱা হয়। ৰাজ্য চৰকাৰে পি এম কিষাণ আঁচনিৰ হিতাধিকাৰী কৃষকৰ বাবে শেহতীয়াকৈ কিষাণ ক্ৰেডিট কাৰ্ড (কে চি চি) প্ৰদান কৰি আহিছে যদিও বহু কৃষকে অজ্ঞতা নাইবা আন কোনো কাৰণৰ বাবে আবেদন জনোৱা নাই। এইসকল কৃষকক কে চি চি লাভৰ বাবে কৃষক মৰ্চাৰ নেতা-কৰ্মীসকলে কৃষকসকলৰ ঘৰে ঘৰে গৈ প্ৰয়োজনীয় দিহা-পৰামৰ্শ আৰু সহযোগিতা আগবঢ়ায়। ৰাজ্যখনৰ ৩৩ খন জিলাত এই কাৰ্যসূচী আৰম্ভ হৈছে। আজি গুৱাহাটীৰ দিছপুৰ লোকনিৰ্মাণ বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত উপস্থিত থাকে সাংসদ কুইন ওজা, ভাৰতীয় জনতা পাৰ্টী অসম প্ৰদেশৰ উপ-সভাপতি তথা কৃষক মৰ্চা ৰাজ্যিক কমিটীৰ প্ৰভাৰী অশোক ভট্টৰায়, বিজেপিৰ গুৱাহাটী মহানগৰ জিলাৰ সভাপতি তপন দাস, কৃষক মৰ্চা ৰাজ্যিক কমিটীৰ উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্য, সম্পাদক নিবাৰণ লহকৰ, কিষাণ মৰ্চাৰ গুৱাহাটী মহানগৰ জিলাৰ সভাপতি সঞ্জীৱ সমৰ ডেকাকে ধৰি বহুসংখ্যক মৰ্চাৰ নেতা-কৰ্মী। বিজেপি, কৃষক মৰ্চা, অসম প্ৰদেশৰ ৰাজ্যিক উপ-সভাপতিদ্বয় ৰঞ্জিত ভট্টাচাৰ্যক আহ্বায়ক আৰু পূৰবী শৰ্মাক সহ-আহ্বায়ক হিচাপে লৈ এক ৰাজ্যিক সমিতিয়ে এই কাৰ্যসূচী ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে বিগত ৮ বছৰত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰ তথা মাত্ৰ চলিত এটা বছৰত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে কৃষকসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ ভিতৰত আছে— প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি যোজনা (পি এম কিষাণ)ৰ অধীনত ১১.৩০ কোটি কৃষক পৰিয়ালক ১.৮২ লাখ কোটি টকা প্ৰদান কৰা হৈছে, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ৩৭.৫২ কোটি আবেদন বীমা কৰাৰ বাবে গ্ৰহণ কৰা হৈছে, তিনি কোটিতকৈও অধিক 'কৃষাণ ক্ৰেডিট কাৰ্ড' আবেদনকাৰীয়ে ৩.৪ কোটি টকাৰ সাহায্য লাভ কৰিছে, এমএছপি ব্যৱস্থাৰ সৈতে আৰু অধিক কৃষিজাত শস্যক সংযোজন কৰাৰ লগতে এম এছ পিৰ মূল্য ১.৫ গুণলৈ বৃদ্ধি কৰা হৈছে, চোৰাং কাৰবাৰ ৰোধ কৰাৰ বাবে চৰকাৰে 'নিম-ক'টেড' ইতিমধ্যে বিতৰণ কৰাত কৃষকক লাভান্বিত কৰা হৈছে, ২৩ কোটি 'ভূমি স্বাস্থ্য কাৰ্ড' বিতৰণ কৰা হৈছে, প্ৰতি বস্তা ডি এ পি সাৰৰ ৰাজসাহায্য ১২০০ টকালৈ বৃদ্ধি কৰা হৈছে, অসম চৰকাৰে চৰকাৰী নিম্নতম সমৰ্থন মূল্য (এম এছ পি)ৰ অধীনত অসমৰ কৃষকৰ পৰা ১৯৪০ টকা দৰত ১২ লাখ মেট্ৰিক টন ধান ক্ৰয়ৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু এই দৰত ধান বিক্ৰীৰ বাবে ৰাজ্যৰ ৯৭,৭৮৩ গৰাকী কৃষকে নিজৰ নাম পঞ্জীয়ন কৰিছে। চৰকাৰৰ ঘোষিত আঁচনি আৰু সিদ্ধান্তৰ বিষয়ে ৰাজ্যখনৰ কৃষক সমাজক অৱগত কৰিবলৈ কৃষক মৰ্চা অসম প্ৰদেশৰ সমূহ নেতা-কৰ্মীয়ে অহা ১৫ জুন পৰ্যন্ত অব্যাহত ৰাখিব।

# তীৰ্থনগৰী হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত বিশ্ব চাইকেল দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩ জুন ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ত আজি বিশ্ব চাইকেল দিৱস উদ্‌যাপন কৰা হয়। চাইকেল দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱাবাহিনীৰ সহযোগত অস্বাস্থ্যকৰ জীৱন শৈলী আৰু সম্প্ৰীতি গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত এটি সজাগতমূলক চাইকেল ৰেলী উলিওৱা হয়। পুৱা দহ বজাত মহাবিদ্যালয়ৰ চৌহদৰ পৰা মাধৱ মন্দিৰ প্ৰাংগণলৈ উলিওৱা সজাগতামূলক চাইকেল ৰেলীত মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সমন্বিতে অধ্যাপক-অধ্যাপিকাসকলে অংশ লয়। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আতিকুৰ ৰহমানে আঁত ধৰা সভাত মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা তথা ছাত্ৰ একতা সভাৰ মুখ্য তত্ত্বাৱধায়িকা ডঃ বিনীতা দাসে চাইকেল চলোৱাৰ উপকাৰিতা আৰু সম্প্ৰীতি চাইকেল ব্যৱহাৰৰ প্ৰাসংগিকতা সম্পৰ্কত সমল বক্তব্য আগবঢ়ায়। অৱশেষত ৰাষ্ট্ৰীয় সংগীতেৰে উক্ত বিশেষ অনুষ্ঠানটিৰ সফল সামৰণি পৰে।

# নলবাৰীত কাৰিকৰী প্ৰশিক্ষণ গ্ৰহণ কৰি স্বাৱলম্বী এগৰাকী মহিলা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩ জুন ঃ** নলবাৰী বিদ্যাপুৰৰ এগৰাকী উচ্চ শিক্ষিত উদ্যমী মহিলা । নাম তেখেতৰ ববিতা ভাৰ্গৱ। বিগত ২০১৫ চনত ববিতা ভাৰ্গৱে কেক বেকাৰী আৰু বেকিং ট্ৰেইনিঙৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। সেইমৰ্মে মহিলাগৰাকীয়ে নিজা একক প্ৰচেষ্টাত কাৰিকৰী প্ৰশিক্ষণ গ্ৰহণৰ পিছত বিগত ২০১৮ চনত বি বি কেকচ্ এণ্ড বেকিং ট্ৰেইনিং চেন্টাৰ এখন গঢ় দিলে। ববিতা ভাৰ্গৱে নিজাকৈ অৰ্ডাৰ অনুসৰি জন্মদিন, উৎসৱ-পৰ্ব আদিৰ কেক বনোৱাৰ লগতে নলবাৰী জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰায় শতাধিক পুৰুষ-মহিলাক প্ৰশিক্ষণ প্ৰদান কৰিছে। ববিতা ভাৰ্গৱে এই ব্যৱসায়ৰ যোগেৰে নিজৰ লগত ভালেকেইগৰাকী পুৰুষ-মহিলাৰ স্বাৱলম্বিতাৰ পথৰ নিদৰ্শন কৰিছে।

# মৰিগাঁৱত কৃষি, পশুপালন, পশু চিকিৎসা মন্ত্ৰী অতুল বৰাৰ পৰ্যালোচনা বৈঠক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩ জুন ঃ** আজি মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত পুৱা ১০ বজাত অসমৰ কৃষি, উদ্যান শস্য, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই, কৃষি বিভাগৰ আয়ুক্ত সচিব ডঃ ওম প্ৰকাশ, সঞ্চালক অনন্ত লাল জ্ঞানী, সহকাৰী সঞ্চালক পংকজনাভ দাস আৰু অন্যান্য উচ্চ পৰ্যায়ৰ বিষয়াসহ জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, অতিৰিক্ত উপায়ুক্তসকল, জিলা কৃষি বিষয়া আৰু জিলা কৃষি বিষয়া কাৰ্যালয়ৰ অন্যান্য বিষয়াৰ লগত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ পৰিচালনা, কৃষি উৎপাদন বৃদ্ধি, বিজ্ঞানসন্মত কৃষিত গুৰুত্ব আৰোপ আদি বিভিন্ন বিষয়ৰ ওপৰত এক পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰে। আজিৰ পৰ্যালোচনা বৈঠকত জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ উপৰি সংশ্লিষ্ট বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে।

# ধুবুৰী জিলাৰ বগুলামাৰী এম ই মাদ্ৰাছাৰ গুণোৎসৱত বহিঃমূল্যায়কে প্ৰাতঃসভা উপভোগ কৰি নথৈ আনন্দিত হৈ আশীৰ্বাদ দিলে পাঁচ শতাধিক শিক্ষাৰ্থীক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩ জুন ঃ** ধুবুৰীত গুণোৎসৱৰ আজি তৃতীয় পৰ্যায়ৰ তৃতীয় দিনা বিদ্যালয়ত আৰম্ভ হৈছে বহিঃমূল্যায়ন। তৃতীয় পৰ্যায়ত ৰাজ্যৰ আন আঠখন জিলাৰ লগতে ধুবুৰী জিলাৰ বিদ্যালয়সমূহতো বুধবাৰৰ পৰা গুণোৎসৱ আৰম্ভ হৈছে। উল্লেখ্য যে ধুবুৰী জিলাৰ অতি ভিতৰুৱা অঞ্চল ভাষানীচৰ গাঁও পঞ্চায়তৰ বগুলামাৰী গাঁৱৰ বগুলামাৰী এম ই মাদ্ৰাছাৰ ছাত্ৰ-ছাত্ৰীসকলে বহিঃমূল্যায়ক বিষয়া হিচাপে শৰ্মিলা দত্ত, সোণেশ্বৰ বৈশ্য আৰু ধ্ৰুৱজোতি ৰয় উপস্থিত হোৱাৰ লগে লগে উষ্ণ আদৰণি জনায় । ইয়াৰ উপৰি মাদ্ৰাছাখনত অনুষ্ঠিত হোৱা প্ৰাতঃসভাৰ এক সুন্দৰ দৃশ্য উপভোগ কৰি উক্ত মাদ্ৰাছাখনৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে আগবাঢ়ি যাবলৈ আশীৰ্বাদ দি উৎসাহিত কৰে বহিঃমূল্যায়ক বিষয়াসকলে । ইয়াৰ পাছত মাদ্ৰাছাখনৰ ছাত্ৰ-ছাত্ৰীসকলে বিগত ২০১৯ চনত অনুষ্ঠিত হোৱা গুণোৎসৱত এ+ গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছিল । যদিও বৰ্তমান বৃহত্তৰ অঞ্চলটোৰ এই স্মাৰ্ট মাদ্ৰাছাখনত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সংখ্যা পাঁচ শতাধিকৰ ওপৰত । পিছে মাদ্ৰাছাখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দুপৰীয়া খেল-ধেমালি কৰাৰ বাবে নাই খেলপথাৰ । মাদ্ৰাছাখনৰ চৌহদত সৰু এখন খেলপথাৰ আছে যদিও খেলপথাৰৰ মাজত থকা এখন পুৰণি মণ্ডল সমল কেন্দ্ৰৰ গৃহটো বিগত দীৰ্ঘদিন ধৰি কোনো ধৰণৰ ব্যৱহাৰ নহৈ বৰ্তমান ভূত-বাংলাত পৰিণত হোৱা বুলি ক্ষোভ প্ৰকাশ কৰে মাদ্ৰাছাৰ প্ৰধান শিক্ষকগৰাকীয়ে। ইফালে মাদ্ৰাছাখনত বহিঃমূল্যায়ক হিচাপে উপস্থিত হোৱা শৰ্মিলা দত্ত, সোণেশ্বৰ বৈশ্য, ধ্ৰুৱজোতি ৰয়ৰ লগতে উপস্থিত থকা ধুবুৰী ৰেষ্ট জুনিয়ৰ কলেজৰ অধ্যক্ষ মতিয়ৰ ৰহমান, অধ্যাপক মনোৱাৰ হুছেইন আৰু প্ৰাক্তন শিক্ষক আব্দুল আজিজ আকন্দ, প্ৰাক্তন শিক্ষক আব্দুল মজিদ সেখ, মাদ্ৰাছাৰ পৰিচালনা সমিতিৰ সভাপতি মোকবুল হুছেইন, সদস্য-সদস্যাসকলকে ধৰি স্থানীয় বয়োজ্যেষ্ঠ মুৰব্বীৰ লগতে বিশিষ্ট সাংবাদিক সাহাদত আলী আৰু দেৱান জাহাঙ্গীৰ আলম এই ব্যক্তিসকলক গুণোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি তথা বিভিন্ন সময়ত মাদ্ৰাছাৰ শৈক্ষিক উন্নয়নৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াই সহায়-সহযোগিতা কৰাৰ বাবে মাদ্ৰাছাৰ শিক্ষকসকলৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনাই এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় মাদ্ৰাছাৰ প্ৰধান শিক্ষক আব্দুল মান্নান সেখৰ লগতে সহকাৰী শিক্ষক ছাইফুল ইছলামে।

# দৰঙৰ লঠাপাৰাত বিশ্ব চাইকেল দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ৩ জুন ঃ** দৰং জিলাৰ অন্তৰ্গত লঠাপাৰা গাঁৱত ১৯৮৩ চনত প্ৰতিষ্ঠা কৰা লহৰ আঞ্চলিক সাংস্কৃতিক সন্থাই বিশ্ব চাইকেল দিৱসটি পালন কৰে। জুনৰ ৩ তাৰিখে লহৰ আঞ্চলিক সাংস্কৃতিক সন্থা অসমৰ বিষয়ববীয়াসকলৰ আশাশুধীয়া প্ৰচেষ্টাত সফলভাৱে ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানভাগ নেহৰু যুৱ কেন্দ্ৰ দৰং জিলাৰ সৌজন্যত আৰু লহৰ আঞ্চলিক সাংস্কৃতিক সন্থা অসমৰ উদ্যোগত লঠাপাৰাবাসীৰ উপস্থিতিত সফল ৰূপায়ণ কৰা হয়। অনুষ্ঠানটিৰ দ্বাৰ উদ্‌ঘাটন কৰে লহৰ আঞ্চলিক সাংস্কৃতিক সন্থা অসমৰ সভাপতি হৰেশ ডেকাই। চাইকেল চলোৱা অভ্যাসে মানুহৰ জীৱন মধুময় কৰাৰ উপৰি জীৱন দীৰ্ঘায়ু কৰে বুলি উদ্‌ঘাটন কৰাৰ আগমুহূৰ্তত জানিবলৈ দিয়ে। আনহাতে সম্পাদক বিহুৰাম কলিতাই চাইকেল চলোৱাৰ অভ্যাসে বিশ্বত এক প্ৰদূষণমুক্ত স্বাস্থ্য পৰিৱেশ সৃষ্টি কৰিব পাৰে বুলি সজোৰে মত প্ৰকাশ কৰে । অনুষ্ঠানত নেহৰু যুৱ কেন্দ্ৰ দৰং জিলাৰ সহঃঅনুষ্ঠান বিষয়া এছ কে ভূঞাৰ উপৰি ভালেমান স্বেচ্ছাসেৱক উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত হোৱা বুলি সম্পাদক বিহুৰাম কলিতাই জানিবলৈ দিয়ে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত 'বিশ্ব চাইকেল দিৱস' উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ভাৰত চৰকাৰে দেশজুৰি আজাদী কা অমৃত মহোৎসৱৰ বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰিছে । ইয়াৰে অংশ হিচাপে ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ মন্ত্ৰণালয়ে আজিৰ দিনটোত যুৱসকলৰ মাজত ভাতৃত্ববোধ, জাতীয়তাবাদ বিকাশৰ উপৰি বিশ্ব পৰিৱেশ সংৰক্ষণ তথা সু-স্বাস্থ্যৰ সজাগতা বৃদ্ধিৰ বাবে চাইকেল ৰেলীৰ আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি(এন.এছ.এছ)ৰ উদ্যোগত এই চাইকেল ৰেলীৰ আয়োজন কৰা হয়। পুৱা ৭ বজাত বিশ্ববিদ্যালয়খনৰ এন.এছ.এছৰ প্ৰগ্ৰেম অফিচাৰ ডঃ অজিত দেৱনাথে আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক যুৱ কুমাৰ বড়োৱে । ইয়াৰ পিছতে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই চাইকেলৰ আৱিষ্কাৰৰ পৰা আৰম্ভ কৰি আজাদী কা অমৃত মহোৎসৱৰ উদ্দেশ্য আৰু তাৎপৰ্য ব্যাখ্যা কৰে। প্ৰসংগক্ৰমে বৰাই সুস্বাস্থ্য আৰু পৰিৱেশ ৰক্ষাৰ বাবে চাইকেল যে এক অপৰিহাৰ্য তাক উদাহৰণসহ ব্যাখ্যা কৰাৰ লগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকো চাইকেল ব্যৱহাৰ কৰি সমাজত এক উদাহৰণ দাঙি ধৰাৰ বাবে আহ্বান জনায়। এই ৰেলীত নগাঁৱৰ আৰক্ষী বিভাগে বিশেষভাৱে সহযোগিতা আগবঢ়ায়।

# দুদিনীয়া কাৰ্যসূচীৰে ষষ্ঠ অনুসূচী দাবী সমিতিৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ৩ জুন ঃ** গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত আৰু নিবাৰী মেছেলখোৱা আঞ্চলিক ষষ্ঠ অনুসূচী দাবী সমিতি, ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ আৰু ৰাইজৰ সহযোগত মেছেলখোৱা এম ই স্কুল প্ৰাংগণত অহা ৭ আৰু ৮ জুনত দুদিনীয়া কাৰ্যসূচীৰে ষষ্ঠ অনুসূচী দাবী সমিতিৰ ঊনবিংশতিতম প্ৰতিষ্ঠা দিৱস আৰু ষষ্ঠ ত্ৰি-বাৰ্ষিক অধিৱেশনৰ লগতে গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক অধিৱেশনো অনুষ্ঠিত হ'ব। এই উপলক্ষে আয়োজক সমিতিয়ে ব্যাপক প্ৰস্তুতি চলাই আছে। কাৰ্যসূচী অনুসৰি ৭ জুনৰ পুৱা দহ বজাত প্ৰৱেশদ্বাৰ মুকলি কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি তথা ৰাভা হাচং পৰিষদৰ সাধাৰণ সদস্য কৰ্ণেশ্বৰ ৰাভাই। ইয়াৰ পিছত অতিথিশালা উদ্বোধন কৰিব অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি নৰেশ্বৰ ৰাভাই। দিনৰ ১ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়ন, প্ৰতিনিধি শিবিৰ মুকলি, বিয়লি ২ বজাত প্ৰতিনিধি সভা কক্ষ মুকলি কৰা হ'ব। বিয়লি অনুষ্ঠিত হবলগীয়া গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰতিনিধি সভাখন উদ্বোধন কৰিব কেন্দ্ৰীয় ষষ্ঠ অনুসূচী দাবী সমিতিৰ উপসভাপতি দশানন ৰাভাই। সন্ধিয়া কেন্দ্ৰীয় ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰতিনিধি সভাখন উদ্বোধন কৰিব নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক জীৱন চন্দ্ৰ ৰাভাই। সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰিব বিশিষ্ট শিল্পী গোপী ৰাভাই। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰিব ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি মহীধৰ ৰাভাই। শ্বহীদ তৰ্পণ কৰিব ষষ্ঠ অনুসূচী দাবী সমিতিৰ উপসভাপতি দশানন ৰাভাই। ইয়াৰ পিছত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব কৃষ্ণাই বন সংমণ্ডলৰ আঞ্চলিক বন বিষয়া শিৱানী দলেই। দিনৰ এক বজাত ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি মহীধৰ ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাখন উদ্বোধন কৰিব ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰাক্তন মুখ্য সম্পাদক তথা বৰ্তমান ৰাভা হাচং পৰিষদৰ কাৰ্যবাহী সদস্য সোণাৰাম ৰাভাই। আদৰণী ভাষণ আগবঢ়াব অভ্যৰ্থনা সমিতিৰ সভাপতি তথা ৰাভা হাচং পৰিষদৰ সাধাৰণ সদস্য কৰ্ণেশ্বৰ ৰাভাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন খান্দা আৰু নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি নৰেন চন্দ্ৰ ৰাভাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ শিক্ষা আৰু ভৈয়াম জনজাতি পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিশিষ্ট অতিথি হিচাপে ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ, সদৌ অসম ট্ৰাইবেল সংঘৰ সাধাৰণ সম্পাদক তথা চিচিটিঅ'এৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰী, পদ্মশ্ৰী বঁটা প্ৰাপক ডঃ বিৰুবালা ৰাভা, নিখিল ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী ললিতা ৰাভা, নিখিল ৰাভা সাহিত্য সভাৰ মুখ্য সম্পাদক ৰাজ কুমাৰ ৰাভা, নিখিল বড়ো ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰীৰ লগতে বহুকেইগৰাকী বিশিষ্ট অতিথি, সন্মানীয় অতিথি আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব নিবাৰী-মেছেলখোৱা আঞ্চলিক ষষ্ঠ অনুসূচী দাবী কমিটী ও অভ্যৰ্থনা সমিতিৰ উপদেষ্টা হৰেশ্বৰ ৰাভাই। সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী উদ্বোধন কৰিব ৰাভা হাচং পৰিষদৰ কাৰ্যবাহী সদস্য জ্যোতিকা ৰাভাই। অধিৱেশনত সকলো ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে অভ্যৰ্থনা সমিতিয়ে।

# প্ৰখ্যাত ভাগৱত বক্তা অৰূপ শইকীয়াক 'ভাগৱত-প্ৰাণ' উপাধি প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰ-মাধৱৰ অমৃতময় গ্ৰন্থৰাজি আৰু গীতা-ভাগৱতৰ সাৰতত্ত্বখিনি সহজ-সৰল ভাষাৰে, সুললিত কণ্ঠৰে সাৱলীলভাৱে শ্ৰোতা-দৰ্শকক বুজাই দি শংকৰ-মাধৱৰ প্ৰচাৰিত ধৰ্মভাগিৰ সুস্পষ্ট ধাৰণা এটা ৰাইজৰ মাজত বিলাই দি সমাজৰ আধ্যাত্মিক চিন্তা-চেতনা আৰু বিশ্বাস বহুগুণে বৃদ্ধি কৰি সমাজত শান্তি-সম্প্ৰীতি আৰু একতাৰ ভেটি সুদৃঢ় কৰাত অৰিহণা দি যোৱা এক বিৰল প্ৰতিভাৰ অধিকাৰী অৰূপ শইকীয়াদেৱক গুণমুগ্ধ ৰাইজৰ তৰফৰ পৰা 'ভাগৱত-প্ৰাণ' সন্মান উপাধি প্ৰদান কৰা হয়। এই উদেশ্যে যোৱা ১৭ মে'ত তেখেতৰ বাসগৃহ, দীঘল দৰিয়লি গাঁও, গৌৰীসাগৰলৈ গৈ ৰাইজৰ প্ৰতিনিধিসকলে লগ ধৰে। সেইদিনা মহাপুৰুষ মাধৱদেৱৰ জন্ম তিথি উপলক্ষে তেখেতৰ বাসগৃহ চৌহদত নাম-প্ৰসংগ, ভাগৱত পাঠৰ এখনি মুকলি সভা অনুষ্ঠিত হয়। সভাপতিত্ব কৰে দিখৌমুখ অঞ্চলৰ বয়োজ্যেষ্ঠ, জ্ঞানশ্ৰেষ্ঠ উপেন ভৰালী দেৱে। নিৰ্দিষ্ট বক্তা, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া সুশীল বৰুৱাদেৱে অৰূপ শইকীয়াৰ বিৰল গুণৰাজি ব্যক্ত কৰে। এই সভাতে অৰূপ শইকীয়াদেৱক 'ভাগৱত-প্ৰাণ' উপাধিটো এখন অভিনন্দনপত্ৰৰ যোগেদি প্ৰদান কৰা হয়। সেই মুহূৰ্তৰ পৰা অৰূপ শইকীয়াক ভাগৱত-প্ৰাণ অৰূপ শইকীয়া বুলি প্ৰসিদ্ধ হ'বলৈ ভকত বৈষ্ণৱসকলে আশিস প্ৰদান কৰে। সভাত সাৰ্বজনীন নামঘৰৰ সভাপতি হেম গগৈয়ে ভাগৱত-প্ৰাণ অৰূপ শইকীয়াৰ এখনি চমু জীৱনীমূলক পুথি প্ৰস্তুত কৰি উলিয়াবৰ বাবে পৰামৰ্শ আগবঢ়ায়।

NIT NO. SEI/T-27/ET-3/2022-23/115

**PRESS NOTICE INVITING TENDER**


The Superintending Engineer, Nagaon Circle (irrigation), Nagaon on behalf of Governor of Assam invites online bids for the works of **'SUKANJURI SOLAR DTW SCHEME (1 POINT) UNDER BARHAMPUR LAC UNDER RIDF-XXVII(NABARD) FOR THE YEAR 2021-22' under Nagaon-Barhampur Division (Irrigation), Nagaon** amounting to **Rs. 64.127 Lakh** (Approx.) in 1 (One) package. Details may be seen at website http://assamtenders.gov.in and also in the office of the undersigned during office hours from 08/06/2022 to 15/06/2022.

Sd/-
Superintending Engineer,
Nagaon Circle (Irrigation)
Nagaon, Assam

Janasanyog /C/3777/22

# দৰঙত একেদিনাই অগপৰ ৪খন সাংগঠনিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩ জুন ঃ** অসম গণ পৰিষদৰ সাধাৰণ সম্পাদক তথা ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই কালি দৰং জিলাত একেটা দিনতে অনুষ্ঠিত কৰে ৪খনকৈ দলীয় সাংগঠনিক সভা। আঞ্চলিক দলটোৰ সাধাৰণ সম্পাদকগৰাকীয়ে লগত কেন্দ্ৰীয় নেতা বশিষ্ঠ বৈশ্য, কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা নিৱেদিতা ডেকা, কাৰ্যনিৰ্বাহক সদস্য হবিবুৰ ৰহমান, মঙ্গলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক হীৰেন কুমাৰ দাস, কলাইগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক মহেন্দ্ৰ মোহন চৌধুৰী, দৰং অগপৰ সভাপতি কমলেশ্বৰ বৰুৱাক লগত লৈ ছিপাঝাৰ, মঙলদৈ, কলাইগাঁও আৰু দলগাঁৱত সমষ্টি কমিটীৰ সহযোগত অনুষ্ঠিত হয় দলটোৰ সাংগঠনিক সভা। মূলতঃ আসন্ন সংসদীয় নিৰ্বাচনক উপলক্ষ কৰি আঞ্চলিক দলটোৱে সাংগঠনিক ভেটি সুদৃঢ় কৰিবলৈ চলোৱা তৎপৰতাই তৃণমূল কৰ্মীসকলক উৎসাহিত কৰি তুলিছে।



## মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত বিক্ৰেতাৰ পঞ্জীয়ন

**(Vandor Registration under Mahatma Gandhi NREGA)**

**পঞ্জীয়ন প্ৰক্ৰিয়া ঃ-**

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (Mahatma Gandhi NREGA)-ৰ অধীনত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত সামগ্ৰী আৰু সেৱা (কৌশলী/অনা-কৌশলী শ্ৰমিক) যোগান ধৰিবলৈ ইচ্ছুক বিক্ৰেতাসকলক অনুমোদিত প্ৰ-পত্ৰৰ লগত প্ৰয়োজনীয় নথি-পত্ৰ সংলগ্ন কৰি জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালকৰ কাৰ্যালয় আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ কাৰ্যালয়ত অহা ইংৰাজী ১৫ জুন, ২০২২ তাৰিখলৈকে প্ৰথম পৰ্যায়ৰ বিক্ৰেতাৰ পঞ্জীয়ন কৰিবলৈ আবেদন কৰিব পাৰিব।

**পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰসমূহ ঃ-**

✓ জি. এছ. টি. পঞ্জীয়ন
✓ পান কাৰ্ড
✓ বাণিজ্য অনুজ্ঞাপত্ৰ (চহৰ অঞ্চলৰ বিক্ৰেতাৰ বাবে)
✓ জি. এছ. টি./আয়কৰ আদায়ৰ প্ৰমাণ পত্ৰ
✓ বেংক নথি-পত্ৰ

অধিক তথ্যৰ বাবে আপোনাৰ নিকটতম খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সৈতে অথবা ব্যৱস্থাপনা সম্ভেদ প্ৰণালী প্ৰৱন্ধক, জিলা গ্ৰামোন্নয়ন অভিকৰণ, মৰিগাঁও, দূৰভাষ নম্বৰ ৯৪৩৫৯৪৫০৯৯ সৈতে যোগাযোগ কৰক।

স্বাক্ষৰ
মুখ্য কাৰ্যবাহী বিষয়া
জিলা পৰিষদ, মৰিগাঁও

Janasanyog/D/4716/22

# বটদ্ৰৱাৰ ঘটনাৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা তদন্তৰ দাবী ইত্তেহাদ ফ্ৰণ্ট, উলামা কাউন্সিল অসমৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ৩ জুন ঃ** এক প্ৰেছ বিবৃতিযোগে ইত্তেহাদ ফ্ৰণ্ট, অসম ৰাজ্যিক সমিতিৰ সভাপতি নুৰ ইছলাম আৰু উলামা কাউন্সিল অসমৰ সভাপতি মৌলানা ৰফিকুল ইছলাম স্বাক্ষৰিত প্ৰেছ বিবৃতিযোগে কয় যে বটদ্ৰৱাৰ ঘটনাৰ চাৰিটা দিশত চিন্তা চৰ্চা কৰিলে বহু প্ৰশ্নৰ অৱতাৰণা হয়। আমি সংবাদ মাধ্যমৰ জৰিয়তে যিখিনি জানিব পাৰিছো তাৰে আঁত ধৰি কওঁ যে প্ৰথমে ছফিকুল ইছলাম নামৰ ব্যক্তিজনক গ্ৰেপ্তাৰ কৰি আৰক্ষীয়ে অমানুষিক অত্যাচাৰ কৰাৰ ফলত আৰক্ষীৰ জিম্মাত মৃত্যু হৈছিল। দ্বিতীয়তে, একাংশ উদণ্ড লোকে আৰক্ষী থানা জ্বলাই দিলে। তৃতীয়তে, আৰক্ষী প্ৰশাসনে সন্দেহযুক্ত অপৰাধীসকলৰ ঘৰ-দুৱাৰ বুল্ড'জাৰ লগাই ভাঙি তচনচ কৰিলে। চতুৰ্থতে, আছিকুল নামৰ লোকজনে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিলে, পিছত আৰক্ষীৰ গাড়ীৰ পৰা জঁপিওৱাত পিছত অহা গাড়ীৰ খুন্দাত মৃত্যু হ'ল। উপৰোক্ত বিষয়সমূহ চালে বহু প্ৰশ্ন উত্থাপন হৈছে। প্ৰথম প্ৰশ্নটো হ'ল, আৰক্ষীৰ জিম্মাত ছফিকুল ইছলামৰ মৃত্যু হ'ল কিয়? এই বিষয়ে ঊৰ্দ্ধতন কৰ্তৃপক্ষই কি ব্যৱস্থা লৈছে? দ্বিতীয়তে, সংবাদ মাধ্যমত পোৱা খবৰ অনুসৰি আৰক্ষী থানা জ্বলোৱাৰ দিনা ৰাতিপুৱাৰ পৰা মানুহৰ ভিৰ হৈ আছিল। তেনে ক্ষেত্ৰত আৰক্ষীয়ে ভিৰ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা নল'লে কিয়? ৰাতিপুৱাৰ পৰা মানুহৰ ভিৰত থানা জ্বলোৱা ঘটনা সংঘটিত হৈছিল বুলি দুই বজাত ইমানখিনি সময়ত আৰক্ষী থানা এখন সুৰক্ষা দিব পৰা আৰক্ষী জোৱানে সুৰক্ষা বেষ্টনী গঢ়ি তুলিব নোৱাৰাটো নগাঁও আৰক্ষীৰ বিফলতা নহয়নে? যিসকল দুষ্কৃতিকাৰী আইন-শৃংখলা ৰক্ষা কৰা আৰক্ষী থানা জ্বলাইছে সিহঁতক কঠোৰৰ পৰা কঠোৰ শাস্তি বিহাৰ দাবী জনাইছোঁ। কিন্তু সন্দেহযুক্ত অপৰাধীসকলৰ ঘৰ-দুৱাৰ বুল্ড'জাৰ লগাই ভাঙি তচনচ কৰা কাৰ্য কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে, কাৰণ সেই ঘৰসমূহত শিশু, বৃদ্ধ লোকো আছে নিশ্চয়। ঘৰৰ কোনোবাই অপৰাধ কৰিলে ঘৰৰ সকলোকে শাস্তি প্ৰদান কৰিব নোৱাৰে। শেহতীয়াকৈ থানা জ্বলোৱা কাণ্ডত জড়িত অপৰাধী আছিকুলে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰাৰ পিছত আৰক্ষীৰ গাড়ীৰ পৰা জঁপিওৱা ঘটনাত সন্দেহৰ অৱকাশ আছে। কাৰণ ইমান ডাঙৰ অপৰাধ কৰা অপৰাধীজনক হেণ্ডকাফ নলগোৱাকৈ নাৰাখে চাগে, আৰক্ষীৰ গাড়ীত জঁপিয়াব পৰাকৈ অপৰাধীজনক লৈ যোৱা নাছিল নিশ্চয়কৈ। তেনেক্ষেত্ৰত আত্মসমৰ্পণ কৰা অপৰাধীজন হঠাৎ আৰক্ষীৰ গাড়ীৰ পৰা জঁপিয়াব পাৰিলে কেনেকৈ? আমি ইত্তেহাদ ফ্ৰণ্ট, অসম ৰাজ্যিক সমিতি আৰু উলামা কাউন্সিল অসমে বটদ্ৰৱা কাণ্ডৰ সমগ্ৰ বিষয়টো মহামান্য উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা তদন্ত আয়োগ গঠন কৰি তদন্ত কৰাৰ দাবী জনাইছোঁ। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা তদন্ত হ'লে সকলো ঘটনা পোহৰলৈ আহিব।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## প্ৰত্যাহ্বান নেওচি প্ৰতিমাহে

হিচাপত মাহে ৫ লাখ লাভ অৰ্জন কৰাত উৎফুল্ল হৈ পৰিছে কল কৰ্তৃপক্ষৰ লগতে বিষয়া-কৰ্মচাৰী, কৰ্মীসকল। কেচামালৰ অত্যধিক মূল্যবৃদ্ধি, আওপুৰণি যন্ত্ৰপাতি, অত্যধিক বিদ্যুৎ মাচুল, ক'ভিড পৰিস্থিতিকে ধৰি বিভিন্ন সমস্যাৰ বাবে একেৰাহে চাৰি বছৰ ধৰি লোকচানৰ সন্মুখীন হৈ আহিছিল শিলঘাটস্থিত অসম সমবায় মৰাপাট কল। ৰাজ্য চৰকাৰে আগচোৱা ৯ কোটি ৯৯ লাখ টকাৰ ঋণ আৰু ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগমৰ পৰা লাভ কৰা ঋণ আৰু ৰাজসাহায্যৰ ৬০ শতাংশ ধনেৰে পুনৰ ঠন ধৰি উঠা উদ্যোগটোৱে ইতিমধ্যে দ্বিতীয়টো গোট নিৰ্মাণ কাৰ্য সম্পন্ন কৰাৰ লগতে কেইখনমান অত্যাধুনিক শালেৰে উৎপাদন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তৰ ঐকান্তিক প্ৰচেষ্টা আৰু পৰিচালনা মণ্ডলীৰ লগতে কৰ্মী পৰিষদৰ দক্ষ পৰিচালনাত পুনৰ উৎপাদনক্ষম হৈ পৰা উদ্যোগটোৰ সন্দৰ্ভত পৰিচালন সঞ্চালক গুণমণি গগৈয়ে কলিয়াবৰ প্ৰেছ ক্লাবত এখন সংবাদ মেল আয়োজন কৰি বিগত ৯ মাহৰ খতিয়ান দাঙি ধৰে। অসম চৰকাৰৰ যোগান বিভাগৰ লগতে ভাৰতীয় খাদ্য নিগমৰ অসম শাখাই শিলঘাট মৰাপাট কলৰ উৎপাদিত সামগ্ৰী ক্ৰয় কৰাত উদ্যোগটিয়ে লাভৰ মুখ দেখা পোৱা বুলি সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে। শেহতীয়াকৈ, শিলঘাট মৰাপাট কলত এটা বেলজিং এণ্ড ফেব্ৰিকেচন চেণ্টাৰ মুকলি কৰাত মাহে আঢ়ৈ লাখ টকা পৰ্যন্ত লাভ কৰাৰ উপৰি নিজা বিক্ৰী কেন্দ্ৰ এটি মুকলি কৰি মাহে ২৫ হাজাৰ টকা পৰ্যন্ত লাভ কৰিছে উদ্যোগটিয়ে। প্ৰায় দুদশকৰ জটিলতাৰ অন্তত ৰাজ্যৰ সমবায় খণ্ডৰ উদ্যোগটোৱে কঢ়িয়াইছে আশাৰ ৰেঙনি। প্ৰত্যাহ্বান নেওচি পুনৰ লাভৰ মুখ দেখিছে শিলঘাটৰ মৰাপাট কলে। বহু ঘাত-প্ৰতিঘাতৰ অন্তত পৰিচালন মণ্ডলী আৰু কৰ্মী পৰিষদৰ যৌথ প্ৰচেষ্টাত পুনৰ ঠন ধৰি উঠিছে মৃতপ্ৰায় মৰাপাট উদ্যোগটো। আনহাতে, মৰাপাট কলটোৰ নতুন গোটটোৱে আহা চেপ্টেম্বৰ মাহৰ পৰা উৎপাদন আৰম্ভ কৰিব বুলিও জনাইছে কলটোৰ পৰিচালন সঞ্চালক গুণমণি গগৈয়ে। নতুন গোটটো আৰম্ভ হ'লে মৰাপাট কলটোৰ উৎপাদন বৰ্তমানৰ দৈনিক ১৬ টনৰ পৰা ২৪ টনলৈ বৃদ্ধি পাব বুলিও আশাবাদী পৰিচালন সঞ্চালকজনে। উল্লেখ্য যে, বিগত বৰ্ষত চৰম বিপৰ্যয়ৰ সন্মুখীন হোৱা মৰাপাট কলটোত শ্ৰমিক-কৰ্মচাৰীসকলৰ পৰিচালন সমাপন কৰি কলটোক পুনৰ ঠন ধৰি উঠাত সহায় কৰিছে। প্ৰায় এহাজাৰ শ্ৰমিক-কৰ্মচাৰী পোনপটীয়াকৈ জড়িত হৈ থকা মৰাপাট কলটোৰ অৱস্থা টনকিয়াল কৰিবলৈ বদ্ধপৰিকৰ কলটোৰ সমূহ বিষয়া-কৰ্মচাৰী আৰু কৰ্মী।

## এজন কৰ্মচাৰীৰে চলিছে

পৰৱৰ্তী সময়ত সি বগাহাতীত পৰিণত হ'ল। আকৌ ২০১৫ চনৰ ১ জানুৱাৰীত সেই সময়ৰ কংগ্ৰেছ নেতৃত্বাধীন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে মেৰাপানীক প্ৰশাসনিক মহকুমা ঘোষণা কৰিছিল আৰু ২০১৬ চনৰ ২৮ ফেব্ৰুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ গমাৰিগুৰি উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ এটি কোঠাতে মেৰাপানী মহকুমাধিপতি তথা মহকুমা দণ্ডাধীশৰ কাৰ্যালয়ৰ নামত নামফলক আঁৰি এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তি দিয়ে। কিন্তু কাৰ্যক্ষেত্ৰত আজি পৰ্যন্ত মহকুমাটো প্ৰকৃতাৰ্থত কাৰ্যক্ষম হৈ নুঠিল। সেই সময়ৰ কংগ্ৰেছ চৰকাৰে মেৰাপানীকে আদি কৰি বিভিন্ন জিলাত বহুকেইটা মহকুমাৰ নাম ঘোষণা কৰিছিল যদিও পৰৱৰ্তী সময়ত বিজেপি নেতৃত্বাধীন চৰকাৰখনে বহুকেইটা মহকুমাৰ নাম কৰ্তন কৰে যদিও সেই সময়ৰ স্থানীয় বিধায়িকা অজন্তা নেওগৰ বিশেষ তৎপৰতাত মেৰাপানী মহকুমাৰ নাম বাহাল ৰাখে যদিও কাৰ্যক্ষেত্ৰত মেৰাপানী মহকুমাত এজনো স্থায়ী বিষয়া-কৰ্মচাৰী নিযুক্তি নহ'ল। ইফালে ২০২১ চনত বিজেপি আৰু মিত্ৰজোটে চৰকাৰ গঠন কৰাৰ পূৰ্বে অজন্তা নেওগৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি ড° হিমন্ত বিশ্ব শৰ্মাই মেৰাপানীত এক বিশাল নিৰ্বাচনী জনসভাত উপস্থিত থাকি মেৰাপানী মহকুমাক শীঘ্ৰে কাৰ্যক্ষম কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও সেই প্ৰতিশ্ৰুতি আজি পৰ্যন্ত কাৰ্যকৰী হোৱা নাই। উল্লেখ্য যে দৈয়াং অঞ্চলৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত এঘাৰখন পঞ্চায়তৰ প্ৰায় দুই লাখ জনসাধাৰণে বিভিন্ন প্ৰশাসনিক কামকাজৰ পৰা আৰম্ভ কৰি আইন-আদালতকে ধৰি সৰু-বৰ যিকোনো কামত ৪০-৫০ কিলোমিটাৰ দূৰত্ব বাটকুৰি বাই গোলাঘাট সদৰলৈ দৌৰিব লগা হৈছে। অসম-নাগালেণ্ডৰ সীমাৱৰ্তী বৃহত্তৰ মেৰাপানীক শীঘ্ৰে এক পূৰ্ণাংগ মহকুমা হিচাপে গঢ়ি তুলিবলৈ দীৰ্ঘদিন বিভিন্ন দল-সংগঠনৰ লগতে মেৰাপানী মহকুমা কাৰ্যক্ষম দাবী সমিতিয়েও চৰকাৰক আহ্বান জনাই আহিছে। স্থানীয় ৰাইজে অঞ্চলটোৰ বিভিন্ন সমস্যা সমাধানৰ স্বাৰ্থত শীঘ্ৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতি পূৰণৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

## সোণাৰি চাপৰিত শ শ

হৈ আহিছিল। কিন্তু এতিয়া অস্বাভাৱিকভাৱে গাহৰিৰ মৃত্যু হোৱাত বহু পৰিয়ালৰ মূৰত সৰগ ভাগি পৰাৰ দৰে হৈছে। ইফালে গাহৰি পালনকে পেছা কৰি লোৱা বহু নিবনুৱা যুৱক-যুৱতীয়েও দিক্-বিদিক হেৰুৱাই পেলাইছে পোহনীয়া গাহৰিবোৰৰ মৃত্যুত। পিছে এতিয়ালৈকে অঞ্চলটোত ঢকুৱাখনাৰ মহকুমা প্ৰশাসনে গাহৰিৰ ৰোগ নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা নাই। ইফালে গাহৰিৰ বিক্ৰীও বন্ধ কৰাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। বেমাৰত অসুস্থ হৈ পৰা গাহৰিও ঢকুৱাখনাৰ বজাৰত বিক্ৰী হৈ থকাৰ সন্দেহ কৰিছে সচেতন মহলে। এই মাংস খাই মানুহো অসুস্থ হোৱাৰ সম্ভাৱনা যিহেতু নথকা নহয়।

## চৰাঞ্চলত বিদ্যুৎ সংযোগ

হৈছে। বিদ্যুৎ গ্ৰাহকৰ অভিযোগ ভিত্তিত সংবাদ মাধ্যমত বিদ্যুতৰ সংযোগৰ পৰা আৰম্ভ কৰি বিদ্যুতৰ নামত বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা থানাৰ অন্তৰ্গত মৈৰাদিয়া গাঁৱৰ আজিজুৰ ৰহমান ওৰফে গাঁওবুঢ়া আৰু গোৱালপাৰা জিলাৰ ধূপধৰা থানাৰ অন্তৰ্গত পদুপাৰাৰ গাঁৱৰ লুৎফৰ ৰহমানে নিজকে বিদ্যুৎ বিভাগৰ লোক বুলি পৰিচয় দি অঞ্চলটোৰ একাংশ বজাৰত মিটাৰবিহীন বিদ্যুৎ সংযোগ দিয়াৰ লগতে একাংশ দোকানত কমাৰ্চিয়েল বিদ্যুৎ মিটাৰ দিয়াৰ কথা কৈ বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰি অতি কৌশলেৰে চৰকাৰী সৌভাগ্য আঁচনিৰ বি পি এল মিটাৰ লগাই দিয়াৰ বাতৰি একাংশ সংবাদ মাধ্যমত তথ্য সহকাৰে প্ৰকাশ পাইছিল। ইয়াৰ পিছতো ধূপধৰা বিদ্যুৎ উপ-সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীয়ে অঞ্চলটোত সংঘটিত হোৱা এনে দুৰ্নীতি-অনিয়মৰ তদন্ত কৰাৰ বিপৰীতে ৰহস্যজনক ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে বিদ্যুতৰ নামত সংঘটিত কৰা দুৰ্নীতি-অনিয়ম আৰু লুণ্ঠনৰাজ চলোৱা দালাল দুগৰাকীৰ বিৰুদ্ধে একাধিক সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছিল যদিও দালাল দুগৰাকীয়ে বিদ্যুৎ বিভাগৰ কোনো কামত জড়িত নহয় বুলি বাতৰি কাকতত স্পষ্টীকৰণ দি নিজকে ধোৱা তুলসীৰ পাত সজাবলৈ চেষ্টা কৰাত সচেতন মহল সচকিত হৈ পৰিছে। উল্লেখ্য যে নিজকে ধোৱা তুলসীৰ পাত বুলি জহাই ফুৰা দালাল দুগৰাকীয়ে বৰপেটা জিলাৰ কাছুমাৰা থানাৰ অন্তৰ্গত আদুৰিপাৰা বজাৰত ৰবিউল ৰাইচ মিলৰ বিদ্যুৎ সংযোগ, অনুমোদন আৰু ট্ৰেন্সফৰ্মাৰ দিয়াৰ নামত ৰাইচ মিলটোৰ স্বত্বাধিকাৰী ৰবিউল হুছেইনৰ পৰা তিনি লাখ দহ হাজাৰ টকা সংগ্ৰহ কৰিছে বুলি সাংবাদিকৰ আগত অভিযোগ কৰিছে ৰবিউল হুছেইনৰ পুত্ৰ নুৰ আব্দিনে। উল্লেখ্য যে, বিদ্যুতৰ নামত কোনো দালালি নকৰাৰ বাতৰি কাকতত স্পষ্টীকৰণ দি গংগা নদীত গা ধোৱ খোজা দালাল আজিজুৰ ৰহমান ওৰফে গাঁওবুঢ়া আৰু লুৎফৰ ৰহমানে যদি বিদ্যুতৰ নামত কোনো দালালিয়েই কৰা নাই ৰবিউল ৰাইচ মিলৰ নামত কিয় এই বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰিছিল বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। ইপিনে পাঠিমাৰী খোলাবান্ধা আদি অঞ্চলত বিদ্যুৎ বিল সংগ্ৰহৰ আই ডি দিয়াৰ নামত খোলাবান্ধা গাঁৱৰ মজিবৰ ৰহমানৰ পুত্ৰ আকিদুল ইছলামৰ পৰা বিদ্যুৎ বিভাগৰ দালাল দুগৰাকীয়ে এক লাখ টকা সংগ্ৰহৰ কৰিছিল আৰু এই সন্দৰ্ভত স্থানীয় কাছুমাৰা থানাত আজিজুৰ ৰহমান ওৰফে গাঁওবুঢ়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে বুলি ভুক্তভোগী আকিদুল ইছলামে জানিবলৈ দিয়ে। সুদীৰ্ঘ দিন ধৰি বৰপেটা জিলাৰ চেঙাৰ চৰাঞ্চলত বিদ্যুৎ সংযোগৰ নামত সংশ্লিষ্ট দুয়োটা দালালে ধাৰাবাহিকভাৱে লুণ্ঠন চলাই এচাম সহজ-সৰল লোকৰ পৰা বিভিন্ন চলাহী কথা কৈ ধন সংগ্ৰহ কৰি অহাৰ তথ্য পোহৰলৈ অহাৰ পিছতো বিদ্যুৎ বিভাগৰ ধূপধৰা উপ-সংমণ্ডলৰ এছ ডি অ'গৰাকীয়ে দালাল দুগৰাকীৰ বিৰুদ্ধে ৰহস্যজনকভাৱে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যুৎ বিভাগৰ ধূপধৰা উপ-সংমণ্ডলৰ এচাম দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াতে লুৎফৰ ৰহমান আৰু আজিজুৰ ৰহমান নামৰ দালাল দুজনে সুদীৰ্ঘ দিন ধৰি লুণ্ঠনৰাজ চলাই আহিছে বুলি একাংশ লোকে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এই দুগৰাকী দালালৰ বিৰুদ্ধে একাধিক অভিযোগ থকাৰ পিছতো কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ নকৰাটো ৰহস্যজনক বুলি ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে । বিদ্যুৎ সংযোগৰ নামত সংশ্লিষ্ট দুগৰাকী দালালে এনে একাধিক অবৈধ কাম কৰাৰ পিছতো এছ ডি অ'ই দুয়োগৰাকী দালালক নাকী লগাবলৈ চেষ্টা কৰা পৰিলক্ষিত হোৱা নাই। যাৰ ফলত দুয়োটা দালালে চেঙাৰ চৰাঞ্চলত বিদ্যুৎ সংযোগৰ নামত এফালৰ পৰা চলাই গৈছে লুণ্ঠনৰ অঘোষিত প্ৰতিযোগিতা। বিদ্যুৎ সংযোগ দিয়াৰ নামত বিভিন্ন সময়ত ধন সংগ্ৰহ কৰা এই ধুৰন্ধৰ দুই দালালক নাকী লগাবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ লগতে মন্ত্ৰী বিমল বৰাক দাবী জনাইছে।

## বাক্সাৰ জিলা বিজেপিৰ কাৰ্যালয়ত দুৰ্বৃত্তৰ তাণ্ডৱ

কোনো অচিনাক্ত দুৰ্বৃত্তই প্ৰৱেশ কৰি কাৰ্যালয়টো লণ্ডভণ্ড কৰাৰ লগতে অগ্নিসংযোগ কৰাৰ দৰে এক ঘটনা সংঘটিত হৈছে। জানিব পৰা মতে জিলা সদৰ মুছলপুৰ চহৰৰ মাজমজিয়াত অৱস্থিত বিজেপি দলৰ জিলা কাৰ্যালয়ত নিশা বৰষুণ আৰু আন্ধাৰৰ সুযোগ লৈ দুৰ্বৃত্তই পশ্চিম দিশৰ বেৰ ভাঙি প্ৰৱেশ কৰি কাৰ্যালয়টোৰ ভিতৰত থকা আচবাব ভাঙি লণ্ডভণ্ড কৰাৰ লগতে ৰান্ধনিশালতো অগ্নিসংযোগ কৰে। আজি পুৱা জিলা বিজেপিৰ একাংশ কৰ্মকৰ্তাই কৃষক মৰ্চাৰ এখন সভাত অংশগ্ৰহণ কৰিবলৈ আহি কাৰ্যালয়টো বিধ্বস্ত ৰূপত প্ৰত্যক্ষ কৰে। এই সম্পৰ্কে জিলা বিজেপিৰ সম্পাদক নৱ মেধিয়ে দলটোৰ সকলো কৰ্মকৰ্তাই বিটিচিৰ কোকিলাবাৰী পৰিষদীয় উপ-নিৰ্বাচনত ব্যস্ত থকাৰ সুযোগতে নিশা দুৰ্বৃত্তই কাৰ্যালয়টোৰ ভিতৰত প্ৰৱেশ কৰি আলমিৰাৰ তলা ভাঙি তাত থকা সকলো গুৰুত্বপূৰ্ণ নথি-পত্ৰ, পুস্তিকা, দলীয় পতাকা আদি নষ্ট কৰাৰ লগতে, বিভিন্ন নেতাৰ বৃহৎ বৃহৎ কাট-আউটসমূহো ভাঙি দলিয়াই পেলায় বুলি সাংবাদিকৰ আগত অৱগত কৰে। দুৰ্বৃত্তই কাৰ্যালয় সংযোগী ৰান্ধনিশালত প্ৰৱেশ কৰি গেছ চিলিণ্ডাৰৰ জৰিয়তে অগ্নিসংযোগ কৰিও বহুতো গুৰুত্বপূৰ্ণ নথি-পত্ৰ জ্বলাই ভস্মীভূত কৰে বুলি উল্লেখ কৰে মেধিয়ে। আনহাতে, দিহিৰা মণ্ডল বিজেপিৰ সভাপতি টেকনাথ পৰাজুলিয়ে জিলা কাৰ্যালয়টোতে থকা মণ্ডলটোৰ দলীয় সকলো নথি-পত্ৰ দুৰ্বৃত্তই লুট কৰি লৈ যায় বুলি অভিযোগ কৰে। পিছত ঘটনাৰ খবৰ পাই মুছলপুৰ আৰক্ষীৰ দল এটা কাৰ্যালয়টোত উপস্থিত হয় আৰু দুৰ্বৃত্তৰ সন্ধানত তদন্ত অব্যাহত ৰাখে। ইপিনে বাক্সা জিলা বিজেপিৰ কাৰ্যালয় গৃহটো আজিলৈ পকীকৰণ কৰিবলৈ ৰাজ্যিক নেতৃত্বই কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত দলীয় কৰ্মকৰ্তাসকলে আক্ষেপ প্ৰকাশ কৰে।

## ১০০ দিনত ভৰি দিলে

আগতে ৰাছিয়া আৰু মস্কো সমৰ্থিত বিচ্ছিন্নতাবাদীসকলে ইউক্ৰেইনৰ ১০ শতাংশতকৈও কম অঞ্চলত নিজৰ আধিপত্য বিস্তাৰ কৰি আছিল। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছেৰ্গেই লাভৰভে সতৰ্ক কৰি দিছে যে পশ্চিমে ৰাছিয়াৰ বিৰুদ্ধে প্ৰক্সি যুদ্ধ কৰি আছে আৰু ইউক্ৰেইনক যুদ্ধক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি যুদ্ধ আৰম্ভ হোৱাৰ পৰা ইউক্ৰেইনত ৪,১৪৯জন লোক নিহত আৰু ৪,৯৪৫জন আহত হৈছে। জেলেনস্কিয়ে দাবী কৰিছে যে ইউক্ৰেইনৰ ২৪৩টা শিশুৰ মৃত্যু হৈছে। আনহাতে, ২ লাখ শিশুক বলপূৰ্বক ৰাছিয়ালৈ লৈ যোৱা হৈছে। ৰাষ্ট্ৰসংঘৰ মতে, বেছি ভাগ অসামৰিক লোকৰ ৰকেট আক্ৰমণত মৃত্যু হৈছে। ইফালে ৰাছিয়া চৰকাৰে দাবী কৰিছে যে দেশখনৰ ১,৩৫১জন সৈন্য নিহত হোৱাৰ লগতে আন ৩,৮২৫জন আহত হৈছে। ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা মতে ১৪ নিযুতৰো অধিক লোকে ইউক্ৰেইনৰ পৰা পলায়ন কৰিছে। পোলেণ্ডে সৰ্বাধিকসংখ্যক ইউক্ৰেইনৰ শৰণাৰ্থীৰ বোজা বহন কৰিবলগীয়া হৈছে বুলি ৰাষ্ট্ৰসংঘৰ সূত্ৰই প্ৰকাশ কৰিছে। আমেৰিকান ৰাষ্ট্ৰপতি জ' বাইডেনে ইউক্ৰেইনক নতুন দীৰ্ঘ দূৰত্বৰ ক্ষেপণাস্ত্ৰ যোগান ধৰিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছতে আমেৰিকা যুক্তৰাষ্ট্ৰই ইউক্ৰেইনত যুদ্ধ দীঘলীয়া কৰিবলৈ বিচাৰিছে বুলি অভিযোগ কৰিছে ৰাছিয়াই। আমেৰিকাৰ ঘোষণাৰ পিছতে ক্ৰেমলিনৰ মুখপাত্ৰ দিমিত্ৰি পেচকভে আমেৰিকা যুক্তৰাষ্ট্ৰই ইচ্ছাকৃতভাৱে যুদ্ধত ইন্ধন যোগাইছে বুলি অভিযোগ কৰে। তেওঁ কয়, 'এনে ধৰণৰ অস্ত্ৰৰ যোগানৰ ফলত ইউক্ৰেইনৰ নেতৃত্বই শান্তি আলোচনা পুনৰ আৰম্ভ কৰাৰ ক্ষেত্ৰত আগবঢ়াৰ আশা কৰিব নোৱাৰি।' আমেৰিকাৰ মিছাইল যোগানৰ ঘোষণাৰ সমসাময়িকভাৱে জাৰ্মানীয়েও ইউক্ৰেইনক বায়ু প্ৰতিৰক্ষা প্ৰণালী যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিছে। বায়ু প্ৰতিৰক্ষা প্ৰণালী, IRIS-T প্ৰণালীক জাৰ্মানীৰ আটাইতকৈ আধুনিক প্ৰণালী বুলি অভিহিত কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাৰ্মানীৰ এই ঘোষণাৰ পিছতে ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছেৰ্গেই লাভৰভে দাবী কৰে যে এই পদক্ষেপবোৰে কেইবা মাহ ধৰি চলি থকা যুদ্ধত আন তৃতীয় ৰাষ্ট্ৰৰ অন্তৰ্ভুক্তিৰ আশংকা কঢ়িয়াই আনিব। আনহাতে, ৰাছিয়াৰ দাবীৰ পিছতে আমেৰিকাই কয় যে এই মিছাইলসমূহে ইউক্ৰেইনক দীৰ্ঘ দূৰত্বৰ পৰা শত্ৰু বাহিনীক অধিক সঠিকভাৱে আঘাত কৰাত সহায় কৰিব। কিন্তু আমেৰিকাই ইউক্ৰেইনক ৰাছিয়াৰ ভিতৰৰ লক্ষ্যৰ বাবে অস্ত্ৰ ব্যৱহাৰ কৰিবলৈ অনুমতি নিদিয়ে। আমেৰিকান ৰাষ্ট্ৰপতি বাইডেনে দাবী কৰিছিল যে এই অস্ত্ৰসমূহে ৰাছিয়াৰ বিৰুদ্ধে কিয়েভৰ আলোচনাৰ স্থিতি শক্তিশালী কৰিব আৰু কূটনৈতিক সমাধানৰ সম্ভাৱনা বৃদ্ধি কৰিব।

## বিহাৰৰ জিভালৈ পানী আনি

মন্ত্ৰণালয়ৰ অধীনত নাবাৰ্ডে গ্ৰাম্য অঞ্চলত কৃষি, ক্ষুদ্ৰ উদ্যোগ, কুটীৰ আৰু গাঁও উদ্যোগ, হস্তশিল্প আৰু অন্যান্য গ্ৰাম্য কাৰুশিল্প আৰু অন্যান্য আনুষংগিক অৰ্থনৈতিক কাৰ্যকলাপৰ প্ৰচাৰ আৰু বিকাশৰ বাবে ঋণ আৰু অন্যান্য সুবিধা প্ৰদান আৰু নিয়ন্ত্ৰণ কৰি আহিছে। ভোজপুৰৰ খুৰ্মা বিদেশী পৰ্যটকসকলৰো অতি প্ৰিয়। তিলকুট হৈছে তিল আৰু গুড়ৰ পৰা তৈয়াৰ কৰা এক অনন্য মিঠাই। সীতামাঢ়িৰ ৰুন্নী চৈদপুৰ গাঁৱৰ মিঠাই বালুশ্বাহিও দেশত অতি জনপ্ৰিয়। জি আই টেগ হৈছে এক নিৰ্দিষ্ট ভৌগোলিক অৱস্থানৰ সৈতে খাপ খোৱা কিছুমান সামগ্ৰী। জি আই টেগ থকা এনে সামগ্ৰীবোৰ সামগ্ৰীৰ ভৌগোলিক সংকেত (পঞ্জীয়ন আৰু সুৰক্ষা) আইন, ১৯৯৯ৰ অধীনত সুৰক্ষিত। ইতিমধ্যে জি আই টেগ পোৱা বিহাৰৰ অন্যান্য সামগ্ৰীবোৰৰ ভিতৰত আছে কাটাৰ্নি চাউল, জাৰ্দালু আম, শ্বাহি লিচিচ, মাগাহি পান আৰু চিলাও খাজা।

## বিদেশৰ পৰা পৰা অহা

সকলো আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ কৰ্তৃপক্ষক মাংকি পক্সৰ লক্ষণ থকা বিদেশী যাত্ৰীসকলক পৃথক কৰি ৰাখিবলৈ পত্ৰ প্ৰেৰণ কৰিছে। চেন্নাই, কোয়েম্বাটুৰ, তিৰুচি, চালেম, মাদুৰাই আৰু তুতিকোৰিনৰ বিমানবন্দৰৰ সঞ্চালকসকললৈ লিখা এখন পত্ৰত বিভাগটোৱে কয় যে জ্বৰ, মূৰৰ বিষ, পেশীৰ বিষ বা অৱসাদৰ দৰে লক্ষণ থকা বিদেশৰ পৰা আহি অৱতৰণ কৰা যাত্ৰীসকলক পৃথক কৰিব লাগিব আৰু তেওঁলোকৰ নমুনা পৰীক্ষাৰ বাবে সংগ্ৰহ কৰিব লাগিব। সংগ্ৰহ কৰা তেজ বা আন নমুনা পুনেৰ আইচিএমআৰ-এনআইভি পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা হ'ব। ভাৰতত এতিয়ালৈকে কোনো মাংকি পক্সৰ ঘটনা ধৰা পৰা নাই। আমেৰিকা যুক্তৰাজ্য, অষ্ট্ৰেলিয়া, কানাডা আৰু ইউৰোপৰ বহুকেইখন দেশত কেইবা শতাধিক লোক এই ৰোগ বিধত আক্ৰান্ত হৈছে। মাংকি পক্স নামেৰে পৰিচিত এই ৰোগবিধ মূলতঃ যৌন সম্পৰ্কৰ জৰিয়তে বিয়পে যদিও ৰোগীয়ে ব্যৱহাৰ কৰা কাপোৰ-কানিৰ পৰাও ৰোগ বিধ বিয়পাৰ আশংকা থকা বুলি স্বাস্থ্য বিজ্ঞানীসকলে প্ৰকাশ কৰিছে। শেহতীয়াকৈ আমেৰিকাত মাংকি পক্সত আক্ৰান্ত প্ৰথমগৰাকী ৰোগী চিনাক্ত হৈছে। কানাডাৰ কুইবেক প্ৰদেশতো এক ডজনৰো অধিক সন্দেহজনক মাংকি পক্সৰ লক্ষণে দেখা দিয়া লোকক পৰ্যবেক্ষণত ৰখা হৈছে। আমেৰিকাত প্ৰথমে এজন ব্যক্তিৰ দেহত মাংকি পক্সৰ উপস্থিতি নিশ্চিত কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কেন্দ্ৰৰ (চিডিচি) মতে, মাংকি পক্সৰ লক্ষণসমূহ হ'ল— জ্বৰ, পেশীৰ বিষ আৰু গ্ৰন্থি আদি ফুলা। মাংকি পক্সত আক্ৰান্ত লোকৰ মুখ আৰু শৰীৰত চিকেন পক্সৰ দৰে চোকোৰা-চোকৰ গুটি ওলায়। যৌন সংক্ৰমণ আৰু তেজ-বাহিত সংক্ৰমণৰ জৰিয়তে মাংকি পক্সৰ বিস্তাৰ ঘটিব পাৰে বুলি বিশেষজ্ঞসকলে মন্তব্য কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেছাছুছেটছত মাংকি পক্সৰ প্ৰথমটো ঘটনা ধৰা পৰাৰ পিছতে সতৰ্ক হৈ পৰিছে স্বাস্থ্য কৰ্মীসকল। আক্ৰান্ত ব্যক্তিজনক ইতিমধ্যে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। সংক্ৰমিত ব্যক্তি এজনৰ শৰীৰত দেখা দিয়া গুটিৰ পানী আদি লাগিলেও আন লোকৰ এই ৰোগ হ'ব পাৰে। স্পেইন আৰু পৰ্তুগালতো মাংকি পক্সৰ সংক্ৰমণ ঘটাৰ সন্দেহ কৰা হৈছে। সম্প্ৰতি প্ৰচলিত চিকিৎসা পদ্ধতিৰেই ৰোগ বিধৰ চিকিৎসা চলাই থকা হৈছে।

## ভৱিষ্যৎ গঢ়াৰ সপোন লৈ

প্ৰাথমিক বিদ্যালয়ত। বিদ্যালয়খনৰ প্ৰধান শিক্ষক হিতেন লাল বৰ্মনে জানিবলৈ দিয়া মতে, বিদ্যালয়খনৰ ৯১গৰাকী ছাত্ৰ-ছাত্ৰীক তিনিগৰাকী শিক্ষকে প্ৰতিদিনে দি আহিছে পাঠদান। ইফালে ৰাজ্যৰ বিদ্যালয়সমূহত চলি থকা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ সমান্তৰালকৈ কালাৰদিয়া প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলেও অব্যাহত ৰাখিছে এই গুণোৎসৱৰ কাৰ্যসূচী। কিন্তু বিদ্যালয়খন ব্ৰহ্মপুত্ৰৰ এটি সুঁতিৰ দাঁতিত অৱস্থিত হোৱা হেতুকে সমীপৱৰ্তী সৰহসংখ্যক কণ কণ ছাত্ৰ-ছাত্ৰী সুঁতিটোৰ আনটো পাৰৰ পৰা আহিব লাগে। যাৰ বাবে কণ কণ ছাত্ৰ-ছাত্ৰীসকলে নিতৌ এনেদৰে টুলুঙা নাৱেৰে ব্ৰহ্মপুত্ৰৰ সুঁতিটো বিপদসংকুলভাৱে পাৰ হৈ উপস্থিত হয় বিদ্যালয়খনত। হাজাৰ বাধাকো নেওচি কণ কণ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত উপস্থিত হয় শিক্ষা গ্ৰহণ কৰিবলৈ। আৰু এই শিশুসকলে নাও চলাই যোৱা দৃশ্যই এতিয়া ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় আগশাৰীৰ সংবাদ মাধ্যমতো খলকনিৰ সৃষ্টি কৰিছে। বিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে সাংবাদিকৰ আগত দাবী জনায় যে চৰকাৰে তেওঁলোকক কিবা এটা ব্যৱস্থা কৰি বিদ্যালয়খনত আহিবলৈ সুবিধা কৰি দিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে, নলবাৰী জিলাৰ বৰক্ষেত্ৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ২৮৪খন বিদ্যালয়ত ১ জুনৰ পৰা অনুষ্ঠিত হৈছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ। শিক্ষা খণ্ডটোৰ মুঠ ৩৫,০০২জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

## পদ্মশ্ৰী সন্মানপ্ৰাপক যাদৱ

উপাধিৰে বিভূষিত যাদৱ পায়েঙৰ নাই আধাৰ কাৰ্ড। এই লৈ এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পদ্মশ্ৰী যাদৱ পায়েঙে আধাৰ কাৰ্ডৰ বাবে আৱেদন কৰিছিল যদিও বৰ্তমানেও বিভিন্ন কাৰণত পায়েঙে আধাৰ কাৰ্ড লাভ নকৰিলে। এই বিষয়ে জ্ঞাত হোৱাৰ পাছতেই এতিয়া সৰৱ হৈ পৰিছে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ অপৰাধ নিয়ন্ত্ৰণ কোষ নামৰ বেচৰকাৰী সংস্থাটো। এই সন্দৰ্ভত সংস্থাটোৰ ৰাজ্যিক সভাপতি নিশান্ত থাৰদে যোৰহাট জিলা উপায়ুক্তলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰৰ জৰিয়তে যোৰহাট জিলা উপায়ুক্তক সমগ্ৰ বিষয়টো তদন্ত কৰি পদক্ষেপ ল'বলৈ আহ্বান জনোৱাৰ লগতে পদ্মশ্ৰী যাদৱ পায়েঙৰ দৰে ব্যক্তিক আধাৰ কাৰ্ডৰ ব্যৱস্থা কৰি দিবৰ বাবে অনুৰোধ জনাইছে। এই পত্ৰৰ প্ৰতিলিপি অসমৰ ৰাজ্যপাল আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈও প্ৰেৰণ কৰিছে।

## মাণিকপুৰত জব্দকৃত বাৰ্মিজ

বাৰ্মিজ চুপাৰি অবৈধভাৱে সৰবৰাহ কৰা বাবে জব্দ কৰা হয়। জব্দকৃত বাৰ্মিজ চুপাৰিখিনি বঙাইগাঁৱৰ খাদ্য সুৰক্ষা বিষয়া, গুৱাহাটীস্থিত ফৰেণচিক ছায়েন্স লেবৰেটৰী, উদ্যান শস্য আৰু খাদ্য প্ৰক্ৰিয়াকৰণৰ সঞ্চালক আৰু কেৰালাস্থিত চেণ্ট্ৰেল প্লেণ্টেচন ৰিচাৰ্ছ ইনষ্টিটিউট আদি মহলৰ পৰা লোৱা মতামতৰ পৰা বাৰ্মিজ চুপাৰিখিনি খোৱাৰ অনুপযোগী বুলি জনাৰ পিছত মাণিকপুৰ থানাই এই বৃহৎ পৰিমাণৰ চুপাৰিখিনি সন্দৰ্ভত বঙাইগাঁও সত্ৰ ন্যায়ালয়ত এখন আৱেদন দাখিল কৰে। আৰু সকলোখিনি তথ্যৰ ভিত্তিত বাৰ্মিজ চুপাৰিখিনি খোৱাৰ অনুপযোগী বুলি নিশ্চিত হোৱাৰ পিছত বঙাইগাঁৱৰ মহামান্য অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশে যোৱা ৩১ মে', ২০২২ তাৰিখে ৰায় প্ৰদান কৰে যে বাৰ্মিজ চুপাৰিখিনি এখন কমিটী বনাই সেই কমিটীৰ সদস্যসকলৰ উপস্থিতিত নষ্ট কৰিব লাগে। সেই নিৰ্দেশনা মৰ্মে বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদীপ পাঠকে সংশ্লিষ্ট মাণিকপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক অধ্যক্ষ হিচাপে, মাণিকপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক সদস্য সচিব আৰু বঙাইগাঁৱৰ খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ অধীক্ষক, কোষাগাৰ বিষয়া, জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া আৰু বঙাইগাঁৱত থকা প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ আঞ্চলিক কাৰ্যবাহী অভিযন্তাক সদস্য হিচাপে বাছনি কৰি এখন কমিটী গঠন কৰি বাৰ্মিজ চুপাৰিখিনি নষ্ট কৰাত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়ে। আজি পুৱা ৯ বজাত উক্ত কমিটীখনৰ বিষয়াসকলৰ লগতে বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱালৰ উপস্থিতিত চুপাৰিখিনি মাণিকপুৰ থানা চৌহদত জ্বলাই দিয়া হয়। উল্লেখ থাকে যে মাণিকপুৰ এলেকাৰ সংবাদকৰ্মী আৰু স্থানীয় দুজন লোকো এই কাৰ্যসূচীত উপস্থিত থাকে। চুপাৰিখিনিৰ বজাৰ দৰ ২৫ লক্ষাধিক টকা হ'ব।

## কাজিৰঙাৰ ৰাজপথত

তীব্ৰবেগী বাহনৰ খুন্দাত আহত বা নিহত হ'বলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ইণ্টাৰছেপ্টৰৰ দ্বাৰা চোকা দৃষ্টি ৰখাৰ ব্যৱস্থা কৰা হৈছে। গোলাঘাট জিলাৰ পৰিবহণ বিভাগৰ প্ৰৱৰ্তক পৰিদৰ্শক ঋক ৰঞ্জন দাসে উল্লেখ কৰে যে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষেৰে যোৱা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত প্ৰতি ঘণ্টাত ৪০ কিলোমিটাৰ বেগেৰে যাব লাগিব। অন্যথা, যান-বাহনৰ গৰাকীয়ে ভৰিব লাগিব ২ হাজাৰ টকাৰ পৰা ৪ হাজাৰ টকা পৰ্যন্ত জৰিমনা। আনহাতে, সময় মতে জৰিমনা আদায় নিদিলে বাতিল হ'ব পাৰে যান-বাহনৰ নথিপত্ৰ। তদুপৰি কাজিৰঙা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত কোনো ধৰণৰ যান-বাহন ৰাখিব নোৱাৰিব বুলি উল্লেখ কৰি কয় যে, ৰাষ্ট্ৰীয় উদ্যানখনৰ গাতে লাগি থকা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথটোত যান-বাহনসমূহ ৰখাই থোৱাৰ ফলত সেই বাহনসমূহৰ পৰা নিৰ্গত হোৱা তেল, ম'বিল, বিভিন্ন ধৰণৰ আৱৰ্জনাসমূহ ৰাষ্ট্ৰীয় উদ্যানখনৰ অন্তৰ্ভাগৰ খাল-বিল আদিত পৰিলে সেই পানী বন্যপ্ৰাণীসমূহে খালে যথেষ্ট ক্ষতি হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য, যে সেউজ প্ৰাধিকৰণে জাৰি কৰা নিষেধাজ্ঞাৰ পাছতো অব্যাহত আছে নিয়ম ভংগৰ প্ৰতিযোগিতা। একাংশ বাহনে গতিবেগৰ সীমা উলংঘা কৰি বন্যজীৱৰ বাবে ভাবুকিৰ সৃষ্টি কৰিছে। কেৱল ইমানেই নহয় একাংশ গধুৰ যান-বাহন, বাঁহ কঢ়িওৱা বাহনে এনিমেল কৰিড'ৰত বাহন ৰখাই বন্য জন্তুৰ আহ-যাহত সমস্যাৰ সৃষ্টি কৰিছে। এই আইন ভংগকাৰীসকলৰ বিৰুদ্ধে সম্প্ৰতি নগাঁও আৰু গোলাঘাট জিলা পৰিবহণ বিভাগৰ ইণ্টাৰচেপ্টৰ বাহনেৰে নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে সেউজ প্ৰাধিকৰণে জাৰি কৰা নিষেধাজ্ঞা অমান্য কৰা যান-বাহনৰ সকলো তথ্য লিপিবদ্ধ হ'ব ইণ্টাৰচেপ্টৰত থকা স্বয়ংক্ৰিয় কেমেৰাত। ফলত যান-বাহনৰ গৰাকীয়ে ভৰিব লাগিব দুহাজাৰৰ পৰা চাৰি হাজাৰ টকা পৰ্যন্ত জৰিমনা। বিগত বানৰ সময়ত দিনে-নিশাই ঋক ৰঞ্জন দাসৰ নেতৃত্বত থকা এনফ'ৰ্চমেণ্ট দলটোৱে বন্যপ্ৰাণীসমূহ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰাৰ সময়ত অসুবিধাৰ সন্মুখীন নোহোৱাকৈ যান-বাহনসমূহক নিয়ন্ত্ৰণ কৰি প্ৰকৃতি প্ৰেমৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছিল। বিগত সময়ছোৱাত এনফ'ৰ্চমেণ্ট বিষয়া ঋক ৰঞ্জন দাসৰ বন্যপ্ৰাণীৰ প্ৰতি থকা মৰমক কাজিৰঙাৰ ৰাইজে শলাগ লৈছিল।

## শোণিতপুৰত ৯০টা ড্ৰাগছ

চলাই ৯০ টা ড্ৰাগছ ভৰ্তি সৰু কন্টেইনাৰ সহ ৪ টা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জিলাখনৰ চাৰিদুৱাৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি আজি বিয়লি চাৰিদুৱাৰ ফৰেষ্ট গেটৰ সমীপত এ এছ ০১ এপি ১৩০১ নম্বৰৰ বলেৰ' বাহনখনত তালাচী চলাই ৬ টা ড্ৰাগছ ভৰ্তি কন্টেইনাৰ সহ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ চিয়াং জিলাৰ কালিড' পাৰ্টিন নামৰ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত পাৰ্টিনৰ লাভ কৰা স্বীকাৰোক্তিৰ ভিত্তিত সমীপৱৰ্তী গুদামঘাটৰ নিবাসী দিলদাৰ হুচেইনৰ ঘৰত আৰক্ষীয়ে অভিযান চলাই ৫৬ টাকৈ ড্ৰাগছ ভৰ্তি কন্টেইনাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ধৃত পাৰ্টিন আৰু দিলদাৰক সম্প্ৰতি চাৰিদুৱাৰ আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে। ইফালে নিষিদ্ধ ড্ৰাগছৰ এক ঘাটি হিচাপে পৰিগণিত হোৱা তেজপুৰ পূৰ্বাঞ্চলৰ দুটা ড্ৰাগছ সৰবৰাহকাৰীক আজি পুনৰ আৰক্ষীয়ে ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ঘটনাৰ বিৱৰণী অনুসৰি তেজপুৰ বৰঘাট আৰক্ষীৰ নেতৃত্বত এক গোপন সূত্ৰৰ পম খেদি সমীপৱৰ্তী কলিয়াভোমোৰা সেতুঁৰ দক্ষিণ পাৰত আজি বিয়লি ৪ মান বজাত তালাচী অভিযান আৰম্ভ কৰে। এই অভিযানকালত নগাঁও দিশৰ পৰা তেজপুৰ অভিমুখে ৩৭ (ক) নং ৰাষ্ট্ৰীয় ঘাইপথেৰে এ এছ ১২ টি ৭২১২ নম্বৰৰ মটৰ চাইকেলখনৰে আহি থকা দুই আৰোহীক তালাচী চলোৱাত ২৮ টা হেৰইন ভৰ্তি কন্টেইনাৰ আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। নিষিদ্ধ ড্ৰাগছ সহ আৰক্ষীয়ে মটৰ চাইকেলখনৰ আৰোহী ক্ৰমে স্থানীয় চটাই চাপৰি নিবাসী আব্দুল কাদিৰৰ পুত্ৰ দিলদাৰ হুচেইন (২২) আৰু স্থানীয় জোৰগড়ৰ আব্দুল কুদ্দুছৰ পুত্ৰ হবিবুৰ ৰহমান (৩২)ক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে, বিগত সময়ছোৱাত তেজপুৰ পূৰ্বাঞ্চলত অসৎ চক্ৰই বৃহৎ নেটৱৰ্ক গঢ়ি তুলি ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। ইয়াৰ বিপৰীতে তেজপুৰ আৰক্ষীয়েও শেহতীয়াকৈ উক্ত বৃহত্তৰ পূৰ্বাঞ্চলত অভিযান চলাই কেবাটাও ড্ৰাগছ সৰবৰাহকাৰীক হাতেলোটে গ্ৰেপ্তাৰ কৰি হাজোতলৈ প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে। আজি হাতেলোটে গ্ৰেপ্তাৰ হোৱা এই ড্ৰাগছ সৰবৰাহকাৰী দুটাক অধিক তথ্য উদ্ধাৰৰ বাবে এই বাতৰি যুগুতোৱা পৰলৈকে মাৰাথন জেৰা অব্যাহত ৰাখিছে।

## মুকলি আকাশৰ তলতে ছাত্ৰ

এইবেলি অনুষ্ঠিত নহ'ল গুণোৎসৱ। গুণোৎসৱ অনুষ্ঠিত কৰিবলৈ নাহিল কোনো চৰকাৰী নিৰ্দেশনাও। যাৰ ফলত গুণোৎসৱৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে বিদ্যালয়খনৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী। এই বিদ্যালয়খন হৈছে জিলাখনৰ বাক্সা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত গড়বস্তি প্ৰাথমিক বিদ্যালয়। উল্লেখ্য যে ১৯৭৯ চনতে এই বিদ্যালয়খন স্থাপন কৰিছিল অঞ্চলটোৰ কেইগৰাকীমান সচেতন ব্যক্তিয়ে। পিছে, বিগত চল্লিশ বছৰে চৰকাৰৰ চকুত নপৰিল বিদ্যালয়খন । যি সময়ত ৰাজ্যৰ চৰকাৰী শিক্ষা খণ্ডত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে চৰকাৰে বিভিন্ন ন ন আঁচনি ৰূপায়ণ কৰি আছে সেই সময়তে গড়বস্তি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে জৰাজীৰ্ণ কোঠালি আৰু ডেস্ক-বেঞ্চত বহিয়েই জীৱনৰ আদি পাঠ গ্ৰহণ কৰিবলগীয়া হৈছে । বিদ্যালয় গৃহটোৰ ওপৰত নাই চালি, নাই কোনো বেৰ । ২০১৩ চনত চৰকাৰে ৰাজ্যৰ একাংশ বিদ্যালয়ৰ শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ কৰিলে যদিও জিলাখনৰ এই বিদ্যালয়খন নোসোমাল তালিকাত। ভাৰত-ভূটান সীমান্তত অৱস্থিত এই বিদ্যালয়খনত আছে অসমীয়া আৰু বড়ো দুয়োটা মাধ্যমৰ প্ৰায় পঞ্চাশগৰাকী ছাত্ৰ-ছাত্ৰী । আনকি প্ৰায় দুই কিলোমিটাৰ ব্যাসাৰ্ধত নাই আন বিদ্যালয়। যাৰ বাবে এই বিদ্যালয়খনে অঞ্চলটোৰ প্ৰাথমিক শিক্ষাৰ আশা-ভৰসাৰ থল। পিছে বিদ্যালয়খনৰ দুৰৱস্থাই চিন্তিত কৰি তুলিছে বিদ্যালয়খনত কৰ্মৰত শিক্ষকসকলক। বিদ্যালয়গৃহৰ টিনপাত জহি-খহি যোৱাৰ বিপৰীতে নাই কোনো বেৰৰ ব্যৱস্থা। যাৰ ফলত এজাক বৰষুণ আহিলেই বন্ধ ৰাখিব লাগে পাঠদান। উল্লেখ্য যে ২০২১ চনত বিদ্যালয়খনত কৰ্মৰত শিক্ষককেইগৰাকীক ৰাজ্যৰ শিক্ষা বিভাগে টিউটৰ হিচাপে নিযুক্তি প্ৰদান কৰি আন ঠাইলৈ নিবলৈ নিৰ্দেশ দিছিল যদিও শিক্ষককেইজনে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি এইখন বিদ্যালয়তে কৰ্মৰত হৈ থকাৰ পিছতো গুণোৎসৱ অনুষ্ঠিত কৰিবলৈ নাপালে অনুমতি। আনহাতে, চৰকাৰীভাৱেও কোনো অনুদান নিদিয়াত বিদ্যালয়খনৰ অস্তিত্বক লৈ এতিয়া চিন্তিত হৈ পৰিছে শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অভিভাৱকসকল।




বিশ্ব চাইকেল দিৱস উপলক্ষে তেজপুৰ মহাবিদ্যালয় আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ চাইকেল শোভাযাত্ৰা

## তেজপুৰৰ পৰা শিলঘাটলৈ উলিওৱা চাইকেল ৰেলী শুভাৰম্ভ বিধায়ক পৃথ্বিৰাজ ৰাভাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩ জুন ঃ** দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে দেশজুৰি পালিত হৈ থকা আজাদি কা অমৃত মহোৎসৱ উদযাপনৰ অংশ হিচাপে আজি বিশ্ব বাইচাইকেল দিৱসৰ লগত সংগতি ৰাখি তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ এন এছ এছ গোটে মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ সহযোগত মিছন চাৰিআলিৰ পৰা ডেকাৰগাঁৱৰ ৰেল ষ্টেচনলৈকে এক চাইকেল ৰেলীৰে সজাগতা সৃষ্টি কৰে। উল্লেখ্য যে, গাড়ী-মটৰৰ ধোঁৱাই সৃষ্টি কৰা প্ৰদূষণে জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি চূড়ান্ত ভাবুকি কঢ়িয়াই অনাৰ সময়তে চাইকেলৰ প্ৰয়োজনীয়তা আৰু চাইকেল চালনাই শাৰীৰিক অনুশীলন সদৃশ কাম কৰাৰ গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি সজাগতা সৃষ্টিৰে আজি চাইকেল দিৱসৰ দিনটোত উলিওৱা এই চাইকেল ৰেলী শুভাৰম্ভণি কৰে গোলাঘাট জিলাৰ ধনশিৰী মহকুমাৰ মহকুমা আৰক্ষী বিষয়া তথা তেজপুৰৰ সুযোগ্য সন্তান ট্ৰিনয়ন ভূঞাই। মন কৰিব লগীয়া যে, এই চাইকেল ৰেলীয়ে নিৰ্দিষ্ট ঠাই পৰিক্ৰমণ কৰাৰ পিছত পুনৰ মহাবিদ্যালয় প্ৰাংগনত উপস্থিত হয় আৰু সকলো অংশ গ্ৰহণকাৰীক একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰি মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষই চাইকেল চালনাৰ বিভিন্ন সুফল সমূহ শিক্ষাৰ্থী সকলক অৱগত কৰে। একেদৰে বিশ্ব চাইকেল দিৱস উপলক্ষে তেজপুৰ মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়খনৰ পৰা শিলঘাটলৈ উলিওৱা চাইকেল ৰেলী আজি আনুষ্ঠানিক ভাবে শুভাৰম্ভ কৰে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাৰ লগতে একাংশ অধ্যাপকেও অংশ লোৱা তেজপুৰ মহাবিদ্যালয়ৰ এই চাইকেল ৰেলী পতাকা জোকাৰি শুভাৰম্ভ কৰা বিধায়ক পৃথ্বিৰাজ ৰাভাই চাইকেল চালনাৰ অভ্যাসে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত যেনেদৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে একেদৰে নিজৰ শৰীৰো মজবুত কৰি এগৰাকী সুস্বাস্থ্যবান ব্যক্তি হোৱাৰ পথ সূচল কৰে বুলি মন্তব্য কৰে।

## মুখ্যমন্ত্ৰীলৈ ছিপাঝাৰবাসীৰ আহ্বান বিধায়ক ড° পৰমানন্দ ৰাজবংশীক মন্ত্ৰিত্ব দিয়ক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ মন্ত্ৰী সভাই এটা বছৰ সম্পূৰ্ণ কৰাৰ পিছত অচিৰে সালসলনি কৰাৰ সম্ভাৱনা থকা বুলি প্ৰচাৰ মাধ্যমৰ পৰা জানিব পাৰি ছিপাঝাৰবাসী ৰাইজে বিধায়ক ড° পৰমানন্দ ৰাজবংশীক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিবলৈ সবিনয়ে আহ্বান জনাইছে। নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰীৰ কথা মতেই পৰমানন্দ ৰাজবংশীক বিপুল ভোটত জয়ী কৰাই চৰকাৰৰ অংশীদাৰ হৈ গৌৰৱবোধ কৰিছিল। ছিপাঝাৰৰ ৰাইজে আশা কৰিছিল মন্ত্ৰীসভাত পৰমানন্দ ৰাজবংশীয়ে এটা ভাল দপ্তৰৰ কেবিনেট মন্ত্ৰী লাভ কৰিব। কিন্তু মন্ত্ৰীসভা গঠনত প্ৰথমবাৰৰ বাবে ছিপাঝাৰৰ বিধায়কগৰাকীয়ে মন্ত্ৰিত্ব লাভ কৰিবলৈ সক্ষম নহ'ল। কিন্তু ছিপাঝাৰবাসী ৰাইজে মন্ত্ৰীসভা সালসলনিত হ'লেও ছিপাঝাৰ সমষ্টিৰ বিধায়কগৰাকীয়ে মন্ত্ৰিত্ব লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা পালিছিল। যি কথাত মুখ্যমন্ত্ৰীৰ প্ৰতি ছিপাঝাৰৰ ৰাইজৰ আছে অসীম বিশ্বাস। উল্লেখ্য যে দৰং জিলাৰ চাৰি সমষ্টিৰ ভিতৰত একমাত্ৰ ছিপাঝাৰ সমষ্টিত পৰমানন্দ ৰাজবংশীয়ে বিজেপিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈ দলৰ মান-সন্মান ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। তদুপৰি ৰাজবংশী এগৰাকী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোৱাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ অভিজ্ঞতাসম্পন্ন বিজ্ঞ লোক। আনপিনে লক্ষণীয় কথা যে, দৰং জিলাত বিগত সময়ত নাই এজনো মন্ত্ৰী। যাৰ বাবে অসম বিধানসভাৰ দৰঙৰ একমাত্ৰ প্ৰতিনিধি ৰাজবংশীক ছিপাঝাৰৰ ৰাইজৰ আশাক সন্মান আৰু দৰঙী ৰাইজৰ উন্নয়নৰ স্বাৰ্থত বিধায়কগৰাকীক এইবাৰ সাল-সলনিত অসম মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিবলৈ মুখ্যমন্ত্ৰীৰ ওচৰত সবিনয়ে আহ্বান জনাইছে। মুখ্যমন্ত্ৰীৰ কথাক সদায়ে সন্মান জনাই আখৰে আখৰে পালন কৰি অহা ছিপাঝাৰবাসীয়ে মুখ্যমন্ত্ৰীলৈ মন্ত্ৰীসভাৰ সাল-সলনিৰ দিনটোলৈ আশাৰে বাট চাই ৰৈ আছে। ইফালে ছিপাঝাৰ মণ্ডল বিজেপি, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠন আদিয়েও এই একে আশা প্ৰকাশ ৰাখিছে।

## গুৱাহাটীত আত্মগোপন কৰা

সক্ষম হৈছে। মহিলাগৰাকীৰ বিৰুদ্ধে কামৰ প্ৰলোভন দেখুৱাই বহিঃৰাষ্ট্ৰত মহিলা-যুৱতীক প্ৰেৰণ কৰা, মহিলাগৰাকীৰ ডবকাৰ ঘৰৰ পৰা ২৫খনকৈ পাছপ'ৰ্ট উদ্ধাৰকে ধৰি বিভিন্ন অভিযোগত হোজাই আৰক্ষীৰ ওচৰত একাধিক গোচৰ পঞ্জীয়ন হৈ আছে। বিগত মাৰ্চ মাহৰ পৰা আত্মগোপন কৰি থকা জনৈক চাবিনা নামৰ মহিলাগৰাকীক হোজাই আৰক্ষীয়ে বিচাৰি আছিল। হোজাই আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ গোপন খবৰৰ ভিত্তিত ডবকা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিণ্টু সন্দিকৈয়ে এক অভিযান চলাই গুৱাহাটীৰ সাতগাঁৱৰ এটা ফ্লেটৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় চাবিনা নামৰ মহিলাগৰাকীক। উল্লেখ্য যে কিছুদিন পূৰ্বে এইগৰাকী চাবিনাৰ ডবকাস্থিত ঘৰৰ পৰা আৰক্ষীয়ে জব্দ কৰিছিল ২৫খনকৈ পাছপ'ৰ্ট। লগতে হোজাই জিলাৰ বহু যুৱতী-মহিলাক কামৰ প্ৰলোভন দি এইগৰাকী চাবিনাই আৰব ৰাষ্ট্ৰলৈ প্ৰেৰণ কৰিছিল। কেইবাগৰাকী মহিলাৰ আত্মীয়ই চাবিনাৰ বিৰুদ্ধে স্থানীয় থানাৰ লগতে হোজাই জিলা আৰক্ষী অধীক্ষকৰ ওচৰতো অভিযোগ দিছিল। তাৰ পিছতে আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। ইপিনে বহুদিন আত্মগোপন কৰি থকা চাবিনাৰ সন্ধানত আৰক্ষীয়ে অভিযান চলাইছিল যদিও সফল হ'ব পৰা নাছিল। কালি আৰক্ষীয়ে এক নিৰ্দিষ্ট খবৰৰ ভিত্তিত অভিযান চলাই গুৱাহাটীৰ এটা ফ্লেটৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে মাৰাথন জেৰা চলাইছে চাবিনা বেগমক। চাবিনাক আত্মগোপন কৰি থকা সময়ত কোনে কোনে সহায় কৰিছিল, সেইসকলো আৰক্ষীৰ জালত পৰাৰ সম্ভাৱনা আছে।

## অন্ধ্ৰপ্ৰদেশত গেছ

**নিৰ্গমন হৈ দুই শতাধিক মহিলা অসুস্থ** কৰি থকা মহিলাসকলে বমি, মূৰৰ বিষ আৰু চকু জ্বলা-পোৰা কৰাৰ লক্ষণত ভুগিবলৈ ধৰে। ঘটনাৰ খবৰ পোৱাৰ পিছতে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ গেছ নিৰ্গমনৰ ফলত অসুস্থ হৈ পৰা মহিলাসকলক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে। সকলো অসুস্থ মহিলাই বৰ্তমান বিপদমুক্ত বুলি জানিব পৰা গৈছে। অনকাপল্লীৰ আৰক্ষী অধীক্ষক গৌতমী চালীয়ে কয় যে গেছবিধ মাৰাত্মক নাছিল। নিৰ্গমন হোৱা গেছ বিধ এমোনিয়া গেছ আছিল বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। গেছ নিৰ্গমনৰ সময়ত কোম্পানীটোত ১,৮০০জন লোকে কাম কৰি আছিল। সকলো কৰ্মচাৰীকে ইতিমধ্যে স্থানান্তৰিত কৰা হৈছে। অসুস্থ লোকসকলক অচ্যুতপুৰমৰ দুখন ব্যক্তিগত চিকিৎসালয় আৰু আনাকাপালৰ এনটিআৰ চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হৈছিল।




*দিল্লী উচ্চ ন্যায়ালয়ে শুকুৰবাৰে এক জনস্বাৰ্থ জড়িত নিৰ্দেশনাত কয় যে বিমানবন্দৰসমূহত যদিহে আৰোহীয়ে মাস্ক পৰিধান নকৰে, হেণ্ড ছেনিটাইজাৰ ব্যৱহাৰ নকৰে আৰু সামাজিক দূৰত্ব বৰ্তাই নাৰাখে তেনেহ'লে তেনে আৰোহীৰ বিৰুদ্ধে জৰিমনা আদায় আৰু মহামাৰী নিয়ন্ত্ৰণ আইনৰ অধীনত গোচৰ ৰুজু কৰিব লাগে*

### নেচনেল হেৰাল্ড গোচৰত পুনৰ নতুন নিৰ্দেশনা এনফোৰ্চমেণ্টৰ


# ১৩ জুনৰ পূৰ্বে হাজিৰ হ'ব লাগিব ৰাহুল গান্ধী

**নতুন দিল্লী, ৩ জুন ঃ** এনফোৰ্চমেণ্ট সঞ্চালকালয়ে নতুনকৈ জাৰি কৰা নিৰ্দেশনাৰ জৰিয়তে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীক চলিত জুন মাহৰ ১৩ তাৰিখৰ পূৰ্বে হাজিৰ হ'বলৈ কোৱা হৈছে। ইয়াৰ পূৰ্বে যোৱা ২ জুন তাৰিখে কংগ্ৰেছ সাংসদজনলৈ নিৰ্দেশনা জাৰি কৰি অহা ৮ জুনত এনফোৰ্চমেণ্টৰ জেৰাৰ সন্মুখীন হ'বলৈ আহ্বান জনাইছিল। কিন্তু ৰাহুল গান্ধী সম্প্ৰতি দেশৰ বাহিৰত আছে। সেয়েহে তেওঁৰ অধিবক্তাই এনফোৰ্চমেণ্টৰ সৈতে যোগাযোগ কৰি হাজিৰ হোৱাৰ দিন সালসলনি ঘটাবলৈ আহবান জনাইছিল। ইয়াৰ পিছতে সঞ্চালকালয়ে আজি এই নতুন নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে কংগ্ৰেছৰ অধ্যক্ষ ছোনিয়া গান্ধীকো একেটা নিৰ্দেশনাতে যোৱা ২ জুন তাৰিখে সাঙুৰি লৈছিল আৰু তেওঁকো আঠ জুন তাৰিখে এনফোৰ্চমেণ্টৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিছিল। অৱশ্যে এই নিৰ্দেশনাৰ পিছতে ৭৫ বছৰীয়া ছোনিয়া গান্ধী ক'ভিডত আক্ৰান্ত হোৱা বুলি দলৰ মুখপাত্ৰই প্ৰকাশ কৰিছে। সেয়েহে ছোনিয়া গান্ধীৰ ভাষ্য গ্ৰহণৰ বিষয়টো কিছু পিছুৱাই যোৱাটো নিশ্চিত। কিন্তু ৫১ বছৰীয়া ৰাহুল গান্ধীক অহা ১৩ জুনৰ পূৰ্বে নিশ্চিতভাৱে হাজিৰ হোৱাৰ নিৰ্দেশনা প্ৰকাশ কৰিছে। অবৈধ প্ৰক্ৰিয়াৰে ধনৰ লেনদেন প্ৰতিৰোধ আইনৰ অধীনত কংগ্ৰেছৰ বৰ্তমানৰ অধ্যক্ষ ছোনিয়া গান্ধী আৰু প্ৰাক্তন অধ্যক্ষ ৰাহুল গান্ধীলৈ জাননী প্ৰেৰণ কৰা হৈছে। প্ৰণিধানযোগ্য এয়ে যে বিজেপি সাংসদ সুব্ৰমণিয়ম স্বামীয়ে ২০১৩ চনতে নেচনেল হেৰাল্ড বাতৰি কাকত আৰু এই কাকতৰ সা-সম্পদ বিষয়ত এক গোচৰ ৰুজু কৰিছিল। সংবাদ প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী হিচাপে অঘোষিত হ'লেও সকলোৱে ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীৰ নাম লৈ আহিছে। নেচনেল হেৰাল্ড সম্প্ৰতি প্ৰকাশ কৰি আছে এছ'চিয়েটেড জাৰ্নেল লিমিটেড নামৰ এটা প্ৰতিষ্ঠানে। আনহাতে এই কাকত গোষ্ঠীৰ স্বত্বাধিকাৰী হিচাপে নাম পঞ্জীয়ন হৈ আছে ইয়ং ইণ্ডিয়ান প্ৰাইভেট লিমিটেড নামৰ এটা কোম্পানী। এই কোম্পানীটোৰ সিংহভাগ শ্বেয়াৰ কংগ্ৰেছৰ ওপৰোক্ত দুই নেতাৰ হাতত আছে বুলি অভিযোগকাৰীয়ে ব্যক্ত কৰিছে। এই বিষয়ত ইতিমধ্যে কংগ্ৰেছৰ সাংসদ মল্লিকাৰ্জুন খাৰ্গে আৰু পৱন বানছালক এনফোৰ্চমেণ্টে বেলেগে বেলেগে জেৰা কৰি ভাষ্য গ্ৰহণ কৰিছে। এই ভাষ্যত নেচনেল হেৰাল্ড সম্পৰ্কে কেতবোৰ সন্দেহজনক তথ্য আহৰণ কৰা বুলি চৰ্চিত হৈছে। ইফালে কংগ্ৰেছ দলে এই কাৰ্য ৰাজনৈতিক ষড়যন্ত্ৰ আৰু প্ৰতিশোধ বুলি অভিহিত কৰিছে কেন্দ্ৰৰ শাসকীয় বিজেপি দল আৰু চৰকাৰৰ বিৰুদ্ধে। ভুৱা গোচৰত কংগ্ৰেছৰ একাংশ নেতা-কৰ্মীক শাৰীৰিক আৰু মানসিকবাৰে হাৰাশাস্তি কৰি অহা বুলি দলটোৰ মুখপাত্ৰ অভিষেক মনোসিংঘীয়ে অলপতে সংবাদ মাধ্যমৰ সন্মুখত অভিযোগ কৰিছিল। এনেদৰে আইনী মেৰপেছত সোমাই পৰা নেচনেল হেৰাল্ড কাকতৰ আয়-ব্যয় আৰু কৰ ফাকিৰ বিষয়টো এতিয়া এনফোৰ্চমেণ্ট আৰু চিবিআইৰ অধীনত বিচাৰাধীন হৈ আছে।




### জম্মু-কাশ্মীৰত অব্যাহত থকা হত্যা-হিংসাক লৈ উদ্বিগ্ন বিৰোধী

## ৩৭০ অনুচ্ছেদ বাতিলৰ পিছতো সুৰক্ষিত নহ'ল নাগৰিকৰ জীৱন ঃ সঞ্জয় ৰাউত



**নতুন দিল্লী, ৩ জুন ঃ** শিৱসেনা দলৰ সাংসদ তথা মুখপাত্ৰ সঞ্জয় ৰাওতে শুকুৰবাৰে কয় যে ভাৰতীয় জনতা পাৰ্টীয়ে জম্মু-কাশ্মীৰত সাধাৰণ ৰাইজৰ নিৰাপত্তা প্ৰদানত ব্যৰ্থ হৈছে। বিজে পিয়ে কেবল হিন্দুত্বৰ প্ৰচাৰ চলাই ৰাইজক বিভ্ৰান্ত কৰি আহিছে আৰু শাসনত থকাৰ পিছতো হিন্দু সকলক সুৰক্ষা দিয়াত সভল হোৱা নাই। শেহতীয়াকৈ জম্মু-কাশ্মীৰত কাশ্মীৰী পণ্ডিত, বহিঃ ৰাজ্যৰ পৰা যোৱা শ্ৰমিক-কৰ্মচাৰী, ব্যৱসায়ী আদি হত্যাৰ বলী হৈছে। বিজেপিয়ে প্ৰতিশ্ৰুতি দিছিল যে ৰাজ্যখনলৈ কাশ্মীৰী পণ্ডিতক ঘূৰাই পঠোৱা হ'ব। কিন্তু অবিৰতভাৱে কাশ্মীৰী পণ্ডিতৰ বংশাৱলীক হত্যা কৰি থকাৰ পিছতো বিজেপি নিৰৱ হৈ আছে। সাংসদ সঞ্জয় ৰাওতে লগতে কয় যে ৰাজ্যখন পুনৰ গঠন কৰিবলৈ বুলি সংবিধান সংশোধন কৰা হ'ল। জম্মু-কাশ্মীৰক পূৰ্ণাংগ ৰাজ্যৰ পৰা অৱনমিত কৰি কেন্দ্ৰীয় শাসিত প্ৰদেশ কৰা হ'ল। লগতে সাংবিধানিকভাৱে পূৰ্বে লাভ কৰা পৰিচয় বিলুপ্ত কৰাৰ বাবে ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰ কৰা হ'ল। তথাপি স্বাভাৱিক জীৱন যাত্ৰা ঘূৰি নাহিল। এনেধৰণৰ পদক্ষেপ গ্ৰহণৰ সময়ত বিজেপিয়ে এক পক্ষীয়ভাৱে সিদ্ধান্ত লৈছিল। সেয়েহে ইয়াৰ ব্যৰ্থতাৰ দায়িত্বও গেৰুৱা দলটোৱে মূৰ পাতি ল'ব লাগিব। ৰাজ্যখনৰ শেহতীয়া হত্যা, হিংসাৰ বিষয়ত একাংশ বিজেপি আৰু আৰ এছ এছৰ লোকসকল কিয় নিৰৱ হৈ আছে বুলি প্ৰশ্ন কৰা হৈছে। সত্তিশগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেলে ইয়াৰ বাবে কেন্দ্ৰৰ শাসকীয় পক্ষক দোষাৰোপ কৰিছে। উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মায়াৱতীয়েও কেন্দ্ৰীয়য় চৰকাৰক দোষাৰোপ কৰিছে। কিয়নো বেংক বিষয়া বিজয় কুমাৰক কুলগাম জিলাত কৰ্মস্থানতে গুলীয়াই হত্যা কৰা হৈছিল। ইয়াৰ পূৰ্বে আপেল ব্যৱসায়ী, বস্ত্ৰৰ ব্যৱসায়ী আদিৰ বিৰুদ্ধে ৰাজ্যখনত ইছলামিক সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰি আহিছে। সেয়েহে বিৰোধী দলবোৰে এতিয়া জম্মু-কাশ্মীৰৰ শেহতীয়া পৰিস্থিতিক লৈ উদ্বিগ্ন হৈ পৰা দেখা গৈছে। আনকি হিন্দু হোৱাৰ বাবেই ৰজনী বালা নামৰ মহিলা শিক্ষয়িত্ৰী এগৰাকীক পাকিস্তানী সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰি গুচি গৈছিল। বিৰোধী দলবোৰে এইক্ষেত্ৰত উপ-ৰাজ্যপাল মনোজ সিনহা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো কটু ভাষাৰে সমালোচনা কৰা দেখা গৈছে।

## সাংসদ কাৰ্তি চিদাম্বৰমৰ জামিন আবেদন অগ্ৰাহ্য



**নতুন দিল্লী, ৩ জুন ঃ** কংগ্ৰেছৰ সাংসদ কাৰ্তি চিদাম্বৰম আৰু অন্য দুই সহযোগীৰ জামিন আবেদন নাকচ হৈছে। ধনৰ অবৈধ লেনদেনৰ অভিযোগত তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছিল। শুকুৰবাৰে দিল্লীৰ ৰোজ এভিনিউ আদালতে কাৰ্তি চিদাম্বৰম, এছ ভাস্কৰ ৰমন আৰু বিকাশ মাখাৰিয়াৰ জামিন আবেদন নাকচ কৰা হৈছে। ইয়াৰ পূৰ্বেও চিবিআইৰ বিশেষ বিশেষ আদালতত তেওঁলোকৰ জামিন অগ্ৰাহ্য কৰা হৈছিল। ছাইনিছ ভিছা কেলেংকাৰীটো এই তিনিওজন সাঙোৰ খাই পৰা বুলি প্ৰকাশ পাইছে। বিশেষ ন্যায়াধীশ এম কে নাগপালে কয় যে জামিন প্ৰদানৰ বাবেং আৱশ্যক হোৱা যথাযথ নথিপত্ৰ দাখিল কৰা হোৱা নাই। আনকি এই আবেদন শুনানিৰ বাবে গ্ৰহণ কৰিব পৰাকৈ যথোপযুক্ত হোৱা নাই। বিগত সপ্তাহত এই আবেদন দাখিল কৰা হৈছিল আৰু ন্যায়ালয়ে বিষয়টো শুনানী গ্ৰহণ কাৰ্যৰ পৰা স্থগিত ৰাখিছিল। এইজন কাৰ্তি চিদাম্বৰম হ'ল কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় বিত্ত আৰু গৃহ আদি গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰী পি চিদাম্বৰম। সম্প্ৰতি ৰাজ্যসভাৰ সদস্য হৈ থকা পি চিদাম্বৰমৰ পুত্ৰৰ বিৰুদ্ধেও আছে ২০১১ চনতে ২৬৩ জন চীন দেশৰ নাগৰিকৰ বাবে ভিছা প্ৰদান কৰা কাৰ্য। সেই সময়ত পি চিদাম্বৰম আছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী। সেই সুবাদতে পুত্ৰ কাৰ্তি চিদাম্বৰমে উপযুক্ত নথি-পত্ৰ নোহোৱাকৈয়ে জালিয়াতিৰে চীনৰ ২৬৩ জন লোকক ভিছা প্ৰদান কৰিছিল। সন্দেহ কৰা হৈছে যে এই চীনা নাগৰিকসকলে ভাৰতত প্ৰৱেশ কৰি কেতবোৰ অবৈধ কাৰ্যকলাপত লিপ্ত হৈছিল। কেন্দ্ৰীয় চৰকাৰে ভিছা জালিয়াতিৰ বিষয়টো গুৰুত্বসহকাৰে তদন্ত কৰিছে আৰু ইয়াৰ আৰত ধনৰ অবৈধথ লেনদেন হোবা বুলি সন্দেহ কৰা হৈছে। সেয়েহে কাৰ্তি চিদাম্বৰম আৰু তেওঁ দুই সহযোগীক চিবিআই-এ গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকৰ ওপৰত অন্য কেবাটাও বিত্তীয় অনিয়মৰ গোচৰ জাপি দিয়া হৈছে।

## কেৰালাৰ থ্ৰিকাকাৰা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী উমা থমাছৰ জয়

**কোচি, ৩ জুন ঃ** কেৰালা প্ৰদেশৰ থ্ৰিকাকাৰা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল আজি প্ৰকাশ পাইছে। সেই অনুসৰি শাসকীয় পক্ষ এই নিৰ্বাচনত জয়ী হ'বলৈ সক্ষম নহ'ল। শাসনৰ গাদীত আছে চিপিএম নেতৃত্বাধীন বাওঁ গণতান্ত্ৰিক মৰ্চা। ইফালে বিৰোধীৰ আসনত আছে কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত গণতান্ত্ৰিক মৰ্চা। উপ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী উমা থমাছৰ হাতত শাসকীয় পক্ষৰ প্ৰাৰ্থী পৰাজিত হৈছে। ইয়াৰ লগে লগে ৰাজ্যখনত দীৰ্ঘদিন ধৰি কংগ্ৰেছ আৰু শাসকীয় বাওঁ গণতান্ত্ৰিক মৰ্চাৰ মাজত চলি থকা সংঘাতৰ পিছত বিৰোধী পক্ষ কিছু আগুৱাই যোৱা বুলিব পাৰি। উল্লেখ্য যে বাওঁ গণতান্ত্ৰিক মৰ্চাই জ' যোচেফ নামৰ এজন ব্যক্তিক প্ৰক্ষেপ কৰিছিল যদিও তেওঁ সফল হ'ব নোৱাৰিলে। উল্লেখ্য যে মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়নে উক্ত সমষ্টিত তৃণমূল পৰ্যায়ত চলাইছিল ব্যাপক প্ৰচাৰ। গাৱে গাঁৱে গৈ মুখ্যমন্ত্ৰীগৰাকীয়ে শাসকীয় পক্ষৰ প্ৰাৰ্থীক ভোট দিবলৈ আহবান জনাইছিল। কিন্তু ভোটাৰে মুখ্যমন্ত্ৰীৰ আহ্বান নুশুনিলে। ইফালে ১২ ৰাউণ্ডলৈকে চলা গণনাৰ সময়ত কংগ্ৰেছ প্ৰাৰ্থী উমা থমাছে ৭২ হাজাৰতকৈ অধিক ভোট লাভ কৰাটো নিশ্চিত হ'ল। তেওঁৰ প্ৰতিদ্বন্দ্বী শাসকীয় পক্ষৰ যোচেফে ৪৭ হেজাৰ ভোট লাভ কৰিয়ে ক্ষান্ত থাকিল। বিজেপিৰ প্ৰাৰ্থী এ এন ৰাধাকৃষ্ণনে তৃতীয় স্থানতে সন্তুষ্ট থাকিল। সেয়েহে কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে কমেও ২৫ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হোৱা দেখা গ'ল। উল্লেখ্য যে কোচি পৌৰ নিগমৰ অধীনত থকা থ্ৰিকাকাৰা বিধানসভা সমষ্টিটোত সম্পূৰ্ণ নগৰীয়া অঞ্চলেৰে গঠিত। বিগত বৰ্ষত এই সমষ্টিৰ বিধায়ক গৰাকীৰ অকাল মৃত্যু গটিছিল। তেতিয়াৰ পৰাই সমষ্টিটোত উপ-নিৰ্বাচন আৱশ্যকীয় হৈ আছিল। নিৰ্বাচন আয়োগে বিভিন্ন কাৰণত উপ-নিৰ্বাচন অনুষ্ঠিত কৰা নাছিল যদিও পলমকৈ হ'লে। উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সমাপ্ত হৈছিল। ইয়াৰ পিছত আজি হোৱা ভোট গণনাত শাসকীয় বাওঁ গণতান্ত্ৰিক মৰ্চা পৰাজিত হোৱা দেখা গ'ল। এই ফলাফলৰ পিছতে ৰাজ্যখনৰ কংগ্ৰেছ নেতৃত্বই কঠোৰ ভাষাৰে সমালোচনা কৰিছে মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়নক। বিৰোধী দলটোৱে কয় যে জনতাৰ আশা-আকাংখ্যা পূৰণ কেৰালা



চৰকাৰ ব্যৰ্থ হৈছে। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি কে সুধাকৰণে কয় যে কেপ্টেইন ব্যৰ্থ হৈছে। গতিকে ৰাইজে কেপ্টেইনৰ পদত্যাগ বিচাৰিছে। ৰাইজৰ মনোভাৱ উপ-নিৰ্বাচনৰ ফলাফলৰ জৰিয়তে পতিয়মান হৈছে। প্ৰণিধানযোগ্য এয়ে যে প্ৰাক্তন কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছঠী এ কে এণ্টনীয়ে এই উপ-নিৰ্বাচনত বিশেষভাৱে প্ৰচাৰ চলাইছিল। কিন্তু মুখ্যমন্ত্ৰীৰ এইজন জ্যেষ্ঠ নেতাক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উঠিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী অ'মেন চান্দিয়ে অসুস্থ স্বাস্থ্যৰে উমা থমাছৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছিল। গতিকে ভোটাৰে সঠিক সিদ্ধান্ত লোৱা বুলি কংগ্ৰেছ নেতৃত্বই মত প্ৰকাশ কৰা দেখা গৈছে।

## ইমৰান খানৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ গোচৰ

### সিদ্ধান্ত ল'লে পাক কেবিনেটে, অচিৰেই কাৰাগাৰলৈ নিক্ষেপৰ ইংগিত

**ইছলামাবাদ, ৩ জুন ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ লগ নেৰা হৈছে বিপদে। শেহতীয়াকৈ ক্ষমতাৰ পৰা অপসাৰিত হোৱাৰ পিছত অস্থিৰ হৈ পৰা ইমৰান খানে দেশখনত গ্ৰহণ কৰা কেতবোৰ স্থিতিয়ে তেওঁৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণৰ পথ মুকলি কৰিছে। সমান্তৰালভাৱে তেওঁৰ কাৰ্যকলাপ দেশখনৰ স্বাৰ্থৰ পৰিপন্থী বুলি পাকিস্তান চৰকাৰৰ কেবিনেট সমিতিয়ে অভিহিত কৰিছে। উল্লেখ্য যে বৰ্তমান চৰকাৰক সমালোচনা কৰিবলৈ গৈ ইমৰান খানে কৈছিল যে তিনিটা খণ্ডত বিভক্ত হ'ব পাকিস্তান। পৰা অপসাৰিত হৈছিল ইমৰান খান। ইয়াৰ পিছত শ্বেহবাজ শ্বৰীফ অধিষ্ঠিত হয় প্ৰধানমন্ত্ৰীৰ পদত। পাকিস্তান মুছলীম লীগ আৰু অন্যান্য বিৰোধীয়ে মৰ্চা প্ৰস্তুত কৰি ক্ষমতা হস্তগত কৰিছে। কিন্তু যোৱা বুধবাৰে ইমৰান খানৰ আহবানত ইছলামাবাদত হিংসাত্মক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ অভিযোগ উঠিছে। স্থানীয় আৰক্ষীয়ে এই প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ লাঠী চালনা কৰা আৰু কন্দুৱা গেছ নিক্ষেপ কৰিব লগা হৈছিল। ইফালে ইমৰান খান ক্ষমতাৰ পৰা অপসাৰিত হোৱাৰ আঁৰত বিদেশী শক্তিৰ



ইয়াৰ বাবে দায়ী বৰ্তমানৰ চৰকাৰ আৰু প্ৰশাসন। চৰকাৰে গ্ৰহণ কৰা বিভাজনকামী নীতিৰ ফলতে দেশখন খণ্ডিত হ'ব। ইফালে যোৱা ২৫ মে' তাৰিখে আজাদী মাৰ্চ শীৰ্ষক এক শোভাযাত্ৰা আহবান কৰিছিল। এই শোভাযাত্ৰাত অংশগ্ৰহণকাৰীসকলে হিংসাত্মক পদ্ধতি অৱলম্বন কৰা বুলি গুৰুতৰ অভিযোগ উঠিছে। ইমৰান খানৰ উপৰিও গিলগিট-বাল্টিস্তান আৰু খাইবাৰ পাখতুনখা প্ৰদেশৰ মুখ্যমন্ত্ৰী দুগৰাকীয়েও দেশদ্ৰোহিতা কৰা বুলি কেবিনেট সমিতিয়ে অভিযোগ আনিছে। বৃহস্পতিবাৰে আলোচনাৰ অন্তত এই তিনিও নেতাৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ গোচৰ ৰুজু কৰাৰ সিদ্ধান্ত লোৱা হৈছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা পিটিআই দলৰ মুৰব্বী ইমৰান খান নিয়াজী আৰু দুই মুখ্যমন্ত্ৰী ক্ৰমে মেহমুদ খান আৰু খালিদ খুৰছিদৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ গোচৰ ৰুজু কৰা হৈছে। উল্লেখ্য যে যোৱা এপ্ৰিল মাহত সংসদত অনাস্থা ভোটৰ সন্মুখীন হৈ ক্ষমতাৰ প্ৰৰোচনা থকা বুলি অভিযোগ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই তেওঁক অপসাৰণ কৰা বুলি মুকলিকৈ অভিযোগ আনিছিল। কিন্তু ৱাশ্বিংটনৰ পৰা ইমৰান খানৰ অভিযোগ নস্যাৎ কৰা হৈছে। আফগানিস্তানৰ পৰা আমেৰিকাৰ সেনা বাহিনীক ঘৰলৈ ঘূৰি যাবলৈ বাধ্য কৰোৱা কাৰ্য আৰু দেশখনত তালিবানৰ চৰকাৰ গঠনৰ ক্ষেত্ৰত ইমৰান খানৰ অৰিহণা আছিল। ইয়াৰ বাবেই আমেৰিকাৰ দৃষ্টিত ইমৰান খান শত্ৰু হৈ পৰা বুলি তেওঁ অভিযোগ কৰিছে। ফলত বিৰোধীক সহায় কৰি আমেৰিকাই ইমৰান খানৰ বিৰুদ্ধে ৰাজনৈতিক প্ৰতিশোধ লোৱা বুলি অভিযোগ কৰিছিল। আনকি নতুন চৰকাৰে আমেৰিকাৰ আঙুলিত ধৰি উঠা বহা কৰাৰ ফলত পাকিস্তান বিলুপ্ত তথা ধ্বংস মুখলৈ গতি কৰা বুলিও ব্যক্ত কৰিছিল। সেয়েহে তিনিটা খণ্ডত পাকিস্তান খণ্ডিত হৈ পৰিব আৰু ইয়াৰ বাবে বৰ্তমান শ্বেহবাজ শ্বৰীফ নেতৃত্বাধীন চৰকাৰখনৰ ভুল সিদ্ধান্ত জগৰীয়া বুলি অভিহিত কৰা হৈছে।

# সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ড দুৰ্ভাগ্যজনক বুলিলে অৰবিন্দ কেজৰিৱালে

### এই ঘটনাৰ বাবে ৰাজনৈতিক ৰহণ নাসানিবলৈ আহ্বান

**নতুন দিল্লী, ৩ জুন ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে শুকুৰবাৰে কয় যে গায়ক সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ড অতিশয় দুৰ্ভাগ্যজনক। এই ঘটনা সকলোৱে নিন্দা কৰিব লাগে। লগতে হত্যাকাৰীৰ বিৰুদ্ধে কঠোৰ আইনী পদক্ষেপ লোৱাৰ পোষকতা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে পঞ্জাৱত সংঘটিত হোৱা এই ঘটনাৰ আঁৰত কোনো ৰাজনৈতিক অভিসন্ধি নাই। কিয়নো হত্যাকাণ্ডত জড়িত পক্ষই কেবল নিজৰ প্ৰতিশোধ পূৰণৰ বাবেই এনে ঘটনা সংঘটিত কৰাৰ বিষয়টো স্পষ্ট হৈ পৰিছে। কিন্তু এজন প্ৰতিভাৱান ব্যক্তিৰ এনে অকাল মৃত্যু দেশখনৰ বাবেই দুৰ্ভাগ্যৰ বিষয়। আম আদমী পাৰ্টীৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰীজনে কয় যে এই ঘটনাৰ তদন্তৰ বাবে পঞ্জাৱ চৰকাৰে কেবাটাও পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী ভগৱন্ত মনে নিশ্চিতভাৱে ভুক্তভোগীৰ পৰিয়ালক সু-বিচাৰ প্ৰদান কৰিবলৈ সক্ষম হ'ব। দিল্লীৰ মুখ্যমন্ত্ৰীজনে কয় যে প্ৰতিভাৱান গায়কজনৰ এই হত্যাকাণ্ডত কেবল পঞ্জাৱতে নহয়, দেশৰ অন্যান্য স্থানতো শোকৰ ছাঁ পৰিছে। সাধাৰণ ৰাইজ ক্ষোভিত হৈ পৰিছে। পঞ্জাৱৰ মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে মৃত সিদ্ধুৰ বাসভৱনলৈ গৈ পৰিয়ালৰ লোকসকলৰ সৈতে বাৰ্তালাপ কৰিছে। ন্যায়িক তদন্তৰ উপৰিও বিশেষ তাস্কফোৰ্চ গঠন কৰা হৈছে। উল্লেখ্য যে বৃহস্পতিবাৰে পঞ্জাৱৰ মুখ্যমন্ত্ৰীয়ে দিল্লীত সাক্ষাৎ কৰিছিল কেজৰিৱালক। এই সাক্ষাতৰ সময়ত পঞ্জাৱৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে অৱগত কৰোৱা বুলি প্ৰকাশ পাইছে। উচ্চ ন্যায়ালয়ৰ কৰ্মৰত ন্যায়াধীশৰ দ্বাৰা তদন্তৰ পদক্ষেপ লোৱা হৈছে। ইতিমধ্যে এই ঘটনাত জড়িত থকাৰ সন্দেহ কৰা গেংষ্টাৰ লৰেন্স বিষ্ণৰে সিদ্ধু মুছেৱালাৰ হত্যাৰ সৈতে তেওঁৰ কোনো সম্পৰ্ক নাই বুলি স্পষ্ট কৰি দিছে। মুছেৱালাক যিসকলে হত্যা কৰিছে তেওঁলোকে প্ৰতিশোধ ল'বৰ বাবেই এনে জঘন্য কাৰ্য কৰা বুলি অন্যতম অভিযুক্তজনে আঙুলিয়াই দিছে। অৱশ্যে পঞ্জাৱ আৰক্ষী আৰু ন্যায়িক সমিতিয়ে গায়কজনৰ হত্যাৰ তদন্ত কি ধৰণে আগুৱাই নিয়ে সেয়া দেশবাসীয়ে লক্ষ্য কৰিব।



### তালিবানৰ সৈতে ভাৰতৰ কূটনৈতিক আলোচনা আৰম্ভ

# আমেৰিকাৰ প্ৰস্থানৰ পিছত প্ৰথমবাৰলৈ কাবুলত প্ৰৱেশ কৰিলে ভাৰতৰ চৰকাৰী প্ৰতিনিধি

**কাবুল, ৩ জুন ঃ** বিগত বৰ্ষৰ আগষ্ট মাহত আফগানিস্তান দখল কৰিছিল তালিবান বাহিনীয়ে। তেতিয়াৰ পৰাই ভাৰতকে ধৰি বিশ্বৰ দেশসমূহৰ সৈতে সম্পৰ্ক ছিন্ন হৈ আছিল আফগান চৰকাৰৰ। কিয়নো কুৰি বছৰ ধৰি বিদেশত আত্মগোপন কৰি থকা তালিবানে নিশাৰ ভিতৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বাধীন নাটো দেশসমূহৰ বিশাল সেনাবাহিনীক উভতি যাবলৈ বাধ্য কৰাইছিল। ফলত অৰ্থনৈতিক প্ৰতিৰোধৰ বাহিৰে আমেৰিকা আৰু বিশ্বৰ অন্যান্য দেশসমূহে তালিবনৰ বিৰুদ্ধে অন্য পদক্ষেপ গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু দুই দশকৰ পূৰ্বৰ তালিবান আৰু বৰ্তমানৰ তালিবানৰ মাজত পাৰ্থক্য পৰিলক্ষিত হ'ল কাম-কাজৰ জৰিয়তে। তেওঁলোকে নিজেও বিশ্ববাসীৰ সৈতে সমিল মিলেহে আগুৱাই যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। বিশ্ববাসীয়ে তেওঁলোকক বিশ্বাস কৰিব লাগে বুলিও আহ্বান জনাইছিল। সেই সময়ত ক'ভিডৰ সংকটৰ লগতে দেশখনত খাদ্য সংকট, ঔষধ আৰু চিকিৎসা সামগ্ৰীৰ সংকট ভয়াৱহ হৈ পৰিছিল। আফগানিস্তানৰ তদানীন্তন ৰাষ্ট্ৰপতি হামিদ কাৰজায়ে পলায়ন কৰিছিল বিদেশলৈ। ইফালে আফগানিস্তানৰ বিশাল ধনৰাশি আমেৰিকা যুক্তৰাষ্ট্ৰত চৰকাৰীভাৱে জমাকৃত হৈ আছিল আৰু সেই ধন জব্দ কৰি ৰাখিছিল আমেৰিকাই। এনেকৈয়ে সংকটত পৰা তালিবানে নিজকে সংস্কাৰ সাধন কৰিছে আৰু ইয়াৰ ফলতে ভাৰতে প্ৰথমবাৰলৈ তালিবান চৰকাৰৰ সৈতে কূটনৈতিক আলোচনাৰ পাতনি মেলা পৰিলক্ষিত হৈছে। বৈদেশিক মন্ত্ৰালয়ৰ এটা প্ৰতিনিধি দলে কাবুলত পদাৰ্পণ কৰিছে আৰু যুটীয়া সচিব জে পি সিঙৰ নেতৃত্বত দুইখন দেশৰ মাজত কেতবোৰ বিষয়ত আলোচনা আগবঢ়াই নিয়া কাৰ্যই আগন্তুক সময়ত দুই দেশৰ মাজত সম্পৰ্ক মসৃণ হোৱাৰ আশা কৰিব পাৰি।











*ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধই ১০০ দিন অতিক্ৰম কৰিলে। চলিত বৰ্ষৰ ২৪ ফেব্ৰুৱাৰী তাৰিখৰ পুৱতি নিশা ৰাছিয়াৰ সেনাবাহিনী জঁপিয়াই পৰিছিল ইউক্ৰেইনৰ ওপৰত। ফলত বিধ্বস্ত হৈ পৰা ইউক্ৰেইন ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হ'লেও বৰ্তমানলৈকে ৰাছিয়াৰ ওচৰত আত্মসমৰ্পণ নকৰাকৈ থকা পৰিলক্ষিত হৈছে। এই যুদ্ধৰ সমাপ্তি কেতিয়া হ'ব সেয়া অনিশ্চিত হৈয়ে আছে*

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতেই ভাৰতবৰ্ষই বিশ্বৰ লগত ফেৰ মাৰিব পৰা হৈছে ঃ ময়ূৰ বৰগোহাঁই

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩ মাৰ্চ ঃ** 'ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিশ্বৰ জনপ্ৰিয় নেতা, প্ৰধানমন্ত্ৰীৰ নতুন ধাৰা সৃষ্টিকাৰী হিচাপে পৰিগণিত হৈছে। মোদীৰ নেতৃত্বতেই ভাৰতবৰ্ষই বিশ্বৰ লগত ফেৰ মাৰিব পৰা হৈছে'। --এই মন্তব্য ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলা সভাপতি ময়ূৰ বৰগোহাঁইৰ। কালি শিৱসাগৰৰ জিলা বিজেপিৰ কাৰ্যালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ অষ্টম বৰ্ষপূৰ্তি উপলক্ষে আয়োজন কৰা এখন সংবাদমেল সম্বোধন কৰি জিলা সভাপতিগৰাকীয়ে আৰু কয় যে আমাৰ ৰাষ্ট্ৰই বিগত ৮টা বৰ্ষত হাতৰ শিকলিৰ বান্ধ ছিঙি বংশবাদ, জাতিবাদ, ভ্ৰষ্টাচাৰবাদ আৰু তুষ্টিকৰণৰ ৰাজনীতিৰ পৰা উন্নয়ন, বিকাশ, একতা আৰু ৰাষ্ট্ৰীয়তাবাদৰ ৰাজনীতিৰ দিশে আগুৱাই গৈছে বুলি উল্লেখ কৰে। কালিৰ এই সংবাদমেলতেই কেন্দ্ৰীয় চৰকাৰৰ অষ্টম বৰ্ষপূৰ্তি উপলক্ষে বিভিন্ন মৰ্চাই গ্ৰহণ কৰিবলগীয়া কাৰ্যসূচীসমূহ সভাপতিগৰাকীয়ে উল্লেখ কৰে। কাৰ্যসূচীসমূহৰ ভিতৰত ২ জুনত জিলা মিডিয়া কোষৰ সংবাদমেল, ৩ জুনত জিলা যুৱ মৰ্চাৰ গ্ৰন্থ বিতৰণ, ৪ জুনত মহিলা মৰ্চাৰ আত্মসহায়ক গোটক সম্বৰ্ধনা, ৫ জুনত অ'বিচি মৰ্চাৰ গছপুলি ৰোপণ, ৬ জুনত মূল সমিতি আৰু বিভিন্ন কোষে সমাজৰ জাতি-ধৰ্ম-বৰ্ণ আৰু বয়স নিৰ্বিশেষে সমাজৰ উত্তৰণৰ বাবে কাম কৰি থকা সফল ব্যক্তিসকলক সন্মান, ৭ জুনত পৌৰসভাৰ ৱাৰ্ড সদস্য-সদস্যাসকলে নগৰ অঞ্চলৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ লগত মত বিনিময়, ৮ জুনত অনুসূচিত জাতি মৰ্চাৰ অনুসূচিত জাতি অধ্যুষিত অঞ্চলত জনসভা, ৯ জুনত চাহ মৰ্চাৰ বিৰচা মুণ্ডা দিৱস উদযাপন, ১০ জুনত অনুসূচিত জাতি মৰ্চাৰ জনগোষ্ঠীয় এলেকাত জনসভা, ১১ জুনত মহিলা মৰ্চাৰ হিতাধিকাৰীৰ গৃহ ভ্ৰমণ, অ' বি চি মৰ্চাৰ স্বাস্থ্যকৰ্মীক সম্বৰ্ধনা আৰু ১২ জুনত ১০ হাজাৰ লোকৰ জনসভা অনুষ্ঠিত কৰা হ'ব বুলি জানিবলৈ দিয়ে। কালিৰ সংবাদ মেলখনৰ আঁত ধৰে জিলা বিজেপিৰ সাধাৰণ সম্পাদক প্ৰণৱ চেতিয়াই। অনুষ্ঠানত বিজেপিৰ জিলা যুৱ মৰ্চাৰ উপ-সভাপতি সমীৰণ বৰদলৈয়ে কয় যে জিলা যুৱ মৰ্চাই জিলাখনৰ যুৱক-যুৱতীসকলক স্বাৱলম্বী তথা আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কালিৰ সংবাদমেলখনত জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি ৰাণা খান, জিলা কৃষক মৰ্চাৰ সভাপতি নিতুলমণি বড়া, জিলা চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি সুজিত গোৱালা, জিলা জনজাতি মৰ্চাৰ সভাপতি সুবিৰ মেচ, জিলা মহিলা মৰ্চাৰ সভানেত্ৰী ববী কাকতি ডেকাকে ধৰি আটাইকেইটা মৰ্চাৰ সভাপতিসকল উপস্থিত থাকে। জিলা মিডিয়া কোষৰ আহ্বায়ক ৰাতু কুমাৰ দাসে শলাগৰ শৰাই আগবঢ়ায়।




*কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী মোহেন বে'ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সমৰ্থকৰ*

### ককলাবাৰীত উপ-নিৰ্বাচন

# বিপিএফৰ বিৰুদ্ধে সৰৱ ইউ পি পি এল

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৩ জুন ঃ** বিটিচিৰ ২২ নং ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই বিভিন্ন ৰাজনৈতিক দলৰ মাজত বোকা ছটিওৱা কাৰ্য তীব্ৰতৰ হৈ পৰা পৰিলক্ষিত হৈছে। কালি বাক্সা জিলাৰ কামাৰদৈছাৰ চূণবাগানত ইউপিপিএল দলৰ হৈ বিটিআৰৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে এক সংবাদমেল সম্বোধন কৰি কয়-- যোৱা বিপিএফৰ ১৭ বছৰ শাসনকালত ৩৫ লক্ষ বিটিআৰবাসীয়ে কেৱল নৰক যন্ত্ৰণাহে ভুগি আছিল। তাহানিৰ বিপিএফ দলৰ শাসনকালত ভাতৃঘাতী সংঘৰ্ষ আৰু গোষ্ঠীগত সংঘৰ্ষৰ বাদে একোৱেই কৰিব পৰা নাছিল। ৰাইজে পৰিৱৰ্তন বিচাৰি প্ৰমোদ বড়োৰ নেতৃত্বত শাসনভাৰ প্ৰদানৰ পিছত আমাৰ চৰকাৰে প্ৰথম কামটো কৰিছো শান্তি প্ৰতিষ্ঠা কৰা। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সম উন্নয়নৰ বাবে গুডউইলৰ সাতশ কিলোমিটাৰ ৰাস্তা পকীকৰণ কৰা হৈছে। আপোনালোকে ১৭ বছৰ এচিৰ মাজত থাকি ঠাণ্ডাৰ জ্বৰ লৈ, অৰ্থাৎ লাজ ঢাকিবলৈ এতিয়া নাকত তেল দি শুই থাকিলে নহ'ব। উশাহ-নিশাহ ল'বলৈ তেল সানিব বিচাৰিলে বিটিআৰবাসীয়ে সহ্য কৰিব নোৱাৰে।

### সমাগত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন

# দোৱাৰ-আমলাত মন্ত্ৰী ৰঞ্জিত দাসৰ নিৰ্বাচনী প্ৰচাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ৩ জুন ঃ** সমাগত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনলৈ আৰু মাত্ৰ চাৰি দিন বাকী। এনে সন্ধিক্ষণত কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলা প্ৰশাসনৰ সমান্তৰালকৈ ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰ ক্ৰমাৎ বৃদ্ধি পাইছে। এইবাৰ পৰিষদৰ আটাইকেইটা সমষ্টিতে বিজেপি দলে যাতে কাৰ্বি পৰিষদ দখল কৰিব পাৰে তাৰ বাবে ৰাজ্যখনৰ বিয়াগোম ৰথী-মহাৰথীয়ে পৰিষদীয় সমষ্টিয়ে সমষ্টিয়ে নিৰ্বচনী প্ৰচাৰ চলোৱাত উবুৰি খাই পৰা পৰিলক্ষিত হৈছে। বৃহস্পতিবাৰে কাৰ্বি পৰিষদখনৰ অন্তৰ্গত তথা পশ্চিম কাৰ্বি আংলং জিলাৰ ১ নং দোৱাৰ-আমলা পৰিষদীয় সমষ্টিৰ বিভিন্ন স্থানত বিৰামহীন গতিত নিৰ্বাচনী প্ৰচাৰ চলায় অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসে। বৃহস্পতিবাৰে বৈঠালাংছ'ৰ মাইচাম গাঁৱত বিজেপি প্ৰাৰ্থী প্ৰভাত চন্দ্ৰ তাৰ'ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি মাইচাম চৰাইহাগী দাস গাঁৱৰ ৰাইজৰ স'তে মত বিনিময় কৰে মন্ত্ৰী ৰঞ্জিত দাসে। সভাত বিজেপি চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ প্ৰসঙ্গ টানি আনি কয় যে বিজেপি চৰকাৰৰ দিনত ৰাজ্যখনত সামগ্ৰিক উন্নয়ন সম্ভৱ হৈছে, সেই উন্নয়নৰ মাপকাঠী দেখি এতিয়া সকলো বিৰোধী বিজেপিৰ প্ৰতি আকৰ্ষিত হৈ বিজেপি দলত যোগদান কৰিবলৈ আগবাঢ়ি আহিছে, ই পাৰ্বত্য জিলাখনৰ বাবে এক সুখৰ খবৰ বুলি সদৰী কৰে মন্ত্ৰী দাসে। তাৰোপৰি, কাৰ্বি পৰিষদৰ প্ৰথম পৰিষদীয় সমষ্টি ১ নং দোৱাৰ-আমলাৰ প্ৰাৰ্থী প্ৰভাত চন্দ্ৰ তাৰ'ৱে বিগত নিৰ্বাচনত দুহাজাৰ ভোটৰ ব্যৱধানত বিজয়ী হৈছিল, তাৰ পৰিৱৰ্তে এইবাৰ আমি ছয় হাজাৰ ভোটত জিকাৰ লক্ষ্য আগত ৰাখিছো বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। তাৰোপৰি, বিজেপি দলত শেহতীয়াকৈ চলি থকা বিসম্বাদ ৰাজনীতিৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে বিসম্বাদে আমাক কোনো ধৰণৰ ক্ষতি কৰিব নোৱাৰে, মাথোঁ কেইটামান ভোটহে কাটিব পাৰিব। আপোনালোকে জানেই, ভাত খাওঁতে দুই-এটা ভাত মাটিত পৰেই, সেই লৈ আমি ইমান চিন্তিত নহয় বুলি মন্তব্য কৰে মন্ত্ৰী দাসে। উল্লেখযোগ্য যে দোৱাৰ-আমলা পৰিষদীয় সমষ্টিত ইতিমধ্যে একাংশ প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে টিকটৰ পৰা বঞ্চিত হৈ বিজেপি প্ৰাৰ্থী প্ৰভাত চন্দ্ৰ তাৰ'ৰ লগতে থাকি গোপনে বিসম্বাদ কৰি কংগ্ৰেছ দলৰ প্ৰাৰ্থী বিজয় টেৰনক ভোট দিয়াৰ বাবে সাধাৰণ ৰাইজক উচটনি দিয়াৰ বাতৰি সমষ্টিটোত চলি থকাৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা নিৰ্বাচনত মই সভাপতি হৈ থাকোঁতে কেইবাগৰাকীও বিসম্বাদী কৰ্মীক দলীয় নীতি আৰু অনুশাসন ভংগ কৰাৰ বাবে ছবছৰৰ কাৰণে নিলম্বন কৰিছিলোঁ, এইবাৰো যদি কোনো বিজেপি কৰ্মীয়ে দলীয় নীতি আৰু অনুশাসন ভংগ কৰি বিসম্বাদত লিপ্ত হৈছে সেয়া আমাৰ বাবে ভাল কথা, বিসম্বাদ কৰক বা চিপৰাঙেই মাৰক, নিলম্বন কৰাত সুবিধা হ'ব বুলি সাৱধান-বাণী প্ৰক্ষেপ কৰে মন্ত্ৰী ৰঞ্জিত দাসে। কাৰ্বি পৰিষদৰ প্ৰথম পৰিষদীয় সমষ্টি ১ নং দোৱাৰ-আমলাত যিমানেই বিৰোধ নকৰক, চিপৰাং নামাৰক বা বিসম্বাদ নকৰক কিয় অৱশেষত সেই প্ৰচেষ্টা যে অসাৰ প্ৰতিপন্ন হ'ব আৰু বিজেপি প্ৰাৰ্থী প্ৰভাত চন্দ্ৰ তাৰ'ৱেহে শেষ হাঁহি মাৰিবলৈ সক্ষম হ'ব, সেয়া ইতিমধ্যে ৰাজনৈতিক সচেতন মহলৰ মাজত সঘনে উচ্চাৰিত হৈছে।

# পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত প্ৰসূতি প্ৰসৱপূৰ্বক পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩ জুন ঃ** অসমৰ স্বাস্থ্য খণ্ডৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে প্ৰসূতি আৰু নৱজাত শিশুৰ মৃত্যু হাৰ হ্ৰাস কৰাৰ বাবে যোৱা ৩০ মে' ২০২২ তাৰিখৰ পৰা ৫ জুন ২০২২ তাৰিখলৈ সপ্তাহজোৰা সমগ্ৰ জিলাত সকলো স্বাস্থ্য কেন্দ্ৰ আৰু উপ স্বাস্থ্য কেন্দ্ৰসমূহত সকলো প্ৰসূতি মহিলাৰ এক বিশেষ প্ৰসৱপূৰ্বক পৰীক্ষা কাৰ্যসূচী হাতত লৈছে। সেই মৰ্মে ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত যোৱা ৩১ মে', ২০২২ তাৰিখে প্ৰসূতিসকলৰ প্ৰসৱপূৰ্বক পৰীক্ষা কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। উক্ত দিনা পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত অভিজ্ঞ চিকিৎসকৰ দ্বাৰা ৪০ গৰাকী প্ৰসূতি মহিলাক প্ৰসৱপূৰ্বক পৰীক্ষা কৰা হয়। প্ৰসূতিসকলক বিশেষকৈ হিম'গ্লবিন, ওজন, উচ্চতা, ৰক্তচাপ, প্ৰস্ৰাৱ পৰীক্ষা, শেঁতা পৰা, ভৰি ফুলা ইত্যাদি পৰীক্ষা হৈছে। লগতে প্ৰসূতিসকলক খাদ্যৰ প্ৰতি নজৰ দিবলৈ সজাগতা আগবঢ়ায়। বিশেষকৈ সেউজীয়া শাক-পাচলি, আইৰনযুক্ত শাক-পাচলি, ভিটামিন, কেলচিয়াম, আইৰনৰ ঔষধ খাই থাকিবলৈ চিকিৎসকে পৰামৰ্শ আগবঢ়ায়। পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত প্ৰসূতি প্ৰসৱপূৰ্বক পৰীক্ষাৰ দায়িত্বত আছে পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ৰে চিকিৎসক ডাঃ দীপুল নাথ। তেখেতৰ লগত সহায়-সহযোগ কৰে গোপী এ চাংমা (ফাৰ্মাচিষ্ট), বীৰেন্দ্ৰ হাজং (এম পি ডব্লিউ), ছফিউৰ ৰহমান (এবিপিএম), বিজুলী কলিতা (আশা ছুপাৰভাইজৰ), ৰিংকু দৈমাৰী (জি এন এম), ছাইৰুন নেচা (এএনএম)।

### ডিমৌ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত শিক্ষক নিযুক্তিৰ জালিয়াতি কাণ্ড

# দুৰ্নীতিৰে নিযুক্তি পোৱা শিক্ষকৰ জালিয়াতিৰ তদন্তৰ নামত ডিমৌ আৰক্ষীৰ ভেঁকো-ভাওনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩ জুন ঃ** শিৱসাগৰ জিলাৰ শিক্ষা বিভাগত কংগ্ৰেছ আৰু অসম গণ পৰিষদ চৰকাৰৰ আমোলত নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়তল একাংশ ৰাজনৈতিক নেতাৰ পৃষ্ঠপোষকতাত বক্ৰ পথেৰে বয়স ফাঁকি দি শিক্ষকৰ চাকৰি লাভ কৰা তথা শিক্ষক নিযুক্তিত ব্যাপক দুৰ্নীতিৰ তথ্য ফাদিল হোৱাৰ পিছত সম্প্ৰতি একাংশ শিক্ষক বিদ্যালয়ত উপস্থিত থকাৰ পৰা বিৰত আছে বুলি জানিব পৰা গৈছে। ডিমৌ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত একাংশ বিদ্যালয়ত বয়স ফাঁকি দি আৰু চাকৰিৰ বয়স অতিক্ৰম কৰাৰ পিছতো শিক্ষক পদত নিযুক্তি লাভ কৰি থকা শিক্ষকসকলৰ বিৰুদ্ধে ডিমৌ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ৩২৬ নং বাঘৰচুক প্ৰাথমিক বিদ্যালয়ৰ ৰেতনবঞ্চিত শিক্ষক বিনন্দ চাংমায়ে উক্ত শিক্ষকসকলৰ নাম আৰু তথ্য সংগ্ৰহ কৰি ডিমৌ থানাত ২০২০ চনৰ ২৫ ছেপ্টেম্বৰত এখন এজাহাৰ দাখিল কৰিছিল। কিন্তু সেই সময়ত ডিমৌ আৰক্ষী থানাৰ তদন্তকাৰী আৰক্ষী বিষয়াই চূড়ান্ত অৱহেলা আৰু অতি ৰহস্যজনকভাৱে তদন্ত প্ৰক্ৰিয়া স্থগিত ৰাখিলে। ইয়াৰ পূৰ্বে অসম নৱ নিৰ্মাণ সমিতিৰ সভাপতি দিগন্ত শইকীয়াই ১৬-১৭ বছৰ বয়সতে আৰু চল্লিশৰ ঊৰ্দ্ধৰ ব্যক্তিয়ে অবৈধ প্ৰক্ৰিয়াৰে চাকৰি লোৱা শিক্ষকসকলৰ নাম আৰু বিদ্যালয়ৰ তালিকাসহ ২০১৯ চনত ডিমৌ থানাত আন এখন এজাহাৰ দাখিল কৰিছিল। কিন্তু তদানীন্তন ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকলে শিক্ষকৰ জালিয়াতি কাণ্ডৰ ঘটনাটো গাপ দি একাংশ শিক্ষকক নথি-পত্ৰ শুধৰণি কৰিবলৈ উৎসাহহে প্ৰদান কৰিলে। শিক্ষকৰ জালিয়াতি কাণ্ডৰ সন্দৰ্ভত অবিভক্ত শিৱসাগৰ জিলাৰ কেইবাখনো থানাত এজাহাৰ দাখিল কৰাত উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত ১২০ (বি)/৪২০/৪৬৫/৪৬৮ নম্বৰত এটা গোচৰ ৰুজু কৰিয়েই দায়িত্ব সামৰিলে। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকলে অবৈধ প্ৰক্ৰিয়াৰে নিযুক্তি লাভ কৰা শিক্ষকসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত উপায়ান্তৰ হৈ অসম নৱ নিৰ্মাণ সমিতিৰ সভাপতি দিগন্ত শইকীয়াই উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজনিত গোচৰ তৰিছিল। শেহতীয়াকৈ উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক শিক্ষা বিভাগৰ পৰা নাবালকে আৰু চল্লিছৰ ঊৰ্দ্ধৰ লোকে শিক্ষকৰ নিযুক্তি পোৱা ঘটনাৰ সন্দৰ্ভত লিখিত প্ৰতিবেদন বিচাৰিছে আৰু কালি শিৱসাগৰৰ এটা আৰক্ষীৰ দলে ডিমৌ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ অবৈধ শিক্ষক-শিক্ষয়িত্ৰীৰ তালিকাসমূহ তদন্তকাৰী বিষয়াৰ হাতত দাখিল কৰিবলৈ আৰু তদন্ত প্ৰক্ৰিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। অসম নৱ নিৰ্মাণ সমিতিয়ে আৰ টি আইৰ তথ্যত উন্মোচিত হোৱা ১৬-১৭ বছৰ বয়সৰ আৰু চল্লিছৰ ঊৰ্দ্ধৰ শিক্ষকৰ নিযুক্তি লাভ কৰা শিক্ষকৰ নাম তালিকা সন্নিৱিষ্ট কৰি থানাত জমা দিছিল। এনে পৰিৱেশত এইসকল শিক্ষক আটক হোৱা বা তেওঁলোকৰ ভৱিষ্যৎ বিপদাপন্ন হোৱাৰ আশংকা প্ৰকট হোৱাত বিদ্যালয়ত উপস্থিত থকাৰ পৰা বিৰত থাকে। ইফালে এটা চক্ৰই আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ গ্ৰহণ কৰি প্ৰমাণপত্ৰসমূহত জন্মৰ তাৰিখ, মাহ আৰু চনৰ সালসলনি কৰাত উঠিপৰি লাগিছে। হাতত পৰা তথ্য অনুসৰি আৰ টি আই ২০১৮/৩৪১ তাৰিখ ৩০/১০/২০১৮ নম্বৰৰ আবেদনৰ ভিত্তিত ডিমৌ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মহেন্দ্ৰ শৰ্মাই দিয়া তথ্য অনুসৰি আঠাবাৰী মজদুৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী লাৱণ্য বৰগোহাঁই, ৫৯ নং চৰগুৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰূপৰেখা গগৈ, তিনি নং টাউন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পুলকেশ দত্ত, ৪২ নং চাউলকৰা খাটোৱাল প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মণিমালা বৰা গগৈ, ২৩ নং লেপাই গাঁও প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰঞ্জিতা বৰুৱা, ৯৬৪ নং ৰাইচাই প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মীনাপ্ৰভা শইকীয়া, ৭৩০ নং চিনাইমৰা জনজাতি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পূৰ্ণানন্দ শইকীয়া, ১৫১ নং চুনিয়া প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী অঞ্জলি কাকতি, ১২৬ নং মিলনকুৰ কুমাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক প্ৰফুল্ল দত্ত, জখিনী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক তমিজউদ্দিন হাজৰিকা, ১ নং লগুৱাবাৰী চাহ জনজাতি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী শুভলক্ষী কৈৰী, বৰগিলা ন-পাম সুন্দৰপুৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দ্বীপেন বৰা, সাপেখাতী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক প্ৰণৱ কুমাৰ দেউৰী, ঊষাপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষয়িত্ৰী মেৰী বেগম, ১ নং বুঢ়াগোহাঁই টেপৰতল প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ৰাজীৱ বৰুৱা, ১৯১ নং গোপালপুৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰাজিতা দত্ত, গড়ভগা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী অৰ্চনা ভৰলুৱা, ৬০১ নং শেনছোৱা হাৰমতি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী প্ৰণীতা বড়া, ৪২ নং চাউলকৰা কটুৱাল প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰিণু বেগম আৰু ৯১৮ নং গৰৈমাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী সৰস্বতী কছাৰীয়ে শিক্ষক নিযুক্তিৰ বিজ্ঞাপনৰ পূৰ্বে ১৮ বছৰ হোৱাই নাছিল বুলি তথ্যত উল্লেখ কৰিছে। জয়সাগৰ আৰক্ষীয়ে ১২০ (বি)/৪২০/৪৬৫/৪৬৮ উক্ত গোচৰৰ ভিত্তিত প্ৰাক্তন তথা বিতৰ্কিত শিক্ষা বিষয়া আনোৱাৰ হুছেইনক আটক কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰাৰ পিছতো এইসকল শিক্ষক-শিক্ষয়িত্ৰীৰ বিৰুদ্ধে ডিমৌ আৰক্ষী থানাৰ তদন্তকাৰী আৰক্ষী বিষয়াগৰাকীয়ে কিয় আজিও সোধা-পোছা কৰা নাই সিয়ে ৰহস্যৰ সৃষ্টি কৰিছে।

# গুণোৎসৱত অংশগ্ৰহণ কৰিবলৈ নাৱেৰে বিপদসংকুল যাত্ৰা শিক্ষাৰ্থীৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ঢকুৱাখনা, ৩ জুন ঃ** ১ জুনৰ পৰা ৰাজ্যৰ কেইবাখনো জিলাত চলি আছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ। এনে সময়তে ঢকুৱাখনাৰ বিভিন্ন বিদ্যালয়ত গুণোৎসৱত অংশগ্ৰহণ কৰিবলৈ কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীসকল আহিবলগীয়া হৈছে বিপজ্জনকভাৱে। ঢকুৱাখনাৰ চেলাজান কছাৰী গাঁৱৰ শ শ শিক্ষাৰ্থীয়ে টুলুঙা নাৱেৰে মৰণত শৰণ দি বিপদসংকুলভাৱে ফেনে-ফোটোকাৰে ওফন্দি উঠা চাৰিকড়ীয়া নৈ পাৰ হ'বলগীয়া হৈছে। নাৱেৰে ঘাট পাৰ হ'বলৈ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভৰিব লাগে ১০ টকাকৈ। কেতিয়াবা ঘাট পাৰ হৈ যোৱাৰ বাবে সময়ত উপস্থিত হ'বগৈ নোৱাৰে বিদ্যালয়ত। এই বাৰিষাত ভৰা নদী টুলুঙা নাৱেৰে বিপদসংকুলভাৱে যাত্ৰা কৰাৰ দৃশ্য দেখিলে হয়তো আপোনাৰো বুকু কঁপি উঠিব। ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত চেলাজান কছাৰীলৈ যাবলৈ দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰ অতিক্ৰম কৰাৰ পিছতো ৰাইজৰ দাবী সত্ত্বেও চাৰিকড়ীয়া নৈৰ বুকুত নহ'ল এখন স্থায়ী দলং। ফলত অঞ্চলটোৰ সাধাৰণ ৰাইজ, ছাত্ৰ-ছাত্ৰী, ৰোগী, ব্যৱসায়ী সকলোৰে গাঁঠিৰ ধন ভাঙি যাতায়াত কৰি আহিব লগা হৈছে চাৰিকড়ীয়া নদী বছৰৰ বাৰ মাহেই। বহুবাৰ স্থানীয় ৰাইজে জনপ্ৰতিনিধি বা চৰকাৰক এখন দলং নিৰ্মাণ কৰি দিবলৈ দাবী কৰি আহিছে যদিও কোনো ফল ধৰা নাই। সেয়েহে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজে অতি সোনকালে দলংখন নিৰ্মাণ কৰি দিবলৈ বিধায়ক নৱ কুমাৰ দলেক অনুৰোধ জনাইছে।

# অৱসৰপ্ৰাপ্ত কৃষি বিষয়া অশোক বৰঠাকুৰক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** অৱসৰপ্ৰাপ্ত কৃষি বিষয়া অশোক বৰঠাকুৰক কালি নৌগাঁও মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। নগাঁও জিলাৰ বৃহত্তৰ নৌগাঁও অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নৌগাঁও মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ বৌদ্ধিক উত্তৰণৰ যাত্ৰাত সঁহাৰি জনোৱাৰ বাবেই মহাবিদ্যালয়খনৰ তৰফৰ পৰা বৰঠাকুৰক সম্বৰ্ধনা জনোৱা হয়। বৰঠাকুৰে মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ গ্ৰন্থ ক্ৰয়ৰ বাবে পঞ্চাশ হাজাৰ টকা অনুদান হিচাপে আগবঢ়ায়। বৰঠাকুৰৰ এই মহানুভৱতাৰ বাবে মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষই তেওঁক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ৰীতা শৰ্মা আৰু গ্ৰন্থাগাৰিক ড: হেমলতা দেৱীসহ অধ্যাপক-অধ্যাপিকাই অংশ গ্ৰহণ কৰি বৰঠাকুৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।



### নগাঁও জিলাত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে বাল্য বিবাহৰ ঘটনা

# বিগত পাঁচ মাহত চাইল্ড লাইনে বন্ধ কৰিছে ৪২টাকৈ বাল্য বিবাহৰ ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** নগাঁও জিলাত অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে বাল্য বিবাহৰ ঘটনা। বিগত বৰ্ষটোত প্ৰায় শতাধিক বাল্য বিবাহৰ ঘটনা বন্ধ কৰিবলৈ সক্ষম হৈছে নগাঁও চাইল্ড লাইন নামৰ স্বেচ্ছাসেৱী সংস্থাটোৱে। আনহাতে চলিত বৰ্ষৰ মে' মাহলৈকে ৪২টা বাল্য বিবাহৰ ঘটনা বন্ধ কৰা হয়। নগাঁও চাইল্ড লাইনৰ এক সূত্ৰৰ পৰা জানিব পৰা মতে, ২০২১ বৰ্ষত ১৮ বছৰ অনূৰ্দ্ধৰ ১৮৯ গৰাকী শিশু তথা কিশোৰ-কিশোৰীক চাইল্ড লাইনে উদ্ধাৰ কৰে। ইয়াৰে অধিকাংশই বাল্য বিবাহত জড়িত ১৮ বছৰ বয়সৰ তলৰ কিশোৰ-কিশোৰী। আনহাতে চলিত বৰ্ষৰ বৰ্তমান সময়লৈকে বাল্য বিবাহকে ধৰি বিভিন্ন ঘটনাৰে জড়িত ১০৭টা শিশুক চাইল্ড লাইন নামৰ স্বেচ্ছাসেৱী সংস্থাটোৱে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰে জানুৱাৰী মাহত ২৪গৰাকী, ফেব্ৰুৱাৰী মাহত ১৬ গৰাকী, মাৰ্চ মাহত ২৩গৰাকী, এপ্ৰিল মাহত ৯গৰাকী আৰু মে' মাহত সৰ্বাধিক ৩৫গৰাকী। এইসকলৰ ভিতৰত বাল্য বিবাহত জড়িত সৰ্বাধিক ৪২গৰাকী কিশোৰ-কিশোৰী আছে যদিও শিশু শ্ৰমিক তথা বনকৰা হিচাপে নিয়োজিত ১৮ বছৰ তলৰ বয়সৰ ল'ৰা-ছোৱালীও আছে। ইয়াৰ উপৰি ড্ৰাগছ আসক্ত, আশ্ৰয়হীন তথা ঠিকনাবিহীন, পৰিচয়হীন বিশেষভাৱে সক্ষম, বিভিন্ন কাৰণত ঘৰৰ পৰা পলাই অহা শিশু তথা কিশোৰ-কিশোৰীও আছে। উল্লেখ্য, জিলাখনৰ অতি ভিতৰুৱা সংখ্যালঘু অধ্যুষিত কেতবোৰ অঞ্চল আৰু চৰ-চাপৰিত বাল্য বিবাহৰ দৰে ঘটনা দৈনিক সংঘটিত হৈ আহিছে। এই বাল্য বিবাহে বিশেষকৈ কিশোৰীসকলক তিলতিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ লগতে জিলাখনত ব্যাপক জনবিস্ফোৰণ ঘটোৱাৰো এক কাৰণ। প্ৰয়োজনীয় শিক্ষাৰ অভাৱ, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ বাবেই জিলাখনত বাল্য বিবাহৰ দৰে ঘটনা সংঘটিত হৈ আছে। মন কৰিবলগীয়া বিষয় এই যে স্থানীয় ৰাইজৰ অভিযোগৰ ভিত্তিতহে চাইল্ড লাইন নামৰ সংস্থাটোৱে এনে বাল্য বিবাহৰ ঘটনা বন্ধ কৰাত সক্ষম হয়। আনহাতে সচেতন লোকৰ অজ্ঞাতে জিলাখনৰ ভিতৰুৱা বহু অঞ্চলত বাল্য বিবাহৰ দৰে ঘটনা চলি আহিছে। বাল্য বিবাহৰ ঘটনা বন্ধ অথবা অসহায়-নিৰ্যাতিত শিশুক উদ্ধাৰৰ বাবে চাইল্ড লাইনৰ ১০৯৮ টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিবৰ বাবে চাইল্ড লাইনে আহ্বান জনায়। সৰ্বসাধাৰণ ৰাইজ সচেতন নহ'লে এনে কু-প্ৰথা দূৰ কৰা সম্ভৱ নহ'ব বুলি চাইল্ড লাইনৰ সূত্ৰই জানিবলৈ দিয়ে।

### মৰাণত চাঞ্চল্যকৰ হত্যাকাণ্ড

# কুঠাৰেৰে ঘপিয়াই হত্যা স্বামীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৩ জুন ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ থানাৰ অন্তৰ্গত টিখৰাইৰ ৯ নং নম্বৰ লাইনত সংঘটিত হৈছে এক আজব ঘটনা। কালি পুৱা পত্নীয়ে কুঠাৰেৰে ঘপিয়াই অতি নৃশংসভাৱে হত্যা কৰিলে নিজ স্বামীক। পাৰিবাৰিক কন্দলৰ পৰিণতিত পত্নী জোনাকী(৪৫) প্ৰজাই নিজ স্বামী লক্ষীৰাম প্ৰজা (৫০)ক কালি পুৱা কুঠাৰেৰে আক্ৰমণ কৰি হত্যা কৰে। দুটি সন্তানৰ পিতৃ লক্ষীৰাম প্ৰজাৰ মৃতদেহ ইতিমধ্যে আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰিছে। হত্যাকাৰী পত্নী জোনাকী প্ৰজাক আৰক্ষীয়ে হত্যাকাণ্ডত ব্যৱহৃত কুঠাৰখনৰ সৈতে আটক কৰিছে। দীৰ্ঘদিনৰ পৰা দুয়ো স্বামী-স্ত্ৰীৰ মাজত কন্দল চলি আছিল বুলি জানিব পৰা গৈছে।

# দক্ষিণ শালমাৰা-মানকাচৰ জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাটশিঙিমাৰী, ৩ জুন ঃ** অসমৰ বিভিন্ন বৈদ্যুতিন আৰু ছপা সংবাদ মাধ্যমত কৰ্মৰত সাংবাদিক আৰু সংবাদকৰ্মীসকলৰ বিভিন্ন সমস্যা সমাধানৰ লগতে তেওঁলোকৰ ন্যায্য প্ৰাপ্তিৰ হকে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি অহা অসম বাৰ্তাজীৱী সংঘৰ স্বীকৃতিপ্ৰাপ্ত দক্ষিণ শালমাৰা-মানকাচৰ জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন ৪ জুন, শনিবাৰে দক্ষিণ শালমাৰা-মানকাচৰ জিলা সদৰ হাটশিঙিমাৰী জিলা প্ৰেছ ক্লাবত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব বুলি দক্ষিণ শালমাৰা-মানকাচৰ জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মনোৱাৰ হুছেইন আহমেদ আৰু সাধাৰণ সম্পাদক আব্দুল্লাহ শেখে জানিবলৈ দিয়ে। উক্ত অধিৱেশনৰ কাৰ্যসূচী মতে পুৱা ৭ বজাত পতাকা উত্তোলন কৰা হ'ব। পতাকা উত্তোলন কৰিব দক্ষিণ শালমাৰা-মানকাচৰ জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মনোৱাৰ হুছেইন আহমেদে। পাছত পুৱা ১০ বজাত জিলা বাৰ্তাজীৱী সংঘৰ প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। আনহাতে দুপৰীয়া ১২ বজাত দুপৰীয়াৰ আহাৰ বিৰতি আৰু বিয়লি ১ বজাত মুকলি সভা আৰু সাংবাদিকৰ সম্বৰ্ধনা অনুষ্ঠানৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলনেৰে উক্ত অধিৱেশনৰ কাৰ্যসূচীৰ অন্ত পৰিব বুলি দক্ষিণ শালমাৰা-মানকাচৰ জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি আৰু সম্পাদকে জানিবলৈ দিয়ে। ইফালে, উক্ত অধিৱেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম বাৰ্তাজীৱী সংঘৰ সভাপতি টুটুমণি ফুকন আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা। ইপিনে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম বাৰ্তাজীৱী সংঘৰ সাংগঠনিক সম্পাদক কিশোৰজ্যোতি শৰ্মা, ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য মধুসূদন মেধি আৰু নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব অসম বাৰ্তাজীৱী সংঘৰ প্ৰচাৰ সম্পাদক হেমন্ত বৰ্মন আৰু প্ৰাক্তন সাধাৰণ সম্পাদক তথা কাৰ্যনিৰ্বাহক সদস্য যতীন ভাগৱতী। লক্ষণীয় বিষয় যে পূৰ্বৰ কমিটীৰ সময়সীমা উকলি যোৱাত এইবেলি নতুনকৈ কমিটী গঠন কৰাৰ উদ্দেশ্যৰে উক্ত অধিৱেশনৰ কাৰ্যসূচী হাতত লোৱা হৈছে বুলি দক্ষিণ শালমাৰা-মানকাচৰ জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি আৰু সম্পাদকে জানিবলৈ দিয়ে। মন কৰিবলগীয়া যে উক্ত অধিৱেশনত অসমৰ বিভিন্ন বৈদ্যুতিন আৰু ছপা সংবাদ মাধ্যমত কৰ্মৰত সাংবাদিক আৰু সংবাদকৰ্মীসকলৰ ন্যায্য প্ৰাপ্তিৰ লগতে সাংবাদিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আলোচনা কৰা হ'ব বুলি জনা গৈছে।

# শোণিতপুৰত আৰম্ভ স্ব-মূল্যায়নেৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩ জুন ঃ** নিজ নিজ বিদ্যালয়ৰ স্ব-মূল্যায়নেৰে কালিৰ পৰা ৪ মে'লৈকে অনুষ্ঠিত হ'ব লগা তৃতীয় পৰ্যায়ৰ গুণোৎসৱ শোণিতপুৰত আৰম্ভ হৈছে। উল্লেখ্য যে কালি জিলাখনৰ প্ৰত্যেকখন বিদ্যালয়ে স্ব-মূল্যায়নেৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ এনেদৰে আৰম্ভ কৰাৰ পিছত ৪ মে'লৈকে নিৰ্দিষ্ট সূচী অনুসৰি বিদ্যালয়সমূহত চৰকাৰে নিয়োজিত কৰা বহিঃমূল্যায়ক, অৰ্থাৎ নিৰীক্ষকৰ উপস্থিতিত গুণোৎসৱ সম্পন্ন হ'ব। কাইলৈৰ দিনটোত অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ৰবি শংকৰ প্ৰসাদে বিশেষ নিৰীক্ষক, অৰ্থাৎ বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকিব লগা এয়া তেজপুৰ চহৰৰ পল' ফিল্ডৰ হিন্দী মাধ্যমৰ ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ গুণোৎসৱত কালি প্ৰথম দিনটোৰ প্ৰাৰ্থনা সভাৰে আৰম্ভ হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিজয় কাণ্ডুলনাই আৰম্ভণিতে সকলো শিক্ষাৰ্থীক শুভেচ্ছা জ্ঞাপন কৰি দুদিনীয়া গুণোৎসৱৰ বাবে সকলো দিশ অৱগত কৰাৰ পিছত প্ৰাৰ্থনা সভাত বাতৰিকাকত পঢ়া, শপত বাক্য পাঠ, শাৰীৰিক অনুশীলন, মহৎ লোকৰ বাণী, নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভাষণৰ লগতে জাতীয় সংগীতেৰে এনেদৰে সমাপ্ত কৰিছে প্ৰাতঃসভাৰ কাৰ্যসূচী। উল্লেখ্য, শোণিতপুৰ জিলাৰ বালিপৰা, ঢেকীয়াজুলি, গাভৰু আৰু নদুৱাৰ শিক্ষা খণ্ডৰ অধীনস্থ ১১৬৮ খন বিদ্যালয়ত কাইলৈৰ পৰা বিশ্বনাথ চাৰিআলি, ওদালগুৰি আৰু নগাঁও জিলাৰ পৰা নিয়োজিত বিশেষ দায়িত্ববাহী ৩৯৭ গৰাকী এক্সটাৰনেল ইভালুৱেটৰে এই গুণোৎসৱত শিক্ষাৰ্থীসকলৰ বিগত লকডাউনৰ বৰ্ষৰ পাৰদৰ্শিতাৰ মূল্যায়ন কৰিব। এই তৃতীয় পৰ্যায়ৰ গুণোৎসৱত শোণিতপুৰ জিলাৰ চাৰিটা শিক্ষা খণ্ডৰ সৰ্বমুঠ ১,৪৩,১০৮ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। আনহাতে এই গুণোৎসৱত বিশেষ নিৰীক্ষক হিচাপে জিলাখনত কেবাগৰাকীও মন্ত্ৰীয়ে অংশ গ্ৰহণ কৰাৰ লগতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ ৬ গৰাকীকৈ শীৰ্ষ বিষয়াই অংশ গ্ৰহণ কৰি বিদ্যালয়সমূহত শিক্ষাৰ্থীৰ গুণগত মান নিৰূপণ কৰিব। তেজপুৰ চহৰৰ ৰাষ্ট্ৰভাষা বিদ্যালয়ত কাইলৈ অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ৰবি শংকৰ প্ৰসাদ নিৰীক্ষক হিচাপে উপস্থিত থকাৰ লগতে উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত ঐনাম শৰণ কুমাৰ সিং, আই এফ এছ বিষয়া ড° সত্যেন্দ্ৰ সিং, আই পি এছ বিষয়া দিগন্ত বৰা, আই এ এছ বিষয়া আকাশদ্বীপ আৰু আন এগৰাকী অতিৰিক্ত মুখ্য সচিব তথা আই এ এছ বিষয়া পৱন কুমাৰ বৰঠাকুৰ তেজপুৰৰ কেবাখনো বিদ্যালয়ৰ বিশেষ নিৰীক্ষক হিচাপে উপস্থিত থাকিব। তেজপুৰৰ মাজ দেউৰী গাঁও প্ৰাথমিক বিদ্যালয়, কেতেকীবাৰী এম ই আৰু কেতেকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ লগতে তেজপুৰ চহৰৰ ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ত এই ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াসকল নিৰীক্ষক হিচাপে উপস্থিত থাকিব। আনহাতে কালি বিদ্যালয়সমূহৰ স্ব-মূল্যায়নৰ দিনটোত এনেদৰে ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সুৰেশ চিৰোহীয়া, উপসভাপতি দুৰ্গামিয়ী বৰা, সদস্য জ্ঞান শৰ্মাৰ উপস্থিতিত এনেদৰে শিক্ষক-শিক্ষয়িত্ৰীসকলে পঠনেৰে স্ব-মূল্যায়ন কৰে ছাত্ৰ-ছাত্ৰীসকলক। সেইদৰে তেজপুৰৰ ঐতিহ্যমণ্ডিত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়তো কালি গুণোৎসৱৰ প্ৰথম দিনটোত এনে পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। একেদৰে ৰাজ্যখনৰ তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ অংশ হিচাপে কালিৰে পৰা শোণিতপুৰ জিলাতো ১,১৬৮খন বিদ্যালয়ৰ ১,৪৩,১০৮ গৰাকী শিক্ষাৰ্থীয়ে বাহ্যিক মূল্যায়নেৰে অৱতীৰ্ণ হৈছে। জিলাখনত ৪ মে'লৈকে চলিব লগা গুণোৎসৱৰ কালিৰ এই বাহ্যিক মূল্যায়নৰ দিনটোতে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ গুণোৎসৱৰ উপলক্ষে তেজপুৰৰ এখন ঐতিহ্যমণ্ডিত প্ৰাথমিক বিদ্যালয় 'কাৰ মেম'ৰিয়েল প্ৰাথমিক বিদ্যালয়'ত শিক্ষকৰ ভূমিকাত অৱতীৰ্ণ হোৱাৰ লগতে বিশেষ বাহ্যিক বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকে। উপায়ুক্তগৰাকীয়ে কণ কণ শিক্ষাৰ্থীসকলে অতি আকৰ্ষণীয়ভাৱে পৰিৱেশন কৰা বিদ্যালয়খনৰ প্ৰাৰ্থনা সভাতো এনেদৰে উপস্থিত থাকি শিক্ষাৰ্থীসকলৰ লগত যেন আপোন-পাহৰা হৈ শৈশৱৰ ছাত্ৰজীৱনলৈ উভতি যায়। ইয়াৰ পিছতেই উপায়ুক্তগৰাকীয়ে প্ৰত্যেকটো শ্ৰেণীকক্ষতে এনেদৰে প্ৰৱেশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। ইয়াৰ পিছতেই এগৰাকী বহিঃমূল্যায়ক হিচাপে পৰীক্ষাৰ দিশ পৰ্যবেক্ষণ কৰি শিক্ষাৰ্থীসকলৰ গুণগত মান নিৰূপণত দীঘলীয়া সময় ব্যস্ত থকা পৰিলক্ষিত হয়।



## প্ৰথমবাৰৰ বাবে খেলো ইণ্ডিয়াত ভাৰতৰ পৰম্পৰাগত ক্ৰীড়া

## এদিন পূৰ্বে আৰম্ভ হ'ল ভলীবল-কাবাদী

**পঞ্চকুলা, ৩ জুন ঃ** কাইলৈৰ পৰা অহা ১৩ জুনলৈ হাৰিয়ানাত অনুষ্ঠিত হ'ব খেলো ইণ্ডিয়া য়ুথ গেমছ । উল্লেখ্য যে হাৰিয়ানাত অনুষ্ঠিত হ'বলগা চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ ল'গোৰ নাম ৰখা হৈছে 'ধাকাড'। ৰফটাৰে সংগীতৰে সজোৱা চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ এনথমৰ ভিডিঅ'ত অংশ লৈছে অলিম্পিক স্বৰ্ণজয়ী নিৰজ চোপ্ৰাৰ লগতে অলিম্পিকত দেশক পদক দিয়া হাৰিয়ানাৰ খেলুৱৈ বজৰং পুনিয়া, ৰবী ডাহিয়া, সাক্ষী মালিক, ভাৰতীয় ক্ৰিকেটৰ প্ৰথম বিশ্বকাপৰ চেম্পিয়ন দলৰ অধিনায়ক কপিল দেব আৰু হাৰিয়ানাৰ ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী তথা প্ৰাক্তন তাৰকা হকী খেলুৱৈ সন্দীপ সিঙে। এইবাৰ চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত মুঠ ২৫ টা ইভেণ্টৰ ভিতৰত ভাৰতত জন্ম হোৱা পাঁচ বিধ খেলো থাকিব। এইবাৰৰ খেলো ইণ্ডিয়া য়ুথ গেমছৰ বিভিন্ন ইভেণ্টত আছে এথলেটিকছ , ফুটবল , বেডমিণ্টন , টেবুল টেনিছ , ভলীবল , হেণ্ডবল , মল্লযুঁজ , বাস্কেটবল , কাবাডী , বক্সিং ,খো-খো , গাটকা , থাংটা , কালাৰীপায়ুত্তু , যোগাসন , মালখম্ব , ভাৰোত্তোলন , টেনিছ , জুডো, আৰ্চাৰী , হকী , জিমনাষ্টিকছ , ছুইমিং , চাইক্লিং আৰু শ্বুটিং। ইফালে, আজিৰে পৰা চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ ভলীবল-কাবাদী খেল আৰম্ভ হৈছে। আজি ল'ৰা-ছোৱালীৰ প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হয়।

### আজিৰে পৰা চতুৰ্থ খেলো ইণ্ডিয়া

# ৩৬খন ৰাজ্যৰ ৪৭০০ কিশোৰ-কিশোৰীৰ অংশগ্ৰহণ

**পঞ্চকুলা, ৩ জুন ঃ** কৰ'নাৰ প্ৰত্যাহ্বান, ক্ৰীড়াপ্ৰেমীৰ উৎকণ্ঠা আৰু এজাক সপোন দেখা কিশোৰ-কিশোৰীৰ ৰোমাঞ্চকৰ মায়াময় সন্ধিক্ষণৰ মাজেৰে কাইলৈৰ পৰা হাৰিয়ানত আৰম্ভ হ'ব চতুৰ্থ খেলো ইণ্ডিয়া যুৱ গেমছ। উল্লেখ্য যে এক দৰ্শনীয় উদ্বোধনী অনুষ্ঠানৰ মাজেৰে মুকলি হ'ব চতুৰ্থ খেলো ইণ্ডিয়া যুৱ গেমছ। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰ লাল আৰু কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰ। টাউ দেৱী লাল ক্ৰীড়া কমপ্লেক্সৰ গেলেৰী ভৰ্তি ষ্টেডিয়ামত জনপ্ৰিয় ৰেপাৰ ৰফতাৰৰ শিৰোনামত অনুষ্ঠিত হ'বলগীয়া এই শ্ব'টোত উপস্থিত থাকিব লগা অন্য মুখ্য বিশিষ্ট ব্যক্তিসকল হ'ল কেন্দ্ৰীয় গৃহ, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ ৰাজ্যিক মন্ত্ৰী নিসিথ প্ৰমাণিক, হাৰিয়ানাৰ উপ-মুখ্যমন্ত্ৰী দুষ্যন্ত চৌতালা আৰু হাৰিয়ানাৰ ক্ৰীড়া মন্ত্ৰী এছ সন্দীপ সিং। ইফালে, সন্মানীয় অতিথিসকলৰ ভিতৰত থাকিব অলিম্পিক স্বৰ্ণজয়ী নিৰজ চোপ্ৰাৰ লগতে অলিম্পিকত দেশক পদক দিয়া হাৰিয়ানাৰ খেলুৱৈ বজৰং পুনিয়া, ৰবী ডাহিয়া, সাক্ষী মালিক, ভাৰতীয় ক্ৰিকেটৰ প্ৰথম বিশ্বকাপৰ চেম্পিয়ন দলৰ অধিনায়ক কপিল দেব আদি। উল্লেখ্য যে ইয়াৰপূৰ্বে ২০২০ ৰ জানুৱাৰীত গুৱাহাটীত সফলতাৰে হৈছিল তৃতীয় খেলো ইণ্ডিয়া য়ুথ গেমছ । হাৰিয়ানাৰ এই চতুৰ্থ সংস্কৰণৰ বিভিন্ন ইভেণ্টৰ খেলসমূহ পঞ্চকুলাৰ লগতে সাহাবাদ , আম্বালা , চণ্ডীগড় আৰু দিল্লীত অনুষ্ঠিত হ'ব । প্ৰায় পাঁচ হেজাৰ খেলুৱৈয়ে এই দুসপ্তাহ যোৱা ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰিব। এইবাৰ চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত মুঠ ২৫ টা ইভেণ্টৰ ভিতৰত ভাৰতত জন্ম হোৱা পাঁচ বিধ খেলো থাকিব। প্ৰথমবাৰৰ বাবে ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে খেলো ইণ্ডিয়া যুৱ গেমছৰ এই সংস্কৰণত অংশগ্ৰহণ কৰিছে। আয়োজক হাৰিয়ানাহ ৩৯৮ গৰাকী খেলুৱৈৰ সৰ্ববৃহৎ দলটোক সাজু কৰাৰ বিপৰীতে আন্দমান এণ্ড নিকোবাৰে ছজনীয়া আটাইতকৈ সৰু দলটো। হাৰিয়ানাৰ ক্ৰীড়া বিভাগৰ উপ-সঞ্চালক সত্যদেৱ মালিকে চতুৰ্থ খেলো ইণ্ডিয়া ইউথ গেমছ আয়োজন সন্দৰ্ভত কয় যে হাৰিয়ানা এখন ক্ৰীড়া ৰাজ্য আৰু গেমছত এক ঐতিহসিক পৰিৱেশ সৃষ্টি কৰিবলৈ আগ্ৰহী যিটো সকলোৱে চিৰদিনলৈ মনত ৰাখিব।

# কমনৱেলথ গেমছৰ ভাৰতীয় বক্সিং দলত অসমৰ শিৱ থাপা



**নতুন দিল্লী, ৩ জুন ঃ** অসমৰ দুবাৰৰ অলিম্পিয়ান বক্সাৰ শিৱ থাপাই আসন্ন কমনৱেলথ গেমছৰ ভাৰতীয় পুৰুষ বক্সিং দলত স্থান লাভ কৰিছে। উল্লেখ্য যে আজি পাটিয়ালাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় বাছনি শিবিৰৰ ফাইনেলত জয়লাভ কৰি আসন্ন কমনৱেলথ গেমছৰ ভাৰতীয় পুৰুষ বক্সিং দলত স্থান লাভ কৰিছে অসম সন্তান শিৱই। ফাইনেল মেচত ২০১৮ ৰ কমনৱেলথ গেমছৰ ৰূপৰ পদক বিজয়ী মনীষ কৌশিকক ৫-০ ত পৰাস্ত কৰি অভিজ্ঞ বক্সাৰ থাপাই ৬৩.৫ কেজি শাখাত দেশক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছে। ইফালে শিৱৰ লগতে ২০১৯ চনৰ বিশ্ব চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী অমিত পাংগলে দীপকক ৪-১ ত পৰাস্ত কৰি আসন্ন কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰে। উল্লেখ্য যে অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া কমনৱেলথ গেমছত ভাৰতীয় পুৰুষ বক্সিং দলে মুঠ আঠটা শাখাত খেলিব। আজি ভাৰতীয় দলত নিজৰ স্থান নিশ্চিত কৰা আন ছয়জন বক্সাৰ হ'ল ২০১৮ ৰ ব্ৰঞ্জৰ পদক বিজয়ী মহম্মদ হুছামুদ্দিন, ৰোহিত টোকাছ , বৰ্তমানৰ ৰাষ্ট্ৰীয় চেম্পিয়ন সুমিত, আশীষ কুমাৰ, সঞ্জীত আৰু সাগৰ। উল্লেখ্য যে ২০১৫ ৰ বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী অসম সন্তান শিৱই সহজে জয় অৰ্জন কৰাৰ লগতে মেচখনত আৰম্ভণিৰে পৰাই মনীষৰ ওপৰত অধিপত্য বিস্তাৰ কৰিছিল। ইফালে, পাংঘল আৰু দীপকৰ মাজৰ যুঁজখনত তীব্ৰ প্ৰতিদ্বিতা হয় যদিও জয়লাভ কৰে অভিজ্ঞতাই। স্মৰ্তব্য যে ২০১৮ ৰ কমনৱেলথ গেমছত ভাৰতীয় বক্সাৰসকলে দ্বিতীয় স্থান দখল কৰি তিনিটা সোণ তথা সমসংখ্যক ৰূপৰ লগতে তিনিটা ব্ৰঞ্জৰ পদকসহ মুঠ নটা পদক লাভ কৰিছিল। আজি কমনৱেলথ গেমছৰ ভাৰতীয় পুৰুষ বক্সিং দলৰ বাছনি হোৱাৰ পাছত অহা সপ্তাহত নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব বাৰ্মিংহাম গেমছৰ বাবে ভাৰতীয় মহিলা বক্সাৰৰ বাছনি।

## ৰাজ্যিক মাষ্টাৰ্ছ এথলেটিকছৰ সামৰণি

**গুৱাহাটী, ৩ জুন ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত দুদিনীয়াকৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। উল্লেখ্য যে পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ উৰ্ধ্বৰ পৰা ১০০ বছৰ উৰ্ধ্বৰ ১৪ টা শাখাত খেলুৱৈসকলৰ বাবে মুকলি থকা প্ৰতিযোগিতাখনত প্ৰায় তিনি শতাধীক খেলুৱৈয়ে অংশ লয়। ৮০ বছৰ উৰ্ধ্বৰ খেলুৱৈৰ অংশগ্ৰহণে দুদিনীয়া ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাখন দৰ্শকৰ বাবে ৰোমাঞ্চিত কৰি তোলে। প্ৰতিযোগিতাত খেলুৱৈসকলৰ প্ৰদৰ্শন আৰু উৎসাহে দৰ্শকক আপ্লুত কৰি ৰাখে। এই ৰাজ্যিক প্ৰতিযোগিতাৰ পৰা বাছনি হোৱা খেলুৱৈসকলে অহা ১৬-১৯ জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতাত অংশগ্ৰহনৰ সুবিধা লাভ কৰিব।

## জিয়াউৰ ৰহমান আন্তঃবিদ্যালয় ফুটবল

**গুৱাহাটী, ৩ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত দমন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু নাহৰণি উচ্চ মাধ্যমিক বিদ্যালয় দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছে । আজি অনুষ্ঠিত প্ৰথমখন খেলত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে মৰাণ ৰামচন্দ্ৰ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৮-১ গ'লৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে । ধমনৰ আকাশ মূড়াৰীয়ে হেট্ৰিক কৰাৰ পাচত ধনীৰাম গগৈয়েও তিনিটা গ'ল দি হেট্ৰিক অৰ্জন কৰে। আনহাতে, বিনন্দ চাওৰাই দুটা গ'ল দিয়ে । ৰামচন্দ্ৰৰ একমাত্ৰ গ'লটো দিয়ে ৰোহন নায়কে । আনহাতে দ্বিতীয়খন খেলত নাহৰণি উচ্চ মাধ্যমিক বিদ্যালয়ে ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ক ৪-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে । বিজয়ী দলৰ হৈ গ'ল দিয়ে ক্ৰমে, বিশাল সোনোৱাল, নৱজিত সোনোৱাল আৰু বিকাশ সোনোৱালে । খেল দুখন পৰিচালনা কৰে ক্ৰমে, জুন বৰগোহাঁই, ত্ৰিদিপ ফুকন, অভিজিত চুতীয়া, ৰাহুল গোৱালা আৰু মুনপলাশ ফুকনে ।

# আজি ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ খিতাপ জয়ৰ যুঁজ

### ফাইনেলত দৃঢ় ইগাৰ বিৰুদ্ধে সাহসী কোকো ঃ দ্বিতীয় ছেমিত আমেৰিকাৰ কিশোৰীৰ হাতত পৰাস্ত ইটালীৰ মাৰ্টিনা





**পেৰিছ, ৩ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কাইলৈ হ'বলগা মহিলাৰ একক শাখাৰ ফাইনেলত বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে খেলিব আমেৰিকাৰ কিশোৰী কোকো গাউফৰ বিৰুদ্ধে। উল্লেখ্য যে মহিলাৰ একক শাখাৰ দ্বিতীয়খন ছেমিফাইনেলত আমেৰিকাৰ কিশোৰী কোকো গাউফে বৃহস্পতিবাৰে নিশা ইটালীৰ মাৰ্টিনা ট্ৰেভিছানক ৬-৩, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ ফাইনেলত প্ৰৱেশ কৰি অভিলেখ গঢ়িছে আমেৰিকাৰ কিশোৰী কোকো গাউফে। খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱা আমেৰিকাৰ কিশোৰী কোকোই ২১ বছৰৰ ভিতৰত আটাইতকৈ কম বয়সীয়া ফ্ৰেন্স অ'পেনৰ চূড়ান্ত প্ৰতিযোগী হিচাপে পৰিগণিত হয় । এতিয়া বিশ্বৰ এক নম্বৰ ইগা ছিয়াটেকৰ বিৰুদ্ধে ফাইনেলৰ অন্তিম সংঘৰ্ষৰ বাবে সাজু আমেৰিকাৰ কিশোৰী কোকো। উল্লেখ্য যে ইয়াৰপূৰ্বে কানাডাৰ লেইলা ফাৰ্নাণ্ডেজৰ বিৰুদ্ধে পোনপটিয়া ছেট জয় কৰি কেৰিয়াৰত প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেম টেনিছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ইটালীৰ মাৰ্টিনা ট্ৰেভিছানে। উল্লেখ্য যে বিশ্বৰ ৫৯ নম্বৰ খেলুৱৈ ট্ৰেভিছানে ১৭ নং বাচনিৰ কানাডিয়ান খেলুৱৈগৰাকীক ৬-২, ৬-৩ ব্যৱধানত পৰাস্ত কৰে। বিপৰীতে আন এখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ কোকোই সতীৰ্থ স্লোৱেন ষ্টিফেন্সৰ বিৰুদ্ধে ৭-৫, ৬-২ ত জয়ী হৈছিল।

## এদিনীয়া ৰেপিড দবা প্ৰতিযোগিতা সম্পন্ন

**গুৱাহাটী, ১ জুন ঃ** বৰহোলা দবা একাডেমীৰ উদ্যোগত প্ৰাগজ্যোতিকা ছিনিয়ৰ চেকেণ্ডেৰী স্কুল আৰু যোৰহাট জিলা দবা সন্থাৰ সহযোগত বৰহোলাত দেওবাৰে অনুষ্ঠিত হয় এদিনীয়া ৰেপিড দবা প্ৰতিযোগিতা। প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সমাজকৰ্মী বিবুল হাজৰিকাই। উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে বৰহোলা মহাবিদ্যালয়ৰ প্ৰৱক্তা অমল সোণোৱালে। ৰাজ্যৰ বিভিন্ন জিলাৰ ৮১ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন মুঠ সাতটা ৰাউণ্ডত সম্পন্ন হয়। প্ৰতিযোগিতাত বিশিষ্ট অতিথি হিচাপে প্ৰাগজ্যোতিকা চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ সঞ্চালকদ্বয় অচ্যুত দীপ শইকীয়া আৰু অপূৰ্ব ডেকা, সদৌ অসম দবা সন্থাৰ মণ্ডলিক সম্পাদক পল্লৱ গোহাঁই, যোৰহাট জিলা দবা সন্থাৰ সভাপতি প্ৰতুল গগৈ, সম্পাদক মাধুৰ্য ভৰালী আদি উপস্থিত থাকি খেলুৱৈ সকলক উৎসাহিত কৰে। প্ৰতিযোগিতাখনত অৰবিটাৰ হিচাপে আছিল মানিক দণ্ড আৰু অপূৰ্ব সোণোৱাল। প্ৰতিযোগিতাত মুকলি শাখাত চেম্পিয়ন হয় ডিব্ৰুগড়ৰ চেনিৰাম পেগু, দ্বিতীয় বোকাজানৰ ৰিণ্টু ব্ৰহ্ম, তৃতীয় তিনিচুকীয়াৰ যুৱান দাস, চতুৰ্থ অভিজ্ঞান গোস্বামী, পঞ্চম মণিমোহন সিং, ষষ্ঠ পাৰ্থ প্ৰতীম গগৈ। আঠ বছৰৰ অনুৰ্ধত প্ৰথম চায়েদ শ্বাবাজ ফাৰহান, দ্বিতীয় দিম্পল শইকীয়া। ১০ অনুৰ্ধত প্ৰথম অভিশেষ বৰদলৈ, দ্বিতীয় আস্থাজিতা দাস। ১২ ৰ অনুৰ্ধত প্ৰথম আৱন দত্ত, দ্বিতীয় অনাংগ হৰ্ষ বৰঠাকুৰ, ১৪ ৰ অনুৰ্ধত প্ৰথম ময়ুৰ কৃষ্ণ হাজৰিকা, দ্বিতীয় আশ্ৰিক শিৰম, ১৬ৰ অনুৰ্ধত প্ৰথম ৰাইনী ঠেঙাল, দ্বিতীয় সৰস্বত ৰাজ ৰিথম।



ফ্ৰেন্স অ'পেনৰ এখন খেলত ৰাফেল নাডাল

## ফেব্ৰুৱাৰীৰ পৰা পৰাস্ত হোৱা নাই পোলেণ্ডৰ টেনিছ সুন্দৰী

### খিতাপৰ লগতে অভিলেখ ভংগৰ সুযোগ ইগাৰ

**পেৰিছ, ৩ জুন ঃ** আজি ৰোঁলা গেৰোত খিতাপ জয়ৰ লগতে ছেৰেনা উইলিয়ামছৰ অভিলেখ ভংগৰো সপোন দেখিছে পোলেণ্ডৰ টেনিছ সুন্দৰী ইগা ছিয়াটেকে। উল্লেখ্য যে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কাইলৈ হ'বলগা মহিলাৰ একক শাখাৰ ফাইনেলত বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে খেলিব আমেৰিকাৰ কিশোৰী কোকো গাউফৰ বিৰুদ্ধে। ছেমিফাইনেলত জয়ৰ পাছতে ছেৰেনা উইলিয়ামছক স্পৰ্শ কৰা ইগা কাইলৈৰ মেচলৈও আত্মবিশ্বাসী। উল্লেখ্য যে ইগা ছিয়াটেকে তিনি বছৰৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অ'পেন খিতাপ দখলৰ দিশত খোজ আগবঢ়াইছে। শীৰ্ষস্থানৰ ইগাই ছেমিফাইনেলত ৰাছিয়াৰ ডাৰিয়া কাছাটকিনাক ৬-২, ৬-১ ত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। এই জয়ৰে তেওঁ নিজৰ মেচ জয়ৰ ধাৰাটো ৩৪লৈ বৃদ্ধি কৰে। স্মৰ্তব্য যে ২০২০ ৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে যোৱা ফেব্ৰুৱাৰীৰ পৰা পৰাস্ত হোৱা নাই আৰু ২০১৩ ত ছেৰেনা উইলিয়ামছৰ ক্ৰমাগত ৩৪ খন মেচ জয়ৰ অভিলেখক স্পৰ্শ কৰিছে ফাইনেলত প্ৰৱেশ কৰি। ইয়াৰপূৰ্বে আমেৰিকাৰ জেচিকা পেগুলাৰ বিৰুদ্ধে কোৱাৰ্টাৰত সহজ জয়লাভ কৰি ইগাই ফ্ৰেন্স অ'পেনৰ অন্তিম চাৰিত প্ৰৱেশ কৰিছিল। ৬-৩, ৬-২ ত জয়ী হৈছিল পোলেণ্ডৰ তাৰকাগৰাকী। বিপৰীতে অন্য এখন কোৱাৰ্টাৰত দেশৰ সতীৰ্থ ৰাছিয়ান ভেৰ'নিকা কুডাৰমেট'ভাক ৬-৪, ৭-৬ ত পৰাস্ত কৰি ডাৰিয়া কাছাটকিনাই প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। কিন্তু ইগাৰ সন্মুখত তেওঁৰ সপোন যাত্ৰা সমাপ্ত হ'ল।





ফ্ৰেন্স অ'পেনৰ এখন খেলৰ বিজয়ৰ পিছত এগৰাকী খেলুৱৈ

## ৰাজ্যিক আন্তঃক্লাৱ টাইকোৱাণ্ড'ত চাবুৱা একাডেমীৰ সফলতা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চাবুৱা, ৩ জুন ঃ** গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দৰ ষ্টেডিয়ামত ২৭, ২৮, ২৯ আৰু ৩০ মে'ত চাৰিদিনকৈ অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃ ক্লাব টাইকোৱাণ্ড প্ৰতিযোগিতাত চাবুৱা টাইকোৱাণ্ড একাডেমীয়ে সফলতা অৰ্জন কৰিছে। এই কথা সদৰি কৰিছে একাডেমিৰ মুখ্য প্ৰশিক্ষক হাবিবুল্লা আহমেদে। উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি খেলুৱৈ সকলে ৩টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয় । পদক লাভ কৰা খেলুৱৈ সকল হৈছে ক্ৰমে— ৰশ্মি বৰগোহাঁই (ৰূপ), নন্দী বৰগোহাঁই (ৰূপ), উষা ঘাটোৱাৰ (ৰূপ) আৰু হায়ান খান (ব্ৰঞ্জ)। দলটোক নেতৃত্ববহন কৰিছিল ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিচাৰক মনোৰঞ্জন গোহাঁই আৰু সহ প্ৰশিক্ষক আছিফ আনচাৰিয়ে।

## প্ৰিয়ানুজলৈ অসম টেবুল টেনিছ সন্থাৰ দুই লাখ টকাৰ পুৰস্কাৰ

**গুৱাহাটী, ৩ জুন ঃ** সুদীৰ্ঘ ১০ বছৰৰ বিৰতিৰ পাছত অসমৰ প্ৰথমগৰাকী পেডলাৰ হিচাপে ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ টেবুল টেনিছ প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰিবলৈ সক্ষম হোৱা প্ৰতিভা সম্পন্ন খেলুৱৈ প্ৰিয়ানুজ ভট্টাচাৰ্যলৈ দুই লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে অসম টেবুল টেনিছ সন্থাই। উল্লেখ্য যে অসম টেবুল টেনিছ সন্থাৰ সভাপতি পীযুষ হাজৰিকাই আজি প্ৰিয়ানুজক দুই লাখ টকা দিয়াৰ কথা অৱগত কৰে বুলি জনাই অসম টেবুল টেনিছ সন্থাৰ সম্পাদক ত্ৰিদিপ দুৱৰাই। স্মৰ্তব্য যে ইন্দোৰত অনুষ্ঠিত হোৱা ৮৩ সংখ্যক কেডেট আৰু ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ ল'ৰা শাখাৰ ১৫ বছৰ অনুৰ্ধ শাখাত প্ৰিয়ানুজে গৌৰৱময় সফলতা লাভ কৰি নতুন ৰাষ্ট্ৰীয় চেম্পিয়ন হিচাপে ৰাজ্যলৈ আশাৰ বাতৰি লৈ আনিছে। সুদীৰ্ঘ ১০ বছৰৰ পাছত অসমৰ প্ৰথমগৰাকী পেডলাৰ হিচাপে তেওঁ ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ টেবুল টেনিছ প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। ফাইনেলত গুৱাহাটীৰ উদীয়মান খেলুৱৈগৰাকীয়ে হিমাচল প্ৰদেশৰ নমন ভাটনগৰক ৪-২ ৰ ব্যৱধানত হৰুৱাই নতুন ৰাষ্ট্ৰীয় চেম্পিয়নৰ সন্মান অৰ্জন কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে অসমৰ অন্তিমগৰাকী ৰাষ্ট্ৰীয় চেম্পিয়ন আছিল বাৰ্ডি বড়ো। তেওঁ ২০১২ ত ছাব-জুনিয়ৰ শাখাত ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিল। এটা দশকৰ অপেক্ষাৰ অন্তত প্ৰিয়ানুজ ভট্টাচাৰ্যই ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলি অসমৰ ক্ৰীড়াক্ষেত্ৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ এই সাফল্যই অসমৰ উদীয়মান পেডলাৰসকলক স্বাভাৱিকতেই প্ৰেৰণা দিব লগতে অসম টেবুল টেনিছৰ সোণালী দিন পুনৰ মুকলি হোৱাৰ আশা সজীৱ কৰিছে।

# কামৰূপ জিলা উশ্বু চেম্পিয়নশ্বিপৰ খেল বকোত সম্পন্ন

### ৰাজ্যিক পৰ্যায়ৰ খেলুৱৈ নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বকো, ৩ জুন ঃ** ক্ৰীড়া প্ৰতিভাৰ যোগেদি নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে সু স্বাস্থ্যৰ গৰাকী হোৱাৰ লক্ষ্যৰে কামৰূপ জিলা উশ্বু এচোছিয়েচনে আয়োজন কৰি আহিছে চেম্পিয়নশ্বিপ প্ৰতিযোগিতা। বিগত বছৰবোৰৰ দৰে এই বৰ্ষও কামৰূপ জিলাৰ বকোত আয়োজন কৰা হৈছে জিলা পৰ্য্যায়ৰ ২০২২ বৰ্ষৰ খেলখন। উল্লেখ্য যে যোৱা কালি অৰ্থাৎ ২ জুনৰ পৰা ৩ জুনলৈ বকোস্থিত বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত দুইদিনীয়াকৈ আয়োজন কৰা হৈছে প্ৰতিযোগিতাখন। কামৰূপ জিলা উশ্বু এচোছিয়েশ্যনৰ সভাপতি তথা ক্ৰীড়া সংগঠক নিত্যানন্দ বিয়োগী আৰু সম্পাদক দূৰ্গেশ্বৰ ৰাভাই জনোৱা মতে কামৰূপ জিলা উশ্বু এচোছিয়েশ্যনৰ উদ্যোগত এই বেলি পোন্ধৰ সংখ্যক বৰ্ষৰ চাৱ জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাৰ খেল অনুস্থিত কৰা হৈছে। ইফালে আগদিনা খেল খন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ফনিন্দ্ৰ চন্দ্ৰ নাথে। জানিব পৰা মতে জিলা খনৰ মুঠ আঠ টা খেলুৱৈ দলৰ প্ৰায় শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা খেলৰ আগদিনা ডেমো প্ৰদৰ্শন কৰা হয় আৰু আজি পুৱাৰে পৰা প্ৰতিদ্বন্দ্বিতা মুলক প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয়। যুৱ প্ৰতিভাৰ খেলুৱৈৰ ভৱিষ্যত উজ্জ্বল কামণা কৰি আৰু ৰাজ্যিক পৰ্যায়ৰ খেলুৱৈ নিৰ্বাচিত কৰিবলৈ আয়োজন কৰা খেলত প্ৰায় চল্লিশ গৰাকী খেলুৱৈয়ে ৰাজ্যিক পৰ্যায়ৰ খেলত সুযোগ লাভ কৰিছে। ইফালে আবেলিৰ বঁটা বিতৰণী সভাত উপস্থিত থাকে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ সুমিত ৰাভা; পৰিষদৰ ক্ৰীড়া সন্থাৰ সভাপতি তথা কাৰ্য্যবাহী পাৰিষদ আদিত্য ৰাভা; কামৰূপ জিলা পৰিষদৰ উপাধ্যক্ষ কাম্বু ৰাম ৰাভা; ৰাভা হাছং পৰিষদৰ সাধাৰণ পাৰিষদ অৰ্জুন চেত্ৰী; বিশিষ্ট সমাজকৰ্মী তৰুণ বড়ো; অৱসৰপ্ৰাপ্ত বন বিষয়া ভৱেশ দাসৰ উপৰিও বহু কেইজন বিশিষ্ট অতিথি।



## যোগীজান শিক্ষা খণ্ডৰ আমবাৰী এল পি স্কুলৰ প্ৰধান শিক্ষকলৈ কাৰণ দৰ্শোৱাৰ জাননী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৩ জুন ঃ** হোজাই জিলাৰ যোগীজান খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ অন্তৰ্গত আমবাৰী এল পি স্কুলৰ প্ৰধান শিক্ষকলৈ আজি প্ৰাথমিক শিক্ষা বিষয়াই কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি আমবাৰী এল পি স্কুলত ১৮০গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে চাৰিগৰাকী শিক্ষক আছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক কবিৰ আহমেদ লস্কৰৰ লগতে তিনিগৰাকী সহঃ শিক্ষক ক্ৰমে ফাতিমা বেগম, হীৰেন বিশ্বাস আৰু অৰবিন্দ দে’ । ইয়াৰে অৰবিন্দ দে’ নামৰ শিক্ষকগৰাকী দৈনিক সময় মতে বিদ্যালয়ত উপস্থিত হোৱাৰ বিপৰীতে বাকী আটাইকেইগৰাকী শিক্ষকৰ বিৰুদ্ধে কৰ্তব্যত ফাকি দিয়াৰ অভিযোগ উঠিছে। আজি দিনৰ দহমান বজাত বিদ্যালয়খনত দে’ উপাধিৰ শিক্ষকগৰাকী বাদে কোনো এগৰাকী শিক্ষক উপস্থিত নথকা দেখি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কপিল উদ্দিনে বিষয়টো হোজাই জিলাৰ যোগীজান খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰণৱ বৰাক অৱগত কৰে। একেদৰে বিষয়টো ডবকাৰ এগৰাকী সাংবাদিকে টুইটাৰযোগে শিক্ষামন্ত্ৰী ৰণোজ পেগু, মুখ্যমন্ত্ৰীৰ কাৰ্যালয় আৰু হোজাই জিলা প্ৰশাসনক অৱগত কৰে । যোগীজান শিক্ষা খণ্ডৰ বিষয়াগৰাকীয়ে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি তাৎক্ষণিকভাৱে আমবাৰী এল পি স্কুলৰ প্ৰধান শিক্ষক কবিৰ আহমেদ লস্কৰ সমন্বিতে কৰ্তব্যত ফাকি দিয়াৰ অভিযোগ উঠা আটাইকেইগৰাকী শিক্ষকৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। অভিযুক্ত শিক্ষকসকলে বিষয়াগৰাকীৰ শ্ব’কজৰ সন্তোষজনক উত্তৰ দিব নোৱাৰিলে পৰৱৰ্তী সময়ত কঠোৰ ব্যৱস্থা লোৱাৰ ইংগিত দিছে শিক্ষা বিষয়াগৰাকীয়ে।

## ব্যতিক্ৰমী কাৰ্যসূচীৰে কামানডাংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গুণোৎসৱৰ সম্পন্ন

### গুণোৎসৱৰ কাৰ্যসূচীত বাল্য বিবাহৰ বিৰুদ্ধে বাটৰ নাট প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৩ জুন ঃ** অন্ধবিশ্বাস, বাল্য বিবাহ আদি সমাজৰ ব্যাধি। চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ পিছতো যেতিয়া ইয়াক নিৰ্মূল কৰিব নোৱৰা হৈছে ঠিক তেনে সময়তে বিদ্যালয়ৰ কিশোৰ-কিশোৰীৰ মাজত বাল্য বিবাহ সম্পৰ্কে সজাগতামূলক চিন্তাধাৰাই সমাজক ব্যাপক পৰিৱৰ্তন আনিব বুলি আশা কৰিব পাৰি। সমান্তৰালভাৱে শিক্ষাই জাতিৰ মেৰুদণ্ড, শিক্ষা অবিহনে কোনো জাতি কেতিয়াও আগুৱাই যাব নোৱাৰে। এই বাক্যশাৰী বুকুত বান্ধি লৈ সংখ্যালঘু অধিষ্ঠিত অঞ্চলত অৱস্থিত কামানডাঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলটোৰ অভিভাৱকসকলে শিক্ষাৰ যোগেদি পিছপৰা অঞ্চটোৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াৰ সপোন দেখিছে । তাৰে ফলত শিক্ষাৰ লগত সংগতি থকা বিভিন্ন কাৰ্যসূচীৰ ক্ষেত্ৰত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে আগবাঢ়ি থকা পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ মাজতে বিদ্যালয়খনত দেখা যায় ব্যতিক্ৰমী দৃশ্য। এই ব্যতিক্ৰমী দৃশ্যৰ মাজেৰে ধুবুৰী জিলা শিক্ষা বিভাগৰ অধীনস্থ কামানডাংগা



উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ব্যতিক্ৰমী কাৰ্যসূচীৰে গুণোৎসৱৰ বহিঃমূল্যায়ন সম্পন্ন হয় । আজি পুৱা প্ৰাতঃ সভাৰ জৰিয়তে কাৰ্যসূচীৰ আৰম্ভণি কৰাৰ পিছত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেড আৰু চালনি-বাতিৰে নৃত্য-গীত পৰিৱেশন কৰি অতিথিসকলক আদৰণি জনায়। পিছত পৰ্যবেক্ষকসকলৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলৰ বহিঃমূল্যায়ন কৰা হয় । নিমন্ত্ৰিত অতিথি আৰু পৰ্যবেক্ষকসকলৰ সন্মুখত ছাত্ৰ-ছাত্ৰীসকলে সজাগতামূলকভাৱে আমাৰ সমাজত প্ৰচলিত তথা কু-সংস্কাৰ বাল্য বিবাহ বিৰুদ্ধে এখন বাটৰ নাট প্ৰদৰ্শন কৰে। মন কৰিবলগীয়া কথা যে পূৰ্বতে কামানডাংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন কামানডাংগা উচ্চতৰ মাধ্যমিক মাদ্ৰাছা হিচাপে পাঠ দান কৰাৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলে যি অসুবিধাৰ সন্মুখীন হৈছিল মাদ্ৰাছাখন বিদ্যালয়লৈ পৰিৱৰ্তন কৰি শিক্ষাৰ মূলসুঁতিলৈ অহাত সেই অসুবিধাসমূহ দূৰ হৈছে বুলি বিদ্যালয়খনৰ অধ্যক্ষ তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে জানিবলৈ দিয়ে। উল্লেখ্য যে বিগত বছৰবোৰৰ গুণোৎসৱত কামানডাংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে প্ৰথম স্থান পাবলৈ সক্ষম হৈছিল। গুণোৎসৱে সামৰি লোৱা প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ ৬৫১গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ এনে শৈক্ষিক পৰিৱেশ প্ৰত্যক্ষ কৰি মুগ্ধ হয় বহিঃমূল্যয়ক বিষয়াসকলে । প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ থকা কামানডাংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ অসুবিধাৰ কথা ব্যক্ত কৰে বিদ্যালয়খনৰ অধ্যক্ষ গৰাকীয়।

## এছ চি চি ৰাজ্যিক প্ৰশিক্ষণ শিবিৰৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ৩ জুন ঃ** ষ্টুডেণ্ট কেডেট ক্ৰপছ (এছ চি চি)ৰ ৰাজ্যিক সমিতিৰ উদ্যোগত ১৩ মে’ৰ পৰা ১৭ মে’লৈ পাঁচদিনীয়া কাৰ্যসূচীৰে ছাত্ৰ-ছাত্ৰীসকলৰ ৰাজ্যিক ভিত্তিত ৰাজ্যিক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছিল। উক্ত প্ৰশিক্ষণ শিবিৰত ৰাজ্যখনৰ কেইবাখনো জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। ১৫টা বিষয়ৰ ওপৰত অনুষ্ঠিত হোৱা প্ৰশিক্ষণত অংশগ্ৰহণ কৰি বহুতো ছাত্ৰ-ছাত্ৰী আজি সাফল্য লাভ কৰিলে। আজি এছ চি চি ৰাজ্যিক সমিতিৰ সভাপতি ছাব্বিৰ হুছেইন, সাধাৰণ সম্পাদক সঞ্জয় শৰ্মা, প্ৰশিক্ষণ সম্পাদকৰ মুৰব্বী হিৰামণি ৰহমান, প্ৰচাৰ বিভাগৰ মুৰব্বী দিলীপ কলিতা, উপ-সভাপতি মস্তোফা কামালৰ তৎপৰতাত ৰাজ্যিক প্ৰশিক্ষণ বিভাগে আজি ফলাফল ঘোষণা কৰে। উক্ত ফলাফলত কেইবাখনো জিলাৰ প্ৰায় ৩০০গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে ৰাজ্যিক সভাপতি, সাধাৰণ সম্পাদক, প্ৰশিক্ষণ সম্পাদক, উপ-সভাপতি, প্ৰচাৰ সম্পাদক আৰু বিভিন্ন বিষয়ববীয়াই। ৰাজ্যিক সভাপতিগৰাকীয়ে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জনাই কয় যে- এছ চি চিৰ ৰাজ্যিক প্ৰশিক্ষণ শিবিৰত উত্তীৰ্ণ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ মোৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। আশা কৰিছোঁ এই প্ৰশিক্ষণত উত্তীৰ্ণ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশ কৰি নিজৰ নিজৰ লক্ষ্যত উপনীত হ’ব পাৰিব। অনাগত দিনত উত্তীৰ্ণ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে এছ চি চিৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থাকে আৰু বিভিন্ন প্ৰশিক্ষণত অংশগ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা দেখুৱায়, তাৰ বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ মোৰ আহ্বান। এছ চি চি ৰাজ্যিক প্ৰশিক্ষণত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ লক্ষ্যত উপনীত হওক। সকলোৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

## কমাৰগাঁৱৰ পানীদিহিঙীয়াত পথ দুৰ্ঘটনা

### আহত এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৩ জুন ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও থানাৰ অন্তৰ্গত পানীদিহিঙীয়াত আজি পুৱা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই এখন মালবাহীট্ৰাকে খুন্দা মাৰে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৰখাই থোৱা আন এখন মালবাহী ট্ৰাকত। প্ৰত্যক্ষদৰ্শীয়ে সদৰী কৰা অনুসৰি পুৱাৰ ভাগত দেৰগাঁৱৰ দিশৰ পৰা তীব্ৰ বেগত আহি থকা AS-01 NC-2491 নম্বৰৰ ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত ৰখাই থোৱা AS-05 C-9397 নম্বৰৰ ট্ৰাকখনত খুন্দা মাৰে। আনহাতে, উক্ত স্থানত ৰখাই থোৱা AS-02 5EC-4678 নম্বৰৰ আন এখন ট্ৰাকে প্ৰথমে দুৰ্ঘটনাগ্ৰস্ত AS-05 C-9397 নম্বৰৰ ট্ৰাকৰ পাছফালে খুন্দা মৰাৰ উপৰি AS-02 5EC-4678 নম্বৰৰ ট্ৰাকখনত অন্য এখন ট্ৰাকে খুন্দা মাৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইফালে ঘটনাস্থলীত কমাৰগাঁও আৰক্ষীৰ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে আহত চালকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰি দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা আনখন ট্ৰাকৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে।

## কণী বেপাৰীৰ পৰা কোটিপটি হোৱা নলবাৰীৰ এগৰাকী লোকৰ কথাৰে...

### ১২জন অসমীয়া যুৱকক দিছে সংস্থপন ঃ বহুত দুখীয়া লোকক আগবঢ়াইছে সহায়




**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩ জুন ঃ** নিজৰ কষ্টসহিষ্ণুতা আৰু অধ্যৱসায়ৰ বাবে যে শূন্যৰ পৰা কোটিপটি হ’ব পাৰে তাৰ প্ৰমাণ দাঙি ধৰিবলৈ সক্ষম হৈছে নলবাৰীৰ এগৰাকী লোকে। বৰ্তমান সময়ত চৰকাৰী চাকৰি, কৰ্মসংস্থাপনৰ বাবে হাজাৰ হাজাৰ লোকে হাবাথুৰি খাই থকা সময়তে নলবাৰীত তনিৰুদ্দিন আহমেদ নামৰ লোকজনে সংস্থাপন দিছে বহুকেইগৰাকী অসমীয়া যুৱকক। হাইস্কুলত পঢ়ি থকা অৱস্থাতে প্ৰথমে তেওঁ গুৱাহাটীত কণী বিক্ৰী কৰি উপাৰ্জিত ধনেৰে পিছত চুপাৰি বেপাৰ, কেৰাচিনৰ বেপাৰ আৰু গেলামালৰ বেপাৰ আৰম্ভ কৰি লাভৰ মুখ দেখিবলৈ পায়। এনেকৈয়ে তেওঁ মেট্ৰিক পাছ কৰি আৰু একাগ্ৰতাৰে ধন উপাৰ্জনত মগ্ন হৈ পৰে। ১৯৮৪ চনত তেওঁ নলবাৰী ছোৱালী হাইস্কুলৰ সন্মুখত ৰিক্সা গেৰেজ খুলি ১৭৮খন ৰিক্সাৰ গৰাকী হৈ পৰে। নলবাৰীৰ বাটসৰ গাঁৱৰ হজৰত আলী আৰু আচিয়া বিবিৰ কনিষ্ঠ পুত্ৰ তনিৰুদ্দিনক তেওঁৰ ৰিক্সা গেৰেজৰ সাতখন ৰিক্সা এদিন চুৰি হোৱাত ককায়েকে তেওঁক গালি পৰাত কৰ্মঠ তনিৰুদ্দিনে হাতত বিছ টকা লৈ তেজপুৰলৈ পলাই যায়। তাতো তেওঁ বহি নাথাকিল। বাছৰ কাউণ্টাৰত কাম কৰি আৰু পিছলৈ প্ৰশিক্ষণ লৈ তেওঁ বাছৰ হেণ্ডিমেন হৈ পৰে। উক্ত কৰ্মৰে পইচা সঞ্চয় কৰি তেওঁ এদিন বাছৰ মালিক হৈপৰে। লাহে লাহে চহকী হ’বলৈ লোৱা তনিৰুদ্দিনে ২০০০-২০১৭ চনলৈ নলবাৰী বাছ শ্ৰমিক সন্থাৰ সম্পাদক হৈ থকা সময়ত বাছত কৰ্মৰত বহু দুখীয়া শ্ৰমিক, হেণ্ডিমেনৰ পৰিয়ালত টিনপাত, কাপোৰ-কানি, খাদ্যবস্তু কিনি দি সহায় কৰে। দিনক দিনে কষ্টোপাৰ্জিত ধনেৰে উন্নতি কৰিবলৈ লোৱা আহমেদে ২০০৯ চনত নলবাৰী-বৰমা ৰোডত ‘চাহিল হোণ্ডা ডিলা’ৰ আৰু ২০২১ চনত নলবাৰী-ধমধমা পথত য়ামাহাৰ ডিলাৰ খুলি ব্যৱসায় আৰম্ভ কৰে। পিছত উক্ত হোণ্ডা ডিলাৰটো তেওঁৰ এজন বন্ধুলৈ হস্তান্তৰ কৰি বৰ্তমানে পৰিসৰ বঢ়াই ন-কৈ সজাই-পৰাই উক্ত য়ামাহা ডিলাৰেৰে ব্যৱসায় চলাই লাভৱান্বিত হৈছে যদিও ক’ভিড পৰিস্থিতিৰ লকডাইনে তেওঁৰ ব্যৱসায়ত কেইবা লক্ষ টকা ক্ষতি কৰিছে বুলি আহমেদে সদৰী কৰিছে। তেওঁৰ য়ামাহা বাইক-স্কুটী ডিলাৰত বাৰজন লোক সংস্থাপিত হৈ আছে। অৱশ্যে মধ্যবিত্ত পৰিয়াল আৰু দুখীয়া পৰিয়ালৰ শিক্ষিত যুৱকক কৰ্মসংস্থানৰ তাগিদাত বাকীকৈ বাইক-স্কুটী বিক্ৰীৰে সহায় কৰি তেওঁ ব্যৱসায়ত লোকচান ভৰিব লগা হোৱা বুলিও সদৰী কৰে। ব্যৱসায় তথা কষ্টোপাৰ্জিত ধনেৰে তেওঁ এতিয়া নলবাৰী জে’ল ৰোডৰ স্থায়ী বাসিন্দা হৈ পৰাৰ লগতে চহৰৰ মিলনপুৰ, গণেশ মন্দিৰ, জে’ল ৰোড আদি ঠাইত ভূমি ক্ৰয় কৰিছে আৰু নতুন ব্যৱসায়েৰে অসমীয়া যুৱক-যুৱতীক সংস্থাপন দিয়াৰ আশা পুহি ৰাখিছে। তেওঁৰ ব্যৱসায়ত পত্নী জাহানাৰা বেগমে সহযোগ কৰাৰ লগতে জীয়ৰী তথা জনপ্ৰিয় গায়িকা নিলুফাৰ নাচৰিণ আৰু একমাত্ৰ পুত্ৰ চাহিলে উৎসাহিত কৰি আহিছে।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি